● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগ্‌দৰ্শন**

আশাহত সকলে
বিদ্ৰোহ নকৰে,
কিয়নো বিদ্ৰোহ এক
আশাৰেই কাৰ্য।

পীটাৰ ক্ৰ'পোটকিন
*ৰুছ বিপ্লৱী-লেখক*



৭ কম মানুহে বিচাৰ ব্যৱস্থাৰ কাষ চাপিব পাৰে ঃ ৰামানা
১৫ কমনৱেলথ গেমছৰ পৰা বিদায় শিৱ থাপাৰ
৪ অসমৰ অৰ্থনীতিয়ে জীৱিকাৰ পথ সৃষ্টি নকৰে

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৯২তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১৫ শাওণ ১৪২৯ ভাস্কৰাব্দ ১ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 1 August 2022 মূল্য ঃ ৯.০০ টকা

■ ঝাৰখণ্ডত জেএমএম-কংগ্ৰেছ চৰকাৰ ওফৰোৱাৰ চেষ্টা বিজেপিৰ ■ নগদ ধনসহ ধৃত তিনি কংগ্ৰেছ বিধায়ক ■ প্ৰতি বিধায়কলৈ ১০ কোটিৰ টোপ ■ তদন্ত কৰিব পশ্চিমবংগৰ চিআইডিয়ে

# ঝাৰখণ্ডৰ বিধায়কক মন্ত্ৰিত্ব-১০ কোটিৰ টোপ

■ এজাহাৰত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নাম উল্লেখ ■ কংগ্ৰেছত পুৰণি বন্ধু আছে ঃ প্ৰতিক্ৰিয়াত ক'লে

■ নিউজ ব্যুৰ'/ষ্টাফ ৰিপ'ৰ্টাৰ

কলকাতা/ৰাঁচী/গুৱাহাটী, ৩১ জুলাই ঃ মহাৰাষ্ট্ৰত শিৱসেনা-কংগ্ৰেছ-এনচিপিৰ মিত্ৰজোঁটৰ চৰকাৰ ওফৰোৱাৰ পাছত বিজেপিয়ে এইবাৰ ঝাৰখণ্ডক লক্ষ্য কৰি লোৱাৰ অভিযোগ উঠিছে। কলকাতাৰ হাওৰাত বৃহৎ পৰিমাণৰ নগদ ধনসহ ঝাৰখণ্ডৰ তিনিজন কংগ্ৰেছ বিধায়ক গ্ৰেপ্তাৰ হোৱাৰ ঘটনাৰ আঁত ধৰিয়ে এই অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে নগদ ধনসহ আটক তিনি বিধায়কৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰৰ তদন্ত কৰিব পশ্চিমবংগৰ অপৰাধ অনুসন্ধান বিভাগ (চিআইডি)এ। ইতিমধ্যে কংগ্ৰেছে তিনিওজন বিধায়কক নিলম্বন কৰিছে। ১০ পৃষ্ঠাত চাওক



*বৃহৎ পৰিমাণৰ নগদ ধনসহ হাওৰাত ধৰা পৰিল ঝাৰখণ্ডৰ তিনি বিধায়ক।*



*কমনৱেলথ গেমছৰ ভাৰোত্তোলনত ভাৰতৰ দ্বিতীয় স্বৰ্ণজয় মিজোৰামৰ জেৰেমি লালৰিনুংগাৰ।*

## মৌলবাদীৰ ভাবুকি

■ প্ৰাঞ্জলসেন ডেকা

**বাংলাদেশী** জেহাদী সংগঠনে অসমতো ইয়াৰ কাৰ্যকলাপৰ প্ৰসাৰ ঘটাইছে বুলি আৰক্ষীয়ে অব্যাহত ৰখা অভিযানে বিগত কিছুদিনত যথেষ্ট প্ৰচাৰ লাভ কৰিছে। ঘাইকৈ বৰপেটা আৰু মৰিগাঁও জিলাৰ লগতে গুৱাহাটী মহানগৰীতো প্ৰায় এডজন লোকক জেহাদী গোটৰে সম্পৰ্ক থকাৰ সন্দেহত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি সোধ-পোছ অব্যাহত ৰাখিছে। মৰিগাঁও জিলাৰ দুজন ধৰ্মীয় মাদ্ৰাছাৰ শিক্ষককো এই অভিযান কালত মৌলবাদী সংগঠনৰ হৈ কাম কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে। উক্ত মাদ্ৰাছালৈ বিদেশী পুঁজিৰ ১০ পৃষ্ঠাত চাওক

## ৰেলৰ ইঞ্জিনে মহটিয়াই নিলে গাড়ী, নিহত পুত্ৰসহ দম্পতী



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/পুৰণিগুদাম, ৩১ জুলাই ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অন্তৰ্গত ১০ পৃষ্ঠাত চাওক

## জেহাদী কাৰ্যকলাপৰ অভিযোগ উত্থাপিত মাদ্ৰাছা বন্ধ কৰা হ'ব

■ মুখ্যমন্ত্ৰীৰ ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩১ জুলাই ঃ** জেহাদী কাৰ্যকলাপ চলাৰ অভিযোগ থকা ধৰ্মীয় মাদ্ৰাছা চৰকাৰে শীঘ্ৰে বন্ধ কৰাৰ আজি ইংগিত দিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। জনতা ভৱনৰ চৌহদত সাংবাদিকৰে হোৱা বাৰ্তালাপত ১০ পৃষ্ঠাত চাওক

## মুক্তি বান্নাত মাদ্ৰাছাৰ মুৰব্বীসহ পাঁচ শিক্ষকক

**অগ্ৰদূত বাৰ্তা/বিশেষ সংবাদদাতা**

**ভুৰাগাঁও/বৰপেটা, ৩১ জুলাই ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ চহৰীয়াপাম জমিৰ উল হুদা মাদ্ৰাছাৰ ধৃত মুৰব্বী মুফটি মহম্মদ মুস্তাফাক ভাৰতীয় উপ-মহাদেশত অল কায়দা (আকিছ)ৰ প্ৰধান গোট আনছাৰউল্লাহ বাংলা টীম (এবিটি)ৰে দীৰ্ঘদিনীয়া ১০ পৃষ্ঠাত চাওক

বহু চিৰসেউজ অসমীয়া গীতৰ কণ্ঠ নিগৰাইছিল

## প্ৰসিদ্ধ সংগীতশিল্পী নিৰ্মলা মিশ্ৰৰ কলকাতাত দেহাৱসান

হৃদৰোগত আক্ৰান্ত ঃ আজি শেষকৃত্য



■ **নিউজ ব্যুৰ'/ষ্টাফ ৰিপ'ৰ্টাৰ**

**কলকাতা/গুৱাহাটী, ৩১ জুলাই ঃ** দেশৰ এগৰাকী প্ৰসিদ্ধ গায়িকা নিৰ্মলা মিশ্ৰৰ যোৱা নিশা দক্ষিণ কলকাতাৰ চেতলাস্থিত নিজ বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮১ বছৰ। দীৰ্ঘদিন অসুস্থ হৈ থকা শিল্পীগৰাকীয়ে যোৱা মাজনিশা গুৰুতৰভাৱে হৃদৰোগত আক্ৰান্ত হৈ ১০ পৃষ্ঠাত চাওক

## বস্ত্ৰ দপ্তৰৰ পৰা ৫০ লাখ পতাকা কিনিব অসমে

**ঘৰে ঘৰে ত্ৰিৰংগ সফল কৰিবলৈ ব্যাপক কাৰ্যসূচী গ্ৰহণ ৰাজ্য চৰকাৰৰ**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩১ জুলাই ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান মৰ্মে অসমতো স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে 'হৰ ঘৰ ত্ৰিৰংগা' (প্ৰতি ঘৰত ত্ৰিৰংগা) কাৰ্যসূচী সফলতাৰে ৰূপায়ণৰ উদ্যোগ গ্ৰহণ কৰিছে অসম চৰকাৰে। ১০ পৃষ্ঠাত চাওক

## পেট্ৰ'লত ১.০১ টকা-ডিজেলত এটকা বৃদ্ধি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩১ জুলাই ঃ** যোৱা দুমাহ মূল্য স্থিৰে থকাৰ পাছত ভাৰতীয় তেল কোম্পানীবোৰে আজি একেকোবে পেট্ৰ'ল আৰু ডিজেলৰ মূল্য ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী, ১ আগষ্ট, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

# পূব অসমৰ আইন শৃংখলা পৰিস্থিতি স্পৰ্শকাতৰ

## স্বাধীনতা দিৱসৰ নিৰাপত্তা ব্যৱস্থা আলফা (স্বাঃ)ৰ সক্ৰিয়তাক লৈ পৰ্যালোচনা

### ডিব্ৰুগড়ত আৰক্ষী সঞ্চালক প্ৰধানৰ গুৰুত্বপূৰ্ণ বৈঠক

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ৩১ জুলাই ঃ** সমাগত স্বাধীনতা দিৱসৰ নিৰাপত্তাৰ দিশটো পৰ্যালোচনাৰ লগতে পূব অসমৰ কে'বাখনো জিলাত আলফা (স্বাধীন)ৰ সক্ৰিয়তা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত আজি ডিব্ৰুগড়ত অসম আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ লগত দীঘলীয়া আলোচনাত মিলিত হয়। স্থানীয় এখন ৰিজ'ৰ্টত অনুষ্ঠিত হোৱা আলোচনাত ডিব্ৰুগড়, তিনিচুকীয়া, শদিয়া আৰু ধেমাজি জিলাৰ আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষক আৰু থানাসমূহৰ ভাৰপ্ৰাপ্ত বিষয়াসকল উপস্থিত থাকে। মহন্তই স্বাধীনতা দিৱসৰ নিৰাপত্তা দিশটো ছয় পৃষ্ঠাত চাওক

# বহলপুৰত ৰেলৱে দলঙৰ পৰা পৰি দুই যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ৩১ জুলাই ঃ** ধুবুৰী জিলাৰ চাপৰ আৰক্ষী থানাৰ অন্তৰ্গত বহলপুৰত বিগত চাৰিটা দিনত দুজনকৈ যুৱকৰ ৰেলৱে দলঙৰ পৰা পৰি মৃত্যু হয়। যোৱা নিশা বহলপুৰ নাথপাৰাৰ ভৱানী ৰায় (৩৬) নামৰ যুৱক এজন প্ৰায় ১৫ ফুট ওপৰৰ ৰেলৱে দলঙৰ ওপৰৰ পৰা তলত সৰি পৰি গুৰুতৰভাৱে আহত হয় । পাছত তেওঁক বঙাইগাঁৱলৈ ছয় পৃষ্ঠাত চাওক

# স্বাধীনতা দিৱসৰ পূৰ্বে সম্পাদিত হ'ব শান্তি চুক্তি

## আলফা আৰু কেন্দ্ৰীয় চৰকাৰৰ শান্তি আলোচনা চূড়ান্ত পৰ্যায়ত উপনীত হোৱা বুলি ক'লে অৰবিন্দ ৰাজখোৱাই



নটসূৰ্য ফণী শৰ্মাৰ মৃত্যু বাৰ্ষিকীত সমাধিত শ্ৰদ্ধাঞ্জলি অৰ্পণ, সোমবাৰে।

অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ৩১ জুলাই ঃ** আলফা আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত চলি থকা শান্তি আলোচনা এক চূড়ান্ত পৰ্যায়ত উপনীত হোৱাৰ দিশত অগ্ৰসৰ হৈছে। এই ইংগিত দি 'সংযুক্ত মুক্তি বাহিনী, অসম'ৰ সভাপতি (আলোচনাপন্থী) অৰবিন্দ ৰাজখোৱাই এক বিবৃতিত প্ৰকাশ কৰে যে বিগত দুটা বছৰ ধৰি শান্তি আলোচনা স্থগিত ৰখা হৈছিল, বৰ্তমান সময়ত আলফাৰ প্ৰতিনিধি দলটোৱে কেন্দ্ৰীয় চৰকাৰে নিয়োগ কৰা মধ্যস্থতাকাৰী এ কে মিশ্ৰাৰ মধ্যস্থতাত আলোচনা সম্পাদন কৰে। আলফাৰ উপৰি মিশ্ৰাই উত্তৰ-পূবৰ অন্য উগ্ৰপন্থী দলসমূহৰ লগত আলোচনাত মিলিত হৈছে। ৰাজখোৱাই সদৰী কৰা মতে, সংগঠনটোৰ মূল দাবীসমূহৰ বিষয়ে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা সম্পাদন হৈ গৈছে। আলফাই এতিয়া মাথোঁ এখন ফলপ্ৰসূ চুক্তিৰ স্বাক্ষৰৰ বাবে প্ৰতীক্ষা কৰি আছে। অৱশ্যে এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে এই সন্দৰ্ভত কোনো ধৰণৰ আনুষ্ঠানিক সিদ্ধান্ত গ্ৰহণ কৰা নাই। অসমৰ খিলঞ্জীয়া লোকসকলৰ ন্যায্য অধিকাৰ প্ৰদান কৰি তাক সুনিশ্চিত কৰিলেহে আলফাই কেন্দ্ৰীয় চৰকাৰৰ লগত সম্পাদন হ'ব পৰা চুক্তিত স্বাক্ষৰ কৰিব। যদিহে কেন্দ্ৰীয় চৰকাৰে এই সন্দৰ্ভত সিদ্ধান্ত ল'বলৈ পলম কৰে বা এই বিষয়সমূহত আলফাই অনিশ্চয়তা দেখা পায় তেনেস্থলত আলফাই চুক্তি স্বাক্ষৰ কৰাৰ পৰা বিৰত থাকিব আৰু সমগ্ৰ বিষয়টো ভৱিষ্যৎ প্ৰজন্মৰ ছয় পৃষ্ঠাত চাওক

# ৰাজ্যত পুনৰ বানৰ তাণ্ডৱ, ধেমাজি প্ৰশাসনে বন্ধ কৰিলে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ

**গোগামুখ, ৩১ জুলাই ঃ** ৰাজ্যত পুনৰ আৰম্ভ হৈছে বানৰ তাণ্ডৱ। শেহতীয়া বানে পুনৰ বুৰাইছে ধেমাজি। অৰুণাচল প্ৰদেশত প্ৰবল বৃষ্টিপাতৰ ফলতে গোগামুখৰ বিভিন্ন অঞ্চল সম্প্ৰতি পানীত ডুব গৈছে। ইয়াৰ সমান্তৰালকৈ কুমতীয়া দলঙতো জীয়াঢল নদীৰ পানীয়ে স্পৰ্শ কৰাত নৈপৰীয়া লোকসকল পুনৰ আতংকিত হৈ পৰিছে। উল্লেখ্য যে প্ৰত্যেক বছৰে জীয়াঢল নদীয়ে বানৰ লগতে কঢ়িয়াই আনে প্ৰচুৰ পৰিমাণৰ বালি। যাৰ পৰিপেক্ষিতত প্ৰতি বছৰে নদীৰ গভীৰতা হ্ৰাস পোৱাত বাৰিষা পানী উফন্দি উঠি দলং স্পৰ্শ কৰে। বিগত বছৰসমূহৰ দৰে এইবছৰো একে ধৰণে বানৰ প্ৰভাৱ বৃদ্ধি হোৱা পৰিলক্ষিত হয়। যাৰ ফলত সেই দলঙেৰে যাতায়াত সুবিধাজনক নোহোৱাত ধেমাজি জিলা প্ৰশাসনে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত থকা কুমতীয়া দলংখনৰ যাতায়াত সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়ে। আনহাতে, গোগামুখৰ বিভিন্ন অঞ্চলো সম্প্ৰতি পানীৰ তলত। গোগামুখ ৰাজহ চক্ৰৰ অন্তৰ্গত মিংমাং বৰলা, বদতিৰ মূল গড়কাপ্তানী বিভাগৰ পথৰ ওপৰেদি সম্প্ৰতি পানী বাগৰি আছে। ইয়াৰ সমান্তৰালকৈ বেতনীহোলা, বালিচাপৰি, চুতীয়াকাৰী আদি অঞ্চলৰ কে'বাখনো গাঁও এতিয়াও পানীৰ তলত আছে। ফলত বানৰ কবলত থকা ৰাইজৰ সম্প্ৰতি হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে।



## ধাৰাবাহিকভাৱে বন্যহস্তীয়ে ভাঙিছে মানুহৰ বাসগৃহ

# ওদালগুৰিত হাতী-মানুহৰ ভয়াৱহ সংঘাত

অগ্ৰদূত বাৰ্তা

**টংলা, ৩১ জুলাই ঃ** হাতী-মানুহৰ সংঘাতে জটিল ৰূপ ধাৰণ কৰিছে ওদালগুৰিত। জিলাখনৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত বন্যহস্তীয়ে নিদ্ৰাহৰণ কৰিছে জনসাধাৰণৰ। বনাঞ্চলত তীব্ৰ খাদ্য সংকট, বিচৰণ স্থলীৰ অভাৱ আৰু বনাঞ্চল ধ্বংসৰ পৰিণতিত এতিয়া বনাঞ্চল এৰি জনাঞ্চলত শ শ হাতীৰ জাকৰ বিচৰণস্থলীত পৰিণত হৈছে। বন্যহস্তীৰ আক্ৰমণত চলিত বৰ্ষতে কে'বাগৰাকীও নিৰীহ ব্যক্তিৰ প্ৰাণ নাশ হোৱাৰ উপৰি কে'বাটাও বন্যহস্তীৰ অস্বাভাৱিক মৃত্যু ঘটিছে। ভূটান আৰু অৰুণাচল পাহাৰৰ উপৰি খালিংদুৱাৰ সংৰক্ষিত বনাঞ্চল, বৰনদী অভয়াৰণ্যৰ পৰা জনাঞ্চললৈ ঢাপলি মেলা বন্যহস্তীৰ জাকসমূহে দিনৰ ভাগত চাহ বাগিচাসমূহৰ উপৰি স্থানীয় হাবি-জংঘলৰ মাজত আশ্ৰয় লৈ সন্ধিয়া নামি অহাৰ লগে লগে মানুহৰ বসতিস্থলসমূহত প্ৰৱেশ কৰি ধাৰাবাহিকভাৱে সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। উক্ত বন্যহস্তীৰ জাকসমূহে মানুহৰ বাৰী-বস্তিৰ মূল্যবান গছ-গছনিৰ লগতে খেতি-বাতিসমূহ বিনষ্ট কৰি আহিছে। লগতে খাদ্যৰ সন্ধানত হাতীৰ জাকসমূহে মানুহৰ ঘৰসমূহ ভাঙি ধ্বংসস্তূপত পৰিণত কৰিছে। আজি পুৱতি নিশা এটা বৃহৎ বন্যহস্তীৰ জাকে জিলাখনৰ বাদলাপাৰা চাহ বাগিচাৰ ফাৰ্ম লাইনত ১১ টা ছয় পৃষ্ঠাত চাওক



# অসমৰ ১২ লাখ হিন্দু বাঙালীক লৈ হেতালি খেলিছে অসম চৰকাৰে

### উচ্চতম ন্যায়ালয়ত পিআইএল বাঙালী সুৰক্ষা মঞ্চৰ ঃ কেন্দ্ৰীয় গৃহমন্ত্ৰীক সাক্ষাৎ কৰি স্মাৰক প্ৰদান

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ৩১ জুলাই ঃ** দেশৰ উচ্চতম ন্যায়ালয়ত পিআইএল কৰিবলৈ দিল্লীত উপস্থিত হৈছে উপস্থিত সদৌ অসম বাঙালী সুৰক্ষা মঞ্চৰ সভাপতি উৎপল দে। উচ্চতম ন্যায়ালয়ৰ সন্মুখৰ পৰাই অসম চৰকাৰৰ বিৰুদ্ধে তেওঁ অভিযোগ কৰে যে মুখ্যমন্ত্ৰীয়ে অসমৰ হিন্দু বাঙালীসকলক বাৰে বাৰে প্ৰতাৰণা কৰি আছে। ১২ লাখ হিন্দু বাঙালীৰ ভৱিষ্যতক লৈ চৰকাৰে হেতালি খেলাৰো অভিযোগ কৰে মঞ্চৰ সভাপতিজনে। উল্লেখ্য যে সভাপতি দেই আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি অসমৰ ১২ লাখ হিন্দু বাঙালীৰ বিভিন্ন সমস্যাৰ সমাধানৰ দাবীত এখন স্মাৰক পত্ৰ প্ৰদান কৰে। নাগৰিকত্বৰ নামত বাঙালীসকলক হাৰাশাস্তিৰ কৰাৰ অভিযোগ তুলি মঞ্চৰ সভাপতিজনে কয় যে অসম চৰকাৰে এফালে হিন্দু বাঙালীসকলক নাগৰিকত্ব দিয়াৰ কথা কয় আকৌ আনফালে ডিটেনছন কেম্পত দি আছে। নিতৌ শ শ হিন্দু বাঙালীক বিদেশীৰ জাননী প্ৰেৰণ কৰি হাৰাশাস্তি ছয় পৃষ্ঠাত চাওক

## ■ জেহাদীৰ টকা-ভোটেৰে চলে একাংশ কংগ্ৰেছ-এআইইউডিএফৰ বিধায়ক ঃ জয়ন্তমল্ল বৰুৱা

# পলাশবাৰীৰ সংখ্যালঘু অঞ্চল চিমিনাত বিজেপিৰ যোগদান কাৰ্যসূচী



অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ৩১ জুলাই ঃ** 'জেহাদীৰ টকা আৰু ভোটবেংকত চলে একাংশ কংগ্ৰেছ আৰু এআইইউডিএফৰ বিধায়ক। সেইসকলে জেহাদীক সমৰ্থন কৰিলেও এইখন চৰকাৰে দমন কৰিব।' এই বক্তব্য অসম চৰকাৰৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনপ্ৰিয় অনুষ্ঠান 'মন কি বাত' অনুষ্ঠান আজি পলাশবাৰী সমষ্টিৰ দহালী দখলা গাঁও পঞ্চায়তৰ ৫০ নম্বৰ বুথত এক অনুষ্ঠিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি ছয় পৃষ্ঠাত চাওক

# হোজাইত মৰ্কজ একাডেমীত অধ্যয়নৰত মৰাণৰ ছাত্ৰৰ মৃত্যুত চাঞ্চল্য

### হত্যাৰ অভিযোগত উত্তপ্ত পৰিস্থিতি ঃ দুই শিক্ষক নিলম্বিত

অগ্ৰদূত বাৰ্তা

**হোজাই, ৩১ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ মৰাণৰ এজন ছাত্ৰৰ ৰহস্যজনক মৃত্যুক কেন্দ্ৰ কৰি আজি হোজাইত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। হোজাইৰ স্বেচ্ছাসেৱী সংগঠন মৰ্কজুল মা আৰিফৰ দ্বাৰা পৰিচালিত হোজাইৰ মৰ্কজ একাডেমী নামৰ আবাসিক বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰজনৰ মৃত্যুৰ পাছত তেওঁক হত্যাৰ অভিযোগ কৰিছে পৰিয়ালে। আনহাতে, ফুৰিবলৈ গৈ পুখুৰীত গা ধোৱা অৱস্থাত পানীত ডুবি ছাত্ৰজনৰ মৃত্যু হোৱা বুলি বিদ্যালয় কৰ্তৃপক্ষই জনাইছে। ছয় পৃষ্ঠাত চাওক



## ৰাজ্য চৰকাৰৰ ভূমিকাক লৈ ক্ষোভ প্ৰকাশ ৰাইজৰ

# ভূমিস্খলনত প্ৰাণ হেৰুওৱা মৰিগাঁৱৰ ১৬ জন শ্ৰমিকৰ সমূহীয়া আদ্যশ্ৰাদ্ধ



অগ্ৰদূত বাৰ্তা

**ভুৰাগাঁও/লাহৰীঘাট, ৩১ জুলাই ঃ** মৰিগাঁও জিলাৰ কুশতলীৰ খোৰাগোসাঁইবড়ি গাঁৱত আজি যোৱা ২৯ জুনত মণিপুৰৰ ননে জিলাৰ টুপুলত সংঘটিত ভয়াৱহ ভূমিস্খলনত প্ৰাণ হেৰুওৱা ১৬ জন লোকৰ সমূহীয়া আদ্যশ্ৰাদ্ধ অনুষ্ঠিত হয়। আটাইকেইজন মৃতকৰ আলোকচিত্ৰ শাৰী পাতি থৈ আয়োজন কৰা আদ্যশ্ৰাদ্ধস্থলীত কেৱল কান্দোনৰ ৰোল উঠে। উল্লেখ্য যে অঞ্চলটোৰ পৰা কাম কৰিবলৈ যোৱা ২১ জন লোক সেই ঘটনাত সন্ধানহীন হয়। তাৰে ২০ জনেই আছিল কুশতলীৰ কুছকাটি, লাউভুৰোংগা, ছয় পৃষ্ঠাত চাওক

## পুৰণিগুদামৰ পত্নী নিৰ্যাতনকাৰী শিক্ষক ত্ৰিদিপক জেললৈ প্ৰেৰণ, কঠোৰ শাস্তিৰ দাবী দল-সংগঠন, স্থানীয় ৰাইজৰ

# ছাত্ৰীক যৌন নিৰ্যাতন চলাই পূৰ্বতেও জেলৰ ভাত খাইছিল ত্ৰিদিপ শৰ্মাই

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ৩১ জুলাই ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ পুৰণিগুদাম চলচলি ব্ৰাহ্মণ গাঁৱৰ এগৰাকী নৱ বিবাহিতা মহিলা যোৱা ২২ জুলাইৰ নিশা নগাঁও চহৰৰ এখন ব্যক্তিগত নাৰ্চিং শিক্ষা প্ৰতিষ্ঠানত আত্মহত্যা কৰা ঘটনাৰ ব্যাপক প্ৰতিক্ৰিয়াৰ অব্যাহত আছে । ইটাচালী টাউন আৰক্ষী চকীৰ অধীনৰ নাৰ্চিং প্ৰতিষ্ঠানখনত আত্মহত্যা কৰা ঘটনাটোৰ পাছত আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত মৃতদেহ আহি চলচলি বাসগৃহ পোৱাৰ পাছতহে স্থানীয় গাঁওবাসীয়ে জানিব পাৰে। এই ঘটনাটো সংঘটিত হোৱাৰ পাছত গাঁওবাসীয়ে খবৰ নোপোৱাত বোৱাৰীগৰাকীৰ আত্মহননৰ ঘটনা ৰহস্যজনক বুলি সন্দেহ প্ৰকাশ কৰে। ঘটনাক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়া অব্যাহত থকাৰ মাজতে ঘটনা সংক্ৰান্তত যোৱা ২৮ জুলাইৰ নিশা মহিলাগৰাকীৰ স্বামী ত্ৰিদিপ শৰ্মাক পুৰণিগুদামৰ চলচলি ব্ৰাহ্মণগাঁওস্থিত বাসগৃহৰ পৰা নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে। নগাঁও আৰক্ষীয়ে মহিলাগৰাকীৰ পিতৃ অতুল শৰ্মাই নগাঁও সদৰ থানাত দিয়া এজাহাৰৰ ভিত্তিত স্বামীক গ্ৰেপ্তাৰ কৰাৰ লগতে এজাহাৰত নিৰ্যাতনকাৰী হিচাপে উল্লেখ থকা মাতৃ তৰণী শৰ্মা আৰু ভগ্নী ৰেখাশ্ৰী শৰ্মা বৰ্তমান পলাতক অৱস্থাত থকাৰ বাবে এতিয়াও গ্ৰেপ্তাৰ কৰিব পৰা নাই। ছয় পৃষ্ঠাত চাওক

# কংগ্ৰেছ বিধায়ক ৰেকিবুদ্দিনৰ বিৰুদ্ধে অপপ্ৰচাৰৰ অভিযোগ

### ছয়গাঁও আৰক্ষী থানাত অজাপৰ উপ-সভাপতি দুলু আহমেদ

**ছয়গাঁও, ৩১ জুলাই ঃ** অসম জাতীয় পৰিষদৰ উপ-সভাপতি দুলু আহমেদ আজি ছয়গাঁও আৰক্ষী থানাত উপস্থিত হয়। কালি কামৰূপ জিলাৰ হাজোত থকা বাসগৃহত উপস্থিত হৈছিল ছয়গাঁও আৰক্ষীৰ দল। যোৱা ২৯ জুলাইত ছয়গাঁৱৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে দুলু আহমেদৰ বিৰুদ্ধে ছয়গাঁও আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। ৰাষ্ট্ৰপতি নিৰ্বাচনত ক্ৰছ ভোটিঙক কেন্দ্ৰ কৰি সামাজিক মাধ্যমত আহমেদে কংগ্ৰেছ বিধায়কজনৰ বিৰুদ্ধে বিভিন্ন অপপ্ৰচাৰ চলাইছিল বুলি এজাহাৰত উল্লেখ কৰে বিধায়ক আহমেদে। সেই বাবেই ছয়গাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভগৱান ডেকাৰ হাতত শুকুৰবাৰে এজাহাৰ দাখিল কৰিছিল বিধায়ক আহমেদে। আৰক্ষী বিষয়া ডেকাসহ ছয়গাঁও আৰক্ষীৰ দল এটা কালি অজাপৰ উপ-সভাপতিজনৰ ঘৰত উপস্থিত হয় যদিও আহমেদক লগ নোপোৱাত তেওঁক আৰক্ষীয়ে তদন্তৰ স্বাৰ্থত আজি ছয়গাঁও আৰক্ষী থানালৈ অহাৰ নিৰ্দেশ দিছিল। ইতিমধ্যে বিধায়ক আহমেদৰ এজাহাৰৰ ভিত্তিত ছয়গাঁও আৰক্ষীয়ে অজাপ নেতা আহমেদৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰিছিল। আজি আহমেদে উপস্থিত হোৱাৰ পাছত তেওঁ থানাৰ পৰা জামিন লাভ কৰে। ইয়াৰ পাছতে বিধায়ক আহমেদক বিহাৰী সম্প্ৰদায়ৰ লোক বুলি মন্তব্য কৰি অজাপ নেতাজনে সংবাদ মাধ্যমৰ আগত কয় যে কংগ্ৰেছ বিধায়কজনে অসমৰ পৰা টকাবোৰ নি মধ্যপ্ৰদেশত সম্প্ৰতিৰ পাহাৰ গঢ়িছে।

# পুঠি নদীৰ ৰিংবান্ধ ছিঙি জলমগ্ন ৰাঁজে বাদুলি পুখুৰীৰ বিস্তৃত অঞ্চল

### পানীত বুৰ গ'ল শ শ হেক্টৰ কৃষিভূমি শতাধিক পৰিয়াল ক্ষতিগ্ৰস্ত

অগ্ৰদূত বাৰ্তা

**জাঁজী, ৩১ জুলাই ঃ** যোৰহাট টীয়ক ৰাজহ চক্ৰৰ অন্তৰ্গত টীয়কত পুঠি নদীৰ বাঢ়নী পানীয়ে মুদৈজান বাগিচা হাবি চুকৰ সমীপত ৰিং বান্ধ ছিঙি শ শ হেক্টৰ কৃষিভূমি, আৱাস গৃহসহ বিস্তৃত অঞ্চল জলমগ্ন কৰি তুলিছে। বান্ধটো ছিঙি পেলোৱাত ৰাঁজে বাদুলি পুখুৰী পঞ্চায়তৰ বৃহত্তৰ এই অঞ্চলটো বছৰটোৰ চতুৰ্থবাৰৰ বাবে বানৰ কৱলত পৰিছে। ইয়াৰ উপৰি বাঢ়নী পানীয়ে বলমা অঞ্চলৰ বহু হেক্টৰ কৃষিভূমি, আৱাসগৃহকে ধৰি বিস্তৃত অঞ্চল জলমগ্ন কৰিছে। ইতিমধ্যে বানাক্ৰান্ত লোকে ওখ স্থানত আশ্ৰয় লৈছে। মনকৰিবলগীয়া যে জলসম্পদ বিভাগে পুঠি নদীৰ ৰিং বান্ধটো ভালদৰে মেৰামতি নকৰাৰ ফলতে এনেদৰে জীয়াতু ভুগিব লগা হৈছে শতাধিক পৰিয়ালে। ইফালে, ক্ষতিগ্ৰস্ত লোকসকলে প্ৰয়োজনীয় খাদ্য সামগ্ৰীৰ লগতে বিশুদ্ধ খোৱাপানীৰ বাবে হাহাকাৰ কৰা বুলিও জানিব পৰা গৈছে। অৱশ্যে বিয়লিলৈ টীয়ক ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সহযোগত যুৱ-ছাত্ৰ পৰিষদ টীয়ক আঞ্চলিক সমিতিয়ে প্ৰয়োজনীয় খাদ্য সামগ্ৰী আৰু বিশুদ্ধ খোৱাপানী যোগান ধৰিছে।

## ■ বৰ অসম গঢ়োঁতাৰ মৈদাম বিজেপি বিধায়কে দখল কৰাৰ অভিযোগ ■ প্ৰাক্তন বিধায়ক আঙুৰলতাক উজনিত নিষিদ্ধ ঘোষণা ■ নলবাৰীতো জ্বলিল আঙুৰলতাৰ পুত্তলিকা

# স্বয়ং আঙুৰলতা বা মুখ্যমন্ত্ৰীয়ে ক্ষমা নোখোজা পৰ্যন্ত ক্ষান্ত নহয় সদৌ অসম আহোম সভা

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ৩১ জুলাই ঃ** আহোম জনগোষ্ঠীক লৈ বিৰূপ মন্তব্য কৰাক লৈ সমগ্ৰ ৰাজ্যতে এতিয়া জনগোষ্ঠীটোৰ ক্ষোভৰ বহিঃপ্ৰকাশ ঘটিছে। ৰাজ্যৰ সৰ্বত্ৰে বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে আহোম জনগোষ্ঠীৰ বিভিন্ন জাতীয় দল-সংগঠনে। উল্লেখ্য যে এক প্ৰতিবাদী সমদলত বিজেপি নেত্ৰী আঙুৰলতা ডেকাই অংশগ্ৰহণ কৰি আহোম জনগোষ্ঠী সন্দৰ্ভত বিৰূপ মন্তব্য দিয়াৰ পাছতে একপ্ৰকাৰ জাঙোৰ খাই উঠিছে সদৌ অসম আহোম সভা। বিজেপিৰ মহিলা পৰিষদৰ সভানেত্ৰী আঙুৰলতাক উজনি অসমত প্ৰৱেশ নিষিদ্ধ কৰিলে। দ্বিতীয় বা তৃতীয় পক্ষৰ দ্বাৰা নহয়, স্বয়ং মহিলা পৰিষদৰ ৰাজ্যিক সভানেত্ৰী বা মুখ্যমন্ত্ৰীয়ে ক্ষমা নোখোজা পৰ্যন্ত ক্ষান্ত নহয় বুলি আজি আহোম সভাই ডিব্ৰুগড়ত স্পষ্ট কৰি দিয়ে। আঙুৰলতাক এই দিশত নিজৰ স্থিতি প্ৰকাশ কৰিবৰ বাবে আহোম সভাই ২৪ ঘন্টা সময় নিৰ্ধাৰণ কৰি দিয়াৰ সময় অতিক্ৰম কৰা পাছতে আজি ডিব্ৰুগড়ৰ বৈৰাগীমঠত আয়োজন কৰিলে এক সংবাদমেল। সদৌ অসম আহোম সভাই ডিব্ৰুগড়ত সংবাদমেল সম্বোধন কৰি উজনি অসমৰ লগতে আহোম জনগোষ্ঠীয় অধ্যুষিত অঞ্চলত বিজেপি ছয় পৃষ্ঠাত চাওক

# গোৰেশ্বৰত এজন লোকৰ আত্মহত্যাৰ সন্দেহ

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ৩১ জুলাই ঃ** ৰঙিয়া-মুকৰ্কচেলেং ৰেলপথত আজি এজন লোকে ৰেলৰ সন্মুখত জাঁপ দি আত্মহত্যা কৰা বুলি সন্দেহ কৰা হৈছে। তামুলপুৰ জিলাৰ গোৰেশ্বৰ আৰক্ষী থানাৰ অন্তৰ্গত গোৰেশ্বৰৰ জ্যোতিনগৰত তথা গোৰেশ্বৰ ৰেল ষ্টেছনৰ ১৬ নম্বৰ দলঙৰ সমীপত লোকজনে আত্মহত্যা কৰাৰ সন্দেহ কৰিছে স্থানীয় ছয় পৃষ্ঠাত চাওক

# তেজপুৰত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ কামক লৈ ৰাইজৰ ক্ষোভ

### বিধায়কৰ আশ্বাস ৰাইজক ■ চৰকাৰী ধনৰ অপচয় মানি নলয় ৰাইজে

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৩১ জুলাই ঃ** 'মোৰ সমষ্টিৰ ৰাইজৰ স্বাৰ্থত হোৱা কাম ভালদৰে কৰিব লাগিব। আন কথা মই নাজানো, ৰাইজে আপত্তি কৰিছে, গতিকে ইয়াৰ উপযুক্ত পৰীক্ষা হ'ব আৰু যদি পৰীক্ষাত কামৰ মান নিম্নমানৰ হোৱাটো প্ৰমাণ হয় তেনেহ'লে ঠিকাদাৰৰ ঠিকা বাতিল হ'ব। ইতিমধ্যে মই বিভাগীয়া বিষয়াক পৰহি এই ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ১৫ শাওণ ১৪২৯ ভাস্কৰাব্দ ১ আগষ্ট ২০২২

## নিৰপেক্ষ ভূমিকা লওক

**অসম** চৰকাৰে সত্ৰৰ মাটি আৰু চৰকাৰী চৰণীয়া মাটি বেদখলমুক্ত কৰাৰ বাবে সময়ে সময়ে অভিযান চলাই আহিছে। গুৱাহাটী মহানগৰীৰ জলাশয়ৰ বেদখলকাৰীকো উচ্ছেদ কৰি চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰী মাটি বেদখল মুক্ত কৰাটোৱেই যদি ৰাজ্য চৰকাৰৰ নীতি হয়, তেনেহ'লে তেনে নীতি সকলোতে সমানে প্ৰযোজ্য হ'ব লাগে; কিন্তু অসমত ৰাজ্য চৰকাৰে বাছি বাছি কিছুমানক উচ্ছেদ কৰিছে, কিন্তু বৃহৎ বেদখলকাৰীসকলৰ গাত ৰাজ্য চৰকাৰে হাত দিয়া নাই।

সম্প্ৰতি চাহ বাগিচা থকা জিলাৰ উপায়ুক্তসকলে কোন কোন চাহ বাগিচাই কিমান পৰিমাণৰ চৰকাৰী মাটি বেদখল কৰি আছে, সেই তথ্য ৰাজহ বিভাগৰ সংশ্লিষ্ট সঞ্চালকালয়ত দাখিল কৰা বুলি প্ৰকাশ পাইছে। সেই তথ্য অনুসৰি অসমৰ ১২খন জিলাৰ ৬২৫খন চাহ বাগিচাই ২১ হেজাৰ বিঘাৰো বেছি চৰকাৰী ভূমি বেদখল কৰি আছে। অকল নগাঁও জিলাত অৱস্থিত ৩৬খন চাহ বাগিচাই ৪২১২ বিঘা চৰকাৰী মাটি বেদখল কৰি আছে বুলি প্ৰকাশ পাইছে। আনহাতে, ডিব্ৰুগড় জিলাত অৱস্থিত চাহ বাগিচাসমূহে ১০১৩ বিঘা চৰকাৰী ভূমি বেদখল কৰি আছে। একেদৰে শোণিতপুৰ, মৰিগাঁও, লক্ষীমপুৰ, দৰং-শিৱসাগৰ, যোৰহাট, নগাঁও, তিনিচুকীয়া, গোলাঘাট, হাইলাকান্দি আদি জিলাবোৰত অৱস্থিত চাহ বাগিচাসমূহেও এনেদৰে হেজাৰ হেজাৰ বিঘা চৰকাৰী মাটি দখল কৰি আছে। বহু বাগিচাই বেদখল কৰা মাটিত চাহ গছ লগাই মুনাফা লুটি আহিছে। ৰাজ্য চৰকাৰে এইবোৰ পুঁজিপতি তথা বৃহৎ কৰ্প'ৰেট ব্যৱসায়ীৰ দ্বাৰা নিয়ন্ত্ৰিত চাহ বাগিচাসমূহে বেদখল কৰা এবিঘা মাটিও বেদখলমুক্ত কৰিবলৈ কোনো ব্যৱস্থা লোৱা নাই। ইয়াৰ সলনি সাধাৰণ দুখীয়া নাগৰিকে চৰকাৰী পতিত মাটিত খেতি-বাতি কৰি পেট প্ৰৱৰ্তাই থকা লোকক বুলড'জাৰ লগাই উচ্ছেদ কৰি আহিছে। চৰকাৰী এনে পক্ষপাতদুষ্ট নীতিৰ আঁৰত আছে শাসক দলৰ ৰাজনৈতিক কৌশল।

পোনতেই ক'ব লাগিব যে শাসক দলসমূহে অসমৰ বৃহৎ কৰ্প'ৰেট নিয়ন্ত্ৰিত চাহ বাগিচাসমূহৰ পৰা নিৰ্বাচনৰ আগে আগে শকত পৰিমাণৰ ধন নিয়মিতভাৱে সংগ্ৰহ কৰি আহিছে। গতিকে এই বৃহৎ কৰ্প'ৰেট গোষ্ঠীসমূহক চৰকাৰে ৰক্ষণা-বেক্ষণ দি আহিছে। অকল সেয়ে নহয়, চাহ শ্ৰমিকক কম পৰিমাণে মজুৰি দিয়া, শিক্ষা-স্বাস্থ্যসেৱা আদিৰ যথাযথ ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত উদ্যোগ নোলোৱা আদি বঞ্চনামূলক কাম এই কৰ্প'ৰেট গোষ্ঠীসকলে কৰি আহিছে। সময়ে সময়ে বানচ, ভৱিষ্যনিধিৰ ধন চাহ শ্ৰমিকসকল আদায় নিদিয়া অথবা কমকৈ দিয়াৰ উদাহৰণো আছে। ৰাজ্য চৰকাৰে চাহ শ্ৰমিকসকলৰ বাবে দাবী কৰা মতে মজুৰি নিৰ্ধাৰণৰ ক্ষেত্ৰত কোনো ব্যৱস্থা লোৱা নাই। ইয়াৰ কাৰণো একেটাই যে শাসক দলসমূহে এই চাহ উদ্যোগৰ পৰা সদায়েই শকত পৰিমাণৰ নিৰ্বাচনী পুঁজি সংগ্ৰহ কৰি আহিছে। অকল বিজেপি চৰকাৰেই নহয়, পূৰ্বৰ কংগ্ৰেছ, অগপ চৰকাৰৰ দিনতো এই চাহ উদ্যোগ তোষণ নীতি চলি আহিছে। পিছে পূৰ্বৰ চৰকাৰসমূহে ৰাজনৈতিক লাভালাভৰ উদ্দেশ্যে সাধাৰণ লোকে বেদখল কৰি থকা চৰকাৰী মাটিৰ পৰা নিষ্ঠুৰভাৱে উচ্ছেদ কৰা নাছিল। উচ্ছেদৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰে বিশেষ নীতি লৈ ভোট আদায়ৰ ৰাজনীতি অনুসৰণ কৰাত পৰিলক্ষিত হৈছে। ফলত চৰকাৰে কেতবোৰ অঞ্চলত বাছি বাছি বেদখলকাৰীক উচ্ছেদ কৰিছে। গতিকে চৰকাৰে উচ্ছেদৰ ক্ষেত্ৰত পক্ষপাতিত্বমূলক নীতিৰ সলনি বৃহৎ বেদখলকাৰীৰ পৰাও চৰকাৰী মাটি বেদখলমুক্ত কৰাৰ নীতি লওক। তেতিয়াহে চৰকাৰৰ নিৰপেক্ষতাক লৈ ৰাইজৰ মনত সন্দেহ আঁতৰ হ'ব। অন্যথা এনে অভিযানৰ আঁৰত ন্যস্ত স্বাৰ্থ জড়িত থকাৰ অভিযোগ সবল হ'ব।

## খোলা মঞ্চ

### অৰ্ধশতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা?



**অসমৰ** সামাজিক দায়বদ্ধতা থকা আগশাৰীৰ এখন বাতৰি কাকত হ'ল 'অগ্ৰদূত'। ১৯৭১ৰ পৰা অৰ্ধ শতাব্দী জুৰি এখন বাতৰি কাকত জীয়াই থকাৰ অন্তৰালত এখন সুন্দৰ ছবি নিশ্চয় আছে; সেয়েহে পাঠকে আন্তৰিকতাৰে বাতৰি কাকতখন গ্ৰহণ কৰিছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, আগশাৰীৰ সাহিত্যিক, বিশিষ্ট সাংবাদিক কনকসেন ডেকা সম্পাদনাত প্ৰকাশ কৰা, তত্বগধুৰ সম্পাদকীয় নিৰন্ধসমূহৰ লগতে বিশিষ্ট সাহিত্যিকসকলৰ তত্বগধুৰ লেখাৰ মাজেৰে সাহিত্য জগত, ৰাজনীতি বা অন্যান্য দিশত নজনা কথা জনাৰ সুযোগ দিয়াৰ লগতে নিৰ্ভীকভাৱে সকলো দিশতে সত্য বিচাৰি পৰিৱেশন কৰাৰ বাবেই এই বাতৰি কাকতখনে মানুহৰ অন্তৰত স্থান লাভ কৰিছে। গল্প, প্ৰবন্ধ, কবিতা আদিৰে পৰিপূৰ্ণ সকলো শ্ৰেণীৰ পাঠকেই এই বাতৰি কাকতখন গ্ৰহণ কৰে। প্ৰায়বিলাক বিশিষ্ট সাহিত্যিকে এই বাতৰি কাকতখনৰ পৃষ্ঠা শুৱনি কৰি আহিছে। এই দীঘলীয়া তালিকাৰ স্বনামধন্য সাহিত্যিকসকল সকলোৰে চিনাকি আৰু নমস্য ব্যক্তি। বহুকেইগৰাকী লেখক-সাহিত্যিকে বৰ্তমানো লিখি অসমীয়া ভাষা সাহিত্যৰ জ্ঞানৰ ভাণ্ডাৰ চহকী কৰিছে। বিশিষ্ট লেখক-সাহিত্যিক কানাডাবাসী মুস্তাফিজুৰ ৰহমানৰ লিখাৰ মাজেৰে জ্ঞানৰ সম্ভেদ দিয়াৰ লগতে ৰসাল কথাৰে পাঠক সমাজক আনন্দিত কৰি আহিছে। বহু নজনাা কথাৰ সম্ভেদ লেখক বিপুল চন্দ্ৰ কলিতাৰ পৰাও আমি লাভ কৰো। তেনে বহুকেইগৰাকী মহান সাহিত্যিকে সুন্দৰ সুন্দৰ লেখাৰে যি অৱদান আগবঢ়াইছে সেয়া আমি পাহৰিব নোৱাৰো।

**দীপ্তি ঠাকুৰ গোস্বামী** লেখিকা

তদুপৰি এই বাতৰি কাকতখনত মোক লিখাৰ যি সুযোগ দিলে, সেয়া মোৰ জীৱন ইতিহাসৰ পৃষ্ঠাত সোণালী আখৰেৰে লিখা থাকিব। এই আপাহতে মই কনকসেন ডেকাৰ লগতে কাকতখনৰ স'তে জড়িত 'অগ্ৰদূত' পৰিয়ালৰ সকলো সদস্যৰ প্ৰতি চিৰ কৃতজ্ঞ আৰু লগতে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। প্ৰথম যেতিয়া ২০১৪ৰ ১২ মাৰ্চত মোৰ এটা গল্প প্ৰকাশ পাইছিল, সেইদিনা এনেকুৱা এখন আগশাৰীৰ বাতৰি কাকতত প্ৰকাশ হোৱাৰ আনন্দত মোৰ অশ্ৰু বৈ গৈছিল আৰু বৰ্তমানে যেতিয়া মাজে সময়ে মোৰ লেখা প্ৰকাশ পায় মই বৰ আনন্দিত হওঁ।

সঁচাকৈয়ে ধাৰাবাহিকভাৱে ৫০টা বছৰ অতিক্ৰম কৰি সোণালী জয়ন্তীৰ এই মধুৰ ক্ষণত উপস্থিত হোৱা গৌৰৱোজ্জ্বল সময়ত 'অগ্ৰদূত' পৰিয়ালৰ লগতে আমিও আনন্দিত হৈছো। আশাকৰো, এই 'অগ্ৰদূত'ৰ পৃষ্ঠাতে নতুন লেখক-সাহিত্যিক সৃষ্টি হ'ব। তেওঁলোকৰ তত্বগধুৰ লেখাৰ লগতে গল্প, কবিতা প্ৰৱন্ধৰে সুন্দৰকৈ সজাই তুলিব এই বাতৰি কাকতখন আৰু পাঠক সমাজক ন ন ৰসেৰে নজনা কথাৰ জ্ঞান দিব। শেষত, বাতৰি কাকতখনৰ উজ্বল ভৱিষ্যতৰ কামনা কৰিলো আৰু শতায়ুৰ দিশে গতি কৰক তাকে কামনা কৰিলো।

ফোন ঃ ৮৩৫৬০৭৯৪৪২

# অসমৰ অৰ্থনীতিয়ে জীৱিকাৰ পথ সৃষ্টি নকৰে

## ৰাজ্যখনত চৰকাৰে উদ্যোগ প্ৰতিষ্ঠাৰ বাবে ৰাজহৰ ধন বিনিয়োগ নকৰে

### দৃষ্টিপাত



**অনন্ত কলিতা**



**দেউলীয়া** অৱস্থাৰ অসমৰ অৰ্থনীতিক প্ৰলয়ংকাৰী বানপানীয়ে বিপৰ্য্যস্ত কৰিলে অৰ্থাৎ হলা গছত কুঠাৰ মাৰিলে। আমি বহুবাৰ লেখিছিলোঁ যে বান-গৰাখহনীয়া নিয়ন্ত্ৰণ অবিহনে অসমৰ অৰ্থনৈতিক উন্নয়ন সম্ভৱ নহয়। অসমৰ জনসাধাৰণ মূলতঃ নিৰ্ভৰশীল কৃষি অৰ্থনীতিৰ ওপৰত। কাৰণ ভাৰতৰ গড়ে ৬৮.৮ শতাংশ গাঁৱলীয়া মানুহৰ বিপৰীতে অসমৰ গাঁৱলীয়া মানুহৰ পৰিমাণ ৮৫.৯ শতাংশ। গাঁৱলীয়া লোক মানেই তেওঁলোকৰ জীৱন-জীৱিকাৰ উৎস হ'ল কৃষি আৰু কৃষি আনুষংগিক অৰ্থনীতি। এই বছৰৰ বানে সমগ্ৰ অসমতে প্ৰলয়ংকৰী ৰূপ ধাৰণ কৰি সম্পূৰ্ণৰূপে কৃষিকে ধৰি গাঁৱলীয়া অৰ্থনীতিটো ধ্বংস কৰি দিছে। ৰাজ্যখনৰ আন্তঃগাঁথনিও অনেক ধ্বংস হৈছে। আমি আৰু লিখিছিলো যে মথাউৰিয়ে অসমৰ বান-গৰাখহনীয়া নিয়ন্ত্ৰণ কৰিব নোৱাৰে। এই সত্যটো এইবাৰৰ প্ৰলয়ংকৰী বানে আকৌ এবাৰ দৃঢ়কৈ প্ৰমাণ কৰিলে। অসম চৰকাৰৰ জলসম্পদ বিভাগৰ তথ্য অনুসৰি যোৱা ছটা দশকত মথাউৰি শক্তিশালীকৰণ, পুণনিৰ্মাণ আদিৰ নামত কমেও ৩০ হেজাৰ কোটি টকা ব্যয় কৰা হৈছিল। এই ত্ৰিশ হেজাৰ কোটি টকা খৰচৰ খতিয়ান হ'ল প্ৰলয়ংকৰী বানপানীয়ে ৰাজ্যখনৰ অৰ্থনীতি সম্পূৰ্ণৰূপে ধ্বংসস্তূপত পৰিণত কৰণ।

২০১৬ত বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰত প্ৰতিশ্ৰুতি দিছিল অসমক অৰ্থনৈতিকভাৱে উন্নত ৰাজ্যত পৰিণত কৰিব আৰু অসম বানপানীমুক্ত হ'ব। উন্নত অৰ্থনীতিৰ ৰাজ্যৰ লক্ষ্য সুদূৰপৰাহত এতিয়া ৰাজ্য চৰকাৰৰ নিজস্ব ৰাজহ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন অনুদান আৰু সাহায্যৰে চৰকাৰৰ বাজেটত ঘোষিত কাৰ্য্যসূচীবোৰ ৰূপায়ণ কৰিব নোৱাৰা হৈছে। ঋণ লৈহে চৰকাৰ চলাব লগা হৈছে। বৰ্তমান অসম চৰকাৰৰ ঋণ এক লাখ কোটি টকা অতিক্ৰম কৰিছে। অতি সম্প্ৰতি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে আৰু বহুহেজাৰ কোটি টকাৰ ঋণ ল'ব। সমগ্ৰ অসম জুৰি প্ৰলয়ংকৰী বানপানী হোৱাৰ পাছতো প্ৰধানমন্ত্ৰীয়ে অসম ভ্ৰমণ কৰা নাই বা বান সাহায্যৰ বাবে ফুটাকড়ি এটাও ঘোষণা কৰা নাই। ভাৰতৰ আন ৰাজ্যবোৰত বানপানী হ'লে প্ৰধানমন্ত্ৰী ততালিকে সেই ৰাজ্যবোৰৰ বান পৰিদৰ্শন কৰে আৰু প্ৰচুৰ পৰিমাণৰ টকাৰ বান সাহায্যৰ পেকেজ ঘোষণা কৰে। এইবাৰ সমগ্ৰ অসমতে প্ৰলয়ংকৰী বানপানীয়ে ধ্বংসযজ্ঞ চলোৱাৰ পাছতো কেন্দ্ৰীয় চৰকাৰৰ কোনো সঁহাৰি নাই। মুখ্যমন্ত্ৰীয়েহে কৈ আছে বানপীড়িত ৰাইজক পুনৰ সংস্থাপন কৰাত কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সাহায্য আগবঢ়াব।

অসমৰ আন্তঃগাঁথনি দেশৰ ভিতৰতে অনগ্ৰসৰ, যিখিনি ৰাস্তা-ঘাট বা যোগাযোগ ব্যৱস্থা আছিল তথা জলসিঞ্চন, শিক্ষা-স্বাস্থ্যকে ধৰি ৰাজ্যখনৰ বিভিন্ন আন্তঃগাঁথনি বানে ধ্বংস কৰি পেলাইছে। ৩,৯৮৩খন দলং ভাঙি পেলাইছে বানে। নতুন আন্তঃগাঁথনি সৃষ্টি দূৰৰ কথা, বানে ধ্বংস কৰা আন্তঃগাঁথনিখিনিক মেৰামতি কৰিবলৈকে বহু হেজাৰ কোটি টকাৰ প্ৰয়োজন হ'ব। দেউলীয়া চৰকাৰখনে হেনো পুৰণি কামৰ বাবে ঠিকাদাৰসকলক ২২ হেজাৰ কোটি টকা দিবলৈ বাকী আছে। ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থাৰ এই পটভূমিত কেন্দ্ৰই অসমক প্ৰাকৃতিক দুৰ্যোগে কৰা ক্ষয় ক্ষতিৰ বাবে অতিৰিক্ত অনুদান দিব দূৰৰ কথা নিয়মিতভাৱে যিখিনি অনুদান পাব লাগে সেইখিনিয়ে কেন্দ্ৰই সময়মতে নিদি বা সম্পূৰ্ণ অংশ নিদিয়ে।

অসমৰ অৰ্থনীতিৰ উক্ত পৰিস্থিতিত ৰাজ্য চৰকাৰে আকৌ বহু হেজাৰ কোটি টকাৰ ঋণ ল'ব বুলি ঘোষণা কৰিছে। ৰাজ্যখনে যিখিনি সম্পদ পায় বা আহৰণ কৰে সেইখিনিও উৎপাদনমুখী উন্নয়নত খৰচ নকৰি ভোটদাতাসকলক ব্যক্তিগতভাৱে সন্তুষ্ট কৰাৰ লক্ষ্যৰে অধিক পৰিমাণৰ ৰাজহ খৰচ কৰে। দিনে দিনে হিতাধিকাৰীৰ সংখ্যা বাঢ়ি গৈ আছে। ৰাজ্যখনত নতুন চৰকাৰী উদ্যোগ মুকলি কৰাটো দূৰৰ কথা বন্ধ হৈ থকা কাগজকলকেইটাই পুনৰুজ্জীৱিত কৰাৰ প্ৰচেষ্টা চলোৱা নাই। এতিয়া কৈছে জাগীৰোড কাগজকলৰ মাটিলৈকে হেনো ৰাজধানী সম্প্ৰসাৰণ কৰিব। ৰাজ্য চৰকাৰৰ দ্বাৰা পৰিচালিত প্ৰায়বোৰ উদ্যোগ বন্ধ হৈ গৈছে আৰু যিকেইটা জীয়াই আছে সেইকেইটাও কুপৰিচালনাৰ বাবে লোকচান ভৰি আছে। তদুপৰি ৰাজ্য চৰকাৰৰ ৰাজহো বিভিন্ন ধৰণে বিলাসিতাত খৰচ কৰে। চাটাৰ্ড বিমান, হেলিকপ্তাৰৰ ভাড়াতে বহু শ কোটি টকা খৰচ হয়। কেবিনেটৰ বৈঠকো বিভিন্ন জিলাসদৰত অনুষ্ঠিত কৰি বহু শ কোটি টকা খৰচ কৰে।

ৰাজ্যখনত চৰকাৰে উদ্যোগ প্ৰতিষ্ঠাৰ বাবে ৰাজহৰ ধন বিনিয়োগ নকৰে, আনফালে ব্যক্তিগত বিনিয়োগো তথৈবচ। ৰাজ্যখনত নিবনুৱাৰ সংখ্যা কোটিৰ ঘৰত যদিও নিয়োগ বিনিময় কেন্দ্ৰত অকল শিক্ষিত নিবনুৱাৰ ২৭ লাখহে পঞ্জীভূত কৰিছে। অধিকাংশ নিবনুৱাই নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ন নকৰে। ২৬,৪৪১টা তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে ১১,১৫,৪৬০জন নিবনুৱাই আবেদন কৰিছে। চৰকাৰে ২৬ হেজাৰক চাকৰি দিলেও এই আবেদনকাৰী প্ৰাৰ্থীসকলৰ ভিতৰৰে প্ৰায় ১১ লাখ প্ৰাৰ্থী নিবনুৱা হৈয়ে থাকিব। এই পৰিস্থিতিত ৰাজ্যখনত কৰ্মসংস্থান সৃষ্টি কৰিবলৈ অতি প্ৰয়োজন বিনিয়োগ, সি ৰাজহুৱাই হওক বা ব্যক্তিগতই হওক। চৰকাৰী চাকৰিৰে ৰাজ্যখনৰ নিবনুৱা সমস্যা সমাধান নিশ্চয় কৰিব নোৱাৰি। ৰাজ্য চৰকাৰখন প্ৰচাৰত ওস্তাদ। এড্ভাণ্টেজ আসাম অনুষ্ঠিত কৰি বহু শ কোটি টকা খৰচ কৰি ফুটনি মাৰি ঘোষণা কৰিছিল যে প্ৰত্যক্ষ বৈদেশিক বিনিয়োগে অসম ভৰাই পেলাব। বৰ্তমান চৰকাৰখন এই বিষয়ত নিমাত। ভাৰত চৰকাৰৰ তথ্যমতে ২০২১ বৰ্ষটোৰ ভিতৰত দেশত ৫১,৩৩৯.২৭ নিযুত ডলাৰ বিনিয়োগ হৈছে। ইয়াৰে অসমত মাত্ৰ ৬.০২ নিযুত ডলাৰ বিনিয়োগ হৈছে। বিপৰীতে কৰ্ণাটকত হৈছে ১৮,৫৫৪.২৯ নিযুত ডলাৰ, মহাৰাষ্ট্ৰত ১২,২২৬.১৫ নিযুত ডলাৰ, তামিলনাডুত ৩,০২৩.৩৩ নিযুত ডলাৰ, তেলেংগানাত ১,৫৪৮.৫৯ নিযুত ডলাৰ, গুজৰাটত ২,৭০৯.৮১ নিযুত ডলাৰ। অসমত হাজাৰৰ ঘৰত বাদ দিয়ক এশৰ ঘৰতো বিনিয়োগ নহ'ল, ছয় নিযুত ডলাৰহে মাত্ৰ।

বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিত্তমন্ত্ৰী হিচাপে থাকোতে পাঁচ বছৰ ধৰি আকাশকুসুম বাজেট উত্থাপন কৰিছিল। হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ বিত্তমন্ত্ৰীয়েও ২০২২-২৩ বিত্তীয় বৰ্ষৰ লাখটকীয়া আকাশকুসুম বাজেট দাখিল কৰিছিল। বাজেটবোৰ পঢ়িলে এনেহেন লাগে যে অসমৰ সকলো দিশতে বিস্ময়কৰ উন্নতি ঘটাব। গালো বালো খোলাকুটিৰ তাল। উন্নয়নৰ ব্যাপক ঢাক-ঢোল বজোৱা বাজেটবোৰৰ ৭০ শতাংশ আবণ্টিত ধনেই খৰচ কৰিব নোৱাৰে পুঁজিৰ অভাৱত। ২০২১-২২ বিত্তীয় বৰ্ষত হেনো মাত্ৰ ৫৪.৮৯ শতাংশহে খৰচ কৰিছে। প্ৰায় এক লাখ কোটি টকাৰ বাজেট দাখিল কৰি চমক দিয়ে; কিন্তু খৰচ কৰে অতি বেছি ৬০,০০০ কোটি টকা।

ৰাজ্যখনৰ অৰ্থনীতিৰ এই পটভূমিত

**বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিত্তমন্ত্ৰী হিচাপে থাকোতে পাঁচ বছৰ ধৰি আকাশকুসুম বাজেট উত্থাপন কৰিছিল। হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ বিত্তমন্ত্ৰীয়েও ২০২২-২৩ বিত্তীয় বৰ্ষৰ লাখটকীয়া আকাশকুসুম বাজেট দাখিল কৰিছিল। বাজেটবোৰ পঢ়িলে এনেহেন লাগে যে অসমৰ সকলো দিশতে বিস্ময়কৰ উন্নতি ঘটাব। গালো বালো খোলাকুটিৰ তাল।**

জনসাধাৰণৰ জীৱন-জীৱিকাৰ পথ দিব পৰাকৈ কোনো ধৰণৰ অৰ্থনৈতিক উন্নয়ন নহয়। ঠিক সেইদৰে ৰাজ্যখনৰ আন্তঃগাঁথনি, উদ্যোগ, কৃষি সেৱা কোনো খণ্ডৰে উন্নতি নহয় আৰু ৰাজ্যখনৰ অধিক লোকেই কৰ্মহীন তেওঁলোকৰ আয় কৰাৰ সুযোগ নাই বা নিজৰ আয়ৰে আত্মনিৰ্ভৰশীলভাৱে জীৱন-যাপন কৰা সুযোগ নাপায় তেওঁলোকে। সেই কাৰণেই ভোট সংগ্ৰহ কৰাৰ বাবে ৰাজ্য চৰকাৰখনে প্ৰায় দুই কোটি লোকক হিতাধিকাৰীত পৰিণত কৰাৰ সুযোগ পাইছে। এই গৰিষ্ঠসংখ্যক লোক চৰকাৰে দিয়া ভিক্ষাৰ ওপৰত নিৰ্ভৰশীল। বিজেপি চৰকাৰখনেও বুজি পাইছে যে তেওঁলোক ক্ষমতাত থাকিবলৈ হ'লে জনসাধাৰণৰ স্থায়ীভাৱে জীৱন-জীৱিকাৰ পথ সৃষ্টি কৰিবলৈ উৎপাদন খণ্ডত বিনিয়োগ কৰাতকৈ হিতাধিকাৰী সৃষ্টিত বিনিয়োগ কৰিলে তেওঁলোকে ক্ষমতাত থকাটো নিশ্চিত হ'ব।

এই পটভূমিতে অসমৰ জনসাধাৰণে আত্মনিৰ্ভৰশীলভাৱে জীয়াই থকাৰ অৰ্থনীতি সৃষ্টি নহয় ৰাজ্যখনত। অধিকাংশ লোক দৰিদ্ৰ হৈয়ে আছে। ঘৰগোনা অনেক অসমবাসীয়ে পেটৰ তাড়নাত অসম এৰি ভাৰতৰ বিভিন্ন ৰাজলৈ গৈছে কৰ্মৰ সন্ধানত। কেৰালা ৰাজ্যৰে হেনো মুঠ শ্ৰমিকৰ অসমীয়া শ্ৰমিক ৩১ শতাংশ। সেইদৰে কৰ্ণাটক, তামিলনাডু, তেলেংগানা, দিল্লী ৰাজ্যবোৰৰো বহু শতাংশ শ্ৰমিক অসমীয়া। অসমৰ ঢাক-ঢোল বজোৱা অৰ্থনৈতিক উন্নয়নৰ চেহেৰা উক্ত ধৰণৰ। এই ধৰণৰ অৰ্থনৈতিক নীতিত অসমৰ উন্নয়ন চলি থাকিলে অসমৰ জনসাধাৰণৰ গৰিষ্ঠসংখ্যক লোক হিতাধিকাৰী হৈ জীয়াই থাকিব পাৰিব, কিন্তু আত্মমৰ্য্যাদাসহ নিজে অৰ্জন কৰা আয়ৰ দ্বাৰা এক আত্মনিৰ্ভৰশীল সুস্থ জীৱন-যাপন কৰাৰ সুযোগ নাপাব তথা অধিকসংখ্যক লোকে কৰ্মসংস্থান বিচাৰি অসম পৰিত্যাগ কৰিব লাগিব। অসমৰ অধিকসংখ্যক লোকে অনিশ্চিত ভৱিষ্যৎ লৈ জীয়াই আছে আৰু থাকিব লাগিব।

অৰ্থনীতিৰ নিয়ম অনুযায়ী জনসাধাৰণৰ যদি ক্ৰয়ক্ষমতা বাঢ়ে আৰু তেওঁলোকে খৰচ কৰে তেতিয়া অৰ্থনীতি প্ৰাণ পাই উঠে। জনসাধাৰণে সকলো সামগ্ৰী ক্ৰয় কৰিব পাৰিলে, বিভিন্নভাৱে সেৱা খণ্ডৰ ব্যৱহাৰ কৰাৰ সামৰ্থ অৰ্জন কৰিলে ব্যৱসায়-বাণিজ্য বৃদ্ধি হয়, উদ্যোগবোৰে সামগ্ৰী অধিক উৎপাদন কৰিব লাগে, কৃষিপণ্যৰ বিক্ৰী বাঢ়ে, যাতায়াতকে ধৰি সেৱা খণ্ডৰ বিভিন্ন দিশৰ ব্যৱহাৰ হয় অৰ্থাৎ অৰ্থনীতিৰ সকলো খণ্ডৰ চাহিদা বৃদ্ধি হয়। ইয়াৰ ফলত উদ্যোগবোৰে অধিক উৎপাদন কৰিব লাগে, কৃষকৰ ফচল বিক্ৰী হয়, সেৱা খণ্ডয়ো প্ৰাণ পাই উঠে। অৰ্থনীতিৰ ক্ৰিয়াকৰ্ম (Activity) বৃদ্ধি হয়। ফলত প্ৰচুৰ কৰ্মসংস্থানৰ সৃষ্টি হয়। অসমত অধিকসংখ্যক লোক দুখীয়া হোৱা বাবে তেওঁলোকৰ উপযুক্ত ক্ৰয়ক্ষমতা নাই আৰু অসমৰ অৰ্থনৈতিক ক্ৰিয়াকৰ্ম স্থৱিৰ হৈ আছে। অসমৰ অৰ্থনীতিয়ে যদি জনসাধাৰণৰ বাবে জীৱন-জীৱিকাৰ পথ সৃষ্টি কৰিব নোৱাৰে অসমৰ জনসাধাৰণৰ ভৱিষ্যৎ অন্ধকাৰ, গৰিষ্ঠসংখ্যক লোক দৰিদ্ৰ হৈ থাকি হিতাধিকাৰী হিচাপে জীয়াই থাকিব লাগিব।

ফোন ঃ ৯৪৩৫০৪১২০৩

# তুষ্টিকৰণ নে তৃপ্তিকৰণ?

## বংশানুক্ৰমিক ৰাজনীতিৰ পথাৰ

**ৰমেন চন্দ্ৰ বৰঠাকুৰ**

**যোৱা** তিনি জুলাইত হায়দৰাবাদত অনুষ্ঠিত ভাৰতীয় জনতা পাৰ্টিৰ দুদিনীয়া ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক পৰিষদৰ সভাৰ অন্তিম দিনটোত উপস্থিত থাকি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেইটামান গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে। মোদীয়ে কৈছে যে ভাৰতীয় জনতা পাৰ্টিৰ লক্ষ্য আছিল দেশখনক তুষ্টিকৰণৰ পৰা তৃপ্তিকৰণলৈ যোৱা। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ দলৰ সতীৰ্থসকলক কয় যে সম্প্ৰতি 'অস্তিত্বৰ সংকট'ৰ স'তে মুখামুখি হোৱা বংশগত দলসমূহৰ ভুলৰ পৰা তেওঁলোকে শিকিব লাগে আৰু বিজেপিৰ লক্ষ্য হ'ব লাগে জনপন্থী আৰু সক্ৰিয় সুশাসন। মোদীয়ে বিজেপি কৰ্মীসকলক ভাৰতবৰ্ষক 'শ্ৰেষ্ঠ' কৰি তোলাৰ বাবে চেষ্টা কৰিবলৈও আহ্বান জনায় আৰু দলৰ কৰ্মীসকলৰ মাজত সংযম আৰু সমন্বয়ৰ দৰে গুণসমূহ থকাৰ ওপৰতো গুৰুত্ব দিয়ে। তেওঁ দলীয় সদস্যসকলক 'স্নেহ যাত্ৰা' গ্ৰহণ কৰি সমাজৰ সকলো শ্ৰেণীৰ লোকৰ কাষ চাপিবলৈ কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই বক্তব্যৰ বিষয়ত দলটোৰ জ্যেষ্ঠ নেতা ৰবি শংকৰ প্ৰসাদে এনেদৰে কৈছিল— 'বংশধৰ্মী ৰাজনীতিৰ পৰা দেশ বিৰক্ত হোৱাৰ লগতে বংশধৰ্মী ৰাজনীতি অনুসৰণ কৰা এনে দলৰ পৰা দেশ সমানে ভাগি পৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰিছে। তেওঁ কৈছিল যে বংশগত দলসমূহে দীৰ্ঘদিন ধৰি জীয়াই থকাটো কঠিন আৰু সেয়েহে যুৱক-যুৱতীসকলক বিজেপিত যোগদান কৰিবলৈ উৎসাহিত কৰা উচিত, যাতে তেওঁলোকে আগবাঢ়ি যাব পাৰে।'

এতিয়া আহিছো, তুষ্টিকৰণ আৰু তৃপ্তিকৰণৰ প্ৰসংগলৈ। আভিধানিক অৰ্থত 'appease' শব্দটোৰে যিকেইটা অৰ্থ প্ৰকাশ কৰে সেই অৰ্থসমূহ এনেধৰণৰ ক) শান্তি আন, শাঁত কৰ, প্ৰশমন কৰ (খ) শান্ত কৰ, শাত কৰ নিচুকা (খং মাৰ নিয়াবৰ বা গুচাবৰ বাবে) ২। সন্তুষ্ট কৰ, তুষ্ট কৰ, প্ৰসন্ন কৰ। আনহাতে, appeasement শব্দৰ অৰ্থ হৈছে সন্তুষ্টি সাধন, তুষ্টি সাধন ২। প্ৰশমন, শাম ৩। নিচুকনি। আনহাতে, Fulfillment শব্দৰ অৰ্থ হৈছে ১) (ক) সিদ্ধি, সম্পূৰণ (খ) সম্পন্নতা, সমাধা ২। পৰিপূৰ্ণতা, সাৰ্থকতা ৩। তৃপ্তি (উৎস ঃ জ্যোতি দ্বিভাষিক অভিধান)। আনহাতে, অসমীয়া অভিধান অনুসৰি 'তুষ্টি' শব্দৰ অৰ্থ হৈছে— 'বি ঃ সন্তোষ, তৃপ্তি Pleasure, gratification। 'তুষ্টিসাধন' শব্দৰ অৰ্থ হৈছে 'বিঃ তুষ্ট কৰা কাৰ্য appeasement; the act of pleasing অৰ্থাৎ আভিধানিক অৰ্থত Appeasement শব্দটোৰে এক ঋণাত্মক অৰ্থ যেনে 'Nepotism' 'bias' 'Partiality' partianship', unfairness আদি শব্দ বুজোৱা নাই (Nepotismৰ অভিধানিক অৰ্থ হৈছে আত্মীয়-স্বজনক অন্যায় সুবিধা দান বা পৃষ্ঠপোষকতা ঃ স্বজন-তোষণ, কুটুম্ব তোষণ)। আন অৰ্থত, বহু ক্ষেত্ৰত তুষ্টিকৰণ আৰু তৃপ্তিকৰণে সম্পূৰ্ণ বিপৰীতধৰ্মী হোৱাৰ বিপৰীতে সমধৰ্মী অৰ্থহে প্ৰকাশ কৰা যেন অনুভৱ হৈছে। তেনেহ'লে মোদীয়ে তুষ্টিকৰণৰ পৰা তৃপ্তিকৰণলৈ দেশখনক লৈ যোৱাৰ দ্বাৰা কি বুজাবলৈ বিচাৰিছে?

আমি ধৰি লৈছো যে তেওঁ বংশীয় দলৰ কথা উল্লেখ কৰি এনে বংশীয় দলত সততে একে বংশৰ লোকে প্ৰভুত্ব বিস্তাৰ কৰে বুলি ক'বলৈ বিচাৰিছে আৰু দলৰ নাম উল্লেখ নকৰিলেও এনে দলসমূহে কৰা ভুলৰ পৰা বিজেপি দলক শিক্ষা ল'বলৈ আহ্বান জনাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে বংশীয় দল মানে কোনবোৰ দলক বুজাইছে আৰু এনে বংশীয় দলৰ বৈশিষ্ট্যসমূহ কেনেধৰণৰ হ'ব তাকো নিৰ্দিষ্টভাৱে ব্যাখ্যা কৰা নাই। ধৰি লৈছো যে ভাৰতবৰ্ষৰ কিছুসংখ্যক দল মূলত ঃ একেটা বংশৰ মানুহৰ দ্বাৰা পৰিচালিত আৰু সকলো ধৰণৰ ক্ষমতা-পদবী, সা-সুবিধা আদি উক্ত বংশৰ বংশধৰসকলে পুৰুষানুক্ৰমে ভোগ কৰি আহিছে। যদিহে ইয়াকে বুজাবলৈ প্ৰধানমন্ত্ৰীয়ে 'তুষ্টিকৰণ' শব্দটো ব্যৱহাৰ কৰিছে, তেন্তে প্ৰশ্ন হৈছে—ভাৰতীয় জনতা পাৰ্টি সাম্প্ৰতিক সময়ত এনে তুষ্টিকৰণৰ পৰা মুক্ত নে? কেইটামান উদাহৰণ দাঙি ধৰিবলৈ বিচাৰিছো।

১। কৰ্ণাটকৰ মুখ্যমন্ত্ৰী বসভাৰাজ বোম্মাই হৈছে ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এছ আৰ বোম্মাইৰ পুত্ৰ।

২। বিজেপিৰ প্ৰাক্তন শীৰ্ষনেতা বিজয়ৰাজে সিন্ধিয়াৰ নাতি আৰু প্ৰাক্তন কংগ্ৰেছ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী মাধৱৰাও সিন্ধিয়াৰ পুত্ৰ জ্যোতিৰাদিত্য সিন্ধিয়া হৈছে বিজেপি দলৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ এগৰাকী মন্ত্ৰী। কংগ্ৰেছ দলৰ পৰা বিজেপিত যোগ দিয়া জ্যোতিৰাদিত্য সিন্ধিয়াই মধ্যপ্ৰদেশৰ কমল নাথ চৰকাৰৰ পতন ঘটাইছিল। ৩। বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰ হিমাচল প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰেম কুমাৰ ধুমালৰ পুত্ৰ। ৪। কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান অটল বিহাৰী বাজপেয়ী নেতৃত্বাধীন চৰকাৰৰ সময়ত মন্ত্ৰিত্ব লাভ কৰা বিজেপি নেতা দেবেন্দ্ৰ প্ৰধানৰ সন্তান। ৫। দেশৰ বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণো কোনো ধৰণৰ বংশীয় ঐতিহ্য নথকাকৈ পদবী লাভ কৰা নাই। তেওঁৰ স্বামী পাৰাকলা প্ৰভাকৰে কংগ্ৰেছ দলৰ হৈ অন্ধ্ৰপ্ৰদেশৰ নাৰকাপুৰ সমষ্টিৰ পৰা বিধানসভাৰ নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। ৬। অৰুণাচল প্ৰদেশৰ প্ৰথমগৰাকী প্ৰটেম স্পীকাৰ ৰিণচিন খাৰুৰ পুত্ৰ কিৰেণ ৰিজিজু মোদী মন্ত্ৰীসভাৰ এগৰাকী অন্যতম সদস্য। ৭। অৰুণাচল প্ৰদেশৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী বিজেপিৰ প্ৰেমা খাণ্ডু ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী

**বংশগত দলৰ আৰ্হি নল'বলৈ কোৱা বিজেপি দলৰ শীৰ্ষ নেতা-নেত্ৰীৰ ল'ৰা-ছোৱালীয়ে কেৱল যে ৰাজনৈতিক ক্ষেত্ৰতহে প্ৰভাৱ বিস্তাৰ কৰিছে এনে নহয়, বৰঞ্চ ব্যৱসায়, ঠিকাদাৰী, উদ্যোগ স্থাপন আদিৰ ক্ষেত্ৰতো নৰেন্দ্ৰ মোদীৰ আমোলাত ভালেখিনি অগ্ৰাধিকাৰ পাবলৈ সক্ষম হৈছে।**

দৰ্জী খাণ্ডুৰ পুত্ৰ। ৮। ৰাজস্থানৰ জালৱাৰবাৰে সমষ্টিৰ পৰা লোকসভালৈ নিৰ্বাচিত হোৱা বিজেপি সাংসদ দুষ্যন্ত সিং ৰাজস্থানৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বসুন্ধৰা ৰাজেৰ পুত্ৰ। ৯। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী গোপীনাথ মুণ্ডেৰ জীয়ৰী প্ৰীতম মুণ্ডে বিজেপি দলৰ সাংসদ। ১০। কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বি এছ য়েডুৰাপ্পাৰ পুত্ৰ বি ৱাই ৰাঘৱেন্দ্ৰ এগৰাকী সাংসদ। ১১। সাংসদ ৰীতা বহুগুণা যোশী উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমৱতী নন্দন বহুগুণাৰ কন্যা। ১২। মুম্বাই নৰ্থ-চেণ্ট্ৰেলৰ পৰা লোকসভালৈ নিৰ্বাচিত হোৱা পুনম মহাজন প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী প্ৰয়াত প্ৰমোদ মহাজনৰ জীয়ৰী। ১৩। পশ্চিম দিল্লী লোকসভা সমষ্টিৰ পৰা বিজেপি দলৰ পৰা লোকসভালৈ নিৰ্বাচিত হোৱা পাৰবেশ বাৰ্মা দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চাহিব সিং বাৰ্মাৰ সন্তান। ১৪। প্ৰাক্তন প্ৰধানমন্ত্ৰী চন্দ্ৰ শেখৰৰ পুত্ৰ নীৰজ শেখৰে সমাজবাদী পাৰ্টিৰ পৰা ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল। ২০১৯ত তেওঁ বিজেপি দলত যোগ দিয়ে আৰু পুনৰ ৰাজ্যসভালৈ নিৰ্বাচিত হয়। ১৫। বৰ্তমানৰ প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙৰ পুত্ৰ পংকজ সিং ২০১৭ত উত্তৰ প্ৰদেশৰ নয়দা বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচিত হৈছিল। ১৬। অসমৰ বৰ্ষীয়ান বিজেপি নেত্ৰী বিজয়া চক্ৰৱৰ্তীৰ কন্যা হৰিপ্ৰিয়াই হাজো বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচিত হৈ আহিছে।

এনেধৰণৰ আৰু ভালেখিনি উদাহৰণ দাঙি ধৰিব পৰা যায়। ২০১৯ত 'The print' নামৰ ৱেব বাৰ্তালোচনীখনে এক সমীক্ষা প্ৰকাশ কৰিছিল যে বিজেপি দলৰ পৰা সাংসদ হোৱা ১১ শতাংশ সাংসদৰ (প্ৰায় ৪৫ গৰাকী) বংশগত পটভূমি (dynastic background) আছিল। বংশগত দলৰ আৰ্হি নল'বলৈ কোৱা বিজেপি দলৰ শীৰ্ষ নেতা-নেত্ৰীৰ ল'ৰা-ছোৱালীয়ে কেৱল যে ৰাজনৈতিক ক্ষেত্ৰতহে প্ৰভাৱ বিস্তাৰ কৰিছে এনে নহয়, বৰঞ্চ ব্যৱসায়, ঠিকাদাৰী, উদ্যোগ স্থাপন আদিৰ ক্ষেত্ৰতো নৰেন্দ্ৰ মোদীৰ আমোলাত ভালেখিনি অগ্ৰাধিকাৰ পাবলৈ সক্ষম হৈছে। এনে সফল উদ্যোগপতি-ব্যৱসায়ীৰ ভিতৰতে পোনতে আহে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ পুত্ৰ জয় শ্বাহৰ নাম। ২০১৯ত বিচিচিআই (Board of Control for Cricket in India)ৰ সম্পাদক পদত অধিষ্ঠিত হোৱা জয় অমিত ভাই শ্বাহৰ মালিকীস্বত্বৰ এক কোম্পানীৰ লেনদেন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ক্ষমতাত অধিষ্ঠিত হোৱাৰ পাছত ১৬ হেজাৰ গুণ বৃদ্ধি পাইছে। ২০১৩ আৰু ২০১৪ ৰ মাৰ্চৰ বৰ্ষ সমাপ্তিৰ সময়ত জয় শ্বাহৰ টেম্পল এণ্টাৰপ্ৰাইজ প্ৰাইভেট লিমিটেডৰ লোকচানৰ পৰিমাণ আছিল ক্ৰমে ৬২৩০ টকা আৰু ১৭২৪ টকা। ২০১৪-১৫ত ৫০ হেজাৰ টকা ৰাজহ দেখুওৱা কোম্পানীটোৱে উক্ত বৰ্ষত ১৮৭২৮ টকা লাভ হোৱা বুলি দেখুৱায়। আশ্চৰ্যকৰভাৱে সেই কোম্পানীটোৰ বছৰেকীয়া লেনদেন ২০১৫-১৬ত ৮০.৫ কোটিলৈ বৃদ্ধি পায়। (উৎস ঃ https:/ thewire.in/business/amit-shah-narendra-modi-jay-shah-bjp)

এনে আৰু অলেখ উদাহৰণ দিব পৰা যায় যদিও আমি শেহত মোদীয়ে কোৱা 'তৃপ্তিকৰণ'ৰ প্ৰসংগলৈ আহিছো। যদিহে সিদ্ধি, সম্পূৰণ, সম্পন্নতা আদিৰে প্ৰধানমন্ত্ৰীয়ে তৃপ্তি পাবলৈ বিচাৰিছে, তেন্তে ২০১৪ৰ লোকসভাৰ নিৰ্বাচনৰ সময়ত বিজেপি দলৰ ইস্তাহাৰত মূল্যবৃদ্ধি নাশ, বছৰি দুই কোটি লোকক সংস্থাপন, ২০২২ৰ ভিতৰত দেশৰ প্ৰতিটো পৰিয়ালক পকা ঘৰ প্ৰদান আদি যি অলেখ সোণালী প্ৰতিশ্ৰুতি দিছিল (যিসমূহক দলটোৱে সাম্প্ৰদায়িক বাতাবৰণেৰে সম্প্ৰতি পাহৰণিৰ গৰ্ভলৈ নিক্ষেপ কৰিছে) সেইবোৰ পূৰ্ণ কৰাৰ ব্যৱস্থা লওক। যদিহে পুৰণি প্ৰতিশ্ৰুতিবোৰ পূৰণৰ জৰিয়তে মোদীয়ে দেশখনক 'শ্ৰেষ্ঠ' কৰিবলৈ বিচাৰিছে, তেন্তে সেই অভিযানক আমি সকলো দেশবাসীয়ে স্বাগতম জনাম।

ফোন ঃ ৬৯০০০১০৩৬৬

### শুধৰণি

যোৱা ৩১ জুলাইৰ 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত ড° দয়ানন্দ পাঠকৰ 'লেখক-প্ৰকাশক খগেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা' শীৰ্ষক নিৰন্ধটোত হৰিনাৰায়ণ দত্ত বৰুৱাৰ 'পুত্ৰ' বিচিত্ৰ নাৰায়ণ বৰুৱা বুলি প্ৰকাশ পাইছে। দৰাচলতে বিচিত্ৰ নাৰায়ণ দত্ত বৰুৱা তেওঁৰ 'ভ্ৰাতৃ'হে আছিল।

—বিভাগীয় সম্পাদক

# প্ৰতীকবাদ আৰু অসমীয়া সাহিত্য

**অসমীয়া** সাহিত্যলৈ প্ৰতীকবাদৰ বিশুদ্ধ আগমন নঘটিছিল। তথাপি ই ঠায়ে ঠায়ে বিচ্ছিন্নভাৱে ভুমুকি নমৰা নহয়। প্ৰতীকবাদে অসমীয়া আধুনিক কবিতাক যিদৰে প্ৰভাৱান্বিত কৰিব লাগিছিল, সেইদৰে নকৰিলে। ভবানন্দ দত্ত, হেম বৰুৱা, নৱকান্ত বৰুৱা, অজিৎ বৰুৱা, নিৰ্মলপ্ৰভা বৰদলৈ, হোমেন বৰগোহাঞি আদিৰ কবিতাত প্ৰতীকৰ বহুল ব্যৱহাৰ দেখা যায়।

অসমীয়া কবিতালৈ প্ৰতীকবাদ আহিছে ইংৰাজী সাহিত্যৰ পৰা। সেয়ে অসমীয়া প্ৰতীকবাদ ইংৰাজী প্ৰতীকবাদৰ এক অন্য ৰূপ। ইয়াত ফৰাচী প্ৰতীকবাদে বৰ ঠাই নাপালে। সেয়ে অসমীয়া প্ৰতীকবাদী কবিতা কিছু বিজতৰীয়া হ'ল, কাৰণ বহুতো ইংৰাজী প্ৰতীকবাদী কবিক ফৰাচীৰ মান প্ৰতীকবাদৰ তুলা-চালনীত নুঠে। ইয়াৰ উপৰি অসমীয়া বহুতো প্ৰতীকবাদী কবিয়ে বহুতো ফৰাচী প্ৰতীকবাদী কবিৰ নাম শুনাই নাই (মোৰ নিজস্ব অভিজ্ঞতাৰ পৰা কথাষাৰ কৈছো)।

প্ৰতীকৰ ব্যৱহাৰৰ সম্পৰ্কে যদি আমি অসমীয়া নাটকলৈ আহো তেন্তে এক দুখলগা অৱস্থাহে চকুত পৰে। অসমীয়াত প্ৰতীকধৰ্মী নাটক নাই বুলিলেও বঢ়াই কোৱা নহয়। সেইদৰে অসমীয়া গল্প সাহিত্যতো প্ৰতীকবাদৰ প্ৰভাৱ দুখলগাকৈ অভাৱ। অৱশ্যে মহিম বৰাৰ 'কাঠনিবাৰীৰ ঘাট'ত প্ৰতীক আৰু চিত্ৰকল্পৰ ধ্বনিময় ইংগিত বিদ্যমান। সেয়ে গল্পটো কাব্যতকৈও অধিক মনোগ্ৰাহী হৈ পৰিছে। উদাহৰণ চাওক ঃ 'এখন



ড° গিৰীশ বৰুৱা

সুন্দৰ বেঞ্চ। তাত বহি চাহ খাওক, বিড়ি কিনক, চিগাৰেট জ্বলাওক, কথা পাতক। মই সেইবিলাকৰ একোকে কৰা নাছিলো। মাত্ৰ প্ৰকাণ্ড সেন্দূৰ বাটি যেন হৈ পৰা বেলিটোলৈ চাই আছিলো। জাহাজ আজিৰ ৰাতি ন বজাতহে, অৰ্থাৎ সেইটোৱে নিয়ম। দিনে পোহৰেই আহি মই ঘাট পালোহি। চাওঁতে চাওঁতে সৰু সৰু বিলাকে সৰু সৰু আঙুলিৰে সেন্দূৰবিলাক টপাটপ সানি কৰবাত মৌ-মেল চাবলৈ লৰ ধৰিছে।'

গল্পটোত ব্ৰহ্মপুত্ৰ নদী, তাৰ পাৰৰ সৰু ঘাটটো এই সকলোবোৰেই প্ৰতীক ৰূপত দেখা দিছে। ইয়াৰ উপৰি তেওঁৰ 'ৰাতিফুলা ফুল' আন এক প্ৰতীকধৰ্মী গল্প। ইয়াত ৰাতিফুলা ফুলৰ প্ৰতীকে গল্পটোকে এক বিশেষ নাট-ঘনত্ব প্ৰদান কৰিছে। এই প্ৰতীকৰ মাধ্যমেৰে তেওঁ নাৰীৰ অন্তৰ-সৌন্দৰ্যৰ স্বৰূপটো উদ্‌ঘাটন কৰাৰ চেষ্টা কৰিছে। অকল এটা ক্ষেত্ৰতে নহয় বিভিন্ন চৰিত্ৰৰ দৃষ্টিভংগীৰ মাজেৰে আমি ৰাতি ফুলা ফুলৰ প্ৰতীকী ব্যঞ্জনা গল্পটোত দেখিবলৈ পাওঁ। ই কেতিয়াবা যৌন আকৰ্ষণৰো প্ৰতীক হৈ পৰিছে। ই অৱশ্যে বাহ্য সৌন্দৰ্যৰ আকৰ্ষণ নহয়, ৰাতি ফুলা ফুলৰ দৰে অন্তৰ সৌন্দৰ্যৰহে আকৰ্ষণৰ প্ৰতীক।

ৰাতি ফুলা ফুলৰ অন্তৰ-সৌন্দৰ্যৰ মহিমা কিদৰে প্ৰতীকী ৰূপত তেওঁ বৰ্ণনা কৰিছে তাৰ চানেকি তলৰ শাৰী কেইটাত পোৱা যায়।

'ইমান ধক্‌ধকীয়া বগা, কোমল দীঘলীয়া পাহিবোৰত যেন বৰফৰ গুড়িহে সিচঁৰতি হৈ আছে। হাত লগালেই যেন সেই সৌন্দৰ্য, সেই পৱিত্ৰতা নষ্ট হৈ যাব। বসন্তই এখোজ আগবাঢ়ি পাতটোত ধৰি এপাহ ফুল অলপ ওপৰলৈ দাঙি ধৰিলে। ভিতৰফালে হঠাৎ হালধীয়া বোল লগা কেশৰ আৰু পৰাগবিলাক এইমাত্ৰ ধুৱাই উঠা কইনাজনীৰ গাত লাগি থকা মাহ-হালধিৰ বোল যেন লাগি গ'ল বসন্তৰ চকুত।'

মহিম বৰাৰ প্ৰায় প্ৰতিটো গল্পৰে শিৰোনাম প্ৰস্তুত হৈছে একোটা প্ৰতীকেৰে। 'কাঠনিবাৰীৰ ঘাট', 'ৰাতি ফুলা ফুল', 'টোপ', - প্ৰত্যেকেই একোটা প্ৰতীক। বৰশীৰ টোপ পৰ্যবসিত হৈছে কামনাৰ টোপলৈ। এই তিনিওটা গল্পই প্ৰতীকেৰে পৰিপূৰ্ণ। উদাহৰণস্বৰূপে 'কাঠনিবাৰীৰ ঘাট'ত থকা জড় প্ৰকৃতিক জীৱন্ত কৰি তোলা অজস্ৰ প্ৰতীকে আমাক হতভম্ব কৰে। ইয়াৰ যোগেদি গল্পকাৰে প্ৰকৃতিক যি মানৱীয় আয়তনেৰে সজ্জিত কৰিছে, সি সচৰাচৰ গদ্য সাহিত্যত বিৰল। 'এন্ধাৰৰ মাজত বাঘ এটাই চিকাৰৰ বাটত চোপ লৈ আছে', 'টৌবোৰে যেন ফোটটো ভাগ বাটি লৈ যাব', 'কোনোবাই খণ্ডত যেন গোটেই সেন্দূৰখিনি থেকেচা মাৰি পেলাই দিলে,-উকা কপালৰ তিৰোতা এগৰাকী যেনেই লাগিল, - এইবোৰ অনৱদ্য প্ৰতীকৰ সমাহাৰ।

ওপৰৰ তিনিওটা গল্পতে মহিম বৰাই ভাবসঞ্চাৰী ক্ৰিয়াযুক্ত অৰ্থঘন শব্দৰ প্ৰাচুৰ্যৰে মূৰ্তিমান প্ৰতীকৰ ব্যৱহাৰত নিজৰ দক্ষতাৰ পৰিচয় দিছে।

অসমীয়া সাহিত্যত প্ৰতীকবাদী ধাৰাৰ কবিতাই প্ৰসাৰ লাভ কৰে নীলমণি ফুকনৰ কবিতাত। এই সম্পৰ্কে হীৰেন্দ্ৰনাথ দত্তই এইদৰে লিখিছে, '...অসমীয়া সাহিত্যত প্ৰতীকবাদী ধাৰাৰ কবিতাই প্ৰসাৰ লাভ কৰাৰ গুৰিতে নীলমণি ফুকনৰ অৱদানেই বেছি।' (আ. ছাত্তাৰ, স. 'সপ্তম দশকৰ অসমীয়া ভাষা-সাহিত্যৰ ইতিবৃত্ত', পৃ. ৭৬) তদুপৰি তেওঁৰ ওপৰত অভিব্যক্তিবাদ, অধিবাস্তৱবাদ, চিত্ৰকল্পবাদ আদিৰ প্ৰভাৱো পৰিছে। এই সম্পৰ্কে দত্তই এইদৰে লিখিছে, 'ফৰাচী প্ৰতীকবাদী কবিতা, জাৰ্মান এক্সপ্ৰেছ'নিষ্ট কবিতা আৰু চুৰ্ৰিয়েলিজিম, ইমেজিজিম আদি বিভিন্ন ইউৰোপীয় কাব্যধাৰাৰ প্ৰভাৱ ফুকনৰ কবিতাত সুস্পষ্ট।' (ঐ)

*ফোন ঃ ৭০০২৩৭৬৫০৫*

## সাহিত্যক কোনো ধৰা বন্ধা গড় এটাত সুমুৱাই সৃষ্টি কৰা নহয়

# সমালোচক চেমুৱেল জনছন

**প্ৰখ্যাত** সমালোচক ড° জনছনে সমালোচনা তত্ত্বৰ কোনো গ্ৰন্থ ৰচনা কৰা নাছিল আৰু তেওঁৰ সমালোচনাত্মক ৰচনাৰ পৰিমাণো বৃহৎ নহয়। কিন্তু তেওঁৰ সময়লৈকে ইংৰাজ সাহিত্য সমালোচকসকলে যুগৰ ওপৰত পেলোৱা প্ৰভাৱতকৈ তেওঁ পেলোৱা প্ৰভাৱ আছিল অনেক বেছি। তেওঁৰ সমালোচনাত্মক ৰচনাৰ ভিতৰত আছে সেই সময়ৰ The Rambler নামৰ আলোচনীখনত লিখা কেইটামান প্ৰবন্ধ, কবিতা সম্পৰ্কে কৰা কেইটামান মন্তব্য, শ্বেক্সপীয়েৰৰ নাটক সম্পাদনা কৰি লিখা পাতনি আৰু Lives of the poets। তেওঁৰ দিনৰ সমালোচনা আছিল নীতি-নিয়মৰ অন্ধ প্ৰয়োগ আৰু ৰুচিৰ ওপৰতে নিৰ্ভৰ কৰি কৰা সাহিত্য বিচাৰ। সমালোচনাৰ কামনো কি তাক ড° জনছনে পোনতে সংজ্ঞাৱদ্ধ কৰিবলৈ বিচাৰিছিল। লেখকৰ সৃষ্টি কৰ্মৰ মূল্যক তেওঁ নীতিৰ ভিত্তিত মূল্যায়ন কৰিবলৈ বিচাৰিছিল। তেওঁৰ মতে ৰুচি সুপৰিচালিত নহ'লে খেয়াল হৈ যাব পাৰে। তেনে মন একোটাই আৱিষ্কাৰ কৰা সৌন্দৰ্যৰ ধাৰণাও অস্পষ্ট। মানুহ এজনক বস্তু এটাই সন্তুষ্ট কিয় কৰিছে তাৰ কাৰণ মানুহজনে নিজেই নাজানে। তেনে ক্ষেত্ৰত স্থান আৰু কাল সাপেক্ষে সৌন্দৰ্যৰ ধাৰণাও সুকীয়া হ'ব পাৰে। ড° জনছনৰ মতে সমালোচনা নিশ্চিত ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগে। তেওঁৰ সন্মুখত ধ্ৰুপদী আৰু নব্য ধ্ৰুপদী সমালোচকসকলৰ সমালোচনা নীতিসমূহ আছিল, কিন্তু তেওঁৰ দৃষ্টিত সিবিলাকৰো পৰিৱৰ্তন প্ৰয়োজনীয় আছিল। প্ৰতিজন প্ৰতিভাৱান লোকেই নতুন কিবা সৃষ্টি কৰে আৰু সেই নতুন সৃষ্টি অনুমোদিত হওঁতে পুৰণি নীতি- নিয়মৰ কিছু সালসলনি ঘটে। পূৰ্বৰ লেখকৰ অনুশীলনে প্ৰতিষ্ঠা কৰা নীতি- নিয়মক নতুন আৱিষ্কাৰে সলনি কৰে।

অনুশীলনে প্ৰতিষ্ঠা কৰা নীতি- নিয়ম দুই ধৰণৰ হ'ব পাৰে। কিছু নীতি মৌলিক আৰু অপৰিহাৰ্য। সিবিলাক প্ৰকৃতি আৰু যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত। আন কেতবোৰ নীতি সুবিধাজনক আৰু কামত অহা বিধৰ জনছনৰ মতে লেখক বা সমালোচকে প্ৰথমবিধৰ নীতি-নিয়মক উলংঘা কৰিব নোৱাৰে, কিন্তু নিজৰ কলাৰ স্বাৰ্থত দ্বিতীয় বিধ নীতি-নিয়মক মানিবৰ অথবা নামানিবৰ স্বাধীনতা থাকে। দ্বিতীয় বিধক কৰ্তৃপক্ষই ঘটনাক্ৰমে এৰি যোৱা ব্যৱস্থাপত্ৰ বুলিব পাৰি। সময় আৰু ৰীতি-নীতিয়ে সিবিলাকক গৰিমাময় কৰে। ৰীতি-নীতিৰ ক্ষেত্ৰত ড° জনছনে এই ধৰণৰ স্থিতি গ্ৰহণ কৰিছিল। তেওঁ পুৰণি ৰীতি-নীতিক সম্পূৰ্ণ অগ্ৰাহ্য নকৰে। তেনে কাৰ্যই অৰাজকতা আৰু অজ্ঞতাৰ দুৱাৰ খুলি দিব পাৰে। ড° জনছনৰ মতে লেখক এজনৰ প্ৰথম কৰ্তব্য হ'ল প্ৰকৃতিক অভ্যাসৰ পৰা পৃথক কৰা। কথাটো এনেকৈও ক'ব পাৰি যে এটা শুদ্ধ কাৰণে প্ৰতিষ্ঠিত হৈছে আৰু আনটো প্ৰতিষ্ঠিত বাবেই শুদ্ধ প্ৰমাণিত হৈছে। লেখক এজনে কেৱল নতুনত্বৰ কাৰণে অপৰিহাৰ্য নীতি-নিয়ম উলংঘা কৰিব নালাগে আৰু নীতি উলংঘা কৰাৰ ভয়ত নিজৰ দৃষ্টিত যি সুন্দৰ তাৰ পৰাও নিজক বঞ্চিত কৰিব নালাগে। সাহিত্য ক্ষেত্ৰত কোনো স্বেচ্ছাচাৰীয়ে অলংঘনীয় আইন প্ৰণয়ন কৰিব নোৱাৰে। সাহিত্যকৃতি এটাই অপৰিহাৰ্য নিয়ম মানিছে নে নাই তাৰ বাবে জনছনে এটা পৰীক্ষাৰ কথা উল্লেখ কৰিছে। সেই পৰীক্ষা হ'ল সময়ৰ পৰীক্ষা। সাহিত্যকৃতি এটাৰ মান সময়ৰ দৈৰ্ঘ্য আৰু ই লাভ কৰি থকা সম্ভ্ৰমে নিৰ্ণয় কৰিব পাৰে। সাহিত্যত সাধাৰণ প্ৰকৃতিৰ ন্যায্য প্ৰতিনিধিত্ব নাথাকিলে ই অনেক মানুহক দীৰ্ঘদিন ধৰি সন্তুষ্ট কৰি ৰাখিব নোৱাৰে। ড° জনছন সাহিত্য সমালোচনাৰ নব্য ধ্ৰুপদী পৰম্পৰাৰ পৰা সম্পূৰ্ণ মুক্ত নহ'লেও প্ৰাচীন বা আধুনিক কোনো কৰ্তৃত্বৰ প্ৰতি অন্ধ আনুগত্যক তেওঁ সমৰ্থন নকৰে।



ড° আনন্দ বৰমুদৈ

ড° জনছনৰ মতে সাহিত্যক কোনো বন্ধা ধৰা গড় এটাত সুমুৱাই সৃষ্টি কৰা নহয়। সাহিত্যক লেখকৰ যুগ আৰু পৰিৱেশে গঢ় দিয়ে। লেখক এজনক ন্যায্যভাৱে মূল্যায়ন কৰাৰ ওপৰত তেওঁ গুৰুত্ব দিছিল। তাকে কৰিবলৈ তেওঁৰ সমসাময়িক লোকৰ প্ৰয়োজন কি আছিল আৰু সেই প্ৰয়োজন পূৰাবলৈ লেখক এজনে কেনেদৰে চেষ্টা কৰিছিল সেই কথা বিবেচনা কৰিব লাগিব। এটা সময়ত সহজ হৈ পৰা কথাটো আন এটা সময়ত জটিল হৈ থাকিবও পাৰে। প্ৰকৃতি আৰু যুক্তিৰ লগত খাপ খাব পৰাটো সাহিত্য গুণৰ মূল পৰীক্ষা হ'লেও লেখক এজনৰ সুবিধা আৰু সীমাৱদ্ধতাৰ কথাও তেওঁৰ সিদ্ধিৰ পৰীক্ষাত কম গুৰুত্বপূৰ্ণ নহয়। ড° জনছনে নিজে যিসকল লেখকৰ মূল্যায়ন কৰিছিল, তেওঁলোকৰ ক্ষেত্ৰতো তেওঁলোকৰ যুগক গুৰুত্ব সহকাৰে অধ্যয়ন কৰা হৈছিল। সেই দৃষ্টিকোণৰ পৰাই শ্বেক্সপীয়েৰৰ নাটকত থকা হিংসাত্মক ঘটনাবোৰক সেই যুগৰ অসংস্কৃতিৱান দৰ্শকৰ ৰুচি অনুযায়ী ৰচনা কৰা হৈছিল বুলি তেওঁ কৈছিল। ড° জনছন ঐতিহাসিক সমালোচনাৰ সমৰ্থক।

ড° জনছনৰ মতে কবিতাই সত্যৰ লগত আনন্দৰ সংযোগ ঘটায়। ইয়াত যুক্তিক কল্পনাই সহায় কৰে। কাব্যকলাই জীৱনৰ সত্যক অনুকৰণ কৰে আৰু ইয়াৰ কাম হ'ল পাঠকক আনন্দৰ যোগান ধৰা। সত্যক অনুকৰণ কৰোতে কবি যুক্তিৰ দ্বাৰা পৰিচালিত হয় আৰু আনন্দ দানৰ ক্ষেত্ৰত কবি কল্পনাৰ দ্বাৰা পৰিচালিত হয়। সত্য কাব্যিক হ'বলৈ হ'লে সি আনন্দ দান কৰিব পাৰিব লাগিব। ড° জনছনে কবিতাৰ নৈতিক দিশটোকো আওকাণ কৰা নাই। শ্বেক্সপীয়েৰৰ নাটকৰ পাতনিত তেওঁ লিখিছিল যে লেখাৰ শেষ লক্ষ্য নিৰ্দেশনা দান কৰা, কবিতাই আনন্দ দানৰ যোগেদি পাঠকক নিৰ্দেশনা দান কৰিব পাৰিব লাগিব।

শ্বেক্সপীয়েৰৰ নাটকৰ বিষয়ে ড° জনছনে কৈছে যে সিবিলাক বিশ্বাসযোগ্যভাৱে যুগৰ দাপোণ। তেওঁৰ চৰিত্ৰবোৰ কোনো বিশেষ ঠাইৰ নহয়। সিবিলাক মানুহৰ সন্তান। ইয়াত সমালোচকজনে আচলতে অনুকৰণ নীতিকো ব্যাখ্যা কৰিছে। কবিয়ে অনুকৰণ কৰোতে কেইজনমান মানুহে কি কৰে, ভাবে বা চিন্তা কৰে তাক অনুকৰণ নকৰে। তেওঁ অনুকৰণ কৰে প্ৰায়বোৰ মানুহে প্ৰায় সকলো যুগত যি চিন্তা কৰে আৰু যি কাম কৰে তাৰ অনুকৰণ। এইটোৱেই সাধাৰণ প্ৰকৃতি। কবিতাৰ সত্য সেইবাবে সাৰ্বজনীন সত্য। এই ধৰণৰ অনুকৰণৰ আন এটা দিশ আছে। ই অনেকক সন্তুষ্ট কৰে আৰু দীৰ্ঘদিন ধৰি সন্তুষ্ট কৰে। পাঠকে ইয়াৰ মাজত নিজৰ চিন্তা আৰু কামক বিচাৰি পায়। যি আবেগে সকলো মানুহকে উদ্বেলিত কৰিব পাৰে। কবিয়ে তাক নিৰ্বাচন কৰে আৰু ভাষাও সাধাৰণ মানুহৰ কথা-বতৰাৰ ভাষাৰ মাজৰ পৰাই নিৰ্বাচন কৰে। যিবোৰ দৃশ্যপটত মানুহে যিদৰে কাম কৰে আৰু কথা কয় সিবোৰ দৰ্শকৰ বাবে বিশ্বাসযোগ্য হ'ব লাগিব। দৰ্শক এজনে এইদৰে অনুভৱ কৰে যে সেই পৰিৱেশ আৰু পৰিস্থিতিত তেৰোঁ সেইদৰেই আচৰণ কৰিলেহেঁতেন। দৰ্শকৰ প্ৰতিক্ৰিয়া অচিনাকি ঠাইত চিনাকি মুখ এখন দেখাৰ দৰে হয়। একে সময়তে শ্বেক্সপীয়েৰৰ নাটকসমূহত উপদেশ আৰু পাৰ্থিব জ্ঞানো সোমাই আছে। ড° জনছনে অৱশ্যে শ্বেক্সপীয়েৰৰ নাটকত সচেতনভাৱে নাট্যকাৰে কৰা নৈতিক পৰিকল্পনা দেখা পোৱা নাছিল। তেওঁ কৈছিল যে শ্বেক্সপীয়েৰে সজ গুণক সুবিধাৰ কাৰণে ত্যাগ কৰিছিল। মানুহক নিৰ্দেশনা দিয়াতকৈ আনন্দ দান কৰাৰ প্ৰতি তেওঁ ইমান বেছি আগ্ৰহী আছিল যে তেওঁ কোনো নৈতিক উদ্দেশ্য নোহোৱাকৈ লিখা যেন লাগিছিল। গ্ৰীক ট্ৰেজেডিৰ দৰে শ্বেক্সপীয়েৰৰ নাটকতো মংগলক বিশেষ উদগনি দিয়া নহয় আৰু অমংগলকো হতাশ কৰা নহয়। এই ত্ৰুটিক যুগৰ বৰ্বৰতাই ৰেহাই দিব নোৱাৰে, কাৰণ পৃথিৱীখনক সুন্দৰ কৰাটো লেখকৰ কৰ্তব্য।

ভাষাৰ ক্ষেত্ৰত ড° জনছনে কৈছিল যে সকলো শব্দই কাব্যিক ব্যৱহাৰৰ বাবে উপযুক্ত নহয়। অতি পৰিচিত আৰু অপৰিচিত শব্দৰ ব্যৱহাৰে কবিৰ উদ্দেশ্য সিদ্ধিত বাধা দিব পাৰে। আমি সদায় শুনি থকা শব্দ এটাই আমাৰ মনত গভীৰ সাঁচ এটা বহুৱাব নোৱাৰে আৰু আচহুৱা শব্দ এটাৰ হয় আমি অৰ্থ বুজি নাপাওঁ নহয় বহুত কষ্ট কৰিহে বুজি পাওঁ। গতিকে জনছনে দুই ধৰণৰ শব্দকে কবিতাত ব্যৱহাৰ কৰাৰ পৰা আঁতৰাই ৰখাৰ কথা কৈছিল। আন শব্দবোৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত কবিৰ পূৰ্ণ স্বাধীনতা আছে। কবিতাৰ ভাষা ঘৰুৱা ব্যৱহাৰে আৰোপ কৰা স্থূলতাৰ পৰা মুক্ত হ'ব লাগিব। কবিতাই সাৰ্বজনীন ভাষাত কথা ক'ব লাগিব, কিন্তু অতি পৰিচিত অথবা স্থূল শব্দক পৰিহাৰ কৰিব লাগিব।



উপমাৰ প্ৰয়োগৰ বিষয়ে ড° জনছনে স্মৰণীয় কথা কৈছে। উপমা নিখুঁত হ'বলৈ হ'লে সি অৰ্থক ব্যাখ্যা কৰি শোভাবৰ্ধন কৰিব লাগিব। পাঠকৰ উপলব্ধিক ই পৰিষ্কাৰ কৰিব লাগিব। উপদেশমূলক কবিতাত উপদেশ দিয়াটোৱেই যিহেতু মূল কথা, অৰ্থক ব্যাখ্যা কৰা উপমাক প্ৰশংসা কৰিব পাৰি। বীৰত্বব্যঞ্জক কবিতাত উপমাই পাঠকক মহান আদৰ্শৰে অনুপ্ৰাণিত কৰাত সহায় কৰিব লাগিব।

নাটকৰ ক্ষেত্ৰত ড° জনছনৰ দিনত যিবোৰ বিষয় বিতৰ্কিত আছিল সেই বিষয়বোৰো তেওঁ আলোচনা কৰিছিল। প্ৰকৃতি, নাটকীয় ঐক্য, নাটকে দিয়া আনন্দ আৰু ট্ৰেজি-কমেডিৰ দৰে বিষয়বোৰ তেওঁ আলোচনা কৰিছিল। নাটকো কবিতা আৰু সেই ফালৰ পৰা কবিতাৰ দৰে নাটকো মানুহৰ আচাৰ আৰু জীৱনৰ এখন দাপোণ হ'ব লাগিব। মানুহৰ আবেগ-অনুভূতিক ই মানৱীয় ভাষাৰে প্ৰকাশ কৰিব লাগিব। প্ৰতিটো কাহিনীৰ মূল্য ইয়াৰ সত্যৰ ওপৰত নিৰ্ভৰ কৰে। কাহিনী এটাই ধৰি ৰখা ছবিখন এজন ব্যক্তিৰ অথবা সাধাৰণ মানুহৰ প্ৰকৃতিৰ হ'ব পাৰে। ই যদি অসত্য হয়, তেন্তে ই কাকো প্ৰতিনিধিত্ব কৰা ছবি নহয়।

নাটকীয় ঐক্যৰ প্ৰসংগত ড° জনছনে কাৰ্যৰ ঐক্যকহে ন্যায্য বুলি কৈছিল। কাহিনীৰ ঘটনা-পৰিঘটনাসমূহ এটাৰ পৰা আনটোক পৃথক কৰিব নোৱাৰাকৈ ঐক্য সূত্ৰই বান্ধি ৰাখে। বাঞ্চিত লক্ষ্যৰ ফালে এটা ঘটনাই আনটোক আগবঢ়াই লৈ নগ'লে কাহিনীত অৰাজকতাই বিৰাজ কৰিব। স্থান আৰু কালৰ ঐক্যত তেওঁ একো ন্যায্যতা বিচাৰি পোৱা নাছিল। তেওঁৰ মতে এই দুটা ঐক্যক নাটকখনক বিশ্বাসযোগ্য কৰিবলৈ প্ৰয়োজনীয় বুলি ধৰি লোৱাহে হয়। সমালোচকৰ মতে বহু মাহ অথবা বছৰৰ ঘটনা তিনি ঘণ্টা সময়ত পাৰ হৈ যোৱাটো সম্ভৱ নহয়। বাস্তৱৰ সদৃশ নহ'লে কাল্পনিক কাহিনীয়ে শক্তি হেৰুৱায়। ড° জনছনে এই প্ৰসংগত যুক্তি দৰ্শাইছে যে দৰ্শকসকলে আৰম্ভণিৰ পৰা শেষলৈকে এই কথা মনত ৰাখে যে মঞ্চই মঞ্চই আৰু অভিনেতা সফল অভিনেতাই। মঞ্চ এটা যিহেতু এথেঞ্চ নহয় বা ছিচিলিও নহয়, দৰ্শকৰ বাবে প্ৰথমে তাক এথেঞ্চ বুলি কল্পনা কৰি পাছত ছিচিলি বুলি ধৰি লোৱাত উদ্ভট বুলিব পৰা একো নাই। একে কাৰণতে মঞ্চৰ তিনি ঘণ্টাক জীৱনৰ তিনিটা বছৰ বুলি ধৰি লোৱাটো একো অস্বাভাৱিক কথা নহয়। যিজনে স্থানৰ ক্ষেত্ৰত অবিশ্বাসক স্বেচ্ছাই ত্যাগ কৰিব পাৰে, তেওঁ কালৰ ক্ষেত্ৰতো অবিশ্বাস ত্যাগ কৰিব পাৰিব।

নাটকে দিয়া আনন্দৰ ক্ষেত্ৰত ড° জনছনে কৈছে যে ট্ৰেজেডিয়ে দিয়া আনন্দৰ কাৰণ হ'ল কাল্পনিক কাহিনীৰ সম্পৰ্কে আমাৰ সচেতনতা। আমি নাটকত ঘটা ষড়যন্ত্ৰ আৰু হত্যাকাণ্ডবোৰ সত্য বুলি বিশ্বাস কৰিলে সিবিলাকে আমাক আনন্দ নিদিব। অনুকৰণে আমাক বেদনা বা আনন্দ দিয়াৰ কাৰণ এনে নহয় যে সিবিলাকক আমি বাস্তৱ বুলি ভুল কৰো, সিবিলাকে আমাক বাস্তৱৰ কথা সোঁৱৰাইহে দিয়ে।

ট্ৰেজি-কমেডিক কোনো কোনো সমালোচকে সমৰ্থন নকৰে। ড° জনছনে দুটা কাৰণত ট্ৰেজি-কমেডিৰ সপক্ষে কৈছিল। বেদনা আৰু আনন্দৰ সাল সলনিৰে দৰ্শকক বৈচিত্ৰ্যতাৰে আনন্দ দান কৰে। ট্ৰেজেডি অৰু কমেডি দুয়োটা উপস্থাপন কৰা নাটক দৃশ্যমান জীৱনৰ অধিক কাষ চপা। মানুহৰ জীৱনত সাধাৰণতে মংগল-অমংগল, হৰ্ষ-বিষাদ আদি সানমিহলি হৈ থাকে।

ড° জনছনৰ 'লাইভছ অৱ পয়েটছ'ত প্ৰণালীবদ্ধভাৱে মুঠ ৫২গৰাকী কবিৰ জীৱন আৰু কবিতাৰ সমালোচনা কৰা হৈছে। Cowleyৰ পৰা gray লৈকে প্ৰায় এশ বছৰৰ কবিৰ কবিতাক সামৰা হৈছে। এই অধ্যয়নে ইংৰাজী কবিতাৰ বুৰঞ্জীকো সামৰিছে আৰু কবিসকলৰ কবিতাৰ সমালোচনাও কৰিছে। ড° জনছনে প্ৰতিজন কবিৰ বিশিষ্টতাক আঙুলিয়াই দেখুৱাইছে। ১৮ শতিকাৰ অতি শক্তিশালী সমালোচক ড° চেমুৱেল জনছন নব্য ধ্ৰুপদী স্কুলৰ শেষৰজন প্ৰখ্যাত সাহিত্য সমালোচক।

## অগ্ৰদূত

**শিৱ প্ৰসাদ শৰ্মা ঠাকুৰ**

উনৈশ শ এসত্তৰ বৰ্ষৰ 'ভাৰতী'ৰ দিনা
এটা শিশু জন্ম হ'ল ধৰাত সিদিনা!!
গৌৰী বুক ভেলীত বহি ধীমান সজ্জন
'অগ্ৰদূত' তাৰ নামাকৰণ!
কনকসেন ডেকাই এৰি শিক্ষকতা বিত্তি
যিজনৰ শিৰত শোভে সাংবাদিকৰ কিৰীটি!!
ক্ৰমে ক্ৰমে সাপ্তাহিক তিনিদিনীয়াকৈ
আজিচোন নিৰৱধি প্ৰতিদিনকৈ!!

দেশৰ সংকট কালত ইখনি কাকতে
বলিষ্ঠ ভাষাৰে নিতে গৰ্জে সিংহ নাদে।
যুৱক চামৰ প্ৰতি আশাপূৰ্ণ বাণী
ৰাষ্ট্ৰীয় স্তৰতো 'অগ্ৰদূত' অগ্ৰগামী।

প্ৰাক্ ভাৰত যুদ্ধ কিম্বা বাংলাদেশ মুক্তি
ভাৰত চৰকাৰে দিলে বাংলাক স্বীকৃতি।
ইয়াতো তোমাৰ আছে অশেষ অৱদান
সেয়ে বিশ্ব দৰবাৰত দীপ্ত মহীয়ান।



'আলফা'ৰ কোপদৃষ্টিত নহৈ বিতত
সন্ত্ৰাসবাদ নিৰ্মূলৰ ৰচিলা জনমত।
যুৱশক্তিক প্ৰেৰণা দি উচ্চস্বৰে ক'লে
'ওলাই আহা' জন্মভূমি যায় ৰসাতলে।

ছবছৰীয়া আন্দোলন জন্মৰ পৰাই
অগ্ৰদূতেহে দিছিল পথ দেখুৱাই।
গণপৰিষদ চৰকাৰ ভূমিস্থ বেলাত
অগ্ৰদূত পঞ্চমুখ কৃচ্ছ্ৰ সাধনাত!

অপকৰ্ম নিৰাময়ত সৰ্বদা জাগ্ৰত
সমালোচনাৰ কালতো নোহোৱা বিচ্যুত
বুভুক্ষাজনৰ বেলা ক্ষুধা অন্তকাৰী
সোণালী বৰ্ষত মৰো হৃদয় উজাৰি।

*ফোন ঃ ৯৯৫৪৮৪০১৬৭*



## ঘনশ্যাম দাসৰ আৰোগ্য সাধন

লেখক ঘনশ্যাম দাসৰ ঔষধি গুণ বিশিষ্ট শাক-পাচলি, ফলমূল আদি দ্ৰব্য বিষয়ক ৩৮টা নিবন্ধৰ সংকলন আৰোগ্য সাধন গ্ৰন্থ। গ্ৰন্থখনৰ মূল বিষয়বস্তু উপস্থাপিত কৰা হৈছে কৰ'নাৰ উপশম আৰু প্ৰতিৰোধত সাত্ত্বিক আহাৰৰ ভূমিকা, কৰ'নাৰ প্ৰতিৰোধী থলুৱা আহাৰ— মানৱ সমাজৰ বাবে ভয়ানক মহামাৰীৰ চিন্তা-দুশ্চিন্তাৰ মাজত সময় অতিবাহিত কৰিব লগা হোৱা সময়ত পুথিখনৰ বিষয়বস্তুৱে মানুহক আকৰ্ষিত কৰিছে।

এই 'আৰোগ্য সাধন' গ্ৰন্থখনত স্থান পোৱা নিৱন্ধ চাৰিটা ভাগত ভগোৱা হৈছে। শাক-পাচলিৰ ঔষধি গুণ, ফলমূলৰ ঔষধি গুণ, ইটো-সিটো দ্ৰব্য বিষয়ক কৰ'না আৰু অন্যান্য বিষয়। ব্ৰাহ্মী, ভেদাইলতা, নৰসিংহ, নিম, পচতীয়া, নয়নতৰা, পনৌনোৱা, কেঞ্জাবন, ভোমোৰা, আমলখি, শিলিখা, চামাকছু, নেমু, ৰবাবটেঙা, জালুক, জলকীয়া, পিঁয়াজ, মিথিগুটি আদি ঔষধি গুণ বিশিষ্ট যে তাক সুন্দৰভাৱে উপস্থাপন কৰিছে। লগতে মাদক দ্ৰব্যৰ অপকাৰী গুণ, যোগৰ উপকৰণ আদি আকৰ্ষণীয় কৰি সজাই তুলিছে।

আমাৰ বিনন্দীয়া ধৰাখন বনৌষধি তৰু-তৃণ, গছ-লতাৰে ভৰপূৰ। আৰোগ্য সাধন গ্ৰন্থখনত সন্নিবিষ্ট শাক-পাচলি, ফলমূল সেই বিপুল সেউজী ধৰণীৰ অবদান। খাদ্য হিচাপে হওক বা ঔষধ ৰূপেই হওক সেইবোৰৰ সদ্ব্যৱহাৰে মানৱ সমাজৰ প্ৰভূত উপকাৰ সাধন কৰিব পাৰে।

ঋতু ভেদে নানা ৰোগে মানুহক আমনি কৰে। বসন্ত কালৰ নানা ৰোগ আৰু প্ৰতিকাৰ শীৰ্ষক প্ৰবন্ধটোত বসন্ত কালৰ নানা ধৰণৰ ৰোগৰ যেনে- পানীলগা, কাহ, চৰ্দি, জ্বৰ, জণ্ডিছ, টাইফয়েড, বসন্ত, গাৰ বিষ, মূৰৰ বিষ, বাত আদি ৰোগত মানুহে যে আক্ৰান্ত হয় তাৰ বিষয়ে লিখি প্ৰতিকাৰৰ বিধান দিছে।

মাদক দ্ৰব্যৰ অপকাৰী, প্ৰচলন আৰু সংসাৰৰ অভাৱনীয় সমস্যাৰ বিষয়ে সমাজৰ ব্যাধি মাদক দ্ৰব্য নিবন্ধটোত সুন্দৰকৈ উপস্থাপন কৰা দেখা যায়।

বাস্তু শাস্ত্ৰ বনাম বিজ্ঞান এই নিবন্ধটোৰে গ্ৰন্থখন সামৰণি মাৰিছে। তেওঁৰ কষ্ট সাৰ্থক হ'ব যদিহে পাঠক সমাজে গ্ৰন্থখন আঁকোৱালি লয়।

**গোবিন্দ গায়ন**

## জোহাঞ্চ ভি জে'নচে'নৰ লষ্ট ফৰেষ্টচ্

**ডেনিচ** সাহিত্যৰ কবি, কথাশিল্পী, সাংবাদিক, জীৱবিদ, নৃতত্ত্ববিদ জোহাঞ্চ ভি জে'নচে'নৰ জন্ম ডেনমাৰ্কৰ ফাৰ্চোত। জন্মৰ চনটো আছিল ১৮৭৩। তেওঁৰ দেউতাক এগৰাকী পশু চিকিৎসক আছিল। দেউতাকৰ নিচিনাকৈ তেৰোঁ পশু চিকিৎসক হোৱাৰ মানসেৰে ক'পেনহেগেনত চিকিৎসা শাস্ত্ৰৰ অধ্যয়নত মনোনিবেশ কৰিছিল। পিছে পশু চিকিৎসাৰ অধ্যয়ন কৰি থাকোতেই তেওঁৰ মন লেখাৰ ফালে ঢাল খায়। তেওঁ ফ্লিলেঞ্চাৰ হিচাপে বিভিন্ন বাতৰি কাকতত প্ৰৱন্ধ, স্তম্ভলেখা আদি লেখিছিল। তেওঁ আমেৰিকা, স্পেইন, মালয়েছিয়া, চীন আদি বিভিন্ন দেশ ভ্ৰমণ কৰিছিল। ইউৰোপ, মধ্যপ্ৰাচ্য, সুদূৰ পূবৰ দেশলৈকে তেওঁ ভ্ৰমণ কৰিছিল বাবে তেওঁক 'ডেনমাৰ্কৰ কিপ্‌লিং' বোলা হৈছিল। তেওঁৰ জন্মস্থান আৰু তাৰ পাৰিপাৰ্শ্বিক পৰিবেশক ভিত্তি কৰি তেওঁ Himmerlandshistorier ৰচনা কৰিছিল। ইয়াত তেওঁৰ জন্মস্থানৰ লগত জড়িত, তাৰ মানুহৰ জীৱন চৰ্যাৰ লগত জড়িত, সংস্কৃতি, বিশ্বাস-পৰম্পৰাৰ লগত জড়িত কথা-কাহিনীক ন-ৰূপত সজাই তুলিছিল।

চিকিৎসা বিজ্ঞান শাস্ত্ৰৰ অধ্যয়নে তেওঁৰ সৃষ্টিমূলক ৰচনাসমূহক এক ভিন্ন স্বাদ প্ৰদান কৰিছে। ঔপন্যাসিক হিচাপে তেওঁৰ বিশিষ্ট কৃতি হৈছে ঐতিহাসিক Trilogy The Fall of the King, Madame d'ora আৰু The Wheel। ১৯৪৪ৰ বাবে সাহিত্যৰ ন'বেল বঁটা আগবঢ়োৱা হৈছিল জোহাঞ্চ ভি জে'নচে'নক। তেওঁৰ সেই উজ্জ্বলতম কৃতি হৈছে The Long Journey য'ত আদিম মানৱৰ পৰা আৰম্ভ কৰি খ্ৰীষ্টোফাৰ কলম্বাচে আমেৰিকা আৱিস্কাৰ কৰালৈকে মানৱ সভ্যতাৰ ইতিহাস উপন্যাসোপম কাহিনীৰূপে বৰ্ণিত হৈছে। উপন্যাসখনৰ সামগ্ৰীক মূল্যায়নৰ পৰা ঔপন্যাসিক হিচাপে জে'নচে'নৰ সৃষ্টিশীল প্ৰতিভা আৰু অন্যহাতেদি নৃতত্ত্ববিদ হিচাপে তেওঁৰ সূক্ষ্ম দৃষ্টিভংগী ফুটি উঠিছে।

তেওঁৰ চুটিগল্প *লষ্ট ফৰেষ্টচ্* মানৱ জীৱন চক্ৰক বিশেষ ভাৱে চিত্ৰিত কৰা এটা মনোগ্ৰাহী গল্প। ইয়াত কোৰা নামৰ এজন কৃষকৰ কথা কোৱা হৈছে যিয়ে খেতি-বাতি কৰি কিছু ধন সঞ্চয় কৰি ক্ৰীতদাস ক্ৰয় কৰিবলৈ মন মেলিলে। সেইমতে কোৰাই ক্ৰীতদাসৰ বজাৰৰ পৰা এটি ক্ৰীতদাস ক্ৰয় কৰি আনিলে। ক্ৰীতদাসজনে কোৰাৰ বাসস্থান পোৱাৰ পিছত আমন-জিমনকৈ থাকিবলৈ ল'লে। তাৰ স্বাস্থ্য ভাগি গৈছিল। তেনেতে এদিন কোৰাই ক্ৰীতদাসজনৰ কাষত বহি তাক ক'লে যে তেওঁ তাক পাঁচ বছৰৰ পাছত মুক্ত কৰি দিব যাতে সি বনপ্ৰান্তত থকা তাৰ গৃহলৈ ঘূৰি যাব পাৰে। চৰ্ত মাথোন এটাই যে পাঁচ বছৰ কাল সি তেওঁৰ খেতি পথাৰত কাম কৰিব লাগিব। নিজৰ প্ৰভুৰ কথা শুনি উৎসাহিত হৈ ক্ৰীতদাসজনে শাৰীৰিক পৰিশ্ৰম কৰি প্ৰভুৰ মন যোগাবলৈ উঠি পৰি লাগিল। কোৰাই কৰ্তব্যৰত অৱস্থাত থকা ক্ৰীতদাসৰ পেশীবহুল শৰীৰৰ গতি, ৰেহ-ৰূপ চাই আনন্দ লভিবলৈ যত্ন কৰিলে। পাঁচ বছৰ পূৰ হোৱাত ক্ৰীতদাস আহি কোৰাক তেওঁৰ প্ৰতিশ্ৰুতি মনত পেলাই দিলে। তেতিয়া কোৰাই তাৰ ঘৰ কোনটো দিশত আৰু ক'ত অৱস্থিত সুধিলে। ক্ৰীতদাসজনে তাৰ ঘৰ পশ্চিম দিশে থকা হাবিত বুলি ক'লে। তেতিয়া কোৰাই তাক সুধিলে যে সিমান দূৰ যাবলৈ তাৰ হাতত পৰ্যাপ্ত ধন আছেনে নাই। ধনৰ কথা ওলোৱাত ক্ৰীতদাসৰ আশাত চেঁচা পানী পৰিল কাৰণ তাৰ হাতত ধন নাছিল।



### সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন



তেতিয়া কোৰাই ক'লে যে সি তেওঁৰ খেতি-পথাৰত আৰু দুবছৰ কাল খেতি কৰিলে তেওঁ তাক বহুত ধন দিব। সেই ধন লৈ সি তাৰ ঘৰলৈ যাব পাৰিব।

ক্ৰীতদাসজনৰ পূৰ্বৰ উৎসাহ-উদ্যম নোহোৱা হ'ল। কিন্তু সি কাম কৰি থাকিল। দুবছৰ শেষত কোৰাই তাক পশ্চিম দিশে থকা তাৰ গৃহভূমিলৈ যাবলৈ ধনৰ টোপোলা আগবঢ়ালে। সি ধন লৈ গ'ল। কিন্তু কেইমাহমানৰ পাছত বিধ্বস্ত ৰূপত পুনৰ কোৰাৰ ওচৰলৈ ঘূৰি আহিলে। কোৰাই তাক পূব দিশে তাৰ গৃহভূমি অন্বেষণ কৰিবলৈ ক'লে। সেইবাৰো সি অসফল হ'ল। সি ঘূৰি আহি কোৰাক জনালে যে পূব দিশে বন-বননি আছে যদিও সেয়া তাৰ চিনাকী গৃহভূমি নহয়। তেতিয়া কোৰাই তাক সান্ত্বনা দি ক'লে যে তেওঁ জীয়াই থাকে মানে তাৰ বাবে ঘৰৰ অভাৱ নহয়। কাৰণ তেওঁ তাক ভালদৰে পোহ-পাল দি নিজৰ ঘৰতে ৰাখিব। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰই তাৰ দায়িত্ব ল'ব। বছৰৰ পিছত বছৰ পাৰ হৈ গৈ থাকিল। কোৰাৰ বয়স বাঢ়ি আহিল আৰু ক্ৰীতদাসজন তেজাল হৈ থাকিল। কোৰাই ক্ৰীতদাসজনক ভালদৰে খুৱাই-বোৱাই পৰিস্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিলে। কেতিয়াবা সি অবাধ্য হ'লে তাক অনুশাসনত ৰাখিবলৈ তাক চাবুকেৰে কোবাইছিল।

ক্ৰমশঃ কোৰা ঐশ্বৰ্যশালী হৈছিল। তেওঁ কাঠৰ কাৰবাৰতো ধৰিছিল। কাঠ আনিছিল। ক্ৰীতদাসজনৰ হতুৱাই কাঠ ফলাইছিল। তেনেতে এদিন কোৰাই ক্ৰীতদাসী এজনী ক্ৰয় কৰি আনিলে। বছৰবোৰ পাৰ হৈ গৈ থাকিল। কোৰাৰ ঘৰৰ চোতালত ছটা গজগজীয়া যুৱ ক্ৰীতদাসে ইফাল-সিফাল কৰিবলৈ ধৰিলে। দেউতাকৰ নিচিনাকৈ সিহঁতো সমানে কৰ্মী, সমানে স্ফূৰ্তিবান। অৱসৰৰ দিনত দেউতাকে সিহঁতক টিলা এটাৰ ওপৰলৈ লৈ গৈছিল আৰু সিহঁতক অস্ত যাবলৈ ধৰা সূৰ্যটো চাবলৈ শিকাইছিল আৰু আকাংক্ষা (Longing) কৰিবলৈ শিকাইছিল।

কোৰাৰ স্বাস্থ্য পৰি আহিছিল। তেওঁৰ পুত্ৰ সন্তান সিমান সবল নাছিল। কিন্তু তেওঁৰ ক্ৰীতদাসৰ পুত্ৰকেইটা স্বাস্থ্যবান আছিল। সিহঁত সাহিয়াল আছিল। সিহঁতৰ হাতত থকা টাঙোনৰ কোবত মানুহ এজন ধৰাশায়ী হয়। সিহঁতৰ পেশীবহুল দেহেই সিহঁতৰ বল-বীৰ্যৰ প্ৰতীক। তেতিয়া সময় সুগম আছিল। ক্ৰীতদাস বোৰে কেৱল হাবিত গছ কাটিছিল।

আমেৰিকাৰ পৃষ্ঠভূমিত ৰচনা কৰা এই গল্পটোত গল্পকাৰে আমেৰিকাত এসময়ত প্ৰচলিত ঘৃণনীয় দাস প্ৰথাৰ প্ৰসঙ্গ উত্থাপন কৰিছে। গল্পৰ কেন্দ্ৰীয় চৰিত্ৰ কোৰা ক্ৰীতদাসৰ প্ৰভু। তেওঁ দূৰদৰ্শিতাৰে ক্ৰীতদাসক অসন্তুষ্টি কৰিছিল যদিও তাৰ প্ৰভু হিচাপে তেওঁৰ প্ৰভূত্ব ত্যাগ কৰা নাছিল। সেয়েহে তাক কঠোৰ অনুশাসনত ৰাখিবলৈ সময়ে সময়ে তাক চাবুকেৰে কোবাইছিল। এইখিনিতে কোৰা ৰূপী ব্যক্তিজনক ঔপনিবেশিকতাবাদৰ প্ৰতীক ৰূপে কল্পনা কৰিব পাৰি। টিলাৰ ওপৰত বহি ক্ৰীতদাসে দূৰ দিগন্তলৈ চাই থকাটোৱে আকাংক্ষাৰ প্ৰতি ইংগিত কৰে। কিন্তু ক্ৰীতদাসজনক যি দৰে মুক্ত কৰি দিয়াৰ পাছতো সি মুকলি মূৰীয়াকৈ থাকিব নোৱাৰিলে, ঠিক সেইদৰে তাৰ বিবাহ আৰু ছটা পুত্ৰ সন্তানৰ প্ৰাপ্তিয়ে জীৱন চক্ৰৰ পৌনঃপৌনিক গতিৰ কথা সূচাইছে। দাসত্বৰ শিকলি পিন্ধি থকা ক্ৰীতদাসজনে সুযোগ আৰু সুবিধা পোৱা সত্ত্বেও তাৰ প্ৰভুৱে তাক মুকলি কৰি দিয়াৰ পাছতো সি মুক্ত হ'ব পৰা নাই। সময়ে সিহঁতক এনে কঠোৰ সংগ্ৰাম কৰিবলৈকে যেন জীয়াই ৰাখে। তাৰ পৰা পৰিত্ৰাণৰ উপায় নাই।

*(আগলৈ) ইমেইল- neevarani11@gmail.com*

## সান্নিধ্যৰ সুবাস ঃ গুণ আৰু প্ৰতিভাৰ স্বীকৃতি

**হাজোৰ** প্ৰবীণ সাংবাদিক-সাহিত্যিক আৰু কৃতী শিক্ষক প্ৰকাশ দাসৰ বহুমুখী প্ৰতিভাৰ কথা বহুতে জানে। তেওঁৰ বৰ্ণময় আৰু বিচিত্ৰ অভিজ্ঞতাৰেই ইতিমধ্যে বাটৰ দূবৰি বন, গুৰু দক্ষিণা, হাজোৰ সুবাস, স্মৃতিৰ সুবাস, স্বাধীনতা সংগ্ৰামী প্ৰফুল্ল দাস, বটবৃক্ষ ইত্যাদি কে'বাখনো কিতাপ ৰচনা আৰু সম্পাদনা কৰি তেওঁৰ সাহিত্য প্ৰতিভাৰ পৰিচয় দিয়াৰ উপৰি হাজো অঞ্চলৰ সৃষ্টিশীল সাহিত্য কৰ্মৰ গতিধাৰা অব্যাহত ৰাখিছে। শেহতীয়াভাৱে তেওঁ লিখি উলিয়াইছে 'সান্নিধ্যৰ সুবাস' নামৰ এই কিতাপখন।

কিতাপখনত তেওঁ হাজো আৰু অন্য অঞ্চলৰ কে'বাজনো কৃতবিদ্য ব্যক্তিৰ জীৱন আৰু কৃতিৰ বিষয়ে বৰ্ণনা কৰিছে। শিক্ষাবিদ প্ৰমোদ চন্দ্ৰ মেধি, প্ৰফুল্ল চন্দ্ৰ মেধি, ডাঃ ৰবীন মালাকাৰ, সাংবাদিক শিৱচৰণ কলিতা ইত্যাদি ব্যক্তিসকলে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ অৱদান যোগাইছিল। তেওঁলোক এতিয়া প্ৰয়াত। তেওঁলোকৰ ঘটনা বহুল জীৱন পৰিক্ৰমাই সমাজত ইতিবাচক প্ৰভাৱ পেলাব পাৰে। আনহাতে এইসকল বিশিষ্ট লোকৰ কৰ্ম আৰু আদৰ্শই নতুন পুৰুষক বাট দেখুৱাব পাৰে। আপোচহীন, সংগ্ৰামী ব্যক্তিত্ব শিৱচৰণ কলিতাই সুদীৰ্ঘ দিন সাংবাদিকতা কৰিও কোনো চৰকাৰী স্বীকৃতি নাপালে। খ্যাতিমান চিকিৎসক ডাঃ বাণী বৈশ্যক স্বীকৃতি প্ৰদান কৰি লিখা প্ৰৱন্ধটো আকৰ্ষণীয়। শিশু চিকিৎসক আৰু এজন মানৱদৰদী ব্যক্তিৰূপে তেওঁৰ যথেষ্ট সুনাম আছে।

গুণী আৰু প্ৰতিভাবানসকলক স্বীকৃতি দিয়াটো সমাজৰ এটা ভাল কাম। এই ভাল কামটোকে প্ৰকাশ দাসে সম্পাদন কৰি প্ৰশংসিত হৈছে। সমাজত বীৰ পূজাৰ প্ৰয়োজন আছে। লেখকৰ পূৰ্বৰ কিতাপ কেইখনো জনপ্ৰিয় আৰু সোৱাদ লগা হৈছিল। আশা কৰো এই কিতাপখনেও পাঠকৰ সমাদৰ লাভ কৰিব। কিতাপখনৰ প্ৰৱন্ধসমূহৰ বৰ্ণনা চুটি হোৱা বুলি আমাৰ ধাৰণা হৈছে। ব্যক্তি এজনৰ জীৱন ছবি সামগ্ৰিক বৰ্ণনাৰ পৰাহে পৰিষ্কাৰ হয়। ভুৰুকাত হাতী ভৰোৱাৰ দৰে লেখকে ব্যক্তি কেইগৰাকীৰ জীৱন ছবি অংকন কৰিছে। যি হওঁক তেওঁৰ প্ৰচেষ্টাৰ শলাগ লৈছো আৰু তেওঁৰ কলম অব্যাহত থাকক তাৰেই কামনা কৰো। ১৫০ টকা দামৰ কিতাপখন দেখিলেই ভাল লাগে। সুন্দৰ পকা বন্ধা কিতাপখনে পাঠকসকলৰ দৃষ্টি সহজেই আকৰ্ষণ কৰিব।

**গুণেশ্বৰ কৈৱৰ্ত**

## জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ গুলিত নিহত সেনাৰ স্নিফাৰ কুকুৰ এক্সেল



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ৩১ জুলাই ঃ** জম্মু-কাশ্মীৰৰ বাৰামুলা জিলাত নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত শনিবাৰে হোৱা সংঘৰ্ষৰ ঘটনাত প্ৰাণ হেৰুৱালে ভাৰতীয় সেনাৰ স্নিফাৰ ডগ এক্সেলে। কাশ্মীৰ আৰক্ষীয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, সন্ত্ৰাসবাদীৰ সন্ধানত অঞ্চলটোত নিৰাপত্তা বাহিনীয়ে অভিযান চলোৱাৰ সময়ত সন্ত্ৰাসবাদীৰ স'তে সেনাৰ গুলীয়াগুলিৰ ঘটনা সংঘটিত হৈছিল। এই সংঘৰ্ষত সেনাৰ গুলিত এজন সন্ত্ৰাসবাদী ধৰাশায়ী হোৱাৰ বিপৰীতে সন্ত্ৰাসবাদীৰ গুলিত এক্সেল নামৰ স্নিফাৰ কুকুৰটোৰ মৃত্যু হোৱাৰ লগতে আন তিনিজন জোৱান গুলিবিদ্ধ হয়।

## বন্দুকৰ পাছত এইবাৰ বুলেটপ্ৰুফ গাড়ী, নিৰাপত্তা বৃদ্ধি অভিনেতা ছলমানৰ



**নিউজ ব্যুৰ', মুম্বাই, ৩১ জুলাই ঃ** গেংষ্টাৰৰ সম্ভাব্য আক্ৰমণৰ পৰা ৰক্ষা লাভ কৰিবলৈ আগ্নেয়াস্ত্ৰ ৰখাৰ অনুজ্ঞাপত্ৰ পূৰ্বে লাভ কৰিছিল মহাতাৰকা অভিনেতা ছলমান খানে। এইবাৰ অভিনেতাজনৰ নিৰাপত্তা অধিক কটকটীয়া কৰিবলৈ বুলেটপ্ৰুফ গাড়ী নিয়োগ কৰা হ'ল। মুম্বাইৰ একাংশ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, পুৰণি লেণ্ড ক্ৰুজাৰ গাড়ীখনক নতুন ৰূপত বুলেটপ্ৰুফ গাড়ীলৈ সলনি কৰিলে ছলমানে। সম্প্ৰতি এই বুলেটপ্ৰুফ গাড়ীখনৰে অভিনেতাজনে যাতায়াত অব্যাহত ৰাখিছে। উল্লেখ্য যে অলপতে ছলমানে গেংষ্টাৰৰ পৰা হত্যাৰ ভাবুকি লাভ কৰিছিল। ইয়াৰ পাছতে মুম্বাই আৰক্ষীয়ে অভিনেতাজনৰ নিৰাপত্তা অধিক কটকটীয়া কৰিছিল। সম্প্ৰতি ছলমানে আগ্নেয়াস্ত্ৰ ৰখাৰ বাবে যি আবেদন দাখিল কৰিছিল সেয়া ইতিমধ্যে মুম্বাই আৰক্ষীয়ে মঞ্জুৰ কৰিছে।

## নেপালত ছয় প্ৰাবল্যৰ ভূকম্পন অনুভূত



**নিউজ ব্যুৰ', কাঠমাণ্ডু, ৩১ জুলাই ঃ** ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰ নেপালত আজি পুৱাতে ভূকম্পন অনুভূত হ'ল। ৰিখটাৰ স্কেলত ভূকিম্পটোৰ প্ৰাবল্য আছিল ৬.০। নেপালৰ ৰাজধানী কাঠমাণ্ডুৰ পৰা ১৪৭ কিলোমিটাৰ দূৰত্বত এই ভূমিকম্পৰ কেন্দ্ৰক চিনাক্ত কৰা হৈছে। দেওবাৰে পুৱা ৭-৫৮ বজাত ভূকম্পন অনুভূত হৈছিল। ভূকম্পন অনুভূত হোৱাৰ লগে লগে সকলোৱে ঘৰৰ বাহিৰলৈ আহি আতংকিত হৈ পৰে। অৱশ্যে ভূমিকম্পৰ ফলত কোনো ক্ষয়-ক্ষতিৰ বাতৰি লাভ কৰা হোৱা নাই। উল্লেখ্য যে ২০১৫ৰ এপ্ৰিলত নেপালত হোৱা ভয়াৱহ ভূমিকম্পত অসংখ্য লোকৰ মৃত্যু হৈছিল।

## আঠ বছৰীয়া শিশুৰ শৰীৰত মংকীপক্সৰ উপসৰ্গ, অন্ধ্ৰ প্ৰদেশত নতুন আতংক



**নিউজ ব্যুৰ', হায়দৰাবাদ, ৩১ জুলাই ঃ** ভাৰতত এইবাৰ এটি আঠ বছৰীয়া শিশুৰ শৰীৰত মংকীপক্সৰ উপসৰ্গ চিনাক্ত কৰা হ'ল। অন্ধ্ৰ প্ৰদেশৰ গুণ্টুৰ জিলাৰ এজন বালকৰ শৰীৰত মংকীপক্সৰ উপসৰ্গই দেখা দিয়াত অঞ্চলটোত আতংকৰ সৃষ্টি হৈছে। সম্প্ৰতি শিশুটিক স্থানীয় চৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে আৰু তেওঁক পৰ্যবেক্ষণত ৰাখিছে। স্বাস্থ্য বিভাগৰ খবৰ অনুসৰি উক্ত বালকৰ ঘৰ ওড়িছাত আৰু ১৫ দিন পূৰ্বে তেওঁ পৰিয়ালৰ লোকৰ স'তে অন্ধ্ৰ প্ৰদেশলৈ আহিছিল। এসপ্তাহ পাছত তেওঁৰ শৰীৰত জ্বৰ আৰু মংকীপক্সৰ আন কেতবোৰ উপসৰ্গই দেখা দিছিল। শিশুটিৰ শৰীৰৰ পৰা নমুনা সংগ্ৰহ কৰি চিকিৎসকে পৰীক্ষণৰ বাবে পুনেলৈ প্ৰেৰণ কৰিছে।

## দিল্লীৰ আৰক্ষী আয়ুক্ত পদত নিযুক্ত হ'ল সঞ্জয় অৰোৰা



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ জুলাই ঃ** তামিলনাডু কেডাৰৰ ভাৰতীয় আৰক্ষী সেৱা (আই পি এছ)ৰ বিষয়া সঞ্জয় অৰোৰাক দিল্লীৰ নতুন আৰক্ষী আয়ুক্ত হিচাপে নিযুক্তি প্ৰদান কৰা হ'ল। অৰোৰাই ৰাকেশ অস্থানাৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰিব। ১৯৮৮ৰ আই পি এছ বিষয়া অৰোৰাই বৰ্তমানে ইণ্ডো তিব্বত সীমান্ত আৰক্ষীৰ সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। অৰোৰাই সোমবাৰৰ পৰা দিল্লী আৰক্ষীৰ আয়ুক্ত হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিব।

### নীৰৱে দেশৰ অধিকাংশ বঞ্চিত মানুহে সকলো সহ্য কৰি লয় ঃ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ মন্তব্য

# খুব কম মানুহে বিচাৰ ব্যৱস্থাৰ কাষ চাপিব পাৰে ঃ ক্ষোভ ৰামানাৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩১ জুলাই ঃ** দেশৰ সিংহভাগ মানুহেই ন্যায় লাভৰ ক্ষেত্ৰত বঞ্চিত হৈ আহিছে। তেওঁলোকে ন্যায় ব্যৱস্থাৰ সুবিধা কিয় লাভ কৰিব পৰা নাই সেই কথা আমি চিন্তা কৰিব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিতে এই মন্তব্য কৰিলে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানাই। মুখ্য ন্যায়াধীশজনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বিচাৰাধীন বন্দীৰ দ্ৰুত মুক্তিৰ প্ৰসংগতো প্ৰশ্ন উত্থাপন



কৰে। শনিবাৰে দিল্লীত প্ৰথম সৰ্বভাৰতীয় জিলা ন্যায়িক সেৱা কৰ্তৃপক্ষৰ বৈঠকত অংশ লৈছিল প্ৰধানমন্ত্ৰী মোদীয়ে। এই অনুষ্ঠানতে ৰামানাই কয়, 'বাস্তৱটো হ'ল, খুব কম মানুহে বিচাৰ ব্যৱস্থাৰ কাষ চাপিব পাৰে। নীৰৱে দেশৰ অধিকাংশ মানুহে সকলো সহ্য কৰি লয়। সচেতনতাৰো অভাৱ আছে। সামাজিক বৈষম্য দূৰ কৰাৰ উদ্দেশ্যই হৈছে আধুনিক ভাৰতৰ সৃষ্টি। সকলোৰে অংশগ্ৰহণেই হৈছে গণতন্ত্ৰৰ মূল।'

জিলা পৰ্যায়ৰ বিচাৰ ব্যৱস্থাৰ প্ৰসংগত মন্তব্য কৰি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে পুনৰ কয়, 'জিলাৰ বিচাৰ ব্যৱস্থাক লৈ সাধাৰণ মানুহে যি মতামত দিয়ে সেয়া প্ৰাথমিকভাৱে নিজৰ অভিজ্ঞতাৰ আধাৰত কৰা মন্তব্য। জিলাৰ বিচাৰকসকলৰ কান্ধত ডাঙৰ দায়িত্ব আছে। আপোনালোকে বহুমুখী দায়িত্ব আৰু ভূমিকা পালন কৰিব লাগিব। সাধাৰণ মানুহৰ সমস্যা বুজাৰ বাবে আপোনালোকে সবাতোকৈ ভাল স্থানত আছে।' বিচাৰাধীন বন্দীৰ মুক্তিৰ প্ৰসংগত ৰামানাই কয় যে এই ক্ষেত্ৰত জিলাৰ বিচাৰকসকলৰ হাতত যথেষ্ট ক্ষমতা আছে আৰু তেওঁলোকে বিচাৰাধীন বন্দীৰ দ্ৰুত মুক্তিৰ ব্যৱস্থা কৰিব পাৰে।

## ভাৰতৰ অৰ্থনৈতিক অৱস্থা শ্ৰীলংকা, পাকিস্তানৰ দৰে নহ'ব ঃ দাবী ৰঘুৰাম ৰাজনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ জুলাই ঃ** ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰাক্তন গৰ্ৱৰ্ণৰ ৰঘুৰাম ৰাজনে কয় যে ভাৰতৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ পৰ্যাপ্ত আছে আৰু ভাৰতে কেতিয়াও শ্ৰীলংকা বা পাকিস্তানৰ দৰে অৰ্থনৈতিক সমস্যাৰ সন্মুখীন নহ'ব। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত এইদৰে মন্তব্য কৰি ৰাজনে কয়, 'আমাৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ পৰ্যাপ্ত। ৰিজাৰ্ভ বৃদ্ধিৰ ক্ষেত্ৰত ৰিজাৰ্ভ বেংকে ভাল কাম কৰিছে। আমাৰ দেশৰ অৱস্থা শ্ৰীলংকা আৰু পাকিস্তানৰ দৰে হোৱাৰ সম্ভাৱনা নাই। আমাৰ বিদেশী ঋণৰ পৰিমাণো কম। ফলত শ্ৰীলংকা-পাকিস্তানৰ দৰে ভাৰতত অৱস্থা হ'ব বুলি ক'ব পৰা নাযায়।' ৰিজাৰ্ভ বেংকৰ প্ৰাক্তন গৰ্ৱৰ্ণৰজনে লগতে দাবী কৰি কয় যে বৰ্তমানে বিশ্বজুৰি মুদ্ৰাস্ফীতি হৈছে আৰু ইয়াৰ প্ৰভাৱ ভাৰতত পৰিছে।

## আমেৰিকাত দ্ৰুত গতিত বৃদ্ধি পাইছে মন্দিৰৰ সংখ্যা, পাঁচ বছৰত দুশ শতাংশ মন্দিৰ বাঢ়িল

**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ৩১ জুলাই ঃ** আমেৰিকাত ভাৰতীয় মূলৰ জনসংখ্যা বৃদ্ধিৰ লগে লগে মন্দিৰৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছে। লছ এঞ্জেলছৰ পৰা নিউ য়ৰ্কলৈকে বিস্তৃত হৈ থকা মঠ-মন্দিৰত এতিয়া দিনে-ৰাতিয়ে ভজন-কীৰ্তন শুনিবলৈ পোৱা যায়। পৰিসংখ্যা অনুসৰি ২০০৬ বৰ্ষত আমেৰিকাত ৫৩ টা মন্দিৰ আছিল। ২০১৭ বৰ্ষত দেশখনত মন্দিৰৰ সংখ্যা ২৫০ টালৈ বৃদ্ধি পাইছিল। ২০২২ত আমেৰিকাত হিন্দু মন্দিৰৰ সংখ্যা ৭৫০ টালৈ বৃদ্ধি পালে। বিগত পাঁচ বছৰত আমেৰিকাত হিন্দু ধৰ্মাৱলম্বী লোকৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে মন্দিৰৰ সংখ্যাও দুশ শতাংশ বৃদ্ধি পালে। উল্লেখ্য যে স্বামী বিবেকানন্দে চিকাগোত প্ৰসিদ্ধ ভাষণ ৰখাৰ পাছত ১৯৮০ত নিউ য়ৰ্কত আৰু ছেন ফ্ৰান্সিছক'ত বেদান্ত ছ'চাইটি স্থাপন কৰা হৈছিল। বেদান্ত ছ'চাইটিয়ে আমেৰিকাত হিন্দুসকলৰ প্ৰথমটো মন্দিৰ ১৯০৫ বৰ্ষত ছেন ফ্ৰান্সিছক'ত নিৰ্মাণ কৰিছিল। আমেৰিকাৰ প্ৰতিখন প্ৰদেশতে কমেও ছটাকৈ মন্দিৰ আছে।



## পুনৰ ক'ভিডত সংক্ৰমিত হ'ল ৰাষ্ট্ৰপতি বাইডেন



**নিউজ ব্যুৰ' ৱাশ্বিংটন, ৩১ জুলাই ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন পুনৰ ক'ভিড-১৯ত আক্ৰান্ত হ'ল। ৰাষ্ট্ৰপতিৰ ক'ভিড পৰীক্ষাৰ ফলাফল 'পজিটিভ' হোৱা বুলি আজি হোৱাইট হাউছে প্ৰকাশ কৰিলে। সম্প্ৰতি হোৱাইট হাউছতে নিভৃতবাসত আছে বাইডেন। চিকিৎসকে জনোৱা অনুসৰি বাইডেনৰ শৰীৰত ৰোগৰ কোনো লক্ষণ নাই যদিও শনিবাৰে তেওঁৰ ক'ভিড পৰীক্ষাৰ ফলাফল পুনৰ 'পজিটিভ' হয়। ইয়াৰ পূৰ্বে যোৱা মঙলবাৰৰ পৰা ৰাষ্ট্ৰপতিৰ ক'ভিড পৰীক্ষণ অব্যাহত আছিল। শুকুৰবাৰে তেওঁৰ ক'ভিড পৰীক্ষণৰ ফলাফল 'নিগেটিভ' হৈছিল যদিও শনিবাৰে পুনৰ পৰীক্ষাত ৰাষ্ট্ৰপতিৰ শৰীৰত এই মাৰাত্মক ভাইৰাছৰ উপস্থিতি পুনৰ ধৰা পৰে। ১০ দিন পূৰ্বে বাইডেন ক'ভিডত আক্ৰান্ত হৈছিল।

## যিসকলে এক ভাষা-ধৰ্ম জাপি দিব বিচাৰে তেওঁলোক হৈছে দেশৰ শত্ৰু ঃ ষ্টেলিন



**নিউজ ব্যুৰ', চেন্নাই, ৩১ জুলাই ঃ** যিসকল লোকে দেশৰ ওপৰত এক ভাষা, এক ধৰ্ম, এক সংস্কৃতি জাপি দিয়াৰ অপচেষ্টা চলাইছে তেওঁলোক দেশৰ শত্ৰু। এইদৰে নাম উল্লেখ নকৰাকৈ বিজেপিক আক্ৰমণ কৰিলে তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে। এক ডিজিটেল অনুষ্ঠানত অংশ লোৱাৰ সময়ত ষ্টেলিনে এইদৰে কয়, 'ভাৰতৰ দৰে দেশত এক ভাষা, এক ধৰ্ম আৰু এক সংস্কৃতি সম্ভৱ নহয়। যিসকলে এক ভাষা আৰু এক ধৰ্মৰ প্ৰচাৰ কৰিছে তেওঁলোকে আমাৰ ঐক্যত ভাঙোন আনিব বিচাৰিছে। তেওঁলোক ভাৰত আৰু ভাৰতীয়ৰ শত্ৰু। ভাৰতৰ উন্নতিৰ একমাত্ৰ উপায় হ'ল শক্তিশালী স্বায়ত্ত শাসিত ৰাষ্ট্ৰ।' উল্লেখ্য যে হিন্দী বনাম আঞ্চলিক ভাষাক লৈ বিগত কে'বামাহ ধৰি দেশত বিতৰ্ক অব্যাহত আছে। কেন্দ্ৰৰ বিৰুদ্ধে হিন্দী ভাষাৰ আগ্ৰাসনৰ অভিযোগ উত্থাপন কৰিছে একাধিক ৰাজ্যই। বিৰোধীৰ অভিযোগ অনুসৰি ভাৰতৰ বৈচিত্ৰ্যত আঘাত হানি ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ 'হিন্দী, হিন্দু, হিন্দুস্তান' নীত কাৰ্যকৰী কৰিবলৈ উঠি-পৰি লাগিছে বিজেপি। এই সন্দৰ্ভতে তামিলনাডুৰ মুখ্যমন্ত্ৰীয়ে নাম উল্লেখ নকৰাকৈ বিজেপিক কটাক্ষ কৰিলে।

## ভাৰত মহাসাগৰত ভাঙি পৰিল চীনা ৰকেট



**নিউজ ব্যুৰ', কুচিং, ৩১ জুলাই ঃ** মালয়েছিয়াৰ কুচিং চহৰৰ আকাশত হঠাৎ প্ৰত্যক্ষ হ'ল পোহৰৰ আশ্চৰ্যকৰ খেলা। সামাজিক মাধ্যমত এই ঘটনাৰ ভিডিঅ' ইতিমধ্যে ভাইৰেল হৈছে। কিন্তু কিহৰ পোহৰে নিশাৰ আকাশ এইদৰে উজ্জ্বল কৰি তুলিছিল? প্ৰকাশিত বাতৰি অনুসৰি শনিবাৰে নিশা ভাৰত মহাসাগৰত ভাঙি পৰিল চীনা ৰকেটৰ ধ্বংসাৱশেষ। যোৱা ২৪ জুলাইত চীনে লং মাৰ্চ ৫ বি নামৰ এটা ৰকেট উৎক্ষেপণ কৰিছিল। এই ৰকেটটো নিয়ন্ত্ৰণ হেৰুৱাই পৃথিৱীৰ বুকুলৈ উভতি আহিছিল। অৱশেষত চীনৰ ধ্বংসপ্ৰাপ্ত এই ৰকেটটো শনিবাৰে নিশা ভাৰত মহাসাগৰত টুকুৰা টুকুৰ হৈ ভাঙি পৰিল। এই ঘটনাৰ ফলতে শনিবাৰে নিশা উজ্জ্বল হৈ উঠিছিল মালয়েছিয়াৰ কুচিং চহৰৰ আকাশ।

## মংকীপক্সৰ আতংক আমেৰিকাত, নিউ য়ৰ্কৰ গৱৰ্ণৰে জাৰি কৰিলে জৰুৰী অৱস্থা



**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ৩১ জুলাই ঃ** মংকীপক্সৰ সংক্ৰমণ বৃদ্ধিয়ে এইবাৰ আতংকৰ সৃষ্টি কৰিলে আমেৰিকাত। আমেৰিকাৰ নিউ য়ৰ্কৰ গৱৰ্ণৰ কেথি হ'ছুলে মংকীপক্সৰ সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি শুকুৰবাৰে নিশা ৰাজ্যখনত জৰুৰীকালীন অৱস্থা ঘোষণা কৰিলে। কেথিয়ে এই কথা ঘোষণা কৰি কয় যে আমেৰিকাত ধৰা পৰা প্ৰতি চাৰিজন মংকীপক্স আক্ৰান্তৰ এজনতকৈ অধিক আক্ৰান্ত হৈছে নিউ য়ৰ্কৰ বাসিন্দা। সেয়েহে এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে নিউ য়ৰ্কত জৰুৰীকালীন অৱস্থা ঘোষণাৰ সিদ্ধান্ত লোৱা বুলি কেথিয়ে জানিবলৈ দিয়ে। আমেৰিকাত বৰ্তমানলৈকে ১,৩৮৩ জন মংকীপক্স আক্ৰান্তক চিনাক্ত কৰা হৈছে।

## ধনৰ বিনিময়ত যোগ্যতাহীনকো নিযুক্তিৰে বৃহৎ ধন সংগ্ৰহ পাৰ্থৰ

**নিউজ ব্যুৰ', কলকাতা, ৩১ জুলাই ঃ** শিক্ষক নিযুক্তিৰ কেলেংকাৰিত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ গ্ৰেপ্তাৰ কৰা পশ্চিমবংগৰ তৃণমূল কংগ্ৰেছ চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী পাৰ্থ চেটাৰ্জীৰ ক'লা ধনৰ সন্দৰ্ভত চাঞ্চল্যৰ তথ্য লাভ কৰিলে তদন্তকাৰী সংস্থাটোৱে। অলপতে ই ডিয়ে মন্ত্ৰী চেটাৰ্জীৰ ঘনিষ্ঠ অৰ্পিতা মুখাৰ্জীৰ দুটা বাসগৃহৰ পৰা প্ৰায় ৫০ কোটি টকাৰ নগদ ধন আৰু ছয় কিলোগ্ৰাম সোণ জব্দ কৰিছিল। অৰ্পিতাই দাবী কৰা অনুসৰি এই ধনৰ প্ৰকৃত গৰাকী হৈছে প্ৰাক্তন মন্ত্ৰী চেটাৰ্জী। ঘটনাৰ সন্দৰ্ভত ই ডিয়ে চলোৱা প্ৰাথমিক তদন্তত লাভ কৰা তথ্য অনুসৰি ধনৰ বিনিময়ত জধে-মধে শিক্ষক নিযুক্তি প্ৰদান কৰি চেটাৰ্জীয়ে বৃহৎ সম্পত্তি আহৰণ কৰিছিল। যোগ্যতাহীন প্ৰাৰ্থীকো বৃহৎ পৰিমাণৰ ধনৰ বিনিময়ত প্ৰাক্তন মন্ত্ৰীজনে চৰকাৰী চাকৰি নিযুক্তি দিছিল। এইদৰে প্ৰাৰ্থীৰ পৰা ১৮-২০ লাখ টকালৈকে উৎকোচ গ্ৰহণ কৰিছিল চেটাৰ্জীয়ে। তালাচী অভিযানত ই ডিয়ে কে'বাখনো তালিকা জব্দ কৰিছিল আৰু এইসমূহ তালিকাত প্ৰাৰ্থীৰ নামৰ লগতে প্ৰদান কৰা উৎকোচৰ তথ্যপাতিও উল্লেখ আছিল। ই ডিয়ে দাবী কৰা অনুসৰি ২০১৪ৰ পৰাই পশ্চিমবংগত শিক্ষক নিযুক্তিৰ কেলেংকাৰি অব্যাহত আছিল। আনকি ষষ্ঠ শ্ৰেণী উত্তীৰ্ণ লোককো কোনো নিযুক্তি পৰীক্ষা অবিহনে চেটাৰ্জীয়ে উৎকোচৰ বিনিময়ত শিক্ষক পদত নিযুক্তি দিছিল। ই ডিৰ সূত্ৰই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, মন্ত্ৰী চেটাৰ্জীৰ দিনত সংঘটিত হোৱা শিক্ষক নিযুক্তি কেলেংকাৰিৰ জৰিয়তে কমেও পাঁচ হেজাৰ কোটি টকাৰ ক'লা ধন সংগ্ৰহ কৰা হৈছে। এই সন্দৰ্ভত ই ডিয়ে তদন্ত অব্যাহত ৰাখিছে।



## ২৪ ঘণ্টাত সামান্য হ্ৰাস ক'ভিড সংক্ৰমণ, মৃত্যু ৪৫ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ জুলাই ঃ** একেৰাহে তিনিদিন ধৰি দেশৰ দৈনিক ক'ভিড সংক্ৰমণ ২০ হেজাৰৰ ঊৰ্ধৰ্ত থকাৰ পাছত আজি সংক্ৰমণ সামান্য হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ১৯,৬৭৩ জন লোক ক'ভিডত সংক্ৰমিত হ'ল। শনিবাৰে দেশত ক'ভিড আক্ৰান্তৰ সংখ্যা আছিল ২০,৪০৮ জন। বৰ্তমানে ভাৰতত এক লাখ ৪৩ হেজাৰ ৬৭৬ জন সক্ৰিয় ক'ভিড ৰোগী আছে। যোৱা ২৪ ঘণ্টাত কৰ'নাৰ সংক্ৰমণৰ ফলত দেশত পুনৰ ৪৫ জন লোকৰ মৃত্যু হ'ল। কেৰালা, কৰ্ণাটক, পশ্চিমবংগ, তামিলনাডুৰ দৰে ৰাজ্যত ক'ভিডৰ সংক্ৰমণ উদ্বেগজনক হৈ আছে।

## ফ্ৰিজ হোৱা আঠ একাউণ্টত পাৰ্থ-অৰ্পিতাৰ কোটি কোটি টকা



**নিউজ ব্যুৰ', কলকাতা, ৩১ জুলাই ঃ** পশ্চিমবংগৰ প্ৰাক্তন মন্ত্ৰী পাৰ্থ চেটাৰ্জী আৰু তেওঁৰ ঘনিষ্ঠ অভিনেত্ৰী-মডেল অৰ্পিতা মুখাৰ্জীৰ দুটা ফ্লেটৰ পৰা ৫০ কোটি টকাৰো অধিক ধন প্ৰৱৰ্তক সঞ্চালকালয়ে (ই ডি) জব্দ কৰাৰ পাছত এইবাৰ ফ্ৰিজ হোৱা আঠটা একাউণ্টত কোটি কোটি টকাৰ সন্ধান লাভ কৰিলে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে। ই ডিৰ সূত্ৰই আজি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি ইতিমধ্যে অনুসন্ধান চলাই পাৰ্থ-অৰ্পিতাৰ ফ্ৰিজ হোৱা বেংক একাউণ্টৰ সবিশেষ তথ্য লাভ কৰা হৈছে। ই ডিৰ সূত্ৰই লগতে কয় যে বেলঘৰিয়াৰ এটা সাধাৰণ মধ্যবিত্ত পৰিয়ালৰ কন্যা অৰ্পিতাৰ সা-সম্পত্তিৰ পৰিমাণ সঁচাকৈয়ে উপাৰ্জনৰ তুলনাত বহু গুণে অধিক। মডেলিং, অভিনয়ৰ লগতে এটা নেইল আৰ্ট পাৰ্লাৰৰ স্বত্বাধিকাৰী অৰ্পিতাই ক'ৰ পৰা কেনেদৰে ইমান বৃহৎ পৰিমাণৰ ধন আহৰণ কৰিছিল সেই সন্দৰ্ভত তদন্ত অব্যাহত আছে বুলি ই ডিয়ে জানিবলৈ দিয়ে। উল্লেখ্য যে পশ্চিমবংগৰ শিক্ষক নিযুক্তিৰ দুৰ্নীতিৰ তদন্তত নামি ই ডিয়ে প্ৰথমে প্ৰাক্তন মন্ত্ৰীয়ে পাৰ্থ চেটাৰ্জীক গ্ৰেপ্তাৰ কৰিছিল আৰু তাৰ পাছত তেওঁৰ ঘনিষ্ঠ অৰ্পিতাকো গ্ৰেপ্তাৰ কৰে। ইয়াৰ পাছতে অৰ্পিতাৰ দুটাকৈ ফ্লেটত তালাচী চলাই ই ডিয়ে ৫০ কোটি টকাৰ অধিক ধন আৰু প্ৰায় ছয় কিলো সোণ জব্দ কৰিছিল। তদন্তৰ অধীনত কালি পাৰ্থ-অৰ্পিতাৰ মুঠ আঠটা বেংক একাউণ্ট ফ্ৰিজ কৰিলে তদন্তকাৰী সংস্থাটোৱে। এই আঠটা একাউণ্টত আঠ কোটি টকাৰো অধিক ধন জমা আছে।

## ঋষিতকৈ আগুৱাই আছে লীজ ঃ প্ৰতিবেদনত দাবী

**নিউজ ব্যুৰ', লণ্ডন, ৩১ জুলাই ঃ** নিৰ্বাচনত শেষ মুহূৰ্তত তেওঁ পৰাজিত হ'ব পাৰে বুলি অলপতে শংকা ব্যক্ত কৰিছিল ব্ৰিটেইনৰ পদপ্ৰাৰ্থী ঋষি ছুনকে। ঋষিৰ এই শংকা সত্য হ'ব পাৰে বুলি দাবী কৰিলে শেহতীয়া এক প্ৰতিবেদনে। এই প্ৰতিবেদনৰ দাবী অনুসৰি, লীজ ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী হোৱাৰ সম্ভাৱনা ৯০ শতাংশ আছে। আন্তৰ্জাতিক সংবাদ মাধ্যম ব্লুমবাৰ্গৰ এক ৰেটিং সংস্থা এছমাৰ্কেটছ-এ প্ৰকাশ কৰা অনুসৰি বৰ্তমানে ব্ৰিটেইনৰ ৰাজনীতিত যি পৰিস্থিতিৰ সৃষ্টি হৈছে তাৰ প্ৰতি লক্ষ্য ৰাখিলে ঋষি ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী হোৱাৰ সম্ভাৱনা মাত্ৰ ১০ শতাংশ। সময় অতিবাহিত হোৱাৰ লগে লগে লীজৰ জনপ্ৰিয়তা কনজাৰভেটিভ



দলত বৃদ্ধি পোৱা বুলি এছমাৰ্কেটছে প্ৰতিবেদনত দাবী কৰিছে। প্ৰতিষ্ঠানটোৰ মুৰব্বী মেথিউ ছেডিকে কয়, 'বহুতে ভৱিষ্যদ্বাণী কৰিছিল যে ঋষি ছুনক যথেষ্ট যোগ্য প্ৰাৰ্থী। কিন্তু লীজ ট্ৰাছৰ বিতৰ্কত পাৰদৰ্শিতাই এই প্ৰত্যাশাক ক্ৰমে ধূলিস্যাৎ কৰিছে।' অহা পাঁচ ছেপ্টেম্বৰত কনজাৰভেটিভ দলৰ সদস্যসকলে দলৰ নেতা তথা ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী নিৰ্বাচনৰ বাবে ভোটদান কৰিব। স্মৰ্তব্য যে প্ৰধানমন্ত্ৰীৰ নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ পৰা প্ৰথম পাঁচটা পৰ্যায়ত লীজতকৈ আগবাঢ়ি আছিল ভাৰতীয় মূলৰ কনজাৰভেটিভ নেতা ঋষি ছুনক। সাংসদৰ ভোটগ্ৰহণতো ঋষিয়ে সৰ্বাধিক ভোট লাভ কৰিছিল। কিন্তু পাঁচ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব লগা কনজাৰভেটিভ দলৰ নেতা নিৰ্বাচনৰ ভোটত ঋষিতকৈ লীজে দলীয় সদস্যৰ অধিক সমৰ্থন লাভৰ সম্ভাৱনা আছে বুলি এছমাৰ্কেটছে প্ৰতিবেদনত দাবী কৰিছে।

## অনলাইন জুৱা খেল-ৰূপচৰ্চাত আসক্তি, ইমান ধন কিহত ব্যয় কৰিছিল অৰ্পিতাই?

**নিউজ ব্যুৰ', কলকাতা, ৩১ জুলাই ঃ** পশ্চিমবংগৰ টালিগঞ্জ আৰু বেলঘৰিয়াত অভিনেত্ৰী-মডেল অৰ্পিতা মুখাৰ্জীৰ দুটা ফ্লেটৰ পৰা অলপতে ৫০ কোটি টকাৰো অধিক নগদ ধন প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ বিষয়াই জব্দ কৰাৰ পাছত সকলোৰে মনত এক কৌতূহলৰ সৃষ্টি হৈছে। ইমান ধন অৰ্পিতাই ক'ত ব্যয় কৰে? অফুৰন্ত সম্পদৰ গৰাকী হোৱা অৰ্পিতাৰ জীৱন-যাপন কিমান বিলাসী আছিল তাক লৈয়ো প্ৰশ্ন উত্থাপিত হৈছে। ই ডিৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি প্ৰায় প্ৰতিটো দিনে অনলাইন জুৱাত সৰ্বাধিক সময় ব্যয় কৰিছিল অৰ্পিতাই। অনলাইন জুৱা খেলৰ প্ৰতি বিশেষ আসক্তি আছে অভিনেত্ৰী-মডেলগৰাকীৰ। একেদৰে ব্যয়বহুল ৰূপচৰ্চাৰ প্ৰতিও আসক্ত আছিল অৰ্পিতা। কেৱল ৰূপচৰ্চাৰ নামতে মাহে লাখ লাখ টকা ব্যয় কৰিছিল স্বল্পখ্যাত অভিনেত্ৰীগৰাকীয়ে। তদন্তকাৰী সংস্থাটোৱে লগতে লাভ কৰা তথ্য অনুসৰি ওড়িয়া আৰু তামিল ছবিৰ কে'বাগৰাকীও অভিনেত্ৰী অৰ্পিতাৰ ভাল বন্ধু আৰু তেওঁলোকৰ স'তে বছৰি একাধিকবাৰ তেওঁ বিদেশ যাত্ৰা কৰিছিল। পঞ্চতাৰকা হোটেলত বাহৰ পতাৰ পৰা বিলাসী যান-বাহন ক্ৰয়ৰ লগতে আন বহু ধৰণৰ বিলাসী চখ আছিল অৰ্পিতাৰ। ডুবাইত আই পি এলৰ খেলো তেওঁ উপভোগ কৰিছিল। প'কাৰৰ দৰে অনলাইন জুৱাৰ লগতে বিভিন্ন ক্লাবলৈ গৈ লাখ লাখ টকাৰ নগদ ধন জুৱা খেলত ব্যয় কৰাটো আছিল অৰ্পিতাৰ আন এক চখ। বিদেশৰ পৰা তেওঁ বিভিন্ন প্ৰসাধন সামগ্ৰী ক্ৰয় কৰিছিল। ক'লা টকা বগা কৰিবলৈ অৰ্পিতাই দক্ষিণ কলকাতা, বেলঘৰিয়া আৰু দমদমত তিনিখনকৈ বিউটি পাৰ্লাৰ খুলিছিল। ২০১৬ৰ পৰা ২০১৯লৈকে এই ব্যৱসায়ত তেওঁ সফলতা লাভ কৰিছিল। কিন্তু ক'ভিড কালত ব্যৱসায় স্তব্ধ হৈছিল। বৰ্তমানে অৰ্পিতাৰ এখন নেইল আৰ্ট পাৰ্লাৰ আছে।



# কলগাছিয়াত সাংসদ-বিধায়কৰ পুত্তলিকা দাহ



**কলগাছিয়া, ৩১ জুলাই ঃ** কলগাছিয়া ৰূপসী উন্নয়ন খণ্ডৰ ৫৮ নম্বৰ বৰভিঠা গাঁও পঞ্চায়তৰ অন্তৰ্গত কান্দুলীয়াত একাংশ ৰাইজে সাংসদ আব্দুল খালেক, বিধায়ক ড° ৰফিকুল ইছলাম, পঞ্চায়ত সভানেত্ৰী ৰাবিয়া খাতুনৰ প্ৰতিমূৰ্তি দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। গাঁওখনৰ প্ৰায় দুই শতাধিক পৰিয়ালৰ লোকে যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগি আহিছে। ৰাইজৰ কষ্টৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে চতুৰ্থ বিত্তীয় আৰু এম জি এনৰেগা আঁচনিৰ জৰিয়তে তিনিটা কামত প্ৰায় ২১ লাখ টকা আবণ্টন দিছিল যদিও তাৰে মাত্ৰ ৫০ৰ পৰা ৬০ হেজাৰ টকাৰ মাটি পেলাই ১৫ লাখ উঠাই সিংহভাগ টকা আত্মসাৎ কৰা বুলি স্থানীয় ৰাইজে অভিযোগ কৰে। আবণ্টিত ধনেৰে পথবোৰত কাম নকৰাৰ ফলত উক্ত পৰিয়ালকেইটাই বিভিন্ন সময়ত ৰোগী জুৰুৰীকালীন সেৱাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। যাতায়াতৰ ক্ষেত্ৰত যথেষ্ট হাৰাশাস্তিৰ সন্মুখীন হৈছে ছাত্ৰ-ছাত্ৰীসকল। বছৰেকত আঠমাহ বানপানীৰ দৰে কষ্টত ভোগে উক্ত গাঁওখনৰ ৰাইজে। এই ক্ষেত্ৰত 'তথ্য জনাৰ অধিকাৰ' আইনৰ জৰিয়তে এক ভয়ংকৰ তথ্য পোহৰলৈ আহিছে। পঞ্চায়ত সভানেত্ৰী ৰাবিয়া খাতুনে চৰকাৰী আঁচনিত জাল চহী কৰি ধন আত্মসাৎ কৰা আৰটিআইৰ তথ্যই উদঙাই দিছে বুলি আৰটিআইকৰ্মী তথা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা জেহেৰুল ইছলামে অভিযোগ কৰে। এনেকুৱা দুৰ্নীতিৰ বাবে সভানেত্ৰী ৰাবিয়া খাতুনৰ বিৰুদ্ধে খণ্ড উন্নয়ন বিষয়াক লিখিত অভিযোগ দাখিল কৰে যদিও আজিকোপতি কোনো ব্যৱস্থা নোলোৱাত খণ্ড উন্নয়ন বিষয়াৰ বিৰুদ্ধে সন্দেহৰ আঙুলি টোঁৱাইছে ৰাইজে। স্থানীয় লোকে প্ৰতিবাদ সাব্যস্ত কৰি তদন্ত সাপেক্ষে দুৰ্নীতিৰ লগত জড়িত লোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ লগতে শীঘ্ৰেই পথছোৱা নিৰ্মাণ কৰিবলৈ দাবী জনায় ৰাইজে। অন্যথা পঞ্চায়ত কাৰ্যালয় ঘেৰাও কৰাৰ হুংকাৰ প্ৰদান কৰে প্ৰতিবাদী ৰাইজে। অৱশ্যে পঞ্চায়তৰ কামত হোৱা দুৰ্নীতিৰ ক্ষেত্ৰত সাংসদ- বিধায়কৰ প্ৰতিকৃতি দাহ কৰাত একাংশ ৰাইজৰ মাজত প্ৰতিবাদকাৰীৰ বিপক্ষে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# ৰঙাপৰা উন্নয়ন খণ্ডত ৰাজহুৱা অভিযোগৰ পাছতো নহ'ল তদন্ত

**■ এমজি এনৰেগাৰ ৮৪ লাখ টকাৰ অপব্যৱহাৰ প্ৰসংগ**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩১ জুলাই ঃ** ৰঙাপৰা উন্নয়ন খণ্ডৰ তদানীন্তন খণ্ড উন্নয়ন বিষয়া মুনিন দলেৰ ৰঙাপৰাত কাৰ্যকালৰ অন্তিম সময়ছোৱাত মোকলাই দিয়া ৮৪ লাখ টকাৰ কিমান সদব্যৱহাৰ হ'ল সেই বিষয়ে অভিযোগ উত্থাপন হোৱাৰ পাছতো কোনো ধৰণৰ তদন্ত নহ'ল। উল্লেখ্য যে ২০২১ৰ দুৰ্গা পূজাৰ পূৰ্বে ৰঙাপৰা উন্নয়ন খণ্ডৰ তদানীন্তন খণ্ড উন্নয়ন বিষয়াজনে কেৱল এজন ভেণ্ডৰৰ জৰিয়তেই এম জি এনৰেগাৰ সামগ্ৰী বিলৰ নামত ৮৪ লাখ টকা মোকলাই দিছিল। প্ৰকৃত যোগান ধৰোতাসকলক তথা আন ভেণ্ডৰক সম্পূৰ্ণৰূপে একাষৰীয়া কৰি মাত্ৰ এজন ভেণ্ডৰৰ জৰিয়তেই এই বৃহৎ পৰিমাণৰ পুঁজি মোকলাই দিয়া ঘটনাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাই নহয় এই ধনৰ অপব্যৱহাৰ লৈয়ো একাংশ লোকে বিষয়টোৰ এক তদন্তৰ দাবী জনাই শোণিতপুৰৰ উপায়ুক্ত কাৰ্যালয়ত যোৱা মে'তে লিখিত অভিযোগ দাখিল কৰিছিল। উল্লেখ্য যে এম জি এনৰেগা আঁচনিৰ বিপৰীতে এই সামগ্ৰী যোগানৰ নামত যি ধৰণৰ অংশ কৰ্তন কৰা হয় পাছত সেয়া বিতৰণ আৰু ব্যৱহাৰত বহু বিসংগতি সংঘটিত হোৱা বুলি অভিযোগ উত্থাপন হোৱা সত্ত্বেও এই ক্ষেত্ৰত সাধাৰণ তদন্ত এটাও নোহোৱাটোক লৈ বৰ্তমানেও অভিযোগকাৰী ক্ষোভিত হৈ আছে। এই বিষয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰীকো জনোৱা হৈছিল যদিও সকলো ফুটুকাৰ ফেনত পৰিণত হয়। উল্লেখ্য যে কেৱল ৰঙাপৰা উন্নয়ন খণ্ডতে নহয়, গাভৰু, বালিপৰা, বিহুগুৰিকে ধৰি বিভিন্ন উন্নয়ন খণ্ডতেই এম জি এনৰেগাৰ সামগ্ৰী যোগানৰ এই ধন একাংশ ভেণ্ডৰৰ দ্বাৰাই ব্যৱহাৰৰ নামত প্ৰকৃততে ক'ত কেনেদৰে ব্যয় হয় সেয়া কোনেও ভুকে নাপায়। উল্লেখ্য যে আঁচনিৰ ফলককে ধৰি সামগ্ৰী যোগানৰ নামত আঁচনিৰ ৩০ শতাংশ কৰ্তন কৰি এক বৃহৎ পুঁজি এই সামগ্ৰীৰ ধন মোকলাই দিয়াৰ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত দীৰ্ঘদিনৰ পৰাই অভিযোগ উঠি আহিছে যদিও বিষয়টো মেকুৰীৰ ডিঙিত টিলিঙা আঁৰিব কোনেৰ দৰে বিষয় হৈ পৰিছে। ইপিনে, এক চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি এনে বিভিন্ন কাৰণতে এমজি এনৰেগা আঁচনিৰ বন্ধ হোৱাৰ সম্ভাৱনা আছে আৰু বৰ্তমান এনে আঁচনিৰ কামো স্থবিৰ হৈ পৰিছে। ইয়াৰ বিপৰীতে ৰঙাপৰা উন্নয়ন খণ্ডত নিৰ্দিষ্ট ভেণ্ডৰ আৰু তদানীন্তন খণ্ড উন্নয়ন বিষয়াৰ মাজৰ বুজাবুজিৰে হোৱা ৮৪ লাখ টকাৰ ব্যৱহাৰৰ এক শক্তিশালী তদন্তৰ ব্যৱস্থা কৰিলে বহু ৰহস্য ভেদ হোৱাৰ সম্ভাৱনা আছিল যদিও সংশ্লিষ্ট উৰ্ধ্বতন কৰ্তৃপক্ষয়ো কিয় বিষয়টো এৰাই চলিল সেয়াও আন এক ৰহস্য হৈ ৰ'ল ক্ষুব্ধ লোকসকলৰ বাবে।

# তীৰ্থনগৰী হাজোত মণিকূট সাহিত্য সমাজৰ গ্ৰন্থ উন্মোচনী সভা

'মণিকূট মঞ্জৰী' শীৰ্ষক কবিতা সংকলন উন্মোচন



**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩১ জুলাই ঃ** মণিকূট সাহিত্য সমাজ হাজোৰ উদ্যোগত আজি এখন গ্ৰন্থ উন্মোচনী সভা তীৰ্থনগৰী হাজোৰ কুমাৰপাৰাস্থিত অৰুণোদয় বিদ্যা নিকেতন প্ৰাংগণত অনুষ্ঠিত হয়। মণিকূট সাহিত্য সমাজৰ সভাপতি প্ৰকাশ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত মণিকূট সাহিত্য সমাজৰ দ্বাৰা প্ৰকাশিত তথা হাজোৰ সুৰেণ দাস মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক ড° জয়ন্ত কুমাৰ দাসৰ সম্পাদনাত উলিওৱা 'মণিকূট মঞ্জৰী' শীৰ্ষক কবিতা সংকলনখন উন্মোচন কৰে কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতীয়ে। গ্ৰন্থখন উন্মোচন কৰি ভাগৱতীয়ে কয় যে কবিতা ভাৱনাৰ নিখুঁতৰূপত প্ৰকাশ পায়। মণিকূট সাহিত্য সমাজৰ সম্পাদক বিশ্বজিৎ বিশ্বাসীয়ে আঁতধৰা গ্ৰন্থ উন্মোচনী সভাত নিমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰি বিচিএম মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক চাইদুৰ ৰহমানে সাহিত্য সৃষ্টিৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত দাঙি ধৰি সাহিত্য প্ৰেমীসকলক মোহিত কৰে। সভাত বিশিষ্ট সমাজকৰ্মী মদন মোহন দাস, মণিকূট সাহিত্য সমাজৰ প্ৰাক্তন সভাপতি অচ্যুত চন্দ্ৰ দাস, সাহিত্য সেৱী বিবেকানন্দ দাস, ৰমণী বেজবৰুৱা, মহিম কুমাৰ দাস, অশোক হাটখোৱা, জয়া মেধিকে ধৰি কে'বাগৰাকী সাহিত্য প্ৰেমীয়ে মণিকূট সাহিত্য সমাজৰ ভৱিষ্যৎ কৰ্মপন্থাৰ ওপৰত বক্তব্য আগবঢ়ায়। সভাত শলাগৰ শৰাই আগবঢ়াই ৰিজুমণি ভূঞাই।

# নগাঁৱত লেখিকা বৈজয়ন্তী খাউণ্ডৰ 'স্বপ্নভংগ' উন্মোচন



**বিশেষ সংবাদদাতা**

**নগাঁও, ৩১ জুলাই ঃ** নগাঁও প্ৰেছ ক্লাবত আজি বিয়লি অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, লেখিকা বৈজয়ন্তী খাউণ্ডৰ ক্টস্বপ্নভঙ্গক্ট নামৰ প্ৰথমখনি গল্প সংকলন উন্মোচন কৰা হয়। শিক্ষাবিদ যুক্তিনাথ খাউণ্ডৰ সভাপতিত্বত অনুষ্ঠিত এই অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰে প্ৰাক্তন অধ্যাপক, সাহিত্যিক প্ৰদীপ বৰাই। অনুষ্ঠানত সাপ্তাহিক 'কলংপাৰ' কাকতৰ সম্পাদক ভবেন বৰা, লেখক ময়ূৰ কুমাৰ বৰাৰ উপৰি নগাঁও অনাতাৰ কেন্দ্ৰৰ ঘোষক, লেখক চিদানন্দ গোস্বামী, কবি অনিল কুমাৰ শৰ্মা আদিয়ে বক্তব্য প্ৰদান কৰে। অনুষ্কা শৰ্মাই বৰগীত পৰিবেশনেৰে আৰম্ভ কৰা এই গ্ৰন্থ উন্মোচনী অনুষ্ঠানত চিকিৎসক ডাঃ ধীৰেন হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষক থুলেশ্বৰ বৰা, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী-নাট্যকাৰ গুণদা গোস্বামী, ডাঃ মানসজ্যোতি বশিষ্ঠ, ডাঃ ৰিমা ভট্টাচাৰ্য, ৰীণা বৰকটকী, লেখক পুলকানন্দ কৌশিক, গুণ বৰা, লেখিকা ক্ৰমে জেউতি হাজৰিকা, অমিয়া গোস্বামী, আৰতি শৰ্মা, তুলু হাজৰিকা, অৰুণিমা বৰা প্ৰমুখ্যে অৰ্ধশতাধিক সাহিত্যানুৰাগী লোক উপস্থিত থাকে। শিক্ষক, কবি বসন্ত কৌশিক ভাগৱতীয়ে আঁতধৰা এই অনুষ্ঠানত এটি গীত পৰিবেশনেৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে গায়ক, লেখক গোলাপ বৰাই।

# বৰভাগৰ বিদ্যালয় প্ৰাংগণত শিশুৰ বাবে বিনামূলীয়া স্বাস্থ্য শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ৩১ জুলাই ঃ** 'ফুলফিল ইউৰ ড্ৰিমছ ইউটিউব' চেনেলৰ উদ্যোগত সন্ধান আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ উদ্যোগত কালি বৰভাগৰ কোটালকুছি মজলীয়া বিদ্যালয়ত বানপীড়িত শিশুসকলৰ বাবে এটি বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। শিবিৰত 'এক্সেল কেয়াৰ হাস্পতাল'ৰ শিশুৰোগ বিশেষজ্ঞ ডাঃ প্ৰাকৃতিষ বৰা আৰু ডাঃ নন্দ কুমাৰকে ধৰি কে'বাজনো অভিজ্ঞ শিশুৰোগ বিশেষজ্ঞ আৰু অভিজ্ঞতা সম্পন্ন স্বাস্থ্যকৰ্মীয়ে বানপীড়িত শিশুসকলৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিভিন্ন পৰামৰ্শ আৰু শিশুৰ যতন সম্পৰ্কে উপদেশ দিয়ে। আনহাতে, শিশুসকলৰ মাজত বিনামূলীয়া ঔষধো বিতৰণ কৰে। শিবিৰৰ আৰম্ভণিতে চিকিৎসক তথা স্বাস্থ্যকৰ্মীসকলক গামোচাৰে আদৰণি জনায়। শিবিৰত দুই শতাধিক শিশুৰ স্বাস্থ্য পৰীক্ষা কৰে।

# বিহপুৰীয়াত সেৱাব্ৰত বৰুৱাৰ নাট্য সম্ভাৰ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ৩১ জুলাই ঃ** বিহপুৰীয়া সন্মিলিত নাট্য সমাজৰ উদ্যোগত আৰু সেৱাব্ৰত বৰুৱা স্মৃতি ন্যাসৰ সহযোগত চেন্টাৰ ফৰ ষ্টাডিজ ইন হিউমেনিটিজৰ দ্বাৰা প্ৰকাশিত 'সেৱাব্ৰত বৰুৱাৰ নাট্য সম্ভাৰ' প্ৰথম খণ্ডৰ উন্মোচনী অনুষ্ঠান আজি বিহপুৰীয়াত অনুষ্ঠিত হয়। বিহপুৰীয়া বাৰোৱাৰী শ্ৰীশ্ৰীদুৰ্গা মন্দিৰত আজি সন্মিলিত নাট্য সমাজৰ সভাপতিত্বত অনুষ্ঠিত উন্মোচনী সভাখনত গ্ৰন্থখন উন্মোচন কৰে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ অঞ্জন কুমাৰ ওজাই। সন্মিলিত নাট্য সমাজৰ সম্পাদক দুলাল শৰ্মাই আঁতধৰা অনুষ্ঠানত বিহপুৰীয়াৰ যথেষ্ট সংখ্যক গুণী-জ্ঞানী লোক উপস্থিত থাকে। সকলোৰে বিহপুৰীয়াৰ গৌৰৱ বিশিষ্ট নাট্যকাৰ-অভিনেতা-পৰিচালক সেৱাব্ৰত বৰুৱাৰ স্মৃতিচাৰণ কৰাৰ লগতে গ্ৰন্থখন সকলোৰে আঁকোৱালি ল'ব বুলি আশা প্ৰকাশ কৰে। মুঠ ৬৩৬ পৃষ্ঠাৰ গ্ৰন্থখনত মুক্তকণ্ঠৰ শব্দৰ ঝংকাৰ, দাপোণত আপোন মুখ, নাস্তিক, মাক আৰু মৰম, দেশ বুলিলে নালাগে আদেশ, লগন উকলি যায় আদি নাটককেইখন সন্নিৱিষ্ট কৰা হৈছে।

# কোচ ৰাজবংশী নৃত্য গীতক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টা

**কোচ ৰাজবংশী নৃত্য গীতৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠান**



**তামাৰহাট, ৩১ জুলাই ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত চলি থকা কোচ ৰাজবংশী জনগোষ্ঠীৰ নৃত্য গীতৰ কৰ্মশালাৰ আজি সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰয়োজনীয় প্ৰশিক্ষণৰ অভাৱত কোচ ৰাজবংশী নৃত্য-গীতসমূহ বিকৃত হৈ আছে। এই নৃত্য-গীতসমূহ সংৰক্ষণৰ উদ্দেশ্যে ২৬ জুলাইৰ পৰা কোচ ৰাজবংশী ফ'ক কালচাৰেল একাডেমীৰ উদ্যোগত কৰ্মশালাৰ আয়োজন কৰে। কৰ্মশালাত গোৱালিনী নৃত্যৰ প্ৰশিক্ষণ দিয়ে ভূৱন চন্দ্ৰ ৰায়, অনুকুল ৰায় আৰু লোকগীতৰ প্ৰশিক্ষণ দিয়ে বাবলু চন্দ্ৰ ৰায় লগতে উপস্থিত থাকে বহুকেইগৰাকী প্ৰশিক্ষক। আজি সামৰণি অনুষ্ঠান উপলক্ষে এখন সভা অনুষ্ঠিত হয়। সভাত কোচ ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল চন্দ্ৰ বৰ্মন, কোচ ৰাজবংশী স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য কাৰ্তিক চন্দ্ৰ ৰায়, প্ৰদীপ চন্দ্ৰ ৰায় আদি উপস্থিত থাকে। কৰ্মশালাত প্ৰশিক্ষণ লোৱা প্ৰশিক্ষাৰ্থীসকলে মনমোহা নৃত্য গীত পৰিবেশন কৰে।

# ৰোগাক্ৰান্ত ৰূপজ্যোতি বেজবৰাৰ খবৰ ল'লে বিধায়ক শৰ্মাই

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩১ জুলাই ঃ** বিগত ১৯৯৬ত উচ্চতৰ মাধ্যমিক পৰীক্ষাত কলা শাখাত নগাঁও মহাবিদ্যালয়ৰ পৰা অৱতীৰ্ণ হৈ তেওঁ অসমৰ ভিতৰতে ষষ্ঠ স্থান লাভ কৰি পৰৱৰ্তী সময়ত ১৯৯৯ত কটন কলেজৰ পৰা মেজৰসহ স্নাতক ডিগ্ৰী আৰু ২০০১ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছতো জীৱনৰ চকৰি যেন ওলোটা ফালেহে ঘূৰিলে নগাঁও জিলাৰ বেবেজীয়া মাহৰিআটিৰ নিৱাসী প্ৰচুৰ মেধা সম্পন্ন ৰূপজ্যোতি বেজবৰাৰ। তেওঁ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছতো এটা চৰকাৰী চাকৰি যোগাৰ কৰিব নোৱাৰিলে। সেই সময়ৰ নিযুক্তিত স্বচ্ছতা নথকা হেতুকে তেওঁ অৰ্হতা থকা সত্ত্বেও এটা চৰকাৰী চাকৰি যোগাৰ কৰিব পৰা নাছিল। ফলত মানসিকভাৱে ভাগি পৰে। ব্যৱসায় কৰিবলৈকো হাতত ফুটাকড়ি এটা নথকাত গোটেই আকাশখন মূৰৰ ওপৰত ভাগি পৰাৰ দৰে হয়। বৰ্তমান তেওঁ এক জটিল ৰোগত আক্ৰান্ত। এই জটিল ৰোগে দুৰ্বল কৰিছে তেওঁৰ শৰীৰ। ঘৰখনত উপাৰ্জন বুলিবলৈ কোনো নাই। দেউতাক দেৱেন বেজবৰাৰ কেতিয়াবাই মৃত্যু হৈছে। মাটি বেছি মাক আৰতি বেজবৰাই তেওঁৰ চিকিৎসা কৰি আছে। টকাৰ অভাৱত আজি এবছৰে ডাক্তৰৰ ওচৰলৈ নিব পৰা নাই ৰূপজ্যোতিক। ফলত বিনা চিকিৎসাই জটিল ৰোগৰ ওচৰত আত্মসমৰ্পণ কৰাৰ দৰে হৈছে। যুৱকজনৰ এই কৰুণ জীৱনগাঁথাৰ বিষয়ে 'দৈনিক অগ্ৰদূত' কাকতত সবিস্তাৰে প্ৰকাশ পোৱাৰ পাছত অৱশেষত তেওঁৰ কাষত থিয় হ'ল নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা। আজি ৰূপজ্যোতিৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ স্বাস্থ্য সম্পৰ্কে বুজ ল'লে বিধায়ক শৰ্মাই। লগতে সমগ্ৰ বিষয়টো মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰি ৰূপজ্যোতিৰ স্বাস্থ্যৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে।

# তামুলপুৰত ১১ দিনীয়া নাট কৰ্মশালাৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৩১ জুলাই ঃ** অসম নাট্য সন্মিলনৰ তামুলপুৰ শাখাৰ উদ্যোগত আৰু তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰৰ সহযোগত যোৱা ২০ জুলাইৰ পৰা তামুলপুৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত ১১ দিনীয়া নাট কৰ্মশালাৰ কালি সফল সামৰণি পৰে। সামৰণি অনুষ্ঠান উপলক্ষে কালি আবেলি তামুলপুৰ জিলা সদৰৰ বাৰেইগাঁওস্থিত সাংস্কৃতিক ভৱনত এক নাট পৰিবেশন আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। এক মাংগলিক পৰিৱেশত বন্তি প্ৰজ্বলন কৰি সামৰণি অনুষ্ঠান মুকলি কৰে তামুলপুৰৰ প্ৰবীণ নাট্য কৰ্মী অৱসৰপ্ৰাপ্ত শিক্ষক মোহন দাসে কয়, নাট্য সংস্কৃতি, নাট্য সাহিত্য, নাট্য সভ্যতাৰ জৰিয়তে এখন সমাজৰ সাহিত্য-সংস্কৃতি জাগ্ৰত হয়। নাট কৰ্মশালাৰ যোগেদি প্ৰশিক্ষাৰ্থীসকলে মন, মগজু আৰু শৰীৰৰ বিকাশ সাধন কৰিব লাগিব। তেতিয়াহে নাট্যকলা আয়ত্ত কৰিব পাৰিব। তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া যুগান্ত বায়নে কয় যে তামুলপুৰ এখন বিভিন্ন চহকী সংস্কৃতিৰে চহকী জাতি-জনগোষ্ঠীৰ বাসভূমি। সাংস্কৃতিকভাৱেও তামুলপুৰৰ লোকসকল যথেষ্ট আগবঢ়া। তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰই আয়োজন কৰা লোকগীতৰ কৰ্মশালা, লোকনৃত্যৰ সংস্কৃতিৰ সকলোতে অংশগ্ৰহণৰ বাবে হিলদল ভাঙি ওলাই আহে। অসম নাট্য সন্মিলন, তামুলপুৰৰ উদ্যোগত অনুষ্ঠিত নাট কৰ্মশালাত শিশুৰ পৰা জ্যেষ্ঠজনলৈ শতাধিক লোক অংশগ্ৰহণে তামুলপুৰবাসীৰ সাংস্কৃতিক মনৰ পৰিচয় দাঙি ধৰিছে। সামৰণি অনুষ্ঠানত নাট প্ৰশিক্ষকদ্বয় পৰী শৰণীয়া (এন এছ ডি, ছিকিম) আৰু বেণুধৰ পাটোৱাৰী (এন এছ ডি ছিকিম), সাংবাদিক তীৰ্থৰঞ্জন মহন্ত, সাহিত্য একাডেমী বঁটা বিজয়ী দ্বীজেন কুমাৰ দাস আৰু প্ৰশিক্ষাৰ্থী ধনজিৎ শইকীয়াই নিজৰ অনুভৱ ব্যক্ত কৰে। অসম নাট্য সন্মিলনৰ তামুলপুৰ শাখাৰ সভাপতি অনুপ নাথে সঞ্চালনা কৰা আৰু সম্পাদক গোপীনাথ দাসে আঁতধৰা সামৰণি অনুষ্ঠানতে প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা কে'বাখনো চুটি নাট আৰু মূকাভিনয় প্ৰদৰ্শন কৰা হয়। সামৰণি সভাতে প্ৰশিক্ষণত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক একোখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। সামৰণি অনুষ্ঠানত অসম নাট্য সন্মিলনৰ ৰত্নপীঠ মণ্ডলৰ সম্পাদক তথা অভিনেতা অভিজিত দাস, বাগ্সা জিলা নাট্য সন্মিলনৰ সম্পাদক চিন্ময় পাঠক, সাংস্কৃতিক কৰ্মী শ্যামল দাস, অধিক দাসৰ লগতে প্ৰশিক্ষাৰ্থী আৰু অভিভাৱক উপস্থিত থাকে।

# কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ৩১ জুলাই ঃ** গোলাঘাট জিলাৰ অন্তৰ্গত ঢেকিয়াল তিনিআলি ব্যৱসায়ী সন্থা আৰু গাঁওৰক্ষী বাহিনীৰ উদ্যোগত স্থানীয় ৰাইজৰ সহযোগত আজি কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। বিগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণসকলক অভিনন্দন জনোৱা হয়। অঞ্চলটোৰ প্ৰায় ৭০ জনক ঢেকীয়াল তিনিআলিৰ চিত্ৰলেখা বিবাহ ভৱনত সম্বৰ্ধনা জনোৱা হয়। সমাজকৰ্মী দীপচন্দ্ৰ বৰাই সভাপতিত্ব কৰা অনুষ্ঠানত অংশগ্ৰহণকাৰী বিশিষ্ট ব্যক্তিসকলে ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে বক্তব্য ৰাখে।

# যোৰহাটৰ মুৰমূৰীয়াত দুৰ্ঘটনাত দুজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ৩১ জুলাই ঃ** যোৰহাটৰ চিনামৰা আৰক্ষী চকীৰ অন্তৰ্গত মুৰমূৰীয়াত আজি সংঘটিত এক পথ দুৰ্ঘটনাত দুজনকৈ লোকৰ মৃত্যু হয়। মটৰ চাইকেল আৰু স্কুটীৰ মাজত সংঘটিত মুখামুখি সংঘৰ্ষত দুজন লোকৰ মৃত্যু হয়। মৃত লোক দুজন যোৰহাট লিচুবাৰী এল কে পথৰ চাগীৰ আহমেদ (৪৫) আৰু মৰিয়নি নিজৰাপাৰৰ সত্যজিৎ বৈৰাগী (১৮)। তথ্য মতে, আজি দিনৰ ১০.১০ বজাত মৰিয়নি পথৰ মুৰমূৰীয়াত মৰিয়নি অভিমুখী এএছ-০৩ ইউ-১০৭৯ নম্বৰৰ স্কুটীৰ স'তে বিপৰীত দিশৰ পৰা অহা এএছ-০৩ এবি-০২৩৯ নম্বৰৰ পালছাৰ মটৰ চাইকেলৰ মাজত মুখামুখী সংঘৰ্ষ হয়। ফলত দুয়োখন বাহনৰ দুয়োজন চালক গুৰুতৰভাৱে আহত হয়। দুয়োকে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও মৃত্যু হয়। আনহাতে, স্কুটীত বহি যোৱা চাগীৰ আহমেদৰ পত্নী আৰু পালছাৰত বহি অহা আনজন যুৱকো গুৰুতৰভাৱে আহত হৈ চিকিৎসালয় ভৰ্তি হ'বলগীয়া হয়। উল্লেখ্য যে নাৰিকলৰ কটোৱাৰে সুন্দৰকৈ বহু সামগ্ৰী নিৰ্মাণ কৰি আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰিবলৈ সক্ষম হোৱা চাগীৰ আহমেদৰ অকাল মৃত্যুত যোৰহাটত শোকৰ ছাঁ পৰিছে। আহত পত্নী আৰু একমাত্ৰ পুত্ৰক এৰি যোৱা চাগীৰ আহমেদৰ জানাজা আজি সন্ধিয়া যোৰহাট কবৰস্থানত সম্পন্ন কৰা হয়।

# টিহুৰ হালধিবাৰী কালী মন্দিৰত স্থায়ী ৰভাৰ উদ্বোধন



**অগ্ৰদূত বাৰ্তা**

**টিহু, ৩১ জুলাই ঃ** টিহুৰ হালধিবাৰীত অৱস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী কালী-শিৱ-বিষ্ণু মন্দিৰত আজি স্থায়ী ৰভাৰ উদ্বোধন কৰা হয়। আজি পুৱা এক মাংগলিক অনুষ্ঠানৰ মাজত ভাৰতীয় সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত কৰ্ণেল পবিত্ৰ মোহন গোস্বামীয়ে তেওঁৰ ককা, আইতা আৰু পিতৃ-মাতৃৰ স্মৃতিত মন্দিৰ চৌহদত স্থায়ীভাৱে নিৰ্মাণ কৰা ৰভাখন উদ্বোধন কৰে। এই উদ্দেশ্যে সমাজকৰ্মী মাধৱ শৰ্মাই আঁতধৰা উদ্বোধনী অনুষ্ঠানত অৱসৰপ্ৰাপ্ত সেনা বিষয়া গোস্বামীয়ে তত্ত্বগধুৰ ভাষণ আগবঢ়ায়। নিজৰ গৃহগাঁৱত উপস্থিত হোৱা অৱসৰপ্ৰাপ্ত সেনা বিষয়া গোস্বামীক মন্দিৰ পৰিচালনা সমিতিৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত টিহু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ গিৰীন্দ্ৰ নাথ শৰ্মা, টিহু হালধিবাৰী কালী-শিৱ-বিষ্ণু মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক দ্বিজেন্দ্ৰ শৰ্মা আদিয়েও বক্তব্য আগবঢ়ায়। টিহু হালধিবাৰী কালী-শিৱ-বিষ্ণু মন্দিৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি গোপাল কলিতা, জ্যেষ্ঠ নাগৰিক ৰমেশ শৰ্মা আদি গণ্যমান্য লোকসকল উপস্থিত থকা অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই টিহু হালধিবাৰী কালী-শিৱ-বিষ্ণু মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি তৰণী চৌধুৰীয়ে।

# এটা শিক্ষিত জাতিয়েহে দেশৰ উন্নয়ন কৰিব পাৰে

**■ বৰিমাখাত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা**



**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ৩১ জুলাইঃ** 'এটা জাতিৰ উন্নয়নৰ বাবে সেই জাতিটোৰ লোকসকল আনুষ্ঠানিকভাৱে শিক্ষিত হ'ব লাগিব। কাৰণ এটা শিক্ষিত জাতিয়েহে দেশৰ বা সমাজৰ উন্নয়ন কৰিব পাৰে। শিক্ষা অবিহনে এটা জাতিৰ উন্নতি অসম্ভৱ। তাৰ বাবে আমি সকলোৱে শিক্ষা লাভৰ বাবে অহোপুৰুষাৰ্থ কৰিব লাগিব।' এই মন্তব্য শৰণীয়া কছাৰী সাহিত্য সভাৰ সাধাৰণ সম্পাদক লোহিত চন্দ্ৰ দাসৰ। মুছলপুৰৰ সমীপৱৰ্তী বৰিমাখা জুনিয়ৰ কলেজৰ প্ৰেক্ষাগৃহত বৰিমাখা আঞ্চলিক শৰণীয়া কছাৰী ছাত্ৰ সন্থা, শৰণীয়া কছাৰী সন্মিলন আৰু শৰণীয়া কছাৰী গণতান্ত্ৰিক নাৰী মঞ্চৰ যৌথ উদ্যোগত উচ্চ আৰু উচ্চতৰ চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনাবলৈ অনুষ্ঠিত কৰা সভাত অংশ লৈ শৰণীয়া কছাৰী সাহিত্য সভাৰ সম্পাদক দাসে কয় যে ছাত্ৰ অৱস্থাতে আমি লক্ষ্য স্থিৰ কৰিব লাগিব। তেতিয়াহে ভৱিষ্যৎ জীৱন সুন্দৰ হ'ব। সমাজ, দেশৰ উন্নয়ন হ'ব। তেওঁ পুনৰ ছাত্ৰ-ছাত্ৰীসকলক তথ্য প্ৰযুক্তিৰ উপৰি আধ্যাত্মিক জ্ঞান আহৰণ কৰিবলৈও আহ্বান জনায়। শৰণীয়া কছাৰী সন্মিলনৰ সভাপতি বিনয় কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত আঞ্চলিকৰ অন্তৰ্গত ১১খন গাঁৱৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ, জনগোষ্ঠীয় গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত বৰিমাখা বালিকা হাইস্কুলৰ সহকাৰী শিক্ষক অজিত দাস, বৰবৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰামচন্দ্ৰ দাস, শৰণীয়া কছাৰী উন্নয়ন পৰিষদৰ সদস্য ললিত চন্দ্ৰ দাস, গাঁওবুঢ়া তপন দাসকে ধৰি কে'বাজনো ব্যক্তিয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি বক্তব্য প্ৰদান কৰে। জলেশ্বৰ দাসে আঁত ধৰা সভাত জনগোষ্ঠীটোৰ ৪১ জন ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

# কলিয়াবৰত জ্যেষ্ঠ ভ্ৰাতৃৰ দাৰ ঘাপত গুৰুতৰভাৱে আহত ভ্ৰাতৃ-বোৱাৰী

**অগ্ৰদূত বাৰ্তা**



**কলিয়াবৰ, ৩১ জুলাই ঃ** কলিয়াবৰৰ গহগুৰিত যোৱা নিশা জ্যেষ্ঠ ভ্ৰাতৃয়ে দাৰে ঘপিয়াই গুৰুতৰভাৱে আহত কৰে নিজ ভ্ৰাতৃ আৰু বোৱাৰীক। পদুম দাধৰা নামৰ লোকজনে কনিষ্ঠ ভ্ৰাতৃ আৰু ভ্ৰাতৃৰ পত্নীক অতি নৃশংসভাৱে ঘপিয়াই আঘাতপ্ৰাপ্ত কৰে এখন দাৰে। পদুম দাধৰাৰ দাৰ ঘাপত গুৰুতৰভাৱে আহত হয় ভ্ৰাতৃ দেৱজিৎ দাধৰা আৰু ভাই বোৱাৰী। দীৰ্ঘদিনীয়া পাৰিবাৰিক কন্দলৰ ফলতেই যোৱা নিশা এই অঘটন সংঘটিত কৰাৰ সন্দেহ প্ৰকাশ কৰিছে আৰক্ষীয়ে। জ্যেষ্ঠ ভ্ৰাতৃ পদুমে দাৰে আক্ৰমণ কৰাত মূৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে দেৱজিৎ দাধৰা আৰু বোৱাৰীগৰাকী। আহত দুয়োকে নিশাই জখলাবন্ধা চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় যদিও আঘাত গুৰুতৰ হোৱা বাবে উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয় তেজপুৰলৈ। উল্লেখ্য যে ভ্ৰাতৃ আৰু ভ্ৰাতৃৰ পত্নীক প্ৰহাৰ কৰি পলায়ন কৰা পদুমক নিশাই আটক কৰে উলুৱনি আৰক্ষীয়ে।

# বিশ্বনাথৰ পানীভঁৰালত নিষিদ্ধ গাঞ্জা দাহন কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি ৩১ জুলাই ঃ** বিশ্বনাথ জিলা আৰক্ষীৰ উদ্যোগত কালি বিশ্বনাথৰ পানীভঁৰালত গ্ৰহণ কৰা হয় নিষিদ্ধ গাঞ্জা দানহ কাৰ্যসূচী। এই কাৰ্যসূচীৰ দ্বাৰা বিগত সময়ত বিশ্বনাথ জিলা আৰক্ষীয়ে অভিযান চলাই জব্দকৃত গাঞ্জাসমূহ কালি দাহন কৰে। বিশ্বনাথ জিলা আৰক্ষীয়ে আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ বিৰোধী দিৱসৰ দিনাই ইতিমধ্যে অবৈধ ব্ৰাউন ছুগাৰ, গাঞ্জা, নিচাজাতীয় টেবলেট, হেৰ'ইনসহ আন নিতাজাতীয় সামগ্ৰী বিশ্বনাথৰ এই পানীভঁৰালতে দাহন কৰিছিল। বিশ্বনাথ জিলা আৰক্ষীয়ে বিগত সময়ত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অভিযান চলাই জব্দ কৰা সেই নিচাজাতীয় সামগ্ৰীসমূহৰ মূল্য আছিল প্ৰায় ডেৰকোটি টকা। কিন্তু কালি দেশৰ গৃহমন্ত্ৰী আমিত শ্বাহৰ আহ্বানত পুনৰ বিশ্বনাথৰ পানীভঁৰালত দাহন কৰে জিলাখনৰ পৰা শেহতীয়াকৈ অভিযান চলাই জব্দ কৰা ২০ কেজি সাতশ গ্ৰাম অবৈধ গাঞ্জা যাৰ মূল্য প্ৰায় পাঁচলাখ টকাতকৈ অধিক হ'ব। দহন কাৰ্যসূচীত উপস্থিত থাকে বিশ্বনাথ জিলাৰ আৰক্ষী অধীক্ষক নবিন সিং, বিশ্বনাথ জিলাৰ অতিৰিক্ত উপায়ুক্ত ইলিমা কুণ্ডুল লানা, অতিৰিক্ত আৰক্ষী অধীক্ষক কুলেন্দু নাথ ডেকা, উপ-আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱা, জিলা আবকাৰী বিষয়া দীপেন বৰা, স্বাস্থ্য বিষয়া তথা চিকিৎসক নৃপেন শইকীয়া, ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ছামদান হাজুৰালীসহ বিশ্বনাথ জিলা আৰক্ষী প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকল।

# ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলৰ ছাত্ৰী একতা সভা-শিক্ষাগুৰুৰ বৈঠক

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৩১ জুলাই ঃ** যি সময়ত ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুয়ে শিক্ষা বিভাগৰ আমুল পৰিৱৰ্তন অনাৰ বাবে আপ্ৰাণ চেষ্টা হাতত লোৱাৰ উপৰি জিলা উপায়ুক্ত-বিদ্যালয়সমূহৰ পৰিদৰ্শকক শৈক্ষিক উন্নয়নৰ বাবে গুৰুত্ব দিবলৈ চোকা নিৰ্দেশ দিয়াই নহয় চৰকাৰী নীতি-নিয়ম মতে যিসকল শিক্ষকে কৰ্তব্য পালন গাফিলতি কৰিছে তেওঁলোকৰ ওপৰত বিহিত ব্যৱস্থা ল'বলৈ দিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ বিভিন্নখন শিক্ষানুষ্ঠানত চৰকাৰী নিয়ম অনুসৰি বিদ্যালয় আৰম্ভণি আৰু পাঠদান কাৰ্য চলা পৰিলক্ষিত হোৱাৰ বিপৰীতে একাংশ বিদ্যালয়ত এতিয়াও দুই-এক শিক্ষকে এইসমূহ নিয়মক

### ■ বিদ্যালয় প্ৰধান-পৰিচালনা উন্নয়ন সমিতিলৈ বিভিন্ন সমস্যা সন্দৰ্ভত দাবী পত্ৰ

মুঠে গুৰুত্ব নিদি নিজৰ খেল-খুছিৰে বিদ্যালয়ত পাঠদান অব্যাহত ৰাখিছে। কিন্তু এই ক্ষেত্ৰত জিলা উপায়ুক্ত-বিদ্যালয়সমূহৰ পৰিদৰ্শকে বিশেষ ভূমিকা লোৱা পৰিলক্ষিত হোৱা হয়। ইয়াৰ মাজতে কালি ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলত ছাত্ৰ একতা সভাৰ-শিক্ষাগুৰু স'তে বিভিন্ন সমস্যা সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। ছাত্ৰী একতা সভাৰ আলোচনী সম্পাদিকা মৃদুস্মিতা শৰ্মাই আঁত ধৰা সভাত বিদ্যালয়খনৰ প্ৰধান শিক্ষক মনহৰি কলিতাই ছাত্ৰী আৰু শিক্ষাগুৰুসকলৰ স'তে শিক্ষা বিভাগে প্ৰেৰণ কৰা নিৰ্দেশবোৰৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰে। সভাত বিদ্যালয়খনৰ শিক্ষাক-শিক্ষয়িত্ৰী ক্ৰমে অৰূপ কুমাৰ দত্ত, আব্দুল জলিল, প্ৰণৱ কুমাৰ লহকৰ, কুশল শইকীয়া, বিভা দেৱী, তুলিকা সাউদ, কল্পনা দেৱী, সংগীতা ডেকা আদিয়ে। সভাত ছাত্ৰী একতা সভাৰ সহকাৰী সম্পাদিকা ডিম্পী ডেকা, সাংস্কৃতিক সম্পাদিকা জেৰিনা আফতাৱাকে ধৰি কেইগৰাকী ছাত্ৰীয়ে বিদ্যালয়ত পোৱা অসুবিধা বিশেষকৈ চাইকেল আস্থান, প্ৰয়োজনীয়তা ডেস্ক-বেঞ্চ আদিৰ ওপৰত বক্তব্য ৰাখে। লগতে বিদ্যালয়ৰ বিভিন্ন অভাৱ-অভিযোগৰ বিষয়ে আলোচনা কৰি অভাৱসমূহ সমাধানৰ বাবে বিদ্যালয়খনৰ পৰিচালনা-উন্নয়ন সমিতিৰ সভাপতি-সচিব-প্ৰধান শিক্ষকলৈ ছাত্ৰ একতাৰ সভাৰ তৰফৰ পৰা এখন দাবী পত্ৰ প্ৰদান কৰা হয়।

# মৰনৈ, ডুবাপাৰাত ধপাত বিৰোধী সজাগতা সভা



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ৩১ জুলাই ঃ** গোৱালপাৰা জিলা ধপাত নিয়ন্ত্ৰণ কোষ আৰু জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত কালি বেচৰকাৰী সংস্থা স্বৰাজ ওৱেলফেয়াৰ ফাউণ্ডেছনে জিলাখনৰ দুখনকৈ শিক্ষানুষ্ঠানত 'ছেনিটাইজেচন প্ৰগ্ৰেম এণ্ড ইয়েলো লাইন কমপেন অন টোবাক' এণ্ড ইল এফেক্টছ' শীৰ্ষক সজাগতা সভাৰ আয়োজন কৰে। মৰনৈৰ চৰ্দাৰ বল্লভ ভাই পেটেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজন কৰা সজাগতা সভাত শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ কমল গোস্বামী আৰু সহকাৰী শিক্ষক সঞ্জীৱ দাসে ধঁপাত সেৱনৰ পৰা উৎপত্তি হ'ব পৰা বিভিন্ন ৰোগৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। ইয়াৰ পাছত সজাগতা সভা অনুষ্ঠিত হয় ডুবাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ত। অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰধান শিক্ষক মহম্মদ আলী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। দুয়োখন সজাগতা সভাৰ আঁত ধৰে বেচৰকাৰী সংস্থাটোৰ সম্পাদক আব্দুল মজিদে।সংস্থাটোৰ সম্পাদক মজিদে জনোৱা অনুসৰি এনে ধৰণৰ সজাগতা সভা ক্ৰমাগতভাৱে জিলাখনৰ সকলো শিক্ষানুষ্ঠানতে আয়োজন কৰা হ'ব।

# শিৱসাগৰত জ্বলিল বিজেপি নেত্ৰী আঙুৰলতা ডেকাৰ পুত্তলিকা

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ৩১ জুলাই ঃ** সামাজিক মাধ্যমত ভাইৰেল এটা ভিডিঅ'। ভিডিঅ'টোত শুনিবলৈ পোৱা হৈছে বিজেপি নেত্ৰী আঙুৰলতা ডেকাৰ নেতৃত্বত ওলোৱা এক প্ৰতিবাদী সমদলত 'আহোম জাতি মুৰ্দাবাদ' ধ্বনি। তাৰ পাছতে ৰাজপথলৈ ওলাই আহিল আহোম জনগোষ্ঠীয় সংগঠন। কালি পুৱাৰে পৰা সামাজিক মাধ্যমত ভাইৰেল হোৱা এটা ভিডিঅ'ই কঁপাই তুলিছে ৰাজ্য। কংগ্ৰেছৰ সাংসদ অধীৰ ৰঞ্জন চৌধুৰীয়ে নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ সন্দৰ্ভত এক আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত কালি এক প্ৰতিবাদী সমদল উলিয়াইছিল ৰাজ্যত। এই প্ৰতিবাদত সন্মুখৰ পৰা নেতৃত্ব দিছিল আঙুৰলতা ডেকা, শিৱ

### ■ বিজেপিয়ে দিলে এজাহাৰ

ভদ্ৰা, শ্যামল শইকীয়াৰ দৰে বিজেপি শীৰ্ষ নেতাই। প্ৰতিবাদী সমদলৰেই এটা ভাইৰেল ভিডিঅ'ত প্ৰতিবাদকাৰীসকলে 'আহোম জাতি মুৰ্দাবাদ' ধ্বনি দিয়া শুনা গৈছে। মুহূৰ্ততে ভাইৰেল হৈ পৰা এই ভিডিঅ'ৰ পাছতেই জাঙুৰ খাই উঠে বহুকেইটা আহোম জনগোষ্ঠীয় সংগঠন। ইফালে প্ৰতিবাদকাৰীসকলে 'আহোম জাতি মুৰ্দাবাদ' কৈছিল নে 'ৰাহুল গান্ধী মুৰ্দাবাদ' কৈছিল তাকে লৈ এতিয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিজেপিয়ে এই ভাইৰেল ভিডিঅ'টো কোনো দুষ্টচক্ৰই বিকৃত ৰূপত উপস্থাপন কৰি সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰিছে বুলি অভিযোগ কৰিছে। ইতিমধ্যে এই সন্দৰ্ভত দলটোৱে দিছপুৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। এজাহাৰখনত বিজেপিয়ে এনে বিকৃত ভিডিঅ'ৰ জৰিয়তে অজ্ঞাত দুষ্টচক্ৰই এক বিশৃংখলতাৰ সৃষ্টি কৰাৰ লগতে বিজেপিক জনমানসত হেয় প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছে বুলি অভিযোগ কৰিছে। লগতে এই দুষ্টচক্ৰটোক চিনাক্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈও আহ্বান জনাইছে বিজেপিয়ে।

# ১.৫৪ কোটিৰে নিৰ্মাণ কৰা জল জীৱন আঁচনি প্ৰহসনত পৰিণত হোৱাৰ আশংকা

### ■ উদ্বোধন কৰাৰ ডেৰমাহ উকলি যোৱাৰ পাছতো ৰাইজে পোৱা নাই পানী

**অগ্ৰদূত বাৰ্তা**

**তালাপ, ৩১ জুলাই ঃ** 'ঘৰে ঘৰে নল, ঘৰে ঘৰে জল' আপ্ত বাক্যশাৰী সাৰোগত কৰি কেন্দ্ৰীয় চৰকাৰে হাতত লৈছে এখন অভিলাষী আঁচনি। দেশৰ সকলো লোকেই বিশুদ্ধ খোৱাপানী পাব পৰাকৈ আঁচনিখন মুকলি কৰা হৈছে। 'জল জীৱন মিছন' আঁচনিখন ইতিমধ্যে দেশৰ কে'বাখনো ৰাজ্যই সফল ৰূপায়ণ কৰিছে। উক্ত আঁচনিখনৰ ক্ষেত্ৰত অসমে বহু পিছুৱাই আছে বুলি সংবাদ মাধ্যমত প্ৰকাশ পাইছে। কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত নিৰ্মাণ কৰা আঁচনিখন চোৰা-চিতাৰ সম্পূৰ্ণ কৰ্তৃত্ব ৰাইজৰ হাততেই অৰ্পণ কৰা হ'ব বুলি জানিবলৈ দিছে। অসমত জল জীৱন মিছন আঁচনিৰ যিকেইখনৰ কাম প্ৰায় সম্পূৰ্ণ হোৱা বুলি উদ্বোধন কৰিলে, সেইবিলাকো ৰাইজে নিম্নমানৰ বুলি গ্ৰহণ কৰিবলৈ ইচ্ছা কৰা নাই। তেনে এখন আঁচনি হৈছে নগাঁও ধূলিজান জল জীৱন মিছন আঁচনিখন যোৱা ১১ জুনতেই শদিয়াৰ বিধায়ক বলিন চেতিয়াই উদ্বোধন কৰিছিল। অসম্পূৰ্ণ অৱস্থাতেই উদ্বোধন কৰা আঁচনিখনে আজিও ৰাইজক বিশুদ্ধ খোৱা পানী যোগান ধৰিব পৰা নাই বুলি অভিযোগ উঠিছে। তথ্য মতে, আঁচনিখনৰ মূল পাইপবিলাক সৰু আকাৰৰ হোৱাৰ ফলত একে সময়তে গাঁওখনৰ সকলো ঘৰলৈ পানী যোগান ধৰাৰ ক্ষমতা নোহোৱা হৈছে। ১.৫৪ কোটি টকাৰে নিৰ্মাণ কৰা আঁচনিখনে ৩১৭ টা ঘৰলৈ বিশুদ্ধ খোৱাপানী যোগান ধৰিব লাগে। কিন্তু মাত্ৰ ৩০ হেজাৰ লিটাৰ পানী জমা কৰিব পৰা টেংকিটোৰ জৰিয়তে ৩১৭ টা ঘৰলৈ একেলগে পানী যোগান ধৰাটো অসম্ভৱ হৈ পৰিছে। তাৰ কাৰণ স্বৰূপেই প্ৰতিটো দিশলৈ যোৱা মূল পাইপত চেক ভেল্ভ পণ্টি স্থাপন কৰিব লগা হৈছে। সৰু আকাৰৰ পাইপ স্থাপনৰ বাবে চেক ভেল্ভ পইণ্ট স্থাপন কৰি এবাৰ এবাৰকৈ পানী যোগান ধৰা ব্যৱস্থাটো ৰাইজে কোনো পধ্যেই মানি নলয় বুলি স্পষ্ট কৰি দিছে। আনহাতে, টেংকি বহুৱাবৰ বাবে নিৰ্মাণ কৰা পকী খুঁটাকেইটাৰ তলৰ অংশ মজিয়াৰ স'তে সমান কৰি দিয়াৰ ফলত নট বল্টোপকেইটা পানী জমা হৈ খুব সোনকালে মামৰ ধৰাৰ সম্ভাৱনা হৈছে। প্ৰায় ডেৰকোটি টকাৰে নিৰ্মাণ কৰা আঁচনিখনৰ শেষৰ পৰ্যায়ত প্ৰহসনত পৰিণত হোৱাৰহে আশংকা কৰা হৈছে। নিম্নমানেৰে কাম কৰি কেৱল পালমাৰি দায়িত্ব সামৰিব বিচৰা ঠিকাদাৰজনক একে সময়তে গাঁওখনৰ সকলো ঘৰলৈ পানী যোগান ধৰিব পৰাৰ ব্যৱস্থা কৰাৰ লগতে খুঁটাকেইটাৰ মজিয়াৰ অংশ কিছু ওখ কৰি দিবলৈ ৰাইজে দাবী জনাইছে। এই ক্ষেত্ৰত ৰাইজে বিভাগীয় অভিযন্তাকে ধৰি বিষয়াকিসকলো চৰজমিন তদন্ত কৰিবলৈ আহ্বান জনাইছে।



*নগাঁৱত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ থ্ৰিফট এণ্ড ক্ৰেডিট কো-অপাৰেটিভ ছ'চাইটিৰ বাৰ্ষিক সাধাৰণ সভাৰ দৃশ্য*

# বিশ্বনাথ চাৰিআলিত জব্দ অবৈধ দেশীয় সুৰা

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৩১ জুলাই ঃ** বিশ্বনাথ চাৰিআলি আৰক্ষী থানাৰ অভিযানকাৰী দলে কালি বিশ্বনাথ নগৰত অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান চলাই অবৈধভাৱে মজুত ৰখা দেশীয় সুৰা জব্দ কৰে।

বিশ্বনাথ চাৰিআলি তথা বিশ্বনাথ জিলা আৰক্ষীয়ে কিছুদিনৰ পৰা বিশ্বনাথৰ বিভিন্ন অঞ্চলত অবৈধ সুৰা, গাঞ্জা অথবা নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। জিলাখনৰ বিভিন্ন স্থানত অভিযান চলাই বহু পৰিমাণৰ অবৈধ সুৰা, গাঞ্জা তথা নিচাজাতীয় দ্ৰব্য জব্দ কৰিবলৈ সক্ষম হৈছে। লগতে বহু লোকক এনে অনৈতিক কাৰ্যৰ লগত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছে। তথাপি কিন্তু একাংশ অসাধু লোক এতিয়াও এনে ধৰণৰ অনৈতিক কাৰ্যকলাপৰ লগত জড়িত হৈ আছে। ধন ঘটাৰ সহজ মাধ্যম হিচাপে এনে অবৈধ ব্যৱসায় কৰি নৱপ্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি আহিছে।

# জাঁজীত ৰাষ্ট্ৰীয় পথৰ বিপজ্জনক ভগ্নাংশ অৱশেষত মেৰামতি

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ৩১ জুলাই ঃ** চাৰিলেনযুক্ত পথলৈ উন্নীত হ'ব লগা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথটো যোৱা তিনিবছৰৰো অধিক কাল য'তে ত'তে ছেগাচোৰোকা কাম কৰিয়েই পেলাই থোৱাত শিৱসাগৰ জিলাৰ জাঁজীৰ পৰা ভটিয়াপাৰলৈকে অধিক কদৰ্যময় অৱস্থালৈ গতি কৰিছিল। পলমকৈ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ বিভাগৰ অধীনৰ পথছোৱা মেৰামতিৰ ব্যৱস্থা কৰিলেও এমাহ নৌহওঁতেই বহু স্থানত পথটোৰ সোঁমাজতে ভাগি-ছিগি প্ৰকাণ্ড গাঁতৰ সৃষ্টি হয়। নিয়োজিত ঠিকাদাৰে মেৰামতিৰ কাম বোকা-পানীৰ ওপৰতে সম্পন্ন কৰাত ঠায়ে-ঠায়ে পুনৰ এমাহ নৌহওঁতেই জৰাজীৰ্ণ অৱস্থালৈ গতি কৰে। পথ যোগাযোগৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈ অহা জৰাজীৰ্ণ অৱস্থাক লৈ যোৱা ২৯ জুলাইৰ 'দৈনিক অগ্ৰদূত' কাকতত প্ৰকাশ পাইছিল 'শিৱসাগৰত সোণৰ কণী পৰা হাঁহত পৰিণত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ' মেৰামতি কৰা পথত এমাহ নৌহওঁতেই প্ৰকাণ্ড গাঁত' শীৰ্ষক বাতৰি। উল্লেখ্য যে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন গগৈৰ ঘনিষ্ঠ ঠিকাদাৰৰ এনে অনিয়মৰ কথা বাতৰিটোত ফাদিল হোৱাৰ লগে লগে নিয়োজিত ঠিকাদাৰ সষ্টম হৈ পৰে। বিশেষভাৱে বাতৰি প্ৰকাশ হোৱা দিনটোতে পুৰা গৌৰীসাগৰ তিনিআলিত সৃষ্টি হোৱা প্ৰকাণ্ড গাঁতবোৰ পূৰ্বতকৈ উন্নতমানৰ কাৰিকৰী কৌশল প্ৰয়োগ কৰি মেৰামতিত নামি পৰা পৰিলক্ষিত হয়। ইফালে, মেৰামতিৰ এমাহ নৌহওঁতেই ভাগি-ছিগি যাব ধৰা পথটো ঠিকাদাৰে পুনৰ মেৰামতিৰ মনোনিৱেশ কৰা দৃষ্টান্তই ৰাইজৰ মুখত হাঁহি বিৰিঙাইছে।

# ডিগবৈ মহিলা মহাবিদ্যালয়ত ছাত্ৰীসকলৰ দ্বাৰা ভূঁই ৰোৱা আৰু জাতীয় পতাকা বিতৰণ



**ডিগবৈ, ৩১ জুলাই ঃ** দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে 'আজাদী কী অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি ডিগবৈ মহিলা মহাবিদ্যালয়ৰ এনএছএছ গোট, এনচিচি গোট আইকিউএচি আৰু মহাবিদ্যালয়খনৰ মহিলা কোষৰ উদ্যোগত ভূঁই ৰোৱা কাৰ্যসূচীৰ লগতে জাতীয় পতাকা বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। ডিগবৈ চহৰৰ পাৰ্শ্বৱৰ্তী তিনি নম্বৰ বৰবিল পথাৰত মহাবিদ্যালয়ৰ ছাত্ৰী আৰু শিক্ষয়িত্ৰীসকলে শাওণৰ পথাৰত ভূঁই ৰুই কৃষিক নৱপ্ৰজন্মৰ মাজত সন্মানজনক বৃত্তি হিচাপে গঢ়ি তোলাৰ লগতে বিজ্ঞানসন্মত আৰু ব্যৱসায়িকভাৱে কিদৰে কৰিব পৰা যায় সেই উদ্দেশ্য আগত ৰাখি ভূঁই ৰোৱা কাৰ্যসূচীৰ ৰূপায়ণ কৰে।

# মৰিগাঁৱত ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৩১ জুলাই ঃ** মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ভোটাৰ তালিকাৰ আগন্তুক বিশেষ সংক্ষিপ্ত সংশোধনী বিষয়ক লৈ কালি বিয়লি এখন সংবাদমেল অনুষ্ঠিত হয়। এই বিশেষ সংক্ষিপ্ত পুনৰ সংশোধনীত কে'বাটাও বিষয় সামৰি অহা এক অক্টোবৰ বা এক জানুৱাৰী ২০২৩ত ১৮ বছৰ সম্পূৰ্ণ হোৱা তৰুণ ভোটাৰসকলৰ নাম অন্তৰ্ভুক্ত, ভোটকেন্দ্ৰ পুনৰ নিৰ্ধাৰণ, বিগত বছৰত মৃত্যু হোৱা ব্যক্তি বা বসবাসৰ ঠিকনা সলনি সূত্ৰে তালিকাৰ পৰা নাম কৰ্তন, ভুল হৈ থকা নাম বা ফটো সলনি কৰা, ইচ্ছাকৃত আধাৰ নম্বৰ সংলগ্ন কৰা হ'ব। এই সংক্ৰান্তীয় আবেদন প্ৰ-পত্ৰ অনলাইন অফলাইন দুয়োটা মাধ্যমতে উপলব্ধ হ'ব। ন নৱেম্বৰত খচৰা তালিকা প্ৰকাশ কৰা হ'ব। আঠ ডিচেম্বৰলৈ ওজৰ আপত্তি গ্ৰহণ কৰা হ'ব, ২৬ ডিচেম্বৰৰ ভিতৰত ওজৰ-আপত্তি নিষ্পত্তি কৰা হ'ব আৰু পাঁচ জানুৱাৰী ২০২৩ত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত কালিৰ সভাত অতিৰিক্ত উপায়ুক্ত গৰ্গমোহন দাস, নিৰ্বাচনী বিষয়া দ্বীপময় ঠাকুৰীয়া উপস্থিত থাকে।

# চিনামৰাত দুৰ্ঘটনাত এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ৩১ জুলাই ঃ** যোৱা নিশা প্ৰায় ১০ বজাত চিনামৰাত সংঘটিক এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হোৱাৰ লগতে আন এজন কিশোৰ গুৰুতৰভাৱে আহত হয়। তথ্য মতে তিনিআলিৰ দিশৰ পৰা এখন মটৰ চাইকেলত তীব্ৰ বেগে গৈ চিনামৰা আৰক্ষী চকীৰ পৰা কিছু দূৰত বিপৰীত দিশে নিজৰ দিশত আহি থকা এখন টাটা কাৰগ' বাহনত খুন্দা মাৰি দূৰত ছিটিকি পৰে। গুৰুতৰভাৱে আহত দুই মটৰ চাইকেল আৰোহীক চিকিৎসালয়লৈ নিয়া হয় যদিও ৰোহনজ্যোতি দাস (২২) নামৰ যুৱকজনৰ মৃত্যু হয়। যদু বৰা (১৬)ই বৰ্তমানেও মৃত্যুৰে যুঁজি আছে। মৃত ৰোহনৰ মাতৃ চিনামৰা অ'এনজিচিত কৰ্মৰত সূত্ৰে চিনামৰাত থাকে আৰু যদু বৰা বাঘধৰাৰ খৰিয়াচুকত। আৰক্ষীয়ে জনোৱা মতে দুয়ো নিচাসক্ত অৱস্থাত আছিল।

# ঘগ্ৰাপাৰত বিজেপিৰ বুথ সশক্তিকৰণ অভিযান সন্দৰ্ভত সভা

**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৩১ জুলাই ঃ** নলবাৰী জিলা বিজেপিৰ অন্তৰ্গত ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ কাৰ্যালয়ত কালি বুথ সশক্তিকৰণ অভিযান সন্দৰ্ভত বুথ সশক্তিকৰণ অভিযানত অন্তৰ্ভুক্ত হোৱা বুথসমূহৰ সভাপতিসকলৰ লগত এখন সভা অনুষ্ঠিত কৰা হয়। বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক মনোজ ডেকাই আঁত ধৰা সভাখনত সভাপতিত্ব কৰে মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই। মণ্ডল সভাপতি বেজবৰুৱাই তেওঁৰ ভাষণত আগন্তুক দিনত বড়িগোগ বনভাগ মণ্ডলৰ বুথসমূহৰ সশক্তিকৰণৰ সকলো কাম নিয়াৰিকৈ চলাই নিয়াৰ বাবে বিষয়ববীয়া বুথ সভাপতিসকলক আহ্বান জনোৱাৰ লগতে অহা দুদিনৰ ভিতৰত বুথ সশক্তিকৰণৰ প্ৰাথমিক কাম-কাজসমূহ সম্পূৰ্ণ কৰাৰ বাবে নিৰ্দেশনা প্ৰদান কৰে। কালিৰ এই সভাত মণ্ডল সম্পাদক বুবুল দাস, মণ্ডল বিজেপিৰ যুৱ মৰ্চাৰ সভাপতি হৰেশ্বৰ দাস, বিজেপিৰ মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী মণিকা ভৰালীকে ধৰি বুথ সশক্তিকৰণ প্ৰমুখ্যসকলৰ লগতে বড়িগোগ বনভাগ মণ্ডলৰ বুথ সশক্তিকৰণত অন্তৰ্ভুক্ত হোৱা বুথসমূহৰ সভাপতি আদি উপস্থিত থাকে।

# ৰঙাপৰাত কিষাণ মৰ্চাৰ উদ্যোগত পাৱাৰ টিলাৰ বিতৰণ



**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ৩১ জুলাই ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত নাহৰণী গ্ৰাণ্ট গাঁৱত বিজেপি কিষাণ মৰ্চাৰ উদ্যোগত কৃষকৰ মাজত পাৱাৰ টিলাৰ বিতৰণ কৰা হয়। বিজেপি কিষাণ মৰ্চাৰ ৰঙাপৰা মণ্ডল সভাপতি কমল শৰ্মা বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত স্থানীয় কৃষক সন্তোষ লিম্বুক কৃষি বিভাগৰ ফালৰ পৰা পাৱাৰ টিলাৰ প্ৰদান কৰা হয়। উল্লেখ্য যে উন্নত পদ্ধতিত খেতি কৰাৰ বাবে অঞ্চলটোত কৃষি বিভাগৰ ফালৰ পৰা কে'বাটাও পাৱাৰ টিলাৰ কৃষকসকলৰ মাজত বিতৰণ কৰা হৈছে। বিজেপি কিষাণ মৰ্চাৰ উদ্যোগত বিগত কিছুদিন ধৰি বিভিন্ন শস্যৰ বীজ বিতৰণ তথা সজাগতা সভা ৰঙাপৰাৰ বিভিন্ন অঞ্চলত অনুষ্ঠিত কৰা হৈছে। কালিৰ পাৱাৰ টিলাৰ বিতৰণ কাৰ্যসূচীত শোণিতপুৰ জিলা বিজেপি কিষাণ মৰ্চাৰ উপ-সভাপতি পৰাগ তামুলী, ৰঙাপৰা মণ্ডল বিজেপি কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক ৰমেশ শৰ্মা উপস্থিত থাকে। সভাত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী কৃষাণ সন্মান নিধি আঁচনি সন্দৰ্ভত আলোচনা কৰা হয়।

### ■ নগাঁৱত উপায়ুক্তৰ সংবাদমেল

# ভোটাৰ তালিকাৰ সংক্ষিপ্ত সংশোধনীৰ পদক্ষেপ

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩১ জুলাই ঃ** 'সমগ্ৰ দেশৰ লগতে নগাঁও জিলাতো ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী ২০২৩ৰ কাম আৰম্ভ কৰা হৈছে। এই ক্ষেত্ৰত আমি ৰাইজৰ লগতে সংবাদ মাধ্যমৰ সহযোগিতা কামনা কৰিছো।' কালি নগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত এক সংবাদমেলত উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে এই কথা সদৰী কৰি কয় যে ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। উপায়ুক্তই কয় যে ন নৱেম্বৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ন নৱেম্বৰৰ পৰা আঠ ডিচেম্বৰৰ ভিতৰত ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ সন্দৰ্ভত ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। ২০২৩ৰ পাঁচ জানুৱাৰীত জিলাখনৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব। ভোটাৰ তালিকাত নিজৰ নাম অন্য সমষ্টি বা অন্য কেন্দ্ৰলৈ সলনি কৰা, নাম শুদ্ধ কৰা আদিৰ বাবে নিৰ্বাচন আয়োগৰ নিৰ্দিষ্ট প্ৰ-পত্ৰযোগে আবেদন কৰিব পাৰিব। তদুপৰি ১৮ বছৰ সম্পূৰ্ণ নোহোৱা ১৭ বছৰ উৰ্ধ্বৰ কিশোৰ-কিশোৰীসকলেও নিজৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্তিৰ বাবে আবেদন কৰিব পাৰিব বুলি উপায়ুক্তই জানিবলৈ দিয়ে। তদুপৰি ৰাইজৰ মাজত এই সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। সংবাদমেলত জিলা নিৰ্বাচনী বিষয়া গায়ত্ৰী শৰ্মা, জিলা ভাৰপ্ৰাপ্ত তথ্য আৰু জনসংযোগ বিষয়া বিদ্যাশ্ৰী লাংথাছা উপস্থিত থাকে। উল্লেখ্য যে নগাঁও জিলা নিৰ্বাচনী বিষয়া কাৰ্যালয়ৰ অধীনত সাতটা বিধানসভা সমষ্টি আছে।

# হাজোৰ পঞ্চতীৰ্থ শিশু শংকৰদেৱ বিদ্যা নিকেতনত প্ৰেৰণা দিৱস পালন




**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩১ জুলাই ঃ** তীৰ্থনগৰী হাজোৰ পঞ্চতীৰ্থ শিশু শংকৰদেৱ বিদ্যা নিকেতনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ বাবে কালি এখন অভিনন্দনমূলক প্ৰেৰণা দিৱস কাৰ্যসূচী অনুষ্ঠিত হয় । নিকেতন পৰিচালনা সমিতিৰ সভাপতি শৰৎ নায়কৰ সভাপতিত্বত নিকেতন প্ৰাংগণত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত অংশগ্ৰহণ কৰি কটন বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰাতুল চন্দ্ৰ ৰাজখোৱা আৰু জিএমবি টিউটৰিয়েল হোমৰ সঞ্চালক গিৰীশ মল্ল বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নশীল মনোভাব সাৰোগত কৰি সমাজৰ উত্তৰণৰ হকে কাম কৰাৰ মানসিকতা গঢ়িবলৈ গঠনমূলক বক্তৃতা দাঙি ধৰে। নিকেতনৰ প্ৰধান আচায্য টংকেশ্বৰ তালুকদাৰে উদ্দেশ্য ব্যাখ্যা কৰা সভাত নিকেতন পৰিচালনা সমিতিৰ সম্পাদক অনিল চন্দ্ৰ দাস, অৱসৰপ্ৰাপ্ত মুখ্য বন সংৰক্ষক বিষয়া মোহন চন্দ্ৰ মালাকাৰ, বিশিষ্ট সমাজ কৰ্মী ৰমণী মালাকাৰকে ধৰি কে'বাজন বিশিষ্ট লোক, শিক্ষক-শিক্ষয়ত্ৰীবৃন্দ, অভিভাৱক-অভিভাৱিকাৰ লগতে ভালেমান ছাত্ৰ-ছাত্ৰী উপস্থিত থকা পৰিলক্ষিত হৈছে।

উল্লেখ্য যে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত নিকেতনৰ পৰা মুঠ ৬১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অৱতীৰ্ণ হৈ আটাহকেইগৰাকী সফলভাৱে উত্তীৰ্ণ হৈ নিকেতনলৈ সুনাম কঢ়িয়াই অনাত কালিৰ অভিনন্দন জ্ঞাপন কাৰ্যসূচীৰে আটাইকেইগৰাকী কৃতী ছাত্ৰ-ছাত্ৰীকে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# লেপেটকটা চাহ বাগিচাৰ মালিক বিজেপিৰ ঘনিষ্ঠৰ বাবে ক্ষতিপূৰণত অনিশ্চয়তা

### ■ মইনা নায়কৰ ক্ষতিপূৰণ প্ৰসংগ

**ডিগবৈ, ৩১ জুলাই ঃ** সমগ্ৰ ৰাজ্যতে জোকাৰণিৰ সৃষ্টি কৰা লেপেটকটা চাহ বাগিচাৰ কলঘৰৰ কৰ্মচাৰী মইনা নায়কৰ ঘটনাটোৰ প্ৰসংগত কালি আম আদমী পাৰ্টিৰ ৰাজ্যিক সমন্বয়ক মনোজ ধানোৱাৰে অভিযোগ কৰে যে বাগিচাৰ স্বত্বাধিকাৰীৰ স'তে সুসম্পৰ্ক আছে বিজেপিৰ শীৰ্ষ নেতাৰ। তেওঁ কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিজেপিৰ আন শীৰ্ষ নেতাৰ স'তে বাগিচাৰ স্বত্বাধিকাৰী ৰুদ্ৰ চেটাৰ্জীৰ সুসম্পৰ্ক থকাৰ বাবেই শ্ৰমিক মহিলাগৰাকীয়ে কলঘৰত গুৰুতৰভাৱে আহত হোৱাৰ পাছত ক্ষতিপূৰণ লাভৰ বিষয়টো অনুচিত হৈছে।



চৰকাৰৰ সদিচ্ছাৰ অভাৱৰ বাবেই চৰকাৰী নিৰ্দেশনা লাভৰ পাছতো মইনাক ক্ষতিপূৰণ দিবলৈ অপাৰগতা প্ৰকাশ কৰি বাগিচাৰ কৰ্তৃপক্ষই শ্ৰম আয়ুক্তলৈ পত্ৰ প্ৰেৰণ কৰা বুলি কয় নেতাজনে। ধানোৱাৰে কয় যে ব্ৰিটিছ কালৰে শোষণ নীতি আৰু পুঁজিপতিক ৰক্ষণাবেক্ষণ দিয়া নীতিক চলাইছে বিজেপি চৰকাৰে। সেয়েহে চৰকাৰী নিৰ্দেশক অমান্য কৰি সমগ্ৰ বিষয়টো আইনী মেৰপেচৰ মাজলৈ ঠেলি দি বিধি পথালি দিবলৈ সাহস কৰিছে বাগিচাৰ কৰ্তৃপক্ষই। চৰকাৰে আজি পৰ্যন্ত বাগিচাখনৰ এজনো বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম নহ'ল। মইনা নায়কৰ চিকিৎসাৰ ব্যয় কোনে বহন কৰি আছে সেয়া স্পষ্ট কৰিবলৈ দাবী জনায় ধানোৱাৰে। ৰাজ্যজুৰি আপে তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে।

# বানপীড়িত কৃষকলৈ বিনামূলীয়া কঠীয়া

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ৩১ জুলাই ঃ** বান তথা কৃত্ৰিম বানত ক্ষতিগ্ৰস্ত খেতিয়কলৈ শালিখেতিৰ কঠীয়া আগবঢ়াব যোৰহাটৰ পুলিন ভূঞাই। ভূঞাই জনোৱা মতে, বহু কৃষকে কঠীয়াৰ অভাৱত এইবাৰ শালি খেতি ৰোপণ কৰিব নোৱাৰা পৰিলক্ষিত হৈছে। সেয়ে বানপীড়িত কৃষকে যদি কঠীয়াৰ অভাৱ অনুভৱ কৰিছে তেওঁৰ প্ৰায় ৯০ কেজি মাছুৰি আৰু বাইশ ধানৰ কঠীয়া মজুত আছে। ইচ্ছুক ক্ষতিগ্ৰস্ত কৃষকলৈ বিনামূলীয়াকৈ আগবঢ়োৱা সিদ্ধান্ত লৈছে। আগ্ৰহীসকলে ৯৪০১১-৮১৭৪৮ নম্বৰত যোগাযোগ কৰিবলৈ কৃষক ভূঞাই আহ্বান জনাইছে।

# বৰভাগত শিশুৰ বিনামূলীয়া চিকিৎসা শিবিৰ



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩১ জুলাই ঃ** আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ নলবাৰী, সন্ধান আৰু জনপ্ৰিয় ইউটিউবাৰ দীপাংকৰ তালুকদাৰৰ যুটীয়া উদ্যোগত কালি শিশুৰ বাবে এটি বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হৈ যায়। বিশিষ্ট শিশু ৰোগ বিশেষজ্ঞ ডাঃ প্ৰাকৃতিষ বৰা আৰু ডাঃ নন্দ কুমাৰে এই চিকিৎসা শিবিৰত চিকিৎসা কৰে। এশৰো অধিক শিশুক। কোটালকুছি মজলীয়া বিদ্যালয়ত দিনৰ ভাগত অনুষ্ঠানটো উদ্বোধন কৰে পূব নলবাৰী উন্নয়ন খণ্ডৰ শিক্ষা বিষয়া ইনামুল মজিদে। অনুষ্ঠানত অংশগ্ৰহণ কৰে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ জিলা সমন্বয়ক প্ৰদীপ মহন্তই। বানাক্ৰান্ত বৰভাগ অঞ্চলটোত বিশিষ্ট চিকিৎসক দুগৰাকীয়ে চিকিৎসা সেৱা আগবঢ়োৱা বাবে জিলা সমন্বয়ক প্ৰদীপ মহন্তই ধন্যবাদ জ্ঞাপন কৰে। চিকিৎসা কৰা প্ৰতিগৰাকী ৰোগীকে প্ৰয়োজনীয় সকলো দৰব প্ৰদান কৰা হয়। উল্লেখ্য যে শিবিৰত বান বিধ্বস্ত অঞ্চলটোৰ শতাধিক শিশুক চিকিৎসা প্ৰদান কৰাৰ উপৰি ঔষধ বিতৰণ কৰা হয়।

# হাজোৰ বৰছলি শাখা ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিবেশন-সম্বৰ্ধনা সভা



অগ্ৰদূত বাৰ্তা

**হাজো, ৩১ জুলাই ঃ** কামৰূপ জিলাৰ অন্তৰ্গত হাজোৰ বৰলুইত এমই স্কুল প্ৰাংগণত কালি বৰছলি শাখা ছাত্ৰ সন্থাৰ পঞ্চম বাৰ্ষিক অধিবেশন আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। সেই অনুসৰি এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। হাজোৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নৰজ্যোতি দাসৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ইমদাদুৰ ৰহমানে ছাত্ৰ-ছাত্ৰীসকলৰ সমাজ জীৱনৰ ভৱিষ্যতৰ সুনিশ্চয়তাৰ ওপৰত গঠনমূলক বক্তৃতা দাঙি ধৰে। সভাত ২৬ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। সভাৰ শেষত বিষয় বাছনিৰে আগন্তক বৰ্ষৰ বাবে বৰছলি শাখা ছাত্ৰ সন্থাৰ নতুন ২১ জনীয়া কমিটীখন গঠন কৰা হয়। সভাত শিক্ষক চান্দ মহম্মদ আলী, হুছেইন আলী আহমেদ, জাতীয় বিদ্যালয়ৰ সচিব আব্দুৰ ৰহিম, ফজনুৰ আলী, সমাজকৰ্মী লুতফুৰ ৰহমানৰ লগতে কে'বাগৰাকী আছু নেতা-কৰ্মী উপস্থিত থাকে।

# উদ্বোধনৰ এবছৰ নৌহওঁতে বিকল সপোন নগৰ পানী যোগান আঁচনি

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ৩১ জুলাই ঃ** জল জীৱন মিছন আঁচনিৰ জৰিয়তে ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ চৰকাৰৰ জনবহুল আঁচনিখনেই সম্প্ৰতি বুমেৰাঙত পৰিণত হৈছে। শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ সমীপৰ সপোন নগৰ পানী যোগান আঁচনিখনেই যেন ইয়াৰ জ্বলন্ত নমুনা। ২০২১ৰ ৩১ আগষ্টত শুভ উদ্বোধন কৰা পানী যোগান আঁচনিখন প্ৰায় এমাহ ধৰি বিকল হৈ আছে। যাৰ বাবে আঁচনিখনৰ অন্তৰ্গত ১০৪ টাকৈ পৰিয়াল বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হ'ব লগা হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ শিৱসাগৰ সংমণ্ডলৰ শলগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত মান কটা তিনিআলিত অৱস্থিত উক্ত পানী যোগান আঁচনিখনৰ প্ৰতি বিভাগটোৱে আৰম্ভণিৰ পৰাই চৰম অনীহা প্ৰদৰ্শন কৰি অহাৰ অভিযোগ উত্থাপিত হৈছে। চৰম বিসংগতিপূৰ্ণভাৱে আঁচনিখন নিৰ্মাণ কৰাৰ পৰিণতিত পানী পৰিবাহী পাইপসমূহ বিভিন্ন স্থানত ছিগি-ভাগি যোৱাৰ উপৰি, পানী উত্তোলন কৰা পাম্পটোও বিকল হৈ পৰিব লগা হয়। লগতে একাধিক বৰ্তমান বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰটো কাৰিকৰী বিজুতিত অচল হৈ পৰাত আঁচনিখনেই সম্পূৰ্ণভাৱে বিকল হৈ পৰিছে। আঁচনিখন কাৰ্যক্ষম কৰি ৰাখিবলৈ পৰিচালনা সমিতিখনে বহুবাৰ বিভাগটোক দাবী জনাই আহিছে যদিও কোনো কাণসাৰ নিদিয়াৰ অভিযোগ তুলিছে স্বয়ং পৰিচালনা সমিতিখনেই। বিভাগটোৰ এনে চৰম অনীহাৰ বাবে পৰিচালনা সমিতিৰ সভাপতিজনৰ লগতে আন বিষয়ববীয়াসকলে পদত্যাগ কৰিবলৈ বাধ্য হয়। আনহাতে, বিষয়টোৰ সন্দৰ্ভত জিলা উপায়ুক্তজনৰ হস্তক্ষেপ কামনা কৰিছে অঞ্চলটোৰ ৰাইজে।

# অবৈধ চুলাই ঘাটি উচ্ছেদৰ বাবে স্মাৰকপত্ৰ পশ্চিম বনভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ

অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ৩১ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত পশ্চিম বনভাগ অঞ্চলৰ বৰভাগ নলবাৰী, খাটিকুছি, সাগৰকুছি বজাৰ, কেহেৰুৱা, সাহানবিষ্টুপুৰ গাঁৱত গঢ়ি উঠা অবৈধ চুলাই ঘাটি উচ্ছেদ কৰাৰ দাবীত কালি পশ্চিম বনভাগ, আঞ্চলিক ছাত্ৰ সন্থাৰ এটা সঁজাতী দলে ঘগ্ৰাপাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। লগতে ছাত্ৰ সন্থাই সংশ্লিষ্ট অঞ্চলত চলি থকা অবৈধ চুলাইৰ ঘটি উচ্ছেদ নকৰিলে গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিয়ে। স্মাৰকপত্ৰ প্ৰদানত পশ্চিম বনভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰেকিবুদ্দিন আহমেদ উপ-সভাপতি শংকৰ কলিতা, সাধাৰণ সম্পাদক ধনজিত কলিতা আৰু মুখ্য সাংগঠনিক সম্পাদক বিদ্যুৎ বিকাশ দাসৰ নেতৃত্বত এটা সঁজাতী দল উপস্থিত থাকে।




*বিদ্যালয় প্ৰাদেশীকিকৰণ সন্দৰ্ভত টংলাত বড়ো সাহিত্য সভাৰ সংবাদমেল।*

# দিব্যাংগসকলক বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা প্ৰদান কৰা হ'ব ঃ মন্ত্ৰী বৰা

## ■ বোকাখাতত দুই শতাধিক দিব্যাংগ লোকক ইউনিক ইডেনটিটি কাৰ্ড প্ৰদান

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ৩১ জুলাই ঃ** বোকাখাত মহকুমা প্ৰশাসন আৰু সংহত শিশু কল্যাণ বিষয়া কাৰ্যালয়ৰ উদ্যোগত কালি বোকাখাত নাট্য মন্দিৰত এখন সভা অনুষ্ঠিত হয়। সভাত মহকুমাৰ দুই শতাধিক বিদ্যাংগ লোকক ইউনিক আইডেনটিটি কাৰ্ড প্ৰদান কৰা হয়। তদুপৰি 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে এখন ৰাষ্ট্ৰীয় পতাকা, একোটা গছপুলি উপহাৰ দিয়া হয়। বোকাখাত সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী অতুল বৰাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি কয় যে বিদ্যাংগসকলক বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা প্ৰদান কৰা হ'ব। বোকাখাত মহকুমাত ২১৪২ গৰাকী বিদ্যাংগ লোক বৰ্তমান আছে। তেওঁ অংগনৱাড়ী কৰ্মীসকলৰ শলাগ লয়। বোকাখাত মহকুমাৰ মহকুমাধিপতি ডাঃ নেহা যাদৱে আদৰণি ভাষণ দিয়া সভাত বোকাখাত মহকুমা স্বাস্থ্য বিষয়া ডাঃ ভাৰত ফুকন, ছহিদ কমলা মিৰি অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ অপূৰ্ব শৰ্মা, সহকাৰী আয়ুক্ত পাপু গগৈ, খণ্ড উন্নয়ন বিষয়া পাৰ্থজিৎ গগৈ, সংহত শিশু কল্যাণ বিষয়া প্ৰণৱ বৰা, জনসংযোগ বিষয়া নিৰা ৰায় আদি উপস্থিত থাকে। উল্লেখ্য যে পূৰ্বে গোলাঘাটৰ পৰা দিব্যাংগ প্ৰমাণপত্ৰ আনিবলগীয়া হৈছিল যদিও বৰ্তমান বোকাখাত মহকুমাত দিয়া হৈছে। চৰকাৰী চাকৰিত তিনি শতাংশ সংৰক্ষণ, মাহে দিব্যাংগ পেঞ্চন এহেজাৰ টকা, বিভিন্ন সা-সুবিধা চৰকাৰে কাৰ্ড থকাসকলক দি আহিছে। আনকি পেৰা অলিম্পিকত কোনোবা খেলুৱৈ থাকিলে যোগাদান কৰিব পাৰে।

# সুৰকাৰ-গীতিকাৰ, অনাতাঁৰ শিল্পী সুধীৰ দাসক শ্ৰদ্ধাঞ্জলি বৰপেটাত

## ■ বৰপেটা সাহিত্য সভাৰ উদ্যোগত বাসগৃহত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

বিশেষ সংবাদদাতা

**বৰপেটা, ৩১ জুলাই ঃ** সুৰকাৰ গীতিকাৰ, অনাতাঁৰ শিল্পী তথা অসম সাহিত্য সভাৰ আজীৱন সভ্য প্ৰয়াত সুধীৰ দাসৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে কালি বৰপেটা চহৰৰ মেটুৰাকুছিস্থিত তেওঁৰ বাসগৃহত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। বৰপেটা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠাত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ভালেসংখ্যক ব্যক্তিয়ে শ্ৰদ্ধা জ্ঞাপন কৰে। উল্লেখ্য যে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত প্ৰতিষ্ঠিত লোকসংগীত শিল্পী তথা গীতিকাৰ আৰু সুৰকাৰ সুধীৰ দাসৰ যোৱা ১৭ জুলাইৰ সন্ধিয়া বাংগালুৰুস্থিত তেওঁৰ পুত্ৰৰ বাসভৱনত দেহাৱসান হৈছিল। বাংগালুৰুতে তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হৈছিল। অসম সাহিত্য সভাৰ আজীৱন সভ্য সুধীৰ দাসক শ্ৰদ্ধাঞ্জলি জনোৰৰ উদ্দেশ্যে বৰপেটা সাহিত্য সভাই আয়োজন কৰা অনুষ্ঠানত বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰ, ডিম্বেশ্বৰ দাস, গোবিন্দ তালুকদাৰ আদিকে ধৰি কে'বাজনো লোকে সুধীৰ দাসৰ স্মৃতি ৰোমন্থন কৰে। বৰপেটা সাহিত্য সভাৰ সভাপতি বাবুল চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰই কয় যে যোগেশ ভঁৰালী আৰু গোকুল পাঠকৰ সান্নিধ্যলৈ আহি সংগীতৰ চৰ্চা কৰিছিল সুধীৰ দাসে। মিশ্ৰই কয় যে, তেওঁ বৃত্তিগতভাৱে শিক্ষক আছিল যদিও প্ৰবৃত্তিগতভাৱে আছিল সংগীতৰ নীৰৱ সাধক। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ পৰা আৰম্ভ কৰি ৰাজ্যৰ প্ৰথিতযশা বহু গায়ক, সুৰকাৰ, গীতিকাৰৰ স'তে সুধীৰ দাসৰ সম্পৰ্ক আছিল বুলি তেওঁ মন্তব্য কৰে। মিশ্ৰই কয় যে ভূপেন হাজৰিকাক বাদ দি বহু কম মানুহ ওলাব যিয়ে একেধাৰে গীতিকাৰ, সুৰকাৰ আৰু গায়ক হোৱাৰ কৃতিত্ব অৰ্জন কৰিব পাৰিছে। কিন্তু সুধীৰ দাসে সেই কৃতিত্বৰ অধিকাৰী হ'বলৈ সক্ষম হৈছিল বুলি বিশিষ্ট সাহিত্যিকজনে মন্তব্য কৰে। তেওঁ কয় যে সুধীৰ দাসে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত প্ৰথমে লোকগীতৰ শিল্পী হিচাপে স্বীকৃত হৈছিল আৰু পাছতহে আধুনিক গীতৰ সুৰকাৰ গীতিকাৰ হিচাপে স্বীকৃত হয়। দৰাচলতে লোকসংগীতৰ স'তে সুধীৰ দাসৰ আত্মীয়তা আছিল বুলি মন্তব্য কৰি মিশ্ৰই কয় যে এই আত্মীয়তাই তেওঁক জীপাল কৰি ৰাখিছিল। জনজীৱনৰ লগত সুধীৰ দাসৰ মধুৰ সম্পৰ্ক আছিল বুলি মন্তব্য কৰি তেওঁ কয় যে আধুনিক গীতত লোকসংগীতৰ সমন্বয় স্থাপন কৰি সুধীৰ দাসে সংগীতক এক নতুন মাত্ৰা দিছিল। বৰপেটা সাহিত্য সভাৰ সম্পাদিকা মাধন ভূঞা শৰ্মাই আঁত ধৰা অনুষ্ঠানত ডিম্বেশ্বৰ দাস, গোবিন্দ তালুকদাৰ আদিয়ে সুধীৰ দাসৰ স্মৃতিচাৰণ কৰি ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ আৰম্ভণিতে সুধীৰ দাসৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি দিয়া হয়। অনুষ্ঠানত কে'বাজনো শিল্পীয়ে সুধীৰ দাসে ৰচনা কৰা গীত পৰিৱেশন কৰে।

# এইবাৰৰ পৰা এবছৰত চাৰিবাৰ ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ সুযোগ

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৩১ জুলাই ঃ** ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি, ৯৯ নম্বৰ মাজুলী এছ টি বিধান সমষ্টিৰ ভোটাৰ ৰাইজৰ মাজত ভোটাৰ তালিকা সম্পৰ্কে নিৰ্বাচন আয়োগৰ নতুন নীতি-নিয়ম সন্দৰ্ভত এক সংবাদমেল সম্বোধন কৰে জিলা নিৰ্বাচনী বিষয়া তথা উপায়ুক্ত পুলক মহন্তই। ভোটাৰ তালিকাত নতুন ভোটাৰৰ নাম সংযোগ, শুধৰণি, ভোটাৰ কাৰ্ডৰ লগত আধাৰ কাৰ্ডৰ সংযোজন, ছয়ফৰ্মৰ প্ৰয়োগ আৰু ভোটাৰ হেল্পলাইনৰ জৰিয়তে নিৰ্বাচন সম্পৰ্কীয় সকলো কাম সুকলমে কৰিব পৰা আদি সকলো দিশ সামৰি কালি সংবাদমেলত জিলা নিৰ্বাচনী বিষয়া তথা উপায়ুক্ত পুলক মহন্তই সবিশেষ অৱগত কৰে। কালি দিনৰ এক বজাৰ পৰা উপায়ুক্ত কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত সংবাদমেলত উপায়ুক্ত মহন্তই কয় যে পূৰ্বে বছৰটোত এবাৰেই মাত্ৰ নতুন ভোটাৰৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা আছিল। বৰ্তমান সেই ব্যৱস্থাৰ পৰিৱৰ্তে বছৰটোত মুঠ চাৰিবাৰকৈ ক্ৰমে- পহিলা জানুৱাৰী, পহিলা এপ্ৰিল, পহিলা জুলাই আৰু পহিলা অক্টোবৰত নতুন ভোটাৰসকলে নাম অন্তৰ্ভুক্ত কৰিব পাৰিব ভোটাৰ তালিকাত। ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰাৰ সমান্তৰালভাৱে নাম শুধৰণি, মৃত ব্যক্তিৰ নাম কৰ্তন আৰু ভোটাৰ তালিকাৰ লগত আধাৰ সংলগ্ন কৰা হ'ব বুলি কয়। ভোটাৰ সকলে ভোটাৰ হেল্পলাইন এপ' বা এন ভি এছ পি ইন প'ৰ্টেলৰ যোগেদি সকলো কাম ঘৰতে কৰিব পাৰিব বুলি জিলা নিৰ্বাচনী বিষয়াই উল্লেখ কৰে। একেদৰে কম সংখ্যক ভোটাৰ থকা ভোটগ্ৰহণ কেন্দ্ৰ বিলোপ কৰি, সেইসমূহ একত্ৰিত কৰি ১৫০০ ভোটাৰৰ ভিতৰত একোটাকৈ ভোট গ্ৰহণ কেন্দ্ৰ স্থাপন কৰাৰ কথাও অৱগত কৰে আৰু ইয়াৰ জৰিয়তে কষ্ট লাঘৱ হোৱাৰ লগতে চৰকাৰী পুঁজিৰো ব্যয় হ্ৰাস হ'ব বুলি জনায়। গতিকে এখন শুদ্ধ ভোটাৰ তালিকা প্ৰকাশৰ ক্ষেত্ৰত মাজুলীবাসীৰ সহযোগিতা কামনা কৰে। সংবাদমেলত ১৮ বছৰ হোৱা পাঁচ গৰাকী ভোটাৰক ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে নিৰ্বাচন বিভাগৰ তৰফৰ পৰা উপায়ুক্তই সম্বৰ্ধনা জ্ঞাপন কৰে। সংবাদমেলত অতিৰিক্ত উপায়ুক্ত কাৰ্তিক কলিতা, নিৰ্বাচন বিষয়া কেশৱানন্দ টাইদৰ উপৰি কেউটা ৰাজনৈতিক দলৰ বিষয়ববীয়া উপস্থিত থাকে।

# নিতাইপুখুৰী সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা

## ■ চলিত বিত্তীয় বৰ্ষত ৯,৯৫,৫২৬ টকা আয়

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ৩১ জুলাই ঃ** শিৱসাগৰ জিলাৰ নিতাইপুখুৰী সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভাখন কালি নিতাইপুখুৰী ৰাজহুৱা ভৱনত অনুষ্ঠিত হয়। এই উপলক্ষে নিতাইপুখুৰী সমবায় সমিতিৰ সভাপতি মুনীন দিহিঙীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে সমবায় সমিতিৰ সম্পাদক শান্তনু শৰ্মাই। সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি থাওৱা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁয়ে সমবায়খনে কৰা কামক প্ৰশংসা কৰি কয় যে নিতাইপুখুৰী সমবায় সমিতিয়ে অঞ্চলৰ ৰাইজৰ চাহিদা পূৰণৰ ক্ষেত্ৰত বলিষ্ঠ ভূমিকা পালন কৰিছে। বিধায়কজনে সমবায়খনৰ আন্তঃগাঁথনি উন্নয়নৰ অৰ্থে ১০ লাখ প্ৰদান কৰা হ'ব বুলি সভাত ঘোষণা কৰে। ইফালে, সভাত নিতাইপুখুৰী কৃষি চক্ৰ উন্নয়ন বিষয়া স্মৃতিৰেখা বৰা, সমবায় নিৰ্বাচনী বিষয়া ৰঞ্জিত ফুকন, নিতাইপুখুৰী গাঁও পঞ্চায়তৰ সভাপতি ব্ৰজেন্দ্ৰনাথ দত্ত, নহাট গাঁও পঞ্চায়তৰ সভানেত্ৰী পুষ্পা গগৈ উপস্থিত থাকে।

ইফালে, সভাতে নিতাইপুখুৰী সমবায় সমিতিৰ সম্পাদক শান্তনু শৰ্মাই ২০২২-২৩ৰ বাৰ্ষিক সাধাৰণ সভাৰ প্ৰতিবেদন পাঠ কৰি কয় যে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ চাউলৰ ব্যৱসায় কৰি সমিতিখনে ৯,৯৫, ৫২৬.০০টকা আয় কৰিবলৈ সক্ষম হয়। আনহাতে, ৰাজহুৱা অনুষ্ঠানটো চৰকাৰৰ অৱহেলা-অনাদৰৰ বাবে মানৱ সেৱামূলক কাৰ্য কৰি যোৱাত অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে বুলিও কয়। সমবায় সম্পাদকজনে নিজৰ সম্পাদকীয় প্ৰতিবেদনত লগতে কয় যে নিতাইপুখুৰী সমবায় সমিতিখনে পৰিবহণ আৰু কমিচনৰ বাবদ প্ৰায় ৫০ লাখ টকা চৰকাৰৰ পৰা আদায় পাবলৈ বাকী আছে।

ইফালে, নিতাইপুখুৰী সমবায় সমিতিৰ তৰফৰ পৰা চলিত হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ অঞ্চলটোৰ ৬০ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনায়। তদুপৰি সমবায়খনত নিয়মীয়াকৈ ধান দিয়া শিৱসাগৰ জিলাৰ নিতাইপানীদিহিং আৰু ডিব্ৰুগড় জিলাৰ চেপন আৰু লৰুৱা মৌজাৰ ১২৫ গৰাকী কৃষকক সম্বৰ্ধনা জনোৱা হয়।

# ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত উদুলি-মুদুলি পৰিৱেশ জামুগুৰি সাৰ্বজনীন গৰখীয়া থানত

## ■ 'শৰাই' এদিন আৰু গৰখীয়া সবাহ' উৎসৱ আৰম্ভ



অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ৩১ জুলাই ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ জামুগুৰিৰ ঐতিহ্যমণ্ডিত সাৰ্বজনীন গৰখীয়া থানত ২৮ সংখ্যক বাৰ্ষিক সেৱা 'শৰাই'ৰ এদিন আৰু গৰখীয়া সবাহ উৎসৱভাগ কালিৰে পৰা দুদিনীয়াকৈ ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত উদুলি-মুদুলি পৰিৱেশৰ মাজেৰে আৰম্ভ হৈছে। এই উপলক্ষে কালি পুৱা সাত বজাত পৰিৱেশ নিকাকৰণ, ৭-৩০ বজাত মণিকূটত বন্তি প্ৰজ্বলনেৰে উৎসৱ আৰম্ভ কৰে থানঘৰীয়া টংকেশ্বৰ নাথে। ন বজাত ধৰ্মধ্বজা উত্তোলন কৰে উৎসৱ উদযাপন সমিতিৰ সভাপতি তথা বিশিষ্ট সমাজকৰ্মী শুকুৰাম বৰুৱাই আৰু ৯-৩০ বজাত প্ৰবীণ অনাতাঁৰ শিল্পী গম্ভীৰ নাথে স্মৃতি তৰ্পণ আৰম্ভ কৰে। তাৰ পাছতে চকলাঘাট দৰঙীয়াল গাঁৱৰ ভকত-বৈষ্ণৱসকলে খোল আৰু নাম প্ৰসংগৰে থান চৌহদ মুখৰিত কৰি তোলে। বিয়লি এক বজাত ভাগৱত পাঠ আৰু বাখ্যাৰ উদ্বোধন কৰে মৰিগাঁও মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক তথা বিশিষ্ট লেখক ড° বোধেন কুমাৰ শইকীয়াই। সন্ধিয়া ৬-৩০ বজাত সমূহীয়া বন্তি প্ৰজ্বলন, নিশা ১০ বজাত আপ্যায়নেৰে প্ৰথমদিনাৰ কাৰ্যসূচী সমাপ্তি ঘটে। আজি পুৱা চাৰি বজাত ভাগৱত পাঠৰ সামৰণি, আঠ বজাত সেৱকীসকলৰ শৰাই উছৰ্গা, ৯-৩০ বজাত খোল আৰু নাম-প্ৰসংগ, দুপৰীয়া ১২ বজাত মহানাম আৰম্ভ, বিয়লি পাঁচ বজাত মহানাম সামৰণি, প্ৰসাদ বিতৰণ আৰু সমূহীয়া ঘোষাৰে সমূহ অনুষ্ঠানৰ সামৰণি পৰিব।

# সোণৰ আ-অলংকাৰ চাফাই কৰাৰ ছলেৰে চেইন চুৰি

## ■ আৰক্ষীৰ জালত বিহাৰৰ ৰমেশ কুমাৰ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৩১ জুলাই ঃ** যোৱা ২০ জুনত জামুগুৰিহাটৰ মুঢ়াদলৰ নিজৰা বৰুৱা নামৰ মহিলাগৰাকীৰ গৃহত আহি উপস্থিত হৈছিল সোণ চাফাই কৰি জিলিকাই তোলা স্বয়ম্ভূৰমেশ কুমাৰ নামৰ প্ৰৱঞ্চকজন। কিন্তু ঘৰৰ মহিলাগৰাকীৰ সৰলতাৰ সুযোগ লৈ ৰাসায়নিক দ্ৰব্য মিহলি কৰি প্ৰৱঞ্চকজনে সেই সময়ত উপস্থিত সকলোকে অচেতন কৰি চুৰি কৰি লৈ যায় ডেৰ টোলা সোণৰ এডাল চেইন। এমাহৰ পাছত টেলিভিছনৰ পৰ্দাত প্ৰৱঞ্চকজনক দেখি চিনি পাই লগে লগে মহিলাগৰাকীৰ লগতে স্বামীয়ে জামুগুৰি আৰক্ষীক বিষয়টো অৱগত কৰে। তাৰ পাছতেই জামুগুৰি আৰক্ষীৰ জিম্মাত স্বয়ম্ভূ সোণ চাফাই কৰা খনিকৰ ৰমেশ কুমাৰ। বৰ্তমান সোণৰ আ-অলংকাৰক অধিক সোণত সুৰগা কৰা প্ৰৱঞ্চকজনক জামগুৰি আৰক্ষীয়ে সোধপোছ অব্যাহত ৰাখিছে। এশ গুৰু মাৰিলে বাঘৰো মৰণ লেখীয়াকৈ কিমানগৰাকীৰ সোণৰ আ-অলংকাৰ চুৰি কৰি নিয়াৰ পাছত বিহাৰৰ এই ৰমেশ কুমাৰ নামৰ প্ৰৱঞ্চকজন আৰক্ষীৰ জালত পৰিল সেয়া আৰক্ষীৰ তদন্ততহে পোহৰলৈ আহিব। অৱশ্যে এনে অসৎ লোকৰ মিঠা মিঠা মাত শুনি ঘৰত পুৰুষৰ অনুপস্থিতিত মহিলাসকলক আঁতৰি থাকি সাৱধান হ'বলৈ আহ্বান জনাইছে ভুক্তভোগী মহিলাগৰাকীৰ স্বামীয়েও। উল্লেখ্য যে সোণৰ আ-অলংকাৰ চুৰি কৰা এই প্ৰৱঞ্চকজন নগাঁও জেলত জেলৰ ভাত খাই আছিল আৰু জেলৰ পৰাই জামুগুৰি আৰক্ষীয়ে জিম্মাত আনিছে।

# বঙাইগাঁও জিলা নিৰ্বাচনী বিষয়াৰ সংবাদমেল

## ভোটাৰ তালিকা সংশোধনীৰ নতুন নিয়ম

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ৩১ জুলাই ঃ** বঙাইগাঁও জিলাৰ উপায়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া নৱদ্বীপ পাঠকে কালি উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী সম্পৰ্কত এখন সংবাদমেল সম্বোধন কৰে। তেওঁ সংবাদ মেলযোগে জানিবলৈ দিয়ে যে বঙাইগাঁও নিৰ্বাচনী জিলাৰ অন্তৰ্গত বঙাইগাঁও বিধানসভা সমষ্টিত ১,৮০, ৪৭০গৰাকী ভোটাৰ আছে। ইয়াৰ ভিতৰত ৮৯,১৯২ জন পুৰুষ ভোটাৰ, ৯১,২৭৫গৰাকী মহিলা ভোটাৰ আৰু তিনি গৰাকী তৃতীয় লিংগৰ ভোটাৰ আছে। সমষ্টিটোত ডি-ভোটাৰ আছে ২৪২ গৰাকী। বিধানসভা সমষ্টিটোত ২৪২ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। ২০২৩ৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ সূচী অনুসৰি ভোটগ্ৰহণ কেন্দ্ৰৰ পুনৰ নিৰ্ধাৰণ, ভোটাৰ তালিকাত থকা বিভিন্ন খেলিমেলি বা ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰ আদিৰ খেলিমেলি সংশোধন কৰা, ফটোগ্ৰাফ উন্নতকৰণ, ভোটগ্ৰহণ কেন্দ্ৰৰ চূড়ান্তকৰণ আদিৰ কাম চাৰি আগষ্ট, ২০২২ৰ পৰা ২৪ অক্টোবৰ, ২০২২ লৈ কৰা হ'ব। এক নম্বৰৰ পৰা আঠ নম্বৰলৈ প্ৰ-পত্ৰসমূহ প্ৰস্তুতকৰণ আৰু পহিলা অক্টোবৰ, ২০২২ৰ ভিত্তি তাৰিখ হিচাপে লৈ পৰিপূৰক ভোটাৰ তালিকা আৰু সংহত খচৰা ভোটাৰ তালিকা প্ৰস্তুত কৰা হ'ব ২৫ অক্টোবৰ, ২০২২ৰ পৰা সাত নৱেম্বৰ, ২০২২ত ভিতৰত। খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব ন নৱেম্বৰ, ২০২২ৰ। দাবী আৰু ওজৰ-আপত্তি দাখিল কৰিব পাৰিব ন নৱেম্বৰ, ২০২২ৰ পৰা আঠ ডিচেম্বৰ, ২০২২ লৈ আৰু চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব পাঁচ জানুৱাৰী, ২০২৩ ত। ভোটাৰ তালিকাত নতুনকৈ নামভৰ্তিৰ বাবে ছয় নম্বৰ প্ৰ-পত্ৰ যোগে আবেদন কৰিব পাৰিব। ইয়াৰ লগত সংশোধন কৰি ছয় নম্বৰ প্ৰ-পত্ৰ সন্নিৱিষ্ট কৰা হৈছে আৰু সংশোধিত এই নিয়ম অনুসৰি, ভোটাৰ তালিকা প্ৰামাণিকৰণৰ বাবে আধাৰ সংযোগ কৰিব পাৰিব। অৱশ্যে আধাৰ সংযোগ বাধ্যতামূলক নহয়।

# টিহুত ত্ৰিৰংগা পতাকা বিক্ৰী কেন্দ্ৰ মুকলি



অগ্ৰদূত বাৰ্তা

**টিহু, ৩১ জুলাই ঃ** দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱসলৈ মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত টিহুত একাংশ মহিলা সংগঠন ব্যস্ত হৈ পৰিছে দেশৰ স্বাভিমান ৰাষ্ট্ৰীয় পতাকা প্ৰস্তুত কৰিবলৈ। এই উপলক্ষে কালি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান টিহু উন্নয়ন খণ্ডৰ উদ্যোগত আৰু অগ্নিগড় মণ্ডল পৰ্যায়ৰ সংগঠনত অন্তৰ্ভুক্ত গ্ৰাম্য সংগঠনসমূহৰ সহযোগত টিহু নগৰত এটি ত্ৰিৰংগা পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰে টিহু ৰাজহ চক্ৰ বিষয়া উপাসনা ডেকাই। ত্ৰিৰংগা পতাকা বিক্ৰী কেন্দ্ৰ মুকলি অনুষ্ঠানত টিহু-মথুৰাপুৰ খণ্ড উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া প্ৰকাশ বৰ্মন, মথুৰাপুৰ গাঁও পঞ্চায়তৰ সভাপতি কমলাকান্ত হালৈ, জলখানা-ভঠুৰাখানা গাঁও পঞ্চায়তৰ সভাপতি মীৰা দেৱী, অগ্নিগড় মণ্ডল পৰ্যায়ৰ সংগঠনত অন্তৰ্ভুক্ত গ্ৰাম্য সংগঠনসমূহৰ মহিলাসকলৰ লগতে যথেষ্ট সংখ্যক লোক উপস্থিত থাকে। ১০ হেজাৰ পতাকা বিক্ৰীৰ লক্ষ্য বান্ধি লৈছে অগ্নিগড় মণ্ডল পৰ্যায়ৰ অন্তৰ্গত গ্ৰাম্য সংগঠনৰ মহিলাসকলে। লগতে পতাকা অনুপাতে দাম নিৰ্ধাৰণ কৰিছে মহিলাসকলে। স্বাধীনতাৰ ৭৫বৰ্ষত দেশৰ প্ৰতিখন ঘৰতে পতাকা উত্তোলন কৰা হ'ব বুলি আশা কৰিছে মহিলা সংগঠনসমূহে। অৱশ্যে এই কেন্দ্ৰটোত খদ্দৰ কাপোৰৰ জাতীয় পতাকাৰ পৰিৱৰ্তে পলিয়েষ্টাৰ কাপোৰৰ পতাকা বিক্ৰীৰ বাবে মুকলি কৰাত একাংশ লোকে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা পৰিলক্ষিত হৈছে।

# সাতদলা দধিয়াল পামত সাক্ষৰ অভিযান কাৰ্যসূচী ৰূপায়ণ



অগ্ৰদূত বাৰ্তা

**হাজো, ৩১ জুলাই ঃ** কামৰূপ জিলাৰ অধীনত হাজোৰ দুই নম্বৰ হাজো গাঁও পঞ্চায়তৰ অন্তৰ্গত সাতদলা দধিয়াল পাম নামঘৰ প্ৰাংগণৰ মঞ্চগৃহত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত আৰু পি আৰ আই কনভাৰগেন্স প্ৰকল্পৰ সহযোগত গাঁৱৰ নিৰক্ষৰ মহিলাসকলক শৈক্ষিক দিশত কিছু সকাহ দিয়াৰ উদ্দেশ্যৰে সাক্ষৰ অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সেই অনুসৰি, এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত নিৰক্ষৰ মহিলাসকলক বহী আৰু কলম প্ৰদানেৰে প্ৰাথমিক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হয়। লগতে কালিৰ সভাত উপস্থিত থাকি দুই নম্বৰ হাজো গাঁও পঞ্চায়তৰ সভানেত্ৰী তিলমা দাসে মহিলাসকল শৈক্ষিক দিশত আগবাঢ়ি গ'লেহে সমাজৰ সৰ্বাংগীণ উন্নয়ন সাধন হ'ব বুলি উল্লেখ কৰি এক গঠনমূলক বক্তৃতা দাঙি ধৰে। কালিৰ কাৰ্যসূচীত সক্ৰিয়ভাৱে সহযোগ কৰে মহদেৰ আৰু মূলাগাভৰু মহিলা গ্ৰাম্য সংগঠনে। তদুপৰি কালিৰ সভাত উপস্থিত থাকে মেণ্টৰ সিন্ধুৱাণী, আই মেণ্টৰ নমি বৰা, চিমি বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক তিলক চন্দ্ৰ মালাকৰ, পঞ্চায়ত ৱাৰ্ড মেম্বাৰ অজয় দাস, বিৰাজ মেধী, দ্বিজেন মালাকৰ, ৰমনী দাস, জীৱিকা সখী বসুমতি কলিতা, ৰমিজ আহমেদ প্ৰমুখ্যে প্ৰায়সংখ্যক মহিলা আৰু স্থানীয় ৰাইজ।

# ডিমাকুছিত ১০ বছৰ পূৰ্বে স্থাপিত খোৱাপানীৰ প্ৰকল্পৰ জৰাজীৰ্ণ অৱস্থা

■ বিধানসভাৰ অধ্যক্ষৰ সমষ্টিতে খোৱাপানীৰ সমস্যাই জ্বলা-কলা খুৱাইছে ৰাইজক



অগ্ৰদূত বাৰ্তা
**টংলা, ৩১ জুলাই ঃ** বিটিচি চৰকাৰে উন্নয়নৰ যিমানেই ঢাক-ঢোল নবজাওত কিয় বৰ্তমান পৰ্যন্ত বিটিআৰৰ অন্তৰ্গত বহু গ্ৰাম্য অঞ্চলৰ লোকে বিশুদ্ধ খোৱাপানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। দেশে স্বাধীনতাৰ ৭৫ বছৰ অতিক্ৰম কৰি স্বাধীনতাৰ অমৃত মহোৎসৱ উদ্‌যাপনৰ সময়তো বিটিআৰৰ অন্যতম ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহৰ দুৰ্ভগীয়া ৰাইজে এটুপি খোৱাপানীৰ বাবে হাহাকাৰ কৰিবলগীয়া ঘটনাই চৰকাৰখনৰ ফোঁপোলাস্বৰূপ উদঙাই দিছে। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ গৃহ সমষ্টি পানেৰী বিধানসভাৰ অন্তৰ্গত তিনি নম্বৰ ১৩ পৃষ্ঠাত চাওক

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত গণতন্ত্ৰক নাশ কৰাৰ ষড়যন্ত্ৰ চলি আছে ঃ শইকীয়া

অগ্ৰদূত বাৰ্তা
**শিমলুগুৰি, ৩১ জুলাই ঃ** 'অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত যি ধৰণে গণতন্ত্ৰক নাশ কৰাৰ ষড়যন্ত্ৰ চলি আছে, সেয়া পূৰ্বোত্তৰ ৰাজ্যৰ ৰাইজে বহু দিনৰ পৰা দেখি আহিছে।' এই অভিযোগ অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ। সংবাদ মাধ্যমৰ আগত তেওঁ লগতে কয়, 'সেয়া অৰুণাচলৰ প্ৰদেশ হওঁক মণিপুৰ হওঁক বা নাগালেণ্ড হওঁক সেয়া সকলোৰে জ্ঞাত। তাত কেনেকৈ নিৰ্বাচিত চৰকাৰক ওফৰাই ধন আৰু ভাবুকিৰে বিজেপিৰ চৰকাৰ গঠন কৰিছিল সেয়া সকলোৱে জানে। শেহতীয়াকৈ শিৱসেনাৰ বিধায়কসকলক ধন প্ৰলোভন আৰু ভাবুকিৰে ১৩ পৃষ্ঠাত চাওক

# ঘগ্ৰাপাৰত-ঘগ্ৰাজান আজিও বছৰ বছৰ ধৰি উন্মুক্ত পূব মথাউৰি

■ শীঘ্ৰে ব্যৱস্থা কৰিবলৈ যুৱ-ছাত্ৰ পৰিষদৰ দাবী

অগ্ৰদুত বাৰ্তা
**ঘগ্ৰাপাৰ, ৩১ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দক্ষিণ দিশে বৈ যোৱা ঘগ্ৰাজানৰ বাঢ়নী পানীয়ে এটি বৃহৎ অঞ্চল আজিও বছৰ বছৰ ধৰি ক্ষতি কৰি আহিছে বুলি অভিযোগ তুলিছে যুৱ- ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে। জানটোৰ পশ্চিম দিশত মথাউৰি আছে যদিও পূব দিশত আজি পৰ্যন্ত মথাউৰি নোহোৱাত দুই নম্বৰ নিমুৱা লাটিমাকে ধৰি অঞ্চলটোৰ বিস্তৰ ক্ষতিসাধন হৈ আহিছে। বিশেষকৈ জানটোৰ এফালে উন্মুক্ত হৈ থকাত বাৰিষা পানী বৃদ্ধি পালেই বাগৰি গৈ খেতি-বাতি নষ্ট কৰি পেলায় । শ শ কৃষকৰ কৃষিভূমি নষ্ট কৰি পেলোৱাৰ উপৰি বাঢ়নী পানীয়ে খাল-পুখুৰী, বাট-পথ



আদিও বুৰাই পেলাই বিস্তৰ ক্ষতিসাধন কৰে । দুখৰ বিষয় ইয়াৰ কাষতে তিনিখনকৈ বিদ্যালয় আৰু এটি অংগনৱাড়ী কেন্দ্ৰ আছে যদিও উন্মুক্ত জানৰ বাঢ়নী পানীয়ে বুৰাই পেলায় । প্ৰতিটো বছৰৰ বাৰিষা সময়ত শিক্ষানুষ্ঠান কেইখনৰ ছাত্ৰ-ছাত্ৰীয়ে যমৰ-যাতনা ভুগি আহিছে বুলি ৰাজহুৱা অভিযোগ উঠিছে। বাঢ়নী ১৩ পৃষ্ঠাত চাওক

## ১৭ বছৰ ঊৰ্ধ্বৰ যুৱক-যুৱতীয়ে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ আবেদন

### বজালী জিলা নিৰ্বাচনী বিষয়াৰ সংবাদমেল

বিশেষ সংবাদদাতা
**পাঠশালা, ৩১ জুলাই ঃ** ভোটাৰ তালিকা সংশোধন, ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তি আদিৰ সন্দৰ্ভত কালি বজালী জিলা নিৰ্বাচনী বিষয়া তথা উপায়ুক্ত কাবেৰী বৰকাকতি শৰ্মাই এক সংবাদমেল অনুষ্ঠিত কৰে। বজালী জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সংবাদমেল সম্বোধন কৰি বিষয়াজনে ভাৰতীয় নিৰ্বাচন আয়োগৰ নীতি অনুসৰি, খচৰা ভোটাৰ তালিকা প্ৰকাশ, চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ আৰু নতুন ভোটাৰ হ'বলৈ ওলোৱা ১৭ বছৰ উৰ্ধ্বৰ সকলো যুৱক-যুৱতীয়ে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে পূৰ্বৰ এটা তাৰিখৰ পৰিৱৰ্তে এতিয়া বছৰত চাৰিবাৰ এই সুবিধা লাভ কৰিব বুলি ব্যক্ত কৰে। ভোটাৰ তালিকাত নাম সন্নিৱিষ্ট কৰাৰ চাৰিটা তাৰিখ ক্ৰমে পহিলা জানুৱাৰী, পহিলা এপ্ৰিল, পহিলা জুলাই আৰু পহিলা অক্টোবৰ বুলি সদৰী কৰি জিলা নিৰ্বাচনী বিষয়জনে ১৭ বছৰৰ উৰ্ধ্বৰ সকলো যুৱক-যুৱতীকে ভোটাৰ তালিকাত নিজৰ নাম সন্নিৱিষ্ট কৰিবৰ বাবে আবেদন কৰিবলৈ আহ্বান জনায়। আনহাতে, অহা পহিলা আগষ্টৰ পৰা সকলো ভোটাৰে ভোটাৰ তালিকাত নিজৰ আধাৰ নম্বৰ লিংক কৰিব লাগিব বুলি জানিবলৈ দিয়ে ।

# তাই আহোম জনগোষ্ঠীক অপমান কৰা কোনো কাৰণতে সহ্য কৰা নহ'ব

■ আঙুৰলতা ডেকা-শিৱপ্ৰসাদ ভদ্ৰাৰ পুত্তলিকা দাহেৰে উত্তাল ডিমৌ

অগ্ৰদূত বাৰ্তা
**ডিমৌ, ৩১ জুলাই ঃ** অসমত ছশ বছৰকাল ৰাজত্ব কৰা আহোম জনগোষ্ঠীৰ বিৰুদ্ধে মুৰ্দাবাদ ধ্বনি দি সাম্প্ৰদায়িক ৰাজনীতিৰ আশ্ৰয় লোৱা অভিযোগত আঙুৰলতা ডেকা আৰু শিৱপ্ৰসাদ ভদ্ৰাৰ পুত্তলিকা দাহ কৰি শিৱসাগৰ জিলাৰ ডিমৌত আজি এক উত্তাল পৰিস্থিতিৰ সৃষ্টি কৰে সদৌ তাই আহোম ছাত্ৰ সন্থাৰ শ শ সদস্যই। উল্লেখ্য যে নগাঁৱত প্ৰাক্তন বিধায়িকা আঙুৰলতা ডেকা আৰু চাহ জনগোষ্ঠীৰ নেতা শিৱপ্ৰসাদ ভদ্ৰাৰ নেতৃত্বত কংগ্ৰেছৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী লৈ আহোম জনগোষ্ঠীক মুৰ্দাবাদ ধ্বনি দিয়া বাতৰি এটি সামৰিক মাধ্যমৰ প্ৰচাৰ হয়। পৰৱৰ্তী কালত ছ'চিয়েল মিডিয়াত ভাইৰেল হোৱাৰ পাছতে কালি হঠাৎ উত্তাল হৈ পৰে সামাজিক মাধ্যম। ইফালে, কালি সদৌ তাই আহোম ছাত্ৰ সন্থাৰ ডিমৌ আঞ্চলিক সমিতিৰ উদ্যোগত ডিমৌ চাৰিআলিৰ মাজমজিয়াত আঙুৰলতা ডেকা আৰু শিৱপ্ৰসাদ ভদ্ৰাৰ পুত্তলিকা দাহ কৰি উত্তাল পৰিস্থিতিৰ সৃষ্টি কৰে। আটাছুৰ সদস্যসকলে বিজেপি চৰকাৰৰ কাম নাই, আঙুৰলতা ডেকা গ'বেক, শিৱপ্ৰসাদ ভদ্ৰা গ'বেক আদি ধ্বনিৰে ডিমৌৰ আকাশ মুখৰিত কৰি তোলে। আটাছুৰ শিৱসাগৰ জিলাৰ সম্পাদক নিপন বৰুৱাই সংবাদ মাধ্যমৰ আগত কয় যে আহোম জনগোষ্ঠীক অপমান কৰাৰ অধিকাৰ ক'ত পালে ? আহোমে ১৭ বাৰ মোগলৰ বিৰুদ্ধে যুদ্ধ কৰি অসমী আইক ৰক্ষা কৰাৰ কথা আঙুৰলতা ডেকাই জানেনে বুলি প্ৰশ্ন কৰে ? ৬০ লক্ষাধিক জনসংখ্যা থকা আহোম জনগোষ্ঠীক কৰা অপমান কোনো কাৰণতে সহ্য কৰা নহ'ব। নেতাগৰাকীয়ে এইক্ষেত্ৰত আঙুৰলতা ডেকা আৰু শিৱপ্ৰসাদ ভদ্ৰাক ক্ষমা খুজিবলৈ দাবী জনায়। ইয়াৰ অন্যথা জংগী আন্দোলন গঢ়ি তোলা হ'ব বুলিও হুংকাৰ দিয়ে। কালি পুত্তলিকা দাহ কাৰ্যসূচীত আটাছুৰ নেতা সুমিত কুমাৰ সন্দিকৈ, সুনিত ফুলকোঁৱৰ, দেৱাশিষ গগৈ, বিদ্যুৎ দুৱৰা, গোবিন গগৈকে ধৰি শতাধিক সদস্য উপস্থিত থাকে।

## মাইনা নায়কক ক্ষতিপূৰণ দিবলৈ অসম চাহ মজদুৰ সংঘৰ দাবী

অগ্ৰদূত বাৰ্তা
**মৰাণ, ৩১ জুলাই ঃ** যোৱা ১৯ জুলাইত ডিব্ৰুগড় জিলাৰ লক্ষ্মী চাহ কোম্পানীৰ অন্তৰ্গত লেপেটকটা চাহ বাগিচাৰ অস্থায়ী শ্ৰমিক মাইনা নায়ক (২৪) বাগিচাৰ কলঘৰৰ চিটিচি মেচিনত সোমাই মূৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা মৰ্মান্তিক ঘটনাক অসম চাহ মজদুৰ সংঘই দুখ প্ৰকাশ কৰিছে। মৰাণ শাখা চাহ মজদুৰ সংঘৰ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে এক বিবৃতিযোগে কয় যে উক্ত ঘটনাটোত ৰাজ্য চৰকাৰ বা শ্ৰম বিভাগৰ পৰা কোনো কাৰ্যকৰীকৰণৰ ক্ষীপ্ৰ ব্যৱস্থা লোৱা দেখা পোৱা নগ'ল। মাইনা নায়কক উন্নত চিকিৎসা প্ৰদান কৰা, পৰিয়ালক সংস্থাপন আৰু উচিত ক্ষতিপূৰণ দিবৰ বাবে সংঘই দাবী জনাইছে। মৃত্যুৰ স'তে যুঁজি থকা মাইনা নায়কক অসম চিকিৎসা মহাবিদ্যালয়ৰ পৰা এখন অতি পুৰণি এম্বুলেন্সৰ যোগেদি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰাটো নিন্দনীয় আৰু দুৰ্ভাগ্যজনক। তদুপৰি ডিব্ৰুগড় সহকাৰী শ্ৰম আয়ুক্তই যোৱা ২২ জুলাইত বাগিচা কৰ্তৃপক্ষক মইনা নায়কক ১৩ লাখ ৩৩ হেজাৰ ৩৪ টকা দিবলৈ ১৩ পৃষ্ঠাত চাওক

## শিশুৰ উৎকৃষ্ট যতনৰ বাবে ৰাজ্যিক পৰ্যায়ত পুৰস্কৃত ক্ৰিষ্টেল ভিজনৰ শিশু গৃহৰ কৰ্মচাৰী



অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ৩১ জুলাই ঃ** দৰং জিলাত বিপদগ্ৰস্ত শিশুৰ যতন আৰু সুৰক্ষাৰ ক্ষেত্ৰখনলৈ সুখবৰ কঢ়িয়াই আনিছে বেচৰকাৰী সংস্থা ক্ৰিষ্টেল ভিজনৰ দ্বাৰা পৰিচালিত চৰকাৰী স্বীকৃত শিশু গৃহ 'আই'ত কৰ্মৰত নিষ্ঠাবান কৰ্মচাৰী সেৱা আৰু পৰিচালনা সমিতিৰ দায়ৱদ্ধতাই। চৰকাৰী অনুজ্ঞাপত্ৰধাৰী জিলাখনৰ একমাত্ৰ বিশেষ দত্তক গ্ৰহণ কেন্দ্ৰ হিচাপে বিগত চাৰি বছৰে কাৰ্যনিৰ্বাহ কৰা এই শিশুগৃহৰ ধাই মাতৃলৈ তেওঁলোকে দেখুওৱা মাতৃসুলভ উৎকৃষ্ট সেৱাৰ স্বীকৃতি স্বৰূপে ৰাজ্যিক দত্তক গ্ৰহণ কৰ্তৃপক্ষ চমুকৈ 'চাৰা' অসমৰ তৰফৰ পৰা বিশেষ প্ৰশংসাসূচক উপহাৰ আগবঢ়োৱা হৈছে। চাৰাৰ দ্বাৰা যোৱা শুকুৰবাৰে গুৱাহাটীৰ নেডফি হাউছৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত পিতৃ-মাতৃ আৰু প্ৰস্তাৱিত পিতৃ-মাতৃৰ এক ৰাজ্যিক অভিৱৰ্তনত মঙলদৈৰ শিশুগৃহৰ দুই কৰ্মচাৰীৰ লগতে ৰাজ্যৰ আঠটা তেনে শিশুগৃহৰ মুঠ ২৪গৰাকী ধাই মাতৃ আৰু নাৰ্ছ উচ্চ প্ৰশংসিত হোৱাৰ লগতে তেওঁলোকক উপহাৰেৰে পুৰস্কৃত কৰা হয়। মঙলদৈ শিশু গৃহ আইৰ পৰিচালন কৰ্তৃপক্ষৰ হৈ অনুষ্ঠানত উপস্থিত থাকি এই পুৰস্কাৰ গ্ৰহণ কৰে বিষয়ববীয়া মনমোহন ডেকাই। অনাথ, পৰিত্যক্ত আৰু অৱহেলিত ছয় বছৰ বয়সতকৈ তলৰ শিশুৰ আশ্ৰয় আৰু দত্তক গ্ৰহণ কেন্দ্ৰ আইৰ এই ১৩ পৃষ্ঠাত চাওক

## দেশী জনগোষ্ঠীয় যুৱ-ছাত্ৰ মঞ্চৰ সম্বৰ্ধনা অনুষ্ঠান



বিশেষ সংবাদদাতা
**বিলাসীপাৰা, ৩১ জুলাই ঃ** দেশী জনগোষ্ঠীয় মঞ্চ অসমৰ ভ্ৰাতৃ সংগঠন যুৱ-ছাত্ৰ মঞ্চ অসমৰ এখন সম্বৰ্ধনা সভা কালি অনুষ্ঠিত হয়। মঞ্চৰ বিলাসীপাৰা জিলা আৰু বাঙালীপাৰা আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠিত হয় এই অনুষ্ঠানৰ। বাঙালীপাৰা হাইস্কুল খেলপথাৰত আয়োজিত অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে দেশী জনগোষ্ঠীয় যুৱ-ছাত্ৰ মঞ্চৰ কেন্দ্ৰীয় সভাপতি শ্বাফি আলম। অনুষ্ঠানত এইবাৰৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানতে ছাত্ৰ সংগঠনটোৰ নৱ নিৰ্বাচিত বিলাসীপাৰা জিলা সমিতি সভাপতি আজাদুল হক, সম্পাদক আশ্ৰাফুল হককে ধৰি অন্যান্য বিষয়ববীয়াসকলক শপত বাক্যপাঠ কৰোৱায় কেন্দ্ৰীয় সভাপতিয়ে।

# ভোটাৰ কাৰ্ডৰে সংযোগ কৰাব লাগিব আধাৰ

■ মুছলপুৰত বাগ্‌সা জিলা উপায়ুক্তৰ সংবাদমেল



অগ্ৰদূত বাৰ্তা
**মুছলপুৰ, ৩১ জুলাই ঃ** অহা এক আগষ্টত মুকলি হ'ব নিৰ্বাচন আয়োগৰ নতুন প্ৰপত্ৰ। এতিয়াৰ পৰা প্ৰতিগৰাকী ভোটাৰে নিজৰ ভোটাৰ পৰিচয় পত্ৰৰ লগত আধাৰ নম্বৰ সংলগ্ন কৰিব লাগিব। আনহাতে, এতিয়াৰ পৰা বছৰত চাৰিবাৰকৈ নিৰ্বাচন আয়োগৰ নাম পঞ্জীয়ন কৰিব পাৰিব। জানুৱাৰী, এপ্ৰিল, জুলাই আৰু অক্টোবৰৰ এক তাৰিখত পঞ্জীয়ন কৰিব পাৰিব। প্ৰতি তিনিমাহৰ অন্তৰে অন্তৰে দাখিল কৰিব পাৰিব আবেদন। শেহতীয়াকৈ দেশৰ নিৰ্বাচন আয়োগে নাগৰিকৰ ফটো ভোটাৰ পৰিচয় পত্ৰৰ ক্ষেত্ৰত অনা বিশেষ সংক্ষিপ্ত সংশোধনী সম্পৰ্কত এক সংবাদমেল অনুষ্ঠিত কৰি এই তথ্য প্ৰদান কৰে বাগ্‌সা জিলা নিৰ্বাচনী বিভাগে। কালি মুছলপুৰস্থ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক সংবাদমেলত জিলাখনৰ উপায়ুক্ত মাচান্দা মাগদালিন পাটিনে জনপ্ৰতিনিধিত্ব আইন, ১৯৫০ৰ সংশোধনৰ জৰিয়তে ভাৰতৰ নিৰ্বাচন আয়োগে যুৱ প্ৰজন্মক ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত প্ৰদান কৰা সুবিধাসমূহৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে পূৰ্বতে এক জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হোৱা যুৱক-যুৱতীয়েহে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন কৰিব পাৰিছিল। ফলত এক জানুৱাৰীৰ পাছত ১৮ বছৰত ভৰি দিয়াসকলে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে এবছৰ পৰ্যন্ত অপেক্ষা কৰিবলগীয়া হৈছিল। সেয়ে নিৰ্বাচন আয়োগে নতুন নিয়ম কৰি এতিয়াৰে পৰা এক এপ্ৰিল, এক জুলাই আৰু এক অক্টোবৰতো আবেদনৰ সুবিধা উপলব্ধ হ'ব। ১৮ বছৰ হোৱাৰ পূৰ্বেই আবেদন কৰি থৈ দিব পাৰিব। ১৮ বছৰ হোৱাৰ লগে লগে তেওঁলোকে নিজৰ এডমিট কাৰ্ড লাভ কৰিব। এটা সমষ্টিতে ভোটাৰৰ নাম থাকিব লাগে, তাৰ বাবে ভোটাৰ কাৰ্ডৰ লগত আধাৰ লিংক কৰিব। এক আগষ্টত মুকলি হ'বলগীয়া নতুন প্ৰ-

## সমাজকৰ্মী মণিবৰ মিলিৰ স্মৃতিত ঘূণাসুঁতিত স্থাপন হ'ব পাৰে জংকি ক্ষেত্ৰ নামফলক



অগ্ৰদূত বাৰ্তা
**লখিমপুৰ, ৩১ জুলাই ঃ** মিচিং সমাজৰ প্ৰতিজন ব্যক্তিৰ সিৰাই সিৰাই প্ৰৱাহিত হৈ থকা মিচিং জনগোষ্ঠীৰ প্ৰেমিক-প্ৰেমিকা পানৈ-জংকিৰ অমৰ প্ৰেম গাথাক কেৱল উপন্যাস, নাটক, কবিতাতে আবদ্ধ নাৰাখি বাস্তৱ সমাজ জীৱনতো জীয়াই ৰখাৰ প্ৰয়াসেৰে কেতবোৰ সুন্দৰ পদক্ষেপ সম্বলিত 'পানৈ-জংকি ক্ষেত্ৰ' নিৰ্মাণৰ উদ্যোগ গ্ৰহণ কৰিছে ঘূণাসুঁতিৰ প্ৰগতিবাদী চিন্তাধাৰাৰ পাঁচ ভ্ৰাতৃয়ে। সেই উদ্দেশ্যে আজি ঘূনাসুঁতি তিনিআলিত 'পানৈ জংকি ক্ষেত্ৰ' নিৰ্মাণ সমিতিৰ উদ্যোগত ঘূনাসুঁতিৰ বিশিষ্ট সমাজকৰ্মী প্ৰয়াত মণিবৰ মিলিৰ স্মৃতিত পানৈ-জংকি ক্ষেত্ৰ নামফলক স্থাপনৰ এক অনুষ্ঠান অনুষ্ঠিত হয়। পানৈ- জংকি ক্ষেত্ৰ নাম ফলক স্থাপন মুকলি কৰে লখিমপুৰ প্ৰেছ ক্লাবৰ সম্পাদক কৰুণা কৃষ্ণ নাথে। উল্লেখ্য যে ঘূনাসুঁতি বামঘৰা পলসপৰাত অৱস্থিত প্ৰয়াত মণিবৰ মিলিৰ স্বত্বৰ ভূমিখণ্ডৰ পৰা তেওঁৰ পাঁচ পুত্ৰই দান দিয়া দুবিঘা মাটিত পানৈ-জংকি ক্ষেত্ৰ নিৰ্মাণ হ'ব বুলি সমিতিয়ে নামফলক স্থাপন কৰা অনুষ্ঠানৰ যোগেদি সদৰী কৰে। পানৈ- জংকি ক্ষেত্ৰলৈ ভূমিদান দিয়া পাঁচ ভ্ৰাতৃ-ধৰ্মানন্দ মিলি, দেৱানন্দ মিলি, নিত্যানন্দ মিলি, ডিম্বনাথ মিলি আৰু ডাঃ ডম্বৰুধৰ মিলি। উল্লেখযোগ্য যে পানৈ-জংকি ক্ষেত্ৰত পূৰ্ণাংগ সংগ্ৰহালয়, পুথিভঁৰাল, ক্ৰীড়া মঞ্চ, শিশু উদান, কলা বীথিকা, অতিথিশালা আদি কৃষ্টি-সংস্কৃতিৰ সুন্দৰ সুন্দৰ উপাদেয়সমূহ সংগৃহীত কৰা হ'ব বুলি সমিতিয়ে সদৰী কৰে।

## কুমাৰীকাটাত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান



অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ৩১ জুলাই ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ অন্তৰ্গত কুমাৰীকাটা আঞ্চলিক সমিতিৰ উদ্যোগত কালি তামুলপুৰ জিলাৰ কুমাৰীকাটাত সদ্যঘোষিত উচ্চতৰ আৰু উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অঞ্চলটোৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে অভিনন্দন জনোৱা হয়। কুমাৰীকাটা আঞ্চলিক আছাৰ মুখ্য কাৰ্যালয়ত কুমাৰীকাটা আছাৰ সাধাৰণ সম্পাদক সঞ্জীৱ বৰাৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত কুমাৰীকাটা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক বুদ্ধ ছেত্ৰীয়ে কয় যে যাৰ একান্ত ইচ্ছাশক্তি, মনোবল আৰু একাগ্ৰতা থাকে তেওঁৰ জীৱনত উন্নতি হ'বই। আমি জীৱনত সদায় যোগাত্মৰ চিন্তাৰে আগবাঢ়িব লাগিব বুলি তেওঁ পুনৰ কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলে শেষ নহয়। ছাত্ৰ-ছাত্ৰীসকলে জীৱনৰ জটিলতাৰ মাজতে নিজক প্ৰতিষ্ঠা কৰি সামাজিক দায়বদ্ধতা মূৰ পাতি ল'ব লাগিব। ছাত্ৰ-ছাত্ৰীসকলক ব্যক্তিত্ব বিকাশত গুৰুত্ব দিয়াৰ লগতে সামাজিকভাৱে সচেতন হোৱাৰ লগতে সময়ৰ সৎ ব্যৱহাৰ কৰি জীৱনক আগবাঢ়ি যাবলৈ আহ্বান জনাই তেওঁ কয় যে আদিবাসীসকল অতি অভিজাত কৃষ্টি-সংস্কৃতিৰে পৰিপূৰ্ণ এটা চহকী জনগোষ্ঠী। আজিৰ প্ৰজন্মই উচ্চ শিক্ষাৰে শিক্ষিত হৈ জনগোষ্ঠীটোৰ চহকী কৃষ্টি-সংস্কৃতি বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ কাম কৰিব লাগিব। সভাত আছাৰ প্ৰাক্তন শিক্ষা সম্পাদক সুশীল পিটাৰ লাক্ৰাই কয় যে আজিৰ জনগোষ্ঠীৰ পৰা সদ্যঘোষিত হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৪০ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, মানপত্ৰ, গ্ৰন্থ আদিৰে অভিনন্দন জনোৱা হয়। আটছা নেতা জিচাই বাগে ১৩ পৃষ্ঠাত চাওক

# যোগ শিক্ষকৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে

■ সেৱা ভাৰতী পূৰ্বাঞ্চলৰ যোগ প্ৰশিক্ষণ বৰ্গ সামৰণি

অগ্ৰদূত বাৰ্তা
**উত্তৰ গুৱাহাটী, ৩১ জুলাই ঃ** বৰ্তমান সময়ত যিদৰে যোগ শিক্ষাই সকলোৰে মাজত জনপ্ৰিয়তা অৰ্জন কৰিছে, তাৰ সমান্তৰালভাৱে যোগ শিক্ষকৰ প্ৰয়োজনীয়তা বৃদ্ধি পাব ধৰিছে। পহিলা জুলাইৰ পৰা সেৱা ভাৰতী পূৰ্বাঞ্চল যোগ বিভাগৰ দ্বাৰা আৰু যোগ বিদ্যা গুৰুকুল নাচিকৰ দ্বাৰা অনুমোদিত যোগ শিক্ষক প্ৰমাণপত্ৰ আৰু পদবীবৰ্গৰ চূড়ান্ত পৰীক্ষাসমূহ উত্তৰ গুৱাহাটীস্থিত যোগ নিলয়মত সুকলমে অনুষ্ঠিত হয়। অনুষ্ঠানত প্ৰাতঃ যোগ প্ৰমুখ অৰূপজ্যোতি দাসে আঁত ধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ জ্যেষ্ঠ প্ৰচাৰক ভাস্কৰ কুলকাৰ্ণিয়ে। মুখ্য অতিথি হিচাপে উপস্থিত থাকি মাৰ্গ দৰ্শন প্ৰদান কৰে সেৱা ভাৰতী পূৰ্বাঞ্চলৰ সভাপতি ৰমেন শৰ্মা, বিশিষ্ট অতিথি হিচাপে চিকিৎসক তথা ৰাষ্ট্ৰীয় সেৱিকা সমিতি অসম প্ৰান্তৰ সহকাৰী সঞ্চালিকা ডাঃ পুণি দেৱী আৰু সেৱা ভাৰতী পূৰ্বাঞ্চলৰ অসম ক্ষেত্ৰ যোগ প্ৰমুখ যোগাচাৰ্য হিমাদ্ৰী পুৰকায়স্থই। অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে যোগ শিক্ষয়িত্ৰী জুনু বৰাই। বৰ্গৰ প্ৰতিবেদন পাঠ কৰে যোগ প্ৰশিক্ষণ বৰ্গৰ



প্ৰশিক্ষণ প্ৰমুখ ভৱেশ্বৰ গোস্বামীয়ে। লগতে যোগ প্ৰশিক্ষণবৰ্গত শিক্ষক হিচাপে উপস্থিত থাকে অসমৰ ১২খন জিলাৰ পৰা অহা যোগ শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে যোগাচাৰ্য হিমাদ্ৰী পুৰকায়স্থ দেৱ, ৰুবুল মিশ্ৰ, শেষৰ হালদাৰ (বৰ্গ ব্যৱস্থা প্ৰমুখ), নিবেদিতা বৰা, ডাঃ বৈষ্ণৱ কোচ, অপৰাজিতা গগৈ, ভুৱন কছাৰী, প্ৰাপ্তী হাজৰিকা, নয়নমণি বৰচেতিয়া, সৰস্বতী ছেত্ৰী, ৰামচৰণ ডেকা, পৰশমণি বৰা, জয়ন্তজিৎ শইকীয়া, খনিন্দ্ৰ নাথ, অভিজিৎ নাথ, সেৱিকা পেগু, সঞ্জীৱ দাস আদিয়ে। অসমৰ মুঠ ১৮খন জিলাৰ পৰা ছজন পুৰুষ আৰু ২৬গৰাকী মহিলাই অংশগ্ৰহণ কৰে। এই প্ৰশিক্ষণ বৰ্গত উত্তীৰ্ণ শিক্ষাৰ্থীসকলক যোগ বিদ্যা গুৰুকুল নাচিকৰ পৰা প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে সেৱা ভাৰতী পূৰ্বাঞ্চল যোগ বিভাগে বহু বছৰ ধৰি অসমত যোগ শিক্ষা প্ৰদান কৰি আহিছে। এই মূল মন্ত্ৰটো আগত লৈ সুস্থ ব্যক্তি, সুস্থ পৰিয়াল, সুস্থ সমাজ, সুস্থ ৰাষ্ট্ৰ গঢ়াৰ বাবে সমাজত যোগৰূপী গংগা প্ৰতিখন ঘৰে ঘৰে লৈ যোৱাৰ বাবে যোগ প্ৰচাৰ-প্ৰসাৰৰ বাবে এই যোগ সেৱাৰ কাম কৰি আহিছে।

## বকোৰ ৪৭ নম্বৰ হেকৰা মীন পালনৰ নিবিদা জাননী জাৰি কৰাৰ দাবী

### উপায়ুক্তৰ পত্ৰ গুৰুত্বহীন মীন বিভাগত

**আলোপতি, ৩১ জুলাই ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত ৪৭ নম্বৰ হেকৰা মীন পালনৰ নিবিদা জাৰি কৰাৰ দাবী জনাইছে অঞ্চলটোৰ একাংশ ৰাইজে। তথ্য মতে ৬০ শতাংশ শ্ৰেণীৰ হেকৰা মীন পালনৰ নিষ্পত্তিৰ চৰ্তাৱলী যোৱা আঠ এপ্ৰিলত উকলি যোৱাৰ পাছতো এতিয়ালৈকে বিভাগীয় কৰ্তৃপক্ষই নিবিদা জাননী জাৰি কৰাৰ ব্যৱস্থা নকৰিলে। কামৰূপ জিলা মীন বিভাগৰ বিষয়াৰ মতে যোৱা ২৮ জানুৱাৰীত এএফকেজি ৫৮ জি/২০২১-২২/২৬৯২ এক চিঠিৰ জৰিয়তে বছৰি নিম্নতম ২,০৪,৭৩২ টকা লীজ দাখিল কৰিছে। উল্লেখ্য যে জিলাখনৰ তদানীন্তন জিলা উপায়ুক্তই যোৱা ২৩ ফেব্ৰুৱাৰীত কেআৰএফ-৮/৯৬/পিটি-১/১০ নম্বৰৰ চিঠি মৰ্মে আগতীয়াকৈ উপৰোক্ত কথাখিনি সবিশেষ উল্লেখ কৰি অসম চৰকাৰৰ মীন বিভাগৰ আয়ুক্ত সচিবক ৪৭ নম্বৰ হেকৰা মীন পালনৰ নিবিদা জাননী জাৰি কৰাৰ বাবে প্ৰয়োজনীয় অনুমোদন বিচাৰি পত্ৰ প্ৰেৰণ কৰিছিল। জিলা উপায়ুক্তই পত্ৰ প্ৰেৰণ কৰাৰ পাছতো সংশ্লিষ্ট কৰ্তৃপক্ষই হেকৰা মীন পালনৰ বাবে আজিলৈ নিবিদা জাননী জাৰি কৰাৰ বাবে প্ৰয়োজনীয় অনুমোদনৰ ব্যৱস্থা নকৰিলে। মীন বিভাগে হেকৰা মীন পালনৰ নিবিদা জাননী জাৰি কৰাৰ ক্ষেত্ৰত গুৰুত্বআৰোপ নকৰাত অঞ্চলটোৰ ৰাইজ ক্ষোভিত হৈ পৰিছে। শীঘ্ৰে ৪৭ নম্বৰ হেকৰা মীন পালনৰ নিবিদা জাৰি কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ অসম চৰকাৰৰ মীন বিভাগৰ লগতে জিলাখনৰ নৱনিযুক্ত উপায়ুক্তক দাবী জনাইছে ৰাইজে।

# ভটীয়াপাৰত একেলগে চাৰিখন ধৰ্মমূলক গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ৩১ জুলাই ঃ** ৰাজ্যৰ অন্যতম সামাজিক-সাংস্কৃতিক আৰু আধ্যাত্মিক অনুষ্ঠান একশৰণ ভাগৱতী সমাজৰ একনিষ্ঠ সেৱক তথা আতা বিৰেশ হাজৰিকাৰ দ্বাৰা ৰচিত চাৰিখনকৈ ধৰ্মগ্ৰন্থ আজি একেলগে উন্মোচন কৰা হয়। তদুপলক্ষে ভটীয়াপাৰৰ বনগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত গ্ৰন্থ উন্মোচনী সভাখন জয়া হাজৰিকাই পৰিবেশন কৰা বৰগীতেৰে আৰম্ভ হয়। অনুষ্ঠানৰ পূৰ্বে বন্তি প্ৰজ্বলন আৰু গুৰু বন্দনাৰে গুৰু স্মৰণ কৰে ধৰ্মপ্ৰাণ ব্যক্তি গোবিন হাজৰিকাই। ইয়াৰ পাছতে শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অজিত দাসৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাখনত বিৰেশ হাজৰিকাৰ ধৰ্মমূলক গ্ৰন্থ উপদেশৰ সৰল ভাঙনি বিশিষ্ট উপদেশামৃত, জম্বু দ্বীপৰ কাহিনী, আত্ম তত্ত্ব আৰু প্ৰাৰ্থনা পুথি নামৰ চাৰিখনকৈ ধৰ্মমূলক গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থকেইখন উন্মোচন কৰে ক্ৰমে অসম সাহিত্য সভাৰ শিৱসাগৰ



জিলাৰ প্ৰাক্তন উপ-সভানেত্ৰী সুলেখিকা তথা সাহিত্যিক পেঞ্চনাৰ দীপ্তিময়ী বুঢ়াগোহাঁই গগৈ, অৱসৰপ্ৰাপ্ত অধ্যাপক অজিত দাস, বনগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰশান্ত দাস আৰু বিশিষ্ট কবি-সাহিত্যিক তথা শিক্ষক ব্ৰজেন দাসে। গ্ৰন্থকেইখনৰ কেউগৰাকী উন্মোচকে লেখক হাজৰিকাৰ প্ৰচেষ্টা প্ৰশংসা কৰে। যুৱ সাহিত্যিক তথা চিকিৎসক ডাঃ লোকেন্দ্ৰ কুমাৰ দাসে আঁতধৰা সভাখনত প্ৰকাশক অৰূপ কুমাৰ মেধি, ধৰ্মপ্ৰাণ ব্যক্তি গোবিন হাজৰিকা, গৌৰীসাগৰ প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক মৃগাংক হাজৰিকা বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থকাৰ উপৰি গ্ৰন্থ লেখক হাজৰিকাৰ মাতৃ চম্পা হাজৰিকা উপস্থিত থাকে। জয়া হাজৰিকা আৰু সংগীবৃন্দই লোকগীত পৰিবেশন কৰা অনুষ্ঠানত অঞ্চলটোৰ বহু সংখ্যক গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাখনৰ উদ্দেশ্য বাখ্যা কৰে লেখক বিৰেশ হাজৰিকাই। উল্লেখ্য যে শিৱসাগৰ জিলাৰ ভটীয়াপাৰৰ নিবাসী তথা লেখক বিৰেশ হাজৰিকাই ইতিপূৰ্বে কীৰ্তন ঘোষা ৰসামৃতৰ সৰল ভাঙনি, ইলাগুণ মণি আদিকে ধৰি সাতখনকৈ ধৰ্মগ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে।

# ঢেকিয়াজুলিৰ প্ৰতিষ্ঠিত ব্যৱসায়ী দিলীপ দে'ক আক্ৰমণ

## ■ এজনক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ৩১ জুলাই ঃ** আজি দিন দুপৰতে ঢেকিয়াজুলি নগৰৰ প্ৰতিষ্ঠিত ব্যৱসায়ী তথা হোটেল মহামায়াৰ স্বত্বাধিকাৰী দিলীপ দে'ক স্থানীয় এজন যুৱকে ছুৰীৰে উপৰ্যুপৰি আক্ৰমণ কৰে। এই ঘটনাই ঢেকিয়াজুলিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণি মতে, আজি দিনৰ ১১.৪০ বজাত হোটেল মহামায়াৰ স্বত্বাধিকাৰী দিলীপ দে' নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠানত ব্যস্ত থকাৰ সময়ত সুজিত চন্দ নামৰ যুৱকজনে পিছফালৰ পৰা আহি তেওঁক ছুৰীৰে আক্ৰমণ কৰে। এই ঘটনা প্ৰত্যক্ষ কৰি স্থানীয় লোকসকল আগবাঢ়ি অহাত আক্ৰমণকাৰী যুৱকজন আঁতৰি যায়। উল্লেখ্য যে হোটেল মহামায়াৰ কাষত এখন সাধাৰণ হোটেল খুলি চাহ, ৰুটি, ভাত বিক্ৰী কৰি পৰিয়াল চলাই থকা যুৱক সুজিত চন্দই প্ৰতিবেশী ব্যৱসায়ী দিলীপ দে'ক আজি উপৰ্যুপৰি আক্ৰমণ কৰা ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই ঘটনাৰ কাৰণ জানিব পৰা হোৱা নাই যদিও এই ঘটনাক স্থানীয় ব্যৱসায়ীসকলে সহজভাৱে লোৱা নাই। এই ঘটনাৰ সমগ্ৰ দৃশ্য মহামায়া হোটেলৰ চিচি টিভি কেমেৰাত আবদ্ধ হৈছে। ইপিনে, এই ঘটনাৰ পাছত ঢেকিয়াজুলি থানাৰ আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। ঢেকিয়াজুলি আৰক্ষীয়ে ইতিমধ্যে সুজিত চন্দক আটক কৰিছে। ঘটনা সন্দৰ্ভত ঢেকিয়াজুলি থানাত এক গোচৰ ৰুজু কৰি আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। ইপিনে, সুজিত চন্দৰ আক্ৰমণত গুৰুতৰভাৱে আহত দিলীপক স্থানীয় চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰা হৈছে। পিঠিৰ লগতে শৰীৰৰ কে'বা ঠাইত আঘাতপ্ৰাপ্ত দিলীপ বৰ্তমান বিপদমুক্ত বুলি জনা গৈছে।

# বোকাখাতত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা মন্ত্ৰী অতুল বৰাৰ

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ৩১ জুলাইঃ** বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক আজি বোকাখাত নাট্য মন্দিৰত সম্বৰ্ধনা জনোৱা হয়। বোকাখাত সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী অতুল বৰাৰ নিজা উদ্যোগত মুঠ ৮১০ গৰাকী ছাত্ৰ-ছাত্ৰীক মানপত্ৰ, গামোচা, গছপুলি আদিৰে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে ২০১৬ৰ পৰা মন্ত্ৰী বৰাই সম্বৰ্ধনা অনুষ্ঠান কৰি আহিছে। মাজতে ক'ভিডৰ বাবে দুবছৰ কৰিব পৰা নাছিল। অনুষ্ঠানত সতী সাধনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়া, গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° সমীৰণ বৰা, বোকাখাত মহকুমাৰ মহকুমাধিপতি ড° নেহা যাদব, বোকাখাত মহকুমাৰ মহাবিদ্যালয়, বিদ্যালয়সমূহৰ অধ্যক্ষসকল উপস্থিত থাকে। অতিথিসকলে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ লক্ষ্যৰ লগতে অধ্যয়ন কৰিবলৈ আহ্বান জনায়।

# আজি শুৱালকুছি মহাবিদ্যালয়ৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱস

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ৩১ জুলাই ঃ** বৃহত্তৰ শুৱালকুছিৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ কালি দিনজোৰা কাৰ্যসূচীৰে ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ আয়োজন কৰিছে। এই উপলক্ষে প্ৰস্তুত কৰা উক্ত দিনাৰ কাৰ্যক্ৰমণিকা মতে, পুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দিপেশ চন্দ্ৰ ভাগৱতীৰ পতাকা উত্তোলনৰে প্ৰতিষ্ঠা দিৱস আৰম্ভ হ'ব। ছহিদ তৰ্পণ কৰিব উপাধ্যক্ষা ড° বন্তি বৰা আৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি সৌৰভ দাসে। মহাবিদ্যালয়ৰ ভূমিদাতা সাধু বুদৰাম আৰু মাধৱ সত্ৰাধিকাৰৰ প্ৰতিচ্ছবিত বন্তি আৰু মাল্যাৰ্পণ কৰিব ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ সত্ৰাধিকাৰ বাপে। কবি দেৱকান্ত বৰুৱাৰ 'আমি দুৱাৰ মুকলি কৰো' শিৰোনামাৰ কবিতাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আবৃত্তি প্ৰতিযোগিতা। দিনৰ এক বজাত অধ্যক্ষ ড° দীপেশ চন্দ্ৰ ভাগৱতীৰ সভাপতিত্বত মুকলি সভা। সভাত মুখ্য অতিথিৰ আসনত অলংকৃত কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° প্ৰতাপজ্যোতি সন্দিকৈয়ে।

# জংঘল ব্লকত মেট্ৰিক অনুত্তীৰ্ণৰ বিশেষ পাঠদান

## দেওবৰীয়া ক্লাছৰ অতিথি প্ৰাক্তন ৰাজ্যিক ফুটবলাৰ, প্ৰশিক্ষক খগেন শইকীয়া



অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ৩১ জুলাই ঃ** যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰিলে, যাক আজিৰ সমাজে কম গুৰুত্ব দিয়ে সেই সকল ছাত্ৰ-ছাত্ৰীৰ সপোনবোৰ পূৰণ কৰাৰ প্ৰয়াসৰে অসম-নগালেণ্ড সীমান্তৱৰ্তী জংঘল ব্লক অঞ্চলত অৱস্থিত জংঘল ব্লক হাইস্কুলত প্ৰতি শনি আৰু দেওবাৰে বিনামূলীয়াকৈ পাঠদান আগবঢ়াই আহিছে কেইজনমান শিক্ষকে। শিক্ষানুষ্ঠানখনত শিক্ষক নগেন গগৈ, বিনয় শইকীয়া, শৰৎ গগৈ, আদিত্য শইকীয়া, প্ৰিতম শইকীয়াকে ধৰি বহুকেইজন বিশিষ্ট শিক্ষকে শনি আৰু দেওবাৰৰ দিন দুটাত সেইসকল ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে পাঠদান কৰিছে। জংঘল ব্লক হাইস্কুল, খৰিকটীয়া হাইস্কুল, বংশীগোপাল হাইস্কুলৰ পৰা যিসকল ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰিলে তেওঁলোকক একগোট কৰি সম্পূৰ্ণ বিনামূলীয়া পাঠদানৰ ব্যৱস্থা কৰি আহিছে এইকেইজন শিক্ষকে। এই সন্দৰ্ভত জানিবলৈ দিয়া মতে প্ৰতি দিনে পুৱা ১০ বজাৰ পৰা এঘন্টীয়া অনুপ্ৰেৰণামূলক বিশেষ পাঠদান হয়। তাৰ পাছত গণিত, বিজ্ঞান আৰু ইংৰাজী বিষয়ৰ পাঠদান বিয়লি দুই বজালৈ হয়। প্ৰতি দেওবাৰে হোৱা অনুপ্ৰেৰণামূলক বিশেষ পাঠদানত আজিৰ অতিথিৰূপে এছিয়ান ফুটবল কনফেডাৰেছনৰ লাইচেন্সপ্ৰাপ্ত ফুটবল প্ৰশিক্ষক, প্ৰাক্তন ৰাজ্যিক ফুটবলাৰ খগেন শইকীয়াৰ লগতে ফুটবল প্ৰশিক্ষক ঋতু দাসে অংশগ্ৰহণ কৰে। ফুটবল প্ৰশিক্ষক খগেন শইকীয়াই বক্তব্য প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিটো কামৰ বাবে পৰিকল্পনা তৈয়াৰ কৰি ল'বলৈ আহ্বান জনায়। এইদৰে পৰিকল্পনা কৰি কাম কৰিলে সফল হ'ব পাৰি বুলি তেওঁ লগতে মন্তব্য কৰে। উল্লেখ্য যে ইতিমধ্যে কে'বাটাও সপ্তাহ অতিক্ৰম কৰা এই অনুষ্ঠানত প্ৰায় ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পাঠদান গ্ৰহণ কৰিছে। এই বিশেষ পাঠদানলৈ সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দ্বীপ দত্ত, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ যোৰহাট জিলাৰ উপদেষ্টা দীপক তাঁতী, বংশীগোপাল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অসীম গগৈ, জংঘল ব্লক উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ধৰ্মেশ্বৰ বৰুৱা আদিয়ে শুভকামনা জ্ঞাপন কৰি এনে কাৰ্যৰ শলাগ লৈছে। শিক্ষককেইজনৰ এনে মহৎ কাৰ্য নিতান্তই প্ৰশংসনীয় বুলি সচেতন ৰাইজে মতপোষণ কৰিছে।

# শিশু-মহিলাৰ লগত মানসিক-শাৰীৰিক অপৰাধৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে কাম কৰিব ইউনিটে

## শিৱসাগৰত আৰক্ষী সঞ্চালক প্ৰধান মহন্ত

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৩১ জুলাই ঃ** শিৱসাগৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই জিলাখনৰ শীৰ্ষ আৰক্ষী বিষয়াসকলৰ স'তে এক বৈঠকত অংশগ্ৰহণ কৰে। উক্ত বৈঠকত শিশু-মহিলাৰ লগত হোৱা অপৰাধৰ লগত মোকাবিলা কৰিবলৈ আৰক্ষীৰ প্ৰয়াস আৰু প্ৰচেষ্টা সন্দৰ্ভত আলোচনা কৰা হয়। শিশু সংৰক্ষণ অধিনিয়ম ২০১৫ আৰু শিশু সংৰক্ষণ নিয়মাৱলী ২০১৬ৰ অধীনত প্ৰতি জিলাৰ প্ৰতিখন আৰক্ষী চকীত জুভেনাইল স্পেচিয়েল পুলিচ ইউনিট গঠত কৰা হৈছে বুলি অৱগত কৰি সঞ্চালক প্ৰধানজনে কয় যে ইয়াৰ লগতে এই ইউনিটৰ ওপৰত এজন শিশু কল্যাণ বিভাগৰ বিষয়াক নিয়োগ কৰা হ'ব। শিশুৰ লগত জড়িত যিকোনো অপৰাধমূলক কাৰ্যত এই বিষয়াজনে চোৱাচিতা কৰিব। ৰাজ্যৰ পাঁচখন জিলাত এই ইউনিটে কাম কৰিব লগতে ৰাজ্যৰ ১১ খন জিলাত শিশু আৰু মহিলা কোষ গঠন কৰি তেওঁলোকক প্ৰশিক্ষণ দিয়া হ'ব। পস্ক' আইনৰ অধীনৰ যিকোনো অপৰাধ, ধৰ্ষণ আদিৰ ভুক্তভোগী হোৱা দুৰ্ভগীয়া শিশুৰ লগত ফুলতকৈ কোমল আৰু অপৰাধীৰ লগত ব্ৰজৰ দৰে কঠোৰ হ'ব বুলি সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰিছে মহন্তই।

# কুমাৰীকাটাত সদৌ অসম আদিবাসী ছাত্ৰ

১২ *পৃষ্ঠাৰ পৰা* আঁতধৰা বিশেষ অভিনন্দন অনুষ্ঠানত বাগ্‌সা জিলা চানতাল ছাত্ৰ সন্থাৰ সম্পাদক ষ্টিফেন মুৰ্মু, বাগ্‌সা জিলা আটছাৰ সভাপতি ধনুশ মহালিৰ, চানতাল সাহিত্য সভাৰ সাংগঠনিক সম্পাদক দক্ষিণ হেম্বৰম, হৰেন টুডু, শিক্ষক সন্তোষ চৰেন, কে'বাজনো সমাজকৰ্মীৰ লগতে ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকল উপস্থিত থাকে।

# মাইনা নায়কক ক্ষতিপূৰণ দিবলৈ অসম

১২ *পৃষ্ঠাৰ পৰা* নিৰ্দেশনা জাৰি কৰিছিল যদিও বাগিচা কৰ্তৃপক্ষই বৰ্তমানেও কোনো সঁহাৰি নজনোৱাটো অতি নিন্দনীয় বুলি বিবৃতিটোত উল্লেখ কৰিছে। এনে অমানুষিক ভাৱধাৰাৰ বাবেই চাহ শ্ৰমিকৰ জীৱনৰ সুৰক্ষা বা নিৰাপত্তাৰ দিশটোৰ গুৰুত্ব আজিকোপতি শূন্য হৈ আছে। স্বগোষ্ঠীয় মন্ত্ৰী, সাংসদ, বিধায়কসকল জনগোষ্ঠীটোৰ সৰলভাৱে মাত নমতাৰ খাতিৰত বহু মাইনাই কৰ্তৃপক্ষৰ নিৰ্লিপ্ততাত সঠিক সময়ত বাহন যোগানৰ অভাৱত চিকিৎসক, নাৰ্ছৰ পৰিচৰ্যা অবিহনেই বাগিচাত প্ৰসৱ যন্ত্ৰণাত ছটফটাই মৃত্যুক সাৱটিবলগীয়া হৈছে বুলি উল্লেখ কৰিছে।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত

১২ *পৃষ্ঠাৰ পৰা* গুৱাহাটীৰ বিলাসী হোটেলত ৰাখি মহাৰাষ্ট্ৰৰ শিৱসেনাৰ চৰকাৰ ভংগ কৰাৰ ষড়যন্ত্ৰত তেওঁ কেনেধৰণে লিপ্ত আছিল সেয়া সকলোৱে প্ৰত্যক্ষ কৰিলে। এইবাৰ ঝাড়খণ্ড চৰকাৰখন ধন ভাবুকি আৰু প্ৰলোভনেৰে ভংগ কৰাৰ অভিযোগ উত্থাপন হৈছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওপৰত। সেয়াও শাসকীয় ঝাড়খণ্ড মুক্তি মৰ্চাৰ এজন বিধায়ক কুমাৰ জয়মংগলে। তেওঁক ইতিমধ্যে কলিকতাত হিমন্ত বিশ্ব শৰ্মাৰ তৰফৰ পৰা ১০ কোটি টকা আৰু কেবিনেট মন্ত্ৰীৰ প্ৰলোভন দিয়া হৈছে বুলি লিখিত অভিযোগ উত্থাপন কৰিছে।' এই গোটেই বিষয়টোৰ সন্দৰ্ভত বিৰোধী দলপতি শইকীয়াই বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

# ভোটাৰ কাৰ্ডৰে সংযোগ কৰাব লাগিব

১২ *পৃষ্ঠাৰ পৰা* পত্ৰত থাকিব চাৰিটা পৃষ্ঠা। নতুন ভোটাৰৰ বাবে ব্যৱহাৰৰ বাবে হ'ব ছয় নম্বৰ প্ৰ-পত্ৰ। ৬(খ) নম্বৰ প্ৰ-পত্ৰ ব্যৱহাৰ হ'ব আধাৰ লিংকৰ বাবে। নাম শুধৰণিৰ বাবে ব্যৱহাৰ হ'ব আঠ নম্বৰ প্ৰ-পত্ৰ। নাম কৰ্তনৰ বাবে ব্যৱহাৰ হ'ব সাত নম্বৰ প্ৰ-পত্ৰ। অনলাইন পদ্ধতিৰে এই প্ৰক্ৰিয়া সম্পন্ন কৰাৰ লক্ষ্য। সংবাদমেলখনত উপস্থিত থকা জিলা নিৰ্বাচনী বিষয়া মানবেন্দ্ৰ ভড়ালী আৰু অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ শৰ্মাই অফলাইনৰ পৰিৱৰ্তে অনলাইনযোগে নাম পঞ্জীয়ন, সংশোধন আদি কৰাত অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনায়।

# শিশুৰ উৎকৃষ্ট যতনৰ বাবে ৰাজ্যিক

১২ *পৃষ্ঠাৰ পৰা* সাফল্য সন্দৰ্ভত বিষয়ববীয়া মনমোহন ডেকাই কয় যে শিশুগৃহৰ আটাইকেইগৰাকী ধাতৃ মা বা কৰ্মচাৰীসকল শিশুৰ যতনৰ ক্ষেত্ৰত সমানে দায়বদ্ধ যদিও ইয়াৰে দুগৰাকীৰ বাবে এই পুৰস্কাৰ আগবঢ়োৱা হৈছে। এই সময়োচিত ৰাজহুৱা স্বীকৃতিয়ে শিশুগৃহৰ সকলো কৰ্মচাৰী আৰু পৰিচালন কৰ্তৃপক্ষই যথেষ্ট উৎসাহিত কৰা বুলি তেওঁ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। বিষয়ববীয়া ডেকাই লগতে জনোৱা মতে ২০১৮ৰ পৰা শিশু অনুষ্ঠানটোৰ ছটি নৱজাতক শিশুৰ অসমকে ধৰি ভাৰতৰ বিভিন্ন ৰাজ্যলৈ আৰু এটা শিশু বিদেশলৈ আইনগতভাৱে দত্তক গ্ৰহণ ইতিমধ্যে সম্পন্ন হৈছে। আন তিনিটি শিশুৰ দত্তক গ্ৰহণ প্ৰক্ৰিয়া বৰ্তমান অব্যাহত আছে আৰু দুটি দিব্যাংগ শিশুৰ লগতে মুঠ পাঁচটি শিশুক বৰ্তমান যত্ন আৰু সুৰক্ষা প্ৰদান কৰি থকা হৈছে। খবৰটো শিশু জিলা উপায়ুক্ত তথা জিলা শিশু সুৰক্ষা সমিতিৰ অধ্যক্ষ প্ৰণৱ কুমাৰ শৰ্মাই শিশুগৃহৰ সমূহ কৰ্মচাৰী আৰু পৰিচালনা কৰ্তৃপক্ষলৈ অভিনন্দন জ্ঞাপন কৰে।

# ডিমাকুছিত ১০ বছৰ পূৰ্বে বনোৱা

১২ *পৃষ্ঠাৰ পৰা* ডিমাকুছি গাঁৱৰ লগতে নিকটৱৰ্তী বহু গ্ৰাম্য অঞ্চলৰ সাধাৰণ ৰাইজে বছৰ বছৰ ধৰি লেতেৰা কুঁৱা, খাল-ডোঙৰ লেতেৰা পানী সেৱন কৰিবলৈ বাধ্য হৈছে। যাৰ ফলত অঞ্চলটোৰ সৰ্বসাধাৰণ লোকে বিভিন্ন মাৰাত্মক ৰোগত আক্ৰান্ত হোৱা পৰিলক্ষিত হৈছে। জিলাখনৰ ভেৰগাঁও মহকুমাৰ অন্তৰ্গত তিনি নম্বৰ উত্তৰ ডিমাকুছিত প্ৰায় ১৬০ ঘৰ ৰাইজৰ মাজত এটা ৰাজহুৱা কুঁৱা নিৰ্মাণ কৰিছিল যদিও উক্ত কুঁৱাটো বিকল হোৱাৰ পাছত প্ৰায় ১০ বছৰ পূৰ্বে চৰকাৰে গাঁওখনত এটা মিনি ব'ৰিং স্থাপন কৰিছিল যদিও আজিলৈকে এটোপাল বিশুদ্ধ পানী সেৱন কৰিব নোৱাৰিলে। উক্ত স্থান এতিয়া হাবি-জংঘলেৰে আৱৰা। এসময়ত আদৰ্শ বিটিচি গঢ়াৰ সপোন ৰচি প্ৰাক্তন বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ দিনত ঠায়ে ঠায়ে খোৱাপানীৰ আঁচনি বনাইছিল ঠিকে কিন্তু তাৰ পৰা কিমান লোকে উপকৃত হ'ল সেয়া আঙুলি মূৰত গণিব পৰা লেখীয়া অৱস্থা। ডিজিটেল ইণ্ডিয়া গঢ়াৰ সপোন ৰচা চৰকাৰৰ দিনত হাবি-জংঘলেৰে পৰিপূৰ্ণ হৈ পৰি আছে উক্ত খোৱাপানী যোগান আঁচনিখন। এতিয়া পৰিৱৰ্তনৰ শ্ল'গান দি অহা বিজেপি, ইউপিপিএল মিত্ৰজোঁটৰ বিটিচি প্ৰধান প্ৰমোদ বড়োৱে জনসাধাৰণৰ সমস্যা নাইকিয়া কৰিব বিচাৰিছে ঠিকে, কিন্তু আজিলৈকে কোনো ধৰণৰ সমস্যা সমাধান কৰাৰ পৰিলক্ষিত নহ'ল বুলি গাঁওখনৰ ৰাইজে অভিযোগ কৰে। প্ৰকল্প নিৰ্মাণ হ'ল ঠিকেই কিন্তু দুখৰ বিষয় খোৱাপানী প্ৰকল্প নিৰ্মাণ কৰাৰ দিনৰ পৰাই আজিলৈকে এটুপিও পানী নাপালে গাঁওবাসীয়ে। এতিয়া এটুপি খোৱাপানীৰ বাবে হাহাকাৰ কৰি অহা গাঁওবাসীয়ে অতি সোনকালে প্ৰকল্প মেৰামতি কৰি দিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে। নে পূৰ্বৰ দৰে খোৱাপানীৰ যোগান আকৌ এবাৰ হ'ব নেকি নিৰ্বাচনী পাৰ হোৱাৰ এজেণ্ডা। এই ক্ষেত্ৰত পানেৰী সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কেনে পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষ্যণীয়।

# ঘগ্ৰাপাৰত-ঘগ্ৰাজান আজিও বছৰ বছৰ

১২ *পৃষ্ঠাৰ পৰা* পানীয়ে প্ৰতিবাৰে কৃষকৰ ভুঁই বা কঠীয়াসমূহ নষ্ট কৰি পেলোৱাৰ বাবেও কৃষকসকলে মুৰে-কপালে হাত দিব লগা হয়। অঞ্চলটোৰ অতি পুৰণি প্ৰকৃতিভাৱে বৈ অহা জানটো মুকলি কৰি পানীবোৰ ভালদৰে উলিয়াই নিয়াৰ ব্যৱস্থা কৰাটো ৰাইজে বিচাৰিছে। ইপিনে, ঘগ্ৰাপাৰ-দামোধৰধাম পথটোৰ কৰাচৰ তল চ'কৰ পৰা ঘগ্ৰাজানৰ ওপৰেৰে চিলিংলৈ যোৱা পথটি বিধ্বস্ত হৈ পৰিছে। দুই নম্বৰ নিমুৱা লাটিমা এই পথটো দতৰা পঞ্চায়ত আৰু ঘগ্ৰাপাৰ পঞ্চায়তৰ অন্তৰ্গত যদিও পঞ্চায়তে বছৰ বছৰ ধৰি পথটো মেৰামতি নকৰিলে। যাৰ বাবে গাঁওখনৰ লগতে অঞ্চলটোৰ ৰাইজে জীয়াতু ভুগি আহিছে । বিগত ১৫ বছৰ কংগ্ৰেছৰ শাসন কালত আৰু বৰ্তমানৰ পৰিৱৰ্তনকামী বিজেপি নেতৃত্বাধীন চৰকাৰৰ দিনতো এই পথছোৱা উন্নয়ন নকৰিলে। দামোদৰধাম পথৰ পৰা নিমুৱা লাটিমা হৈ চিলিঙলৈ প্ৰায় তিনি কিলোমিটাৰ পথ আজিও বিধ্বস্ত হৈ থকাত কুন্দৰগাঁও, জানোপাৰ, নিমুৱা, লাটিমা, চিলিং আদি গাঁৱৰ ৰাইজে হাৰাশাস্তিৰ সন্মুখীন হৈ আহিছে বুলি অভিযোগ তুলিছে। সম্প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ লগতে ৰোগীক চিকিৎসালয়লৈ নিয়াৰ বাবে উপায় বিচাৰি নোপোৱা হৈছে । স্থানীয় ৰাইজ তথা গাঁওখনৰ সচেতন যুৱকসকলে পঞ্চায়ত প্ৰতিনিধি, স্থানীয় বিধায়ক তথা সাংসদকো উন্নয়নৰ বাবে আবেদন কৰি আহিছে যদিও এতিয়ালৈ সুফল পোৱা নাই । বৰ্তমানৰ বিজ্ঞানৰ যুগতো গ্ৰামাঞ্চলটো এনেদৰে অৱহেলিত হৈ থকাত ৰাইজে দুখ প্ৰকাশ কৰিছে। ইপিনে, নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, ১২ নম্বৰ দতৰা গাঁও পঞ্চায়তৰ সভানেত্ৰী মণিকা ডেকা, কাউন্সিলাৰ তৰুণ বুজৰবৰুৱায়ো এবাৰো এই জৰাজীৰ্ণ পথটো পৰিদৰ্শন নকৰাত ৰাইজ ক্ষুব্ধ হৈ পৰিছে। ইফালে, উক্ত সমস্যাৰ লগতে ঘগ্ৰাজানটোৰ পূব দিশৰ উন্মুক্ত হৈ থকা মথাউৰিটোৰ লগতে পশ্চিম দিশৰ বিধ্বস্ত ৰূপ ধাৰণ কৰা মথাউৰিটো শীঘ্ৰে বান্ধিবলৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ উপদেষ্টা ইন্তাজ আলী, সভাপতি আনোৱাৰ হুছেইন, সাধাৰণ সম্পাদক নৱজ্যোতি কলিতাই চৰকাৰক দাবী জনাইছে। অন্যথা আগন্তুক দিনত ৰাইজৰ সহযোগত গণতান্ত্ৰি ভাৱে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি ঘগ্ৰাপাৰ যুৱ-ছাত্ৰ পৰিষদে ভাবুকি প্ৰদান কৰিছে।

## শ্ৰদ্ধাঞ্জলি নৃপেন্দ্ৰ কুমাৰ দেৱ গোস্বামী

**জন্ম ঃ ১৯ ডিচেম্বৰ ১৯৪৯, মৃত্যু ঃ ২২ জুলাই ২০২২**



যোৱা শাওণৰ পাঁচ (২২ জুলাইত) শুকুৰবাৰে আমাৰ পৰম আৰাধ্য স্বামী/দেউতা/বৰদেউতা/শহুৰ দেউতা নৃপেন্দ্ৰ কুমাৰ দেৱ গোস্বামীৰ পৰলোকপ্ৰাপ্তি ঘটে। জীৱনকালত তেওঁ ন-সত্ৰ বাসুদেৱ দেৱালয়ৰ সত্ৰাধিকাৰৰ গুৰুদায়িত্ব নিয়াৰিকৈ পালন কৰাৰ উপৰি বৰপেটা চহৰৰ অগ্ৰগণ্য বাতৰি কাকত তথা গ্ৰন্থ বিপণীৰ প্ৰতিষ্ঠান জয়ন্তী ষ্টোৰ্ছৰ স্বত্বাধিকাৰী আছিল। সাহিত্য সভাৰ আজীৱন সদস্য হোৱাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠানৰ স'তে তেওঁ জড়িত হৈ আছিল। এক আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী প্ৰয়াত গোস্বামীৰ চাৰিত্ৰিক দৃঢ়তা আৰু পৰোপকাৰ আছিল সৰ্বজন বিদিত। আজি ১৫ শাওণ (এক আগষ্ট) আদ্যশ্ৰাদ্ধৰ দিনা তেওঁক আমি অশ্ৰুসিক্ত নয়নেৰে সুঁৱৰিছো আৰু বিদেহ আত্মাৰ চিৰশান্তিৰ উদ্দেশ্যে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাই একাঁজলি শ্ৰদ্ধাঞ্জলি যাচিলো।

সেৱাৰে

**পৰিয়ালবৰ্গৰ হৈ**
**নিৰুপমা গোস্বামী (সহধৰ্মিণী)**
**ন-সত্ৰ, গণককুছি, বৰপেটা**
**ফোনঃ ৯১০১১৮৬২২১**

# ভখুৰাদিয়াত মহিলা আত্মসহায়ক গোটৰ সজাগতা শোভাযাত্ৰা

## 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সফল কৰাৰ আহ্বান



**আলোপতি, ৩১ জুলাই ঃ** দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে পালন কৰা 'আজাদি কা অমৃত' মহোৎসৱৰ লগত সংগতি ৰাখি আজি 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সফল কৰাৰ বাবে দেশৰ অন্যান্য প্ৰান্তৰ লগতে কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত ভখুৰাদিয়াতো অঞ্চলটোৰ মহিলা আত্মসহায়ক গোটসমূহে ব্যাপক তৎপৰতা গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে কৰা পৰিকল্পনা অনুসৰি ১৩ ৰ পৰা ১৫ আগষ্টলৈ প্ৰতিটো বাসগৃহ আৰু কাৰ্যালয়ত যাতে জাতীয় পতাকা উৰুওৱা হয় তাৰ বিষয়ে সজাগ কৰিবলৈ অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ উদ্যোগত ভখুৰাদিয়াৰ নুৰ মহিলা গ্ৰাম্য সংগঠন আৰু ধৰণী মহিলা গ্ৰাম্য সংগঠনৰ মহিলাসকলে হাতে হাতে ত্ৰিৰংগা পতাকা লৈ সজাগতা শোভাযাত্ৰা উলিয়ায়। কাৰ্যসূচীত অংশগ্ৰহণ কৰা মহিলাসকলে 'আজাদি কা অমৃত মহোৎসৱ, ঘৰে ঘৰে পতাকা উত্তোলন কৰক' আদি ধ্বনিৰে অঞ্চলটোৰ পৰিৱেশ মুখৰিত কৰি তোলে। কাৰ্যসূচীত মহিলা গ্ৰাম্য সংগঠন দুটাৰ সভানেত্ৰী-সম্পাদিকা ক্ৰমে ৰৌশনাৰা আহমেদ, মালেকা খাতুন, আজিদা বেগম আৰু মমিৰণ নেছাৰ লগতে প্ৰায় শতাধিক মহিলাই অংশগ্ৰহণ কৰে।

# কচুৱাত জাপানী এনকেফেলাইটিছত পুনৰ এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**কচুৱা, ৩১ জুলাই ঃ** যোৱা নিশা কচুৱাত পুনৰ এজন লোকৰ জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। মৃত লোকজন কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত মাখন গাঁৱৰ তথা শিঙিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত চতুৰ্থবৰ্গৰ কৰ্মচাৰী বীৰেন ছেন (৬২)। তথ্য মতে যোৱা ২৪ জুলাইত জ্বৰত আক্ৰান্ত হৈ নগাঁও চহৰৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয় 'জিডি হাস্পতাল'ত চিকিৎসা সেৱা ল'বলৈ যাওঁতে তেওঁৰ তেজৰ নমুনা পৰীক্ষা কৰাত এই ৰোগ ধৰা পৰে। পাছত লগে লগে উন্নত চিকিৎসাৰ বাবে জিএমচি হাস্পতাললৈ প্ৰেৰণ কৰে। তাত সম্পূৰ্ণ এসপ্তাহ ভেন্টিলেছনত ৰাখি চিকিৎসা সেৱা আগবঢ়াই আছিল যদিও যোৱা নিশা তেওঁৰ মৃত্যু হয়। জুলাইত কচুৱাত দুজনকৈ লোক এই ৰোগত মৃত্যু হোৱাত কচুৱা অঞ্চলৰ ৰাইজ বাৰুকৈ আতংকিত হৈ পৰিছে।

# নিজৰ ভাষাটো জীয়াই ৰাখিবলৈ সকলোৱে একক প্ৰচেষ্টাৰে আগবাঢ়িব লাগে

## কলিয়াবৰত সদৌ অসম লেখিকা সমাৰোহৰ সভানেত্ৰী-সম্পাদিকা সন্মিলনত মন্ত্ৰী কেশৱ মহন্ত



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ৩১ জুলাই ঃ** 'নিজৰ ভাষাটো জীয়াই ৰাখিবলৈ সকলোৱে একক প্ৰচেষ্টাৰে আগবাঢ়িব লাগে। লেখিকা সমাৰোহে জন্মলগ্নৰে পৰা সমাজৰ হকে, নৱ প্ৰজন্মৰ হকে কাম কৰি আহিছে। মহিলাসকলৰ এনে বৃহৎ অনুষ্ঠান আৰু পদক্ষেপ হয়তো দেশৰ ভিতৰতে বিৰল।' আজি কলিয়াবৰৰ কুঁৱৰীটোলস্থিত মুক্তিযুঁজাৰু ভৱনত এই মন্তব্য কৰে ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত, কলিয়াবৰ লেখিকা সমাৰোহ সমিতিৰ সহযোগত প্ৰতিখন জিলা সমিতিৰ সভানেত্ৰী-সম্পাদিকাসকলৰ সন্মিলন অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি স্বাস্থ্যমন্ত্ৰী মহন্তই লেখিকা সমাৰোহৰ অতীত-বৰ্তমানৰ কৰ্মসূচীৰ প্ৰশংসা কৰাৰ লগতে ভৱিষ্যত নিৰ্মাণত এই অনুষ্ঠানটিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ আশা প্ৰকাশ কৰে।

সন্মিলনত আজি পুৱা পতাকা উত্তোলন কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথে। লেখিকা সমাৰোহৰ কলিয়াবৰ জিলা সমিতিৰ সভানেত্ৰী ৰেখা দেৱীয়ে বন্তি প্ৰজ্বলন কৰাৰ পাছতে দিনৰ ১১-৩০ বজাৰ পৰা অনুষ্ঠিত মুকলি সভাত পৌৰোহিত্য কৰে সমাৰোহৰ সভানেত্ৰী ড° চহৰীয়া নাথে। লেখিকা সমাৰোহৰ উপদেষ্টা স্বৰ্ণ বৰুৱা গগৈয়ে উদ্বোধন কৰা সভাখনিত আদৰণি ভাষণ প্ৰদান কৰে আদৰণি সমিতিৰ সভানেত্ৰী মামনি ভূঞা হাজৰিকাই। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উত্তৰণত জিলা আৰু শাখা সমিতিসমূহৰ ভূমিকা সম্পৰ্কত আলোকপাত কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈয়ে। এই অনুষ্ঠানতে মন্ত্ৰী মহন্তক সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ তৰফৰ পৰা বিশেষ সম্বৰ্ধনা জনোৱাৰ লগতে সকলো জিলা সমিতিয়ে সুকীয়াকৈ সন্মান যাঁচে। দিনজোৰাকৈ আয়োজিত সন্মিলনখনত ৰাজ্যৰ প্ৰতিখন জিলা সমিতিৰ সভানেত্ৰী-সম্পাদিকাকে ধৰি অন্যান্য বিষয়ববীয়াৰ লগতে আন আন সদস্যাসকলেও অংশগ্ৰহণ কৰে।

# তেজপুৰত চৰকাৰী আঁচনি ৰূপায়ণত চীনত নিৰ্মিত সামগ্ৰী ব্যৱহাৰৰ অভিযোগ



**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ৩১ জুলাই ঃ** দেশৰ চৰকাৰে 'মেক ইন ইণ্ডিয়া' নীতিক সৰ্বাধিক গুৰুত্ব দিয়াৰ লগতে দেশৰ সীমাত অশান্তিৰ সৃষ্টি কৰি অহা প্ৰতিবেশী ৰাষ্ট্ৰ চীনত নিৰ্মিত সামগ্ৰী ব্যৱহাৰ নকৰিবলৈ সৰ্বসাধাৰণলৈ ৰাজহুৱা আহ্বান জনাই আহিছে। কিন্তু সম্প্ৰতি এই চীনা সামগ্ৰীয়েই ব্যৱহাৰ কৰা হৈছে চৰকাৰীভাৱে। অভিযোগ অনুসৰি, শোণিতপুৰৰ বিহগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত অঞ্চলতে সংঘটিত হৈছে এনে ঘটনা।

উল্লেখ্য যে তেজপুৰৰ নিকটৱৰ্তী বান্দৰমাৰীত বিহগুৰি উন্নয়ন খণ্ডৰ জৰিয়তে কৰা পথৰ পোহৰৰ ব্যৱস্থাত ব্যৱহাৰ কৰা হৈছে চীনা সামগ্ৰী। উল্লেখ্য যে আদৰ্শ গাঁও হিচাপে গ্ৰহণ কৰা এই আঁচনিৰ বিপৰীতে এই অঞ্চলত সৌৰশক্তিচালিত পোহৰৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে আবণ্টিত প্ৰায় ১০ লাখ টকাৰে মুঠ ৩৪টা ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰা হৈছে বান্দৰমাৰীত। কিন্তু এই সকলো লাইটেই চীনা কোম্পানীৰ দ্বাৰা নিৰ্মিত হোৱাত এই লাইটসমূহ কিমান দিনলৈ কাৰ্যক্ষম হৈ থাকিব সেই লৈ প্ৰশ্ন উঠিছে একাংশ সচেতন লোকৰ মাজত।

প্ৰণিধানযোগ্য যে এই চীনা লাইটৰ মূল্য কম হোৱা বাবেই দেশী কোম্পানীৰ লাইটৰ তুলনাত এইবিধ কিছু অধিক সংখ্যাত ক্ৰয় কৰিব পাৰি। ইয়াৰ বিপৰীতে এই লাইটৰ পোহৰ আৰু কাৰ্যক্ষমতাৰ আয়ুস কিন্তু আনতকৈ কম বুলি অভিযোগ উঠি আহিছে। আনকি শোণিতপুৰৰে বালিপৰা উন্নয়ন খণ্ডৰ অধীনস্থ আন এক অঞ্চলত প্ৰথম অৱস্থাত এনে লাইট ব্যৱহাৰ কৰাৰ পাছত হোৱা ৰাজহুৱা আপত্তিৰ পৰিপ্ৰেক্ষিতত এনে লাইট আঁতৰাই পুনৰ নতুনকৈ লাইট লগাবলগীয়া হৈছিল। তদুপৰি বান্দৰমাৰী অঞ্চলত ব্যৱহাৰ কৰা এনে লাইটৰ খুঁটাৰো পাৰ্থক্য থকা বুলি অভিযোগ কৰি স্থানীয় একাংশ লোকে এই বিষয়টো উপায়ুক্তক পৰ্যবেক্ষণ তথা ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

# জলসম্পদ বিভাগৰ কৰ্মচাৰীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৩১ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত ৩১ নম্বৰ ঘাইপথ বিলপাৰ-নাৰিকুছি চ'কত আজি পুৱা প্ৰায় ১০ বজাত সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোকৰ থিতাতে মৃত্যু হয়। 'কিলাৰ হাইৱে'খ্যাত ঘাইপথ পাৰ হ'বলৈ ধৰাত ৰঙিয়া পৰা নলবাৰী অভিমুখে গৈ থকা তীব্ৰ বেগী এখন চাৰিচকীয়া বাহনে প্ৰচণ্ড খুন্দা মৰাৰ ফলত লোকজনৰ থিতাতে মৃত্যু হয়। ঘটনাস্থলীত ঘগ্ৰাপাৰ থানাৰ আৰক্ষী আহি মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নলবাৰী ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। দুৰ্ঘটনাত মৃত লোকজন নলবাৰী জলসম্পদ বিভাগৰ কৰ্মচাৰী তথা বেলশৰ থানাৰ অন্তৰ্গত পিপলিবাৰী গাঁৱৰ গিৰিন্দ্ৰ বৈশ্য (৫৪)।

## চকুমুদা কুলিৰ ভাৱত বন বিভাগ

# বকোৰ ভিন্ন ঠাইত অবাধে চলিছে বালিৰ ৰমৰমীয়া বেহা

**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ৩১ জুলাই ঃ** ৰাজ্যৰ ভিন্ন ঠাইত একাংশ চোৰাং ব্যৱসায়ীয়ে কৌশলেৰে লাখ লাখ টকাৰ চৰকাৰী কৰ ফাকিৰে দৈনিক চলাই আহিছে চোৰাং বালিৰ ৰমৰমীয়া ব্যৱসায়। শেহতীয়াকৈ পশ্চিম কামৰূপ বন সংমণ্ডল আৰু নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ ডাওকাটা দিয়া, নগৰবেৰা, মালিবাৰী, ডেকাচাং, শিংৰা আদি অঞ্চলত কেইজনমান চোৰাং বালি সৰবৰাহকাৰীয়ে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত হৈ অসম চৰকাৰক ৰাজহ ফাকিৰে দৈনিক লাখ লাখ টকাৰ বালি সৰবৰাহ কৰি আছে। বিশেষকৈ মালিবাৰীৰ মাজেৰে বৈ যোৱা জলজলী নদীৰ পৰা বালি খনন কৰি থকাত নদীৰ দুয়োপাৰত বসবাস কৰা লোকে বাৰিষা তথা খৰালিতো শংকাৰে দিন পাৰ কৰিবলগীয়া হয়।

যি সময়ত বান আৰু খহনীয়াই নদীপৰীয়া ৰাইজৰ বিস্তৰ ক্ষতি কৰে, তেনে সময়তে জলজলী আৰু



কলহী নদীত দিনে-নিশাই ৰঙা বালি খনন কৰি নদীৰ বুকু গহীন বনাই গৰাখহনীয়া হোৱাৰ পথ প্ৰশস্ত কৰাত ৰাইজে জাণ্ডুৰ খাই উঠিছে। সময়ে সময়ে ৰঙা বালি খননৰ বিৰুদ্ধে স্থানীয় ৰাইজ তথা দল-সংগঠনে বন বিভাগক অভিযোগ কৰে যদিও বিভাগটোৰ বিষয়া-কৰ্মচাৰীয়ে চকু মুদা কুলিৰ ভাও জুৰি মাজে মাজে অভিযান চলায় যদিও তাত ৰাইজে উপকৃত হোৱাকৈ অভিযান নকৰে বুলি অভিযোগ কৰে নদীপৰীয়া ৰাইজে। উল্লেখ্য যে একাংশ বালি মাফিয়াই নিজৰ মুনাফাৰ বাবে ১০ৰ জীৱন আৰু সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰি বালি খনন কৰা কাৰ্যক বন বিভাগে সমুলাঞ্চে নোহোৱা কৰিবলৈ ৰাইজে দাবী কৰে।

# মৰিগাঁৱত সোণালী জয়ন্তী বৰ্ষীয় দুৰ্গা পূজাৰ অস্থায়ী কাৰ্যালয় উদ্বোধন



**মৰিগাঁও, ৩১ জুলাই ঃ** মৰিগাঁও সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পুজা উৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত আগন্তুক এক অক্টোবৰৰ পৰা অনুষ্ঠিত হ'ব লগা সোণালী জয়ন্তী বৰ্ষীয় দুৰ্গোৎসৱৰ আজি মৰিগাঁও চহৰত এটি অস্থায়ী কাৰ্যালয় উদ্বোধন কৰা হয়। মৰিগাঁও চহৰৰ মজলীয়া বিদ্যালয়ৰ সন্মুখত স্থাপন কৰা এই অস্থায়ী কাৰ্যালয়টো আজি পুৱাৰ ভাগত মংগল ধ্বনিৰে ফিটা কাটি উদ্বোধন কৰে সোণালী জয়ন্তী বৰ্ষীয় দুৰ্গোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত কাৰ্যবাহী অভিযন্তা শিশিৰ কুমাৰ শৰ্মাই। এই অনুষ্ঠানত পূজা উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ক্ৰমে যতীন শৰ্মা, ৰাজু শৰ্মা, সম্পাদক নিপুল বৰকটকী, প্ৰাক্তন সভাপতি ক্ৰমে সত্যব্ৰত বৰঠাকুৰ, অতুল বৰুৱা, প্ৰাক্তন সম্পাদক শান্তনু শৰ্মা সহিত বহুকেইজন বিষয়ববীয়া আৰু সদস্য উপস্থিত থাকে। উল্লেখযোগ্য যে মৰিগাঁও সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গ পূজা উৎসৱ উদ্‌যাপন সমিতিয়ে এইবাৰৰ সোণালী জয়ন্তী বৰ্ষীয় দুৰ্গোৎসৱটি মহালয়াৰ পৰাই আৰম্ভ কৰাৰ লগতে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি বৰ্ণাঢ্যৰূপে উদ্‌যাপন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।

# শতবৰ্ষ অতিক্ৰমা বৃদ্ধা সাৱিত্ৰীৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ৩১ জুলাই ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত কিচমৎ গাঁৱৰ ১০১ বছৰীয়া বয়োবিদ্ধ মহিলা সাবিত্ৰী কলিতাৰ যোৱা নিশা নিজ বাসভৱনত মৃত্যু হয়। তেওঁৰ মৃত্যুত আজি পশ্চিম বড়িগোগ সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজা মণ্ডপ সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে, ইয়াৰ উপৰি কিচমৎ গাঁও উন্নয়ন সমিতি, কিচমৎ কীৰ্তন ঘৰ পৰিচালনা সমিতি, মহিলা সমিতি, যুৱ সমাজ আদিয়ে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ-বোৱাৰী, জী-জোঁৱাই সমন্বিতে অসংখ্য গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

# নিশা জখলাবন্ধাত নৈশ বাছৰ পৰা উদ্ধাৰ বৃহৎ পৰিমাণৰ গাঞ্জা

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ৩১ জুলাইঃ** নৈশবাছত দৈনিক উজনি-নামনিলৈ সৰবৰাহ হৈ আহিছে ভাং আদিকে ধৰি নিচাযুক্ত দ্ৰব্য। নিচাযুক্ত দ্ৰব্য সৰবৰাহৰ সহজ পথ হৈ পৰিছে নৈশ বাছ। যোৱা নিশা কলিয়াবৰৰ জখলাবন্ধাত এখন নৈশ বাছৰ পৰা বুজন পৰিমাণৰ গাঞ্জা উদ্ধাৰৰ পাছতে পোহৰলৈ আহিছে এই তথ্য। জখলাবন্ধাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত এখন বাছৰ পৰা উদ্ধাৰ হৈছে এই বুজন পৰিমাণৰ গাঞ্জা। নিশা গুৱাহাটীৰ পৰা তিনিচুকীয়া অভিমুখী এখন নৈশ বাছত নগাঁৱৰ পৰা যাত্ৰীৰ ৰূপত গাঞ্জাৰ স'তে উঠিছিল দুই গাঞ্জা সৰবৰাহকাৰী। এক বিশেষ খবৰৰ ভিত্তিত কলিয়াবৰ মহকুমা আৰক্ষী বিষয়া মৃণ্ময় দাসৰ নেতৃত্বত চলা অভিযানত জখলাবন্ধা আৰক্ষীয়ে নৈশ বাছখনৰ পৰা উদ্ধাৰ কৰে প্ৰায়ে ১৭ কিলোগ্ৰাম গাঞ্জা। গাঞ্জাখিনিৰ বজাৰ মূল্য প্ৰায় পাঁচ লাখ টকা। আৰক্ষীয়ে অনুজ নামৰ নৈশ বাছখনৰ পৰা উদ্ধাৰ কৰে এই বৃহৎ পৰিমাণৰ গাঞ্জা। লগতে আটক কৰে এই অবৈধ গাঞ্জা সৰবৰাহৰ লগত জড়িত দুজন সৰবৰাহকাৰীক। আটকাধীন দুই সৰবৰাহকাৰীক ধৰি দিয়া ক্ষেত্ৰত সহযোগিতা আগবঢ়াই আৰক্ষীক। গাঞ্জা উদ্ধাৰ কৰা পাছত পুনৰ মুকলি কৰি দিয়া হয় আন আন যাত্ৰীসহ নৈশ বাছখনক। ঘটনা সন্দৰ্ভত কলিয়াবৰ আৰক্ষীয়ে ইতিমধ্যেই তদন্ত আৰম্ভ কৰিছে।

# ব্ৰাউন ছুগাৰসহ নগা যুৱক ধৃত



**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ৩১ জুলাই ঃ** অসম-নগালেণ্ডৰ মেৰাপানী সীমান্তত যোৱা নিশা ব্ৰাউন ছুগাৰসহ এজন নগা যুৱকক আটক কৰে চিআৰপিএফে। তথ্য মতে, নগালেণ্ডৰ ভাণ্ডাৰীৰ নিল'ট চুমি নামৰ নগা যুৱকজনে যোৱা নিশা প্ৰায় ন বজাত মেৰাপানীৰ পৰা ব্ৰাউন ছুগাৰ, নিচাযুক্ত টেবলেট ক্ৰয় কৰি নগালেণ্ড অভিমুখে গৈ থকা অৱস্থাত মেৰাপানীস্থিত ১৪২ নম্বৰ চিআৰপিএফৰ চেকগেটৰ তালাচীত আটক কৰে যুৱকজনক। আটকাধীন যুৱকজনক ড্ৰাগছসহ মেৰাপানী আৰক্ষী থানাত চমজাই দিয়ে। লক্ষ্যণীয় যে চিআৰপিএফে আটক কৰি মোৰাপনী আৰক্ষীৰ জিম্মাত দিয়া নগা যুৱকজনক মুকলি কৰি দিবৰ বাবে নিশাই মেৰাপানী থানাত উপস্থিত হয় নগালেণ্ড আৰক্ষী। আজি মেৰাপানী আৰক্ষীয়ে নগা যুৱকজনক গোলাঘাট জেললৈ প্ৰেৰণ কৰে। ইফালে, নগা যুৱকক গ্ৰেপ্তাৰ কৰা ঘটনাক লৈ সীমান্ত অঞ্চলটোত প্ৰতিক্ৰিয়া অব্যাহত আছে।



জনসংযোগ/ডিএফ/৯৫৪/২২



## কমনৱেলথ গেমছৰ ভাৰোত্তোলনত ভাৰতৰ জয়যাত্ৰা অব্যাহত

# জেৰেমিৰ সোণ, বিন্দিৰাণীৰ ৰূপ



কমনৱেলথ গেমছত অসম কন্যা পপী হাজৰিকা।

**বাৰ্মিংহাম, ৩১ জুলাই ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ ভাৰোত্তোলকৰ পদক জয়ৰ গৌৰৱময় যাত্ৰা অব্যাহত আছে। আজি তৃতীয় দিনা ভাৰোত্তোলনত ভাৰতে এটা সোণ আৰু এটা ৰূপ লাভ কৰিবলৈ সক্ষম হয়। মিজোৰামৰ যুৱ ভাৰোত্তোলক জেৰেমি লালৰিনুংগাই আজি পুৰুষৰ ৬৭ কিলোগ্ৰাম শাখাত খেলি চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতক দ্বিতীয়টো সোণৰ পদক দিবলৈ সক্ষম হয়। প্ৰথমবাৰৰ বাবে কমনৱেলথ গেমছ খেলা জেৰেমিয়ে স্নেচত অভিলেখ গঢ়ি ১৪০ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৬০ কিলোগ্ৰাম মুঠ ৩০০ কিলোগ্ৰাম উত্তোলন কৰি সোণ জয় কৰে। ইয়াৰপূৰ্বে কালি ভাৰোত্তোলনত ভাৰতক সোণ জয়ৰ গৌৰৱ দিছিল টকিঅ' অলিম্পিকৰ ৰূপজয়ী মণিপুৰ মহিলা ভাৰোত্তোলক মীৰাবাঈ চানুৱে। ক্ৰমাগত তিনিখন কমনৱেলথ গেমছত পদক জয়ৰ সফলতা লাভ কৰে চানুৱে। ইয়াৰপূৰ্বে ২০১৪ ত ৰূপ আৰু ২০১৮ ত সোণ লাভ কৰিছিল মীৰাবায়ে। উল্লেখ্য যে প্ৰতিভাবান ভাৰোত্তোলক জেৰেমি লালৰিনুংগাই ২০১৮ ত যুৱ অলিম্পিকত সোণ লাভ কৰাৰ লগতে বিশ্ব ভাৰোত্তোলনতো দেশক পদক দিছিল। আজি কমনৱেলথ গেমছত গৌৰৱময় স্বৰ্ণ জয়ৰ সফলতা লাভ কৰাৰ পাছতে মিজোৰামৰ যুৱ ভাৰোত্তোলক জেৰেমিক ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীসহ দেশৰ ভিন্নক্ষেত্ৰৰ বিশিষ্ট লোকে শুভেচ্ছা জনাইছে। ইফালে, জেৰেমিৰ পূৰ্বে মনিপুৰৰ মহিলা ভাৰোত্তোলক বিন্দিৰাণী দেৱীয়ে দেশক প্ৰতিনিধিত্ব কৰি ৫৫ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰে। তেওঁ স্নেচত ৮৬ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১১৬ কিলোগ্ৰাম মুঠ ২০২ কিলোগ্ৰাম উত্তোলন কৰি ৰূপ জয় কৰে। এই শাখাৰ সোণ লাভ কৰে নাইজেৰিয়াৰ আদিজাতে মুঠ ২০৩ কিলোগ্ৰাম উত্তোলন কৰি। ইয়াৰপূৰ্বে কালি ভাৰতক প্ৰথমটো পদক দিয়াৰ গৌৰৱ লাভ কৰিছিল পুৰুষ ভাৰোত্তোলক সংকেট সাগৰে। পুৰুষৰ ৫৫ কিলোগ্ৰাম শাখাত সংকেটে স্নেচত ১১৩ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৩৫ কিলোগ্ৰাম মুঠ ২৪৮ কিলোগ্ৰাম উত্তোলন কৰি ৰূপ জয় কৰিছিল। স্মৰ্তব্য যে কেৰিয়াৰৰ প্ৰথমখন কমনৱেলথ গেমছ খেলা সংকেটে অপ্ৰতিৰুদ্ধ হৈ সোণ দখল কৰাৰ দিশে অগ্ৰসৰ হৈছিল যদিও ক্লিন এণ্ড জাৰ্কৰ দ্বিতীয়টো উত্তোলনত আঘাত পোৱাত ৰূপৰ পদকতে সন্তুষ্ট থাকিব লগা হয়। আনহাতে, কালিয়ে ভাৰোত্তোলনত দেশক দ্বিতীয়টো পদক দিয়ে গুৰুৰাজা পুজাৰীয়ে। উল্লেখ্য যে পুৰুষৰ ৬১ কিলোগ্ৰাম শাখাৰ ভাৰোত্তোলনত ভাৰতৰ গুৰুৰাজা পুজাৰীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ভাৰতীয় ভাৰোত্তোলকজনে স্নেচত ১১৮ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৫১ কিলোগ্ৰাম মুঠ ২৬৯ কিলোগ্ৰাম উত্তোলন কৰি ব্ৰঞ্জ পদক জয় কৰে। স্মৰ্তব্য যে কমনৱেলথ গেমছত এয়া গুৰুৰাজা পুজাৰীৰ ক্ৰমাগত দ্বিতীয়টো পদক। ইয়াৰপূৰ্বে বিগত ২০১৮ ৰ গ'ল্ডক'ষ্ট কমনৱেলথ গেমছতো পুজাৰীয়ে ৰূপৰ পদক লাভ কৰিছিল।



## টেবুল টেনিছৰ কোৱাৰ্টাৰত পৰাস্ত হৈ বিদায় মহিলা দলৰ

# ছেমিফাইনেলত ভাৰতৰ পুৰুষ দল



**বাৰ্মিংহাম, ৩১ জুলাই ঃ** চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ মহিলা টেবুল টেনিছ দলে নিজৰ অভিযান সামৰিছে। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়া দলে ৩-২ ৰ ব্যৱধানত পৰাস্ত কৰে ভাৰতৰ মহিলা টেবুল টেনিছ দলক। মনিকা বাট্ৰাও পৰাস্ত হয় ৬-১১, ৩-১১, ৯-১১ ৰ ব্যৱধানত। উল্লেখ্য যে বিগত গ'ল্ডকষ্ট কমনৱেলথ গেমছত ভাৰতৰ মহিলা টেবুল টেনিছ দলে সোণৰ পদক লাভ কৰিছিল। কিন্তু এইবাৰ কোৱাৰ্টাৰ ফাইনেলতে নিজৰ অভিযান সামৰিলে। স্বাভাৱিকতে এয়া ভাৰতৰ মহিলা টেবুল টেনিছ দলৰ বাবে এক অপ্ৰত্যাশিত ফলাফল। এতিয়া পদকৰ আশা থাকিব ভাৰতৰ পুৰুষ টেবুল টেনিছ দলৰ ওপৰত। আজি হোৱা কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ পুৰুষ টেবুল টেনিছ দল মুখামুখি হয় বাংলাদেশৰ। একপক্ষীয় মেচখনত ভাৰতৰ পুৰুষ দলে ৩-০ ৰ ব্যৱধানত বাংলাদেশক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ইয়াৰপূৰ্বে ভাৰতৰ পুৰুষ টেবুল টেনিছ দলে ৩-০ ৰ ব্যৱধানত উত্তৰ আয়াৰলেণ্ডক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছিল। উল্লেখ্য যে ভাৰতৰ মহিলা টেবুল টেনিছ দলে প্ৰথম মেচত দক্ষিণ আফ্ৰিকাক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে ভাৰতৰ পুৰুষ টেবুল টেনিছ দলে প্ৰথম মেচত বাৰ্বাডোজক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰি অভিযান আৰম্ভ কৰে।

# প্ৰি-কোৱাৰ্টাৰত পৰাস্ত হৈ কমনৱেলথ গেমছৰ পৰা বিদায় ল'লে শিৱ থাপাই



**বাৰ্মিংহাম, ৩১ জুলাই ঃ** বাৰ্মিংহাম কমনৱেলথ গেমছত অসমৰ দুই ভাৰত গৌৰৱ বক্সাৰে দেশক প্ৰতিনিধিত্ব কৰা গৌৰৱ লাভ কৰিছিল যদিও মহিলা বক্সাৰ লাভলীনা বৰগোহাঁয়ে সহজে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰি পদক জয়ৰ সফলতা লাভ কৰিবলৈ এখোজ দূৰত আছে যদিও অভিজ্ঞ শিৱ থাপাই আজি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অপ্ৰত্যাশিতভাৱে পৰাস্ত হৈ বিদায় লয়। উল্লেখ্য যে ৬০ কিলোগ্ৰাম শাখাত খেলা দুবাৰৰ অলিম্পিয়ান শিৱক আজি হোৱা এখন কঠিন মেচত ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰে স্কটলেণ্ডৰ বক্সাৰ ৰীছে লীনছে। ইয়াৰ লগে লগে কমনৱেলথ গেমছত পদক জয়ৰ সপোন আৰু লক্ষ্যৰ কাৰ্যতঃ অন্ত পৰিল শিৱৰ বাবে। কাৰণ চাৰি বছৰ পাছত যে শিৱই পুনৰ কমনৱেলথ গেমছত খেলিব সেয়া অসম বক্সাৰজনৰ বাবে কঠিন প্ৰত্যাহবান হ'ব। উল্লেখ্য যে দুবাৰকৈ অলিম্পিক খেলা শিৱই বিশ্ব চেম্পিয়নশ্বিপত পদক লাভ কৰাৰ লগতে কেবাখনো আন্তৰ্জাতিক প্ৰতিযোগিতাত দেশক পদক দিছে যদিও পূৰ্বে কমনৱেলথ গেমছত খেলাৰ পাছতো পদক লাভ কৰা নাছিল। এইবাৰ সপোন পূৰ্ণ কৰাৰ আশা কৰিছিল শিৱৰ লগতে দেশবাসীয়ে। কিন্তু সেয়া বাস্তৱত নহ'ল। উল্লেখ্য যে দেশৰ তাৰকা বক্সাৰ অসম সন্তান শিৱ থাপাই সুন্দৰ জয়েৰে চলিত কমনৱেলথ গেমছত অভিযান আৰম্ভ কৰিছিল। পুৰুষৰ লাইট ৱেল্টৰৱেট ৬০ কিলোগ্ৰাম শাখাত খেলা শিৱই প্ৰথম ৰাউণ্ডৰ মেচত পাকিস্তানৰ চুলেমান বালোচৰ বিৰুদ্ধে ৫-০ ৰ চমকপ্ৰদ জয় সাব্যস্ত কৰিছিল। অসমৰ অৰ্জুন বঁটা বিজয়ী বক্সাৰ শিৱ থাপাই পাকিস্তানৰ প্ৰতিদ্বন্দ্বীগৰাকীক আক্ৰমণাত্মক খেলেৰে আটাইকেইটা গেমতে ধৰাশায়ী কৰে। উল্লেখ্য যে, মাত্ৰ ১৮ বছৰ বয়সত লণ্ডন অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰি ইতিহাস ৰচা অসমৰ শিৱ থাপা কমনৱেলথ গেমছত ভাৰতৰ অন্যতম পদক প্ৰত্যাশী খেলুৱৈ আছিল। বিশ্ব বক্সিং চেম্পিয়নশ্বিপত পদক জয়েৰে অসমবাসীক গৌৰৱান্বিত কৰা বক্সাৰগৰাকীয়ে এছিয়ান বক্সিং চেম্পিয়নশ্বিপত স্বৰ্ণ পদক জয় কৰিছে। ইফালে, শিৱ থাপাৰ লগতে ভাৰতৰ হৈ ৯২ কিলোগ্ৰাম শাখাত খেলা পুৰুষ বক্সাৰ সঞ্জিতেও প্ৰথম ৰাউণ্ডতে ছামোৱাৰ আলো লিউৰ হাতত ৩-২ ত পৰাস্ত হৈ কমনৱেলথ গেমছৰ পৰা বিদায় লৈছে।

## মহিলাৰ স্ক'ৱাছ-পুৰুষৰ লন বলৰ কোৱাৰ্টাৰত ভাৰত

# সপ্তম স্থানত থাকিল অসম কন্যা পপী





**বাৰ্মিংহাম, ৩১ জুলাই ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ ভাৰোত্তোলকৰ পদক জয়ৰ গৌৰৱময় যাত্ৰা অব্যাহত থকাৰ সময়তে প্ৰথমটো বিফলতা লাভ কৰিলে মহিলাৰ ৫৯ কিলোগ্ৰাম শাখাত দেশৰ হৈ খেলা অসমৰ প্ৰতিভাবান ভাৰোত্তোলক পপী হাজৰিকাই। উল্লেখ্য যে আজি হোৱা মহিলাৰ ৫৯ কিলোগ্ৰাম শাখাৰ খেলত অসম কন্যা পপীয়ে স্নেচত ৮১ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১০২ কিলোগ্ৰামসহ মুঠ ১৮৩ কিলোগ্ৰাম উত্তোলন কৰি সপ্তম স্থানতে সন্তুষ্ট থাকে। পপীয়ে স্নেচত প্ৰথম প্ৰয়াসতে ৮১ কিলোগ্ৰাম উত্তোলন কৰিছিল যদিও পৰৱৰ্তী দুটা চেষ্টাত ৮৬ কিলোগ্ৰাম ভাৰ লৈ ব্যৰ্থ হয়। আনহাতে, ক্লিন এণ্ড জাৰ্কত প্ৰথম প্ৰয়াসত ব্যৰ্থ হোৱাৰ পাছত দ্বিতীয়বাৰ ১০২ কিলোগ্ৰাম উত্তোলন কৰে যদিও অন্তিম চেষ্টাত পুনৰ ব্যৰ্থ হয়। প্ৰতিভাবান ভাৰোত্তোলক পপীৰ এয়া কেৰিয়াৰৰ প্ৰথমখন কমনৱেলথ গেমছ। ইফালে, ভাৰতৰ জ্যোৎস্না চিন্নাপ্পাই চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ মহিলাৰ একক শাখাৰ স্ক'ৱাছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। নিউজিলেণ্ডৰ প্ৰতিদ্বন্দ্বীক ১১-৮, ৯-১১, ১১-৪, ১১-৬ ত পৰাস্ত কৰে জ্যোৎস্নাই। ইয়াৰপূৰ্বে স্ক'ৱাছত ভাৰতৰ সৌৰভ ঘোষালে শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক ১১-৪, ১১-৪, ১১-৬ ৰ ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে ছোৱালীৰ শাখাত ভাৰতৰ জ্যোৎস্নাই বাৰ্বাডোজৰ প্ৰতিদ্বন্দ্বীক ১১-৮, ১১-৯, ১২-১০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল। ইফালে, ভাৰতৰ পুৰুষ দলে লন বলৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

# হেলাৰঙে কোৱাৰ্টাৰ ফাইনেলত লাভলীনা-নিখাত





**বাৰ্মিংহাম, ৩১ জুলাই ঃ** টকিঅ' অলিম্পিকৰ ব্ৰঞ্জজয়ী অসম কন্যা লাভলীনা বৰগোহাঁই আৰু বিশ্ব চেম্পিয়নশ্বিপত সোণ লাভ কৰাৰ নিখাত জাৰীনে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছৰ মহিলাৰ বক্সিঙৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি হোৱা প্ৰথম ৰাউণ্ডৰ মেচত ৭০ কিলোগ্ৰাম শাখাত খেলা লাভলীনাই ৫-০ ৰ ব্যৱধানত সহজে পৰাস্ত কৰে নিউজিলেণ্ডৰ অৰিনা নিকলছনক। এতিয়া কোৱাৰ্টাৰ ফাইনেলত লাভলীনা মুখামুখি হ'ব ৱেলছৰ ৰ'ছি ইকলেছৰ। এই মেচত জয়ী হোৱা মানেই কমনৱেলথ গেমছত পদক জয় নিশ্চিত হ'ব লাভলীনাৰ। উল্লেখ্য যে ইতিমধ্যে বিশ্ব চেম্পিয়নশ্বিপত দুবাৰ ব্ৰঞ্জ তথা অলিম্পিকতো ঐতিহাসিক ব্ৰঞ্জ লাভ কৰা লাভলীনাই বিগত কমনৱেলথ গেমছত কোৱাৰ্টাৰ ফাইনেলতে পৰাস্ত হৈছিল। কিন্তু এতিয়া লাভলীনা যথেষ্ঠ অভিজ্ঞ লগতে চতুৰ। উল্লেখ্য যে খেল আৰম্ভ হোৱাৰ পূৰ্বে চৰ্চা আৰু চাপত আছিল লাভলীনা। কমনৱেলথ গেমছৰ ভিলেজত প্ৰশিক্ষক সন্ধা গুৰুঙক প্ৰৱেশ কৰিব নিদিয়াত অনুশীলনত ব্যাঘাত জন্মা বুলি লাভলীনাই চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছিল। প্ৰশিক্ষকৰ অনুপস্থিতিত তেওঁ মানসিক অস্থিৰতাৰ সন্মুখীন হোৱা বুলি কৈ এয়া ৰাজনীতি বুলিও টুইটাৰত লাভলীনাই উল্লেখ কৰিছিল। এই বিষয় লৈ ক্ৰীড়াৰ পৰা ৰাজনীতিলৈ হৈ-চৈ লগাত প্ৰশিক্ষক গুৰুঙে ভিলেজত প্ৰৱেশৰ অনুমতি পত্ৰ লাভ কৰিছে। কিন্তু ইয়াৰ বাবে ভাৰতীয় বক্সিং দলৰ পৰা বাদ পৰি গ'ল চিকিৎসক আৰু মহিলাৰ মুখ্য প্ৰশিক্ষক ভাস্কৰ ভাট। ইফালে, উদ্বোধনী অনুষ্ঠানৰ মাজতে আঁতৰি আহি আন এক বিতৰ্কত সোমাই পৰিছিল অসম কন্যা। কিন্তু প্ৰথম ৰাউণ্ডৰ সহজ জয়ে এতিয়া সকলো বিতৰ্কৰ অন্ত পেলাইছে। লাভলীনাৰ পৰা পদক আশা কৰিছে দেশবাসীয়ে। ভাৰতীয়ই পদক আশা কৰিছে বিশ্ব চেম্পিয়নশ্বিপত সোণ লাভ কৰা নিখাত জাৰীনৰ পৰাও। আজি প্ৰথম ৰাউণ্ডৰ মেচত ৫০ কিলোগ্ৰাম শাখাত খেলা নিখাতে নক আউট কৰে মোৰাম্বিকৰ হেলেনা ইছমাইলক। এতিয়া কোৱাৰ্টাৰ ফাইনেলত নিখাত মুখামুখি হ'ব নিউজিলেণ্ডৰ ট'ৰী গীৰ্টনৰ। এই মেচত জয়ী হোৱা মানেই কমনৱেলথ গেমছত পদক জয় নিশ্চিত হ'ব নিখাতৰ।

## কঁঠালগুৰিৰ জয়

**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ৩১ জুলাই ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা ফুটবল লীগত কঁঠালগুৰি এফ চি দলে সম্পূৰ্ণ পইন্ট অৰ্জন কৰিছে। আজিৰ খেলত দলে নাগাজাংকা চাহ বাগিচা ফুটবল দলক ৬-০ গ'লত বিধ্বস্ত কৰে। আজিৰ জয়ৰ সূত্ৰে কঁঠালগুৰিয়ে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ সম্ভাৱনা অধিক সজীৱ কৰি তুলিলে। বিজয়ী দলৰ হৈ যোগেশ গোৱালাই তিনিটা তথা হৰেন গোৱালাই দুটা আৰু দিবাকৰ কালিন্দীয়ে এটা গ'ল দিয়ে। খেলখন পৰিচালনা কৰে প্ৰাঞ্জল পাওগাম, কল্লোল দেৱ, জয়ন্ত চেতিয়া আৰু এনেম মুণ্ডাই।

# যোৰহাট টাউন ক্লাব চেম্পিয়ন



চেন্টাৰৰ টেকনিকেল ডাইৰেক্টৰ মাৰ্ক টুইষ্ট আৰু জিলা ক্ৰীড়া সন্থাৰ সভাপতি শান্তনু পূজাৰী, সম্পাদক জুল খাউণ্ড , ফুটবল শাখাৰ সভাপতি ললিত বৰাক খেলুৱৈসকলৰ লগত পৰিচয় কৰি দিয়া হয়। চূড়ান্ত খেল শ্ৰেষ্ঠ খেলুৱৈ বঁটা লাভ কৰে যোৰহাট টাউন ক্লাবৰ বিবেক গুৰুঙে। সম্ভাৱনা পূৰ্ণ খেলুৱৈ বঁটা লাভ কৰে বৰভেটা স্পৰ্টচ ক্লাবৰ জিন্টু চাওৰাই। বঁটা প্ৰদান কৰে জেষ্ঠ ক্ৰীড়া সংগঠক ড০ তপন দত্তই। বৰভেটা স্প'ৰ্টচ ক্লাবক বঁটা প্ৰদান কৰে আইক্য থাউমৌং লগত তিনি হাজাৰ টকা প্ৰদান কৰে যোৰহাট জিলা ক্ৰীড়া সন্থাৰ ফুটবল সভাপতি ললিত বড়াই। চেম্পিয়ন দল যোৰহাট টাউন ক্লাবক বঁটা প্ৰদান কৰে যোৰহাট জিলা আৰক্ষী অধীক্ষক মোহন লাল মীনা লগতে নগদ পাঁচ হাজাৰ টকা প্ৰদান কৰে যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি শান্তনু পূজাৰীয়ে। যুটীয়া সম্পাদক বিমান বুঢ়াগোহাঁই আত ধৰা বটা প্ৰদান অনুষ্ঠানত যোৰহাট জিলাৰ জেষ্ঠ ক্ৰীড়া সংগঠক ননী দত্ত, জিলা ক্ৰীড়া সন্থাৰ লগতে জিলা ক্ৰীড়া সন্থাৰ ভালেকেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

**যোৰহাট,৩১ জুলাই ঃ** যোৰহাট টাউন ক্লাবে যোৰহাট এ ডিভিজন ফুটবলৰ খিতাপ দখল কৰিছে। যোৰহাট ষ্টেডিয়ামত আজি অনুষ্ঠিত ফাইনেলত দলে বৰভেটা স্পৰ্টছ ক্লাবক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আকৰ্ষণীয় খেলখনৰ ৪৩ মিনিটত বিবেক গুৰুঙে গ'ল কৰি টাউন ক্লাবক অগ্ৰগতি প্ৰদান কৰে। আনহতে, খেলৰ ৮৫ মিনিটত গৌতম বৰুৱাৰ গলেৰে টাউনে অগ্ৰগতি ২-০ কৰে। ইফালে, বৰভেটাৰ চন্দন নেওগক ৰেফাৰীয়ে ৰঙা কাৰ্ড দেখুওৱাত অন্তিম সময়ত ১০ জনেৰে খেলিব লগা হয়। বিপৰীতে ৯০ মিনিটত টাউন ক্লাবৰ বিবেকে দ্বিতীয়টো গল দি ৩-০ ৰ বিজয় নিশ্চিত কৰে। আজিৰ খেল পৰিচালনা কৰে সুমন্ত দত্তই। লাইনত পৰন পাঠক, বিমান সন্দিকৈয়ে। চতুৰ্থ ৰেফাৰী ৰাজদ্বীপ বড়া। ইয়াৰপূৰ্বে খেলখন উদ্বোধন কৰে প্ৰাক্তন ৰাজ্যিক খেলুৱৈ আইক্য থাউমৌংয়ে। এন আৰ এল কোচিং

# পাকিস্তানৰ বিৰুদ্ধে আঠ উইকেটত জয়ী ভাৰতীয় মহিলা ক্ৰিকেট দলৰ



**বাৰ্মিংহাম, ৩১ জুলাই ঃ** প্ৰথম মেচত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছত ভাৰতৰ মহিলা ক্ৰিকেট দলে শক্তিশালী প্ৰত্যাৱৰ্তন কৰি আজি চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ নিজৰ দ্বিতীয়খন মেচত পাকিস্তানক পৰাস্ত কৰি আত্মবিশ্বাস বৃদ্ধি কৰিছে। উল্লেখ্য যে বৰ্ষাবিঘ্নিত মেচখনত ভাৰতৰ মহিলা ক্ৰিকেট দল আঠ উইকেটত চমকপ্ৰদ বিজয় অৰ্জন কৰে পাকিস্তানৰ বিৰুদ্ধে। বৰষুণৰ বাবে মেচৰ অভাৰ হ্ৰাস কৰি ২০ পৰিবৰ্তে ১৮ অভাৰৰ কৰা হয়। টছত জয়ী হৈ বেটিং কৰা পাকিস্তান মহিলা দলে ১৮ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৯৯ ৰাণ কৰে। দলৰ হৈ মুনীবা আলীয়ে ৩২, আলিয়া ৰিয়াজে ১৮ আৰু বিছমহ মহৰুফে ১৭ ৰাণ কৰে। ভাৰতীয় মহিলা ক্ৰিকেট দলৰ হৈ স্নেহা ৰাণা আৰু ৰাধা যাদৱে দুটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত ১০০ ৰাণৰ বিজয়লক্ষ্য লৈ বেটিং কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলে বিস্ফোৰক আৰম্ভণি কৰি ১১.৪ অভাৰতে দুই উইকেটত ১০২ ৰাণ কৰি হেলাৰঙে জয় অৰ্জন কৰে। ভাৰতৰ স্মৃতি মান্ধানাই ৪২ বলত অপৰাজিত ৬৩ ৰাণ কৰে। মান্ধানাই আঠটা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰ মাৰে। তেওঁৰ লগত ইনিংছ মুকলি কৰা শ্বেফালীয়ে ১৬ ৰাণ কৰে। উল্লেখ্য যে প্ৰথম মেচত ভাৰতৰ মহিলা ক্ৰিকেট দল (১৫৪-৮ৰ তিনি উইকেটত পৰাস্ত হৈছিল অষ্ট্ৰেলিয়াৰ (১৫৭-৭ৰ বিৰুদ্ধে। অহা তিনি আগষ্টত বাৰ্বাডোজৰ বিৰুদ্ধে ভাৰতীয় মহিলা ক্ৰিকেট দলে তৃতীয় মেচখন খেলিব। ইফালে, এয়া পকিস্তানৰ ক্ৰমাগত দ্বিতীয় পৰাজয়। প্ৰথম মেচত পকিস্তানৰ মহিলা বাৰ্বাডোজৰ বিৰুদ্ধে পৰাস্ত হৈছিল।

## এ ডিভিজন লীগ আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ, ৩১ জুলাই ঃ** আজিৰে পৰা তেজপুৰৰ পলগ্ৰাউণ্ডত আৰম্ভ হৈছে অৰুণ চন্দ্ৰ শৰ্মা আৰু গোলাপ লতা দেৱী সোঁৱৰণী এ ডিভিজন ফুটবল লীগ। তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আয়োজিত এই ফুটবল প্ৰতিযোগিতাখনত অসম ৰাইফলছ,এন ই ফুটবল একাদশ,মাজগাঁও ফুটবল একাদশ, ৰাইন' ফুটবল একাদশ, সোণাবিল ফুটবল একাদশ, হকছ ফুটবল একাদশ, কলচি ফুটবল একাদশকে ধৰি মুঠ আঠটা দলে অংশগ্ৰহণ কৰিছে। আজি লীগৰ প্ৰথমখন খেল অনুষ্ঠিত হয় ৰাইন' ফুটবল একাদশ আৰু সোনাবিল চাহবাগাচা ফুটবল একাদশৰ মাজত। খেলখনত হেমতন আৰু কৰণ ছেত্ৰীৰ গলৰ সহায়ত ৰৰাইন' একাদশে ২-০ গ'লৰ ব্যৱধানত জয়লাভ কৰে। তেজপুৰ জিলা ক্ৰীড়া সংস্থাৰ সভাপতি জিতেন বৰঠাকুৰ, অসম অলিম্পিক সংস্থাৰ উপ সভাপতি ঋতুবৰণ শৰ্মা, তেজপুৰ নগৰ উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ বিৰাজ নাথ,পৌৰসভাৰ সভাপতি তথা প্ৰাক্তন ৰঞ্জী খেলুৱৈ প্ৰজ্ঞানু ভট্টাচাৰ্য,জিলা ক্ৰীড়া সংস্থাৰ উপসভাপতি তথা ফুটবল লীগৰ দাঁতা প্ৰয়াস শৰ্মা আদিৰ উপস্থিতিত অনুষ্ঠিত লীগখনৰ আৰম্ভণিতে সদ্যসমাপ্ত যুৱ অলিম্পিকত বিভিন্ন প্ৰতিযোগিতাত অংশলৈ তেজপুৰলৈ গৌৰৱ কঢ়িয়াই অনা ৩০ গৰাকী খেলুৱৈক আদৰণি জনোৱা হয়। উল্লেখ্য যে তেজপুৰৰ খেলুৱৈয়ে পাঁচটা সোণ,১২ টা ৰূপ আৰু ১৫ টা ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

## আন্তঃক্লাব ফুটবল

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া,৩১ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা নৱ কুমাৰ ভূএগ্ৰা সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত ক্ৰমে এছ টি ক্লাবে ৰেডক্ৰছ ক্লাবক ২-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰাৰ বিপৰীতে ৰেডিয়েণ্ট স্প'ৰ্টছ ক্লাব বনাম জে বি ক্লাবৰ মাজৰ খেলখন ২-২ গ'লত ড্ৰ' হয়। প্ৰথমখন খেলত এছ টি ক্লাবৰ হৈ গিৰীন্দ্ৰ হাঞ্চেয়ে গল দুটা দিয়ে। এই খেলপৰিচালনা কৰে অভিজিৎ ৰংহাঙ, কৃষ্ণকান্ত দাস, ৰয়েল ইছলাম আৰু পাৰ্শজ্যোতি দাসে। আনহাতে, দ্বিতীয়খন খেলত ৰেডিয়েণ্ট স্পৰ্ক্সৰ্টছ ক্লাবৰ হৈ সুমন কেম্প্ৰাই আৰু কুচ জুহেৰীয়ে গল দুটা দিয়াৰ বিপৰীতে জে বি ক্লাবৰ হৈ অনুৰাগ হোকাই আৰু বিৰাজ বৰদলৈয়ে গল কৰে। এই খেল পৰিচালনা কৰে চাহজাহান আলী চৌধুৰী, পবিত্ৰ বৰা, কল্যাণ বৰুৱা আৰু ৰাজীৱ তাঁতীয়ে।

# বেডমিণ্টনৰ কোৱাৰ্টাৰত ভাৰত



**বাৰ্মিংহাম, ৩১ জুলাই ঃ** পি ভি সিন্ধু নেতৃত্বনাধীন ভাৰতীয় মিক্সড বেডমিণ্টন দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰি পদক জয় নিশ্চিত কৰাৰ পৰা মাত্ৰ এখোজ দূৰত আছে। উল্লেখ্য যে গ্ৰুপৰ অন্তিমখন মেচত ভাৰতীয় মিক্সড বেডমিণ্টন দলে ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰে অষ্ট্ৰেলিয়াক। এই মেচখনত ভাৰতৰ দুবাৰৰ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধুই ২১-১০, ২১-১২ ৰ ব্যৱধানত জয়লাভ কৰাৰ বিপৰীতে কিদাম্বি শ্ৰীকান্তে ২১-১৪, ২১-১৩ ৰ ব্যৱধানত জয় সাব্যস্ত কৰে। আনহাতে, ডাবলছ শাখাত চিৰাগ-সমিথ যুটিয়ে ২১-১৬, ২১-১৯ ৰ ব্যৱধানত জয়লাভ কৰিবলৈ সক্ষম হয়। কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় মিক্সড বেডমিণ্টন দল মুখামুখি হ'ব দক্ষিণ আফ্ৰিকাৰ। উল্লেখ্য যে ভাৰতীয় বেডমিণ্টন দলে প্ৰথম মেচত পাকিস্তানক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰি অভিযান আৰম্ভ কৰাৰ পাছত দ্বিতীয় মেচত ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল শ্ৰীলংকাক।

## মহিলা হকী দলৰ ক্ৰমাগত দ্বিতীয় জয়

# ১১-০ ত জয়ী পুৰুষ দলৰ

**বাৰ্মিংহাম, ৩১ জুলাই ঃ** ভাৰতৰ মহিলা হকী দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত ক্ৰমাগত দ্বিতীয় বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। গ্ৰুপৰ দ্বিতীয়খন মেচত ভাৰতৰ মহিলা হকী দলে ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৱেলছক। ভাৰতীয় দলৰ হৈ বন্দনা কাটাৰিয়াই দুটা আৰু গুৰজিত কৌড়ে এটা গ'ল দিয়ে। উল্লেখ্য যে ইয়াৰপূৰ্বে ভাৰতৰ মহিলা হকী দলে প্ৰথম মেচত ৫-০ গ'লৰ ব্যৱধানত ঘানাক পৰাস্ত কৰি প্ৰত্যাশিত আৰম্ভণি কৰিছিল। টকিঅ' অলিম্পিকত ছেমিফাইনেল খেলি চমক সৃষ্টি কৰা ভাৰতৰ মহিলা হকী দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত পদক জয়ৰ লক্ষ্য লৈছে। ইফালে, ভাৰতৰ পুৰুষ হকী দলে আজি বাৰ্মিংহাম কমনৱেলথ গেমছত নিজৰ অভিযান আৰম্ভ কৰে ঘানাৰ বিৰুদ্ধে খেলি। মেচখনত ভাৰতে ১১-০ গ'লত জয়লাভ কৰে।



## বিলাসনন্দন চৰা



# জেহাদীবোৰ এৰিব লাগে

**ৰাজসভাত** চলি আছিল ২০২৪ৰ আলেখ-লেখ। বাদশ্বাহে কিছুমান কথা বহুদিনৰ পৰা মন কৰি আছে। ভোট চমু চাপি অহাৰ লগে লগে বহুতে লাইমলাইটলৈ আহিবলৈ চেষ্টা কৰিছে। কিছুমানেতো এনে ভাৱ দেখুৱাবলৈ লৈছে যেন বাদশ্বাহ একোৱে নহয়, যি কৰিছে তেৱেঁই কৰিছে। পেটে পেটে বাদশ্বাহৰ বৰ খং উঠি আছে। কৰিশ্মা শ্বাহেতো জধে-মধে কৰিশ্মা দেখুৱাবলৈ লৈছে। যোগীৰতো কথাই নাই। দিনে-ৰাতিয়ে বিজী হৈ আছে বাদশ্বাহৰ পৰা তেওঁৰ লবীটোক কেনেকৈ বিয়োগ কৰি দিব পাৰি। হঠাতে খং উঠি বাদশ্বাহে ৰাজসভাতে চিঞঁৰি দিলে—'এই জেহাদীবোৰ এৰিব লাগে!'

বাদশ্বাহৰ হুকুম শুনি আটায়ে আচৰিত—'বাদশ্বাহে এইবোৰ কি কৈছে?'

ঃ আমিও একো বুজি পোৱা নাই।
ঃ বাদশ্বাহে জেহাদীবোৰক এৰিবলৈ কৈছে! ইমানদিনে দেখোন বাদশ্বাহে য'তে-ত'তে জেহাদীবোৰ দেখিছিল।
ঃ মাদ্রাছাৰ নাম শুনিলেই দেখোন জেহাদী জেহাদী বুলি চিঞঁৰিছিল।
ঃ জেহাদীৰ নাম নল'লে বাদশ্বাহৰ মুখলৈকে ভাত নগৈছিল।
ঃ আখামতো কম জেহাদী ধৰি আছেনে?
ঃ অ'তো আকৌ! দুদিনমান একো ইছ্যু নাথাকিলে জেহাদী ধৰা পৰেই।
ঃ আৰু অলপ ঝামেলাৰ ইছ্যু ওলোৱা যেন হ'লেও জেহাদী ধৰা পৰে।
ঃ এই জেহাদীবোৰ প্ৰতিখন ৰাজ্যৰ জিলাই জিলাই আছে।
ঃ জিলাত নহয়, জেলত আছে।
ঃ হেজাৰৰো বেছি হ'ব।
ঃ হ'বতো!
ঃ বাদশ্বাহৰ মতে, এইবোৰক এতিয়া এৰিব লাগে।
ঃ এৰি দিলে কি হ'ব?
ঃ কিয়, বাদশ্বাহৰ কথা মনত নাই?



ঃ আছে।
ঃ চাৰিজনমানক এৰি দিয়া নাছিল জানো?
ঃ দিছিল।
ঃ তাৰ পাছত কি হ'ল?
ঃ পাৰ্লিয়ামেণ্টত এটেক হ'ল।
ঃ এইবাৰো যে নহ'ব তাৰ কি মানে আছে?
ঃ একো মানে নাই।
ঃ এইবোৰ কথা বাদশ্বাহেও জানে।
ঃ জানে।
ঃ জানি-শুনি এনে কথা তেওঁ কিয় কৈছে বা?
ঃ টেনছনতে কৈছে নেকি?
ঃ কিহৰ টেনছন?
ঃ নহয় মানে বহুতে চকু দি আছেতো!
ঃ ক'ত?
ঃ কুৰ্চীত।
ঃ কাৰ?
ঃ বাদশ্বাহৰ।
ঃ পাৰিব জানো।
ঃ নাজানো নহয়।
ঃ টেনছনতে যদি বাদশ্বাহে কিবা ভুল কথা কৈছে, আমি তাক শুধৰাব লাগিব।
ঃ সেইটোতো হয়েই। ব'লাচোন?

সভাসদকেইজনমানে আলোচনামৰ্মে বাদশ্বাহৰ কাষলৈ গ'ল—'জাহাপনা!'

ঃ কি হ'ল?
ঃ আপুনি এটা হুকুম দিছে নেকি?
ঃ দিছো।
ঃ এয়া কেনে হুকুম দিছে জাহাপনা?
ঃ কি হুকুম দিছো?
ঃ আপুনি জেহাদীবোৰক এৰিবলৈ কিয় কৈছে?

বাদশ্বাহে খঙতে গৰজি উঠিল—'ক'ত জেহাদীবোৰ এৰিবলৈ ক'লোহে! আমাৰ মাজৰ জেদাজেদিবোৰহে এৰিব কৈছো। জিভা শ্লিপ হ'ল চাগে। জেদাজেদি গৈ জেহাদী হ'ল!'

# অৰুণাচল নিৰুদ্দিষ্ট পাঁচ শ্ৰমিকৰ তিনিজন স্বগৃহত ঃ এজন মৃত, এজন সন্ধানহীন

**অগ্রদূত বাৰ্তা**

**সোণতলী, ৩১ জুলাই ঃ** অৰুণাচলত ঠিকাদাৰৰ নিৰ্যাতনৰ বলি হৈ পলায়ন কৰা চেঙা সমষ্টিৰ মৰিচাকান্ধীৰ পাঁচজন শ্ৰমিকৰ ভিতৰত তিনিজন শ্ৰমিক আজি উপস্থিত হয় মৰিচাকান্ধী গাঁৱত। ফলত গাঁওখনত সৃষ্টি হয় এক শোকাকুল পৰিৱেশৰ। উল্লেখ্য যে যোৱা ১৭ জুনত সোণতলীৰ চাউৰদিয়া গাঁৱৰ আকবৰ আলীৰ পুত্ৰ ময়দুল ইছলামে চেঙা সমষ্টিৰ মৰিচাকান্ধী গাঁৱৰ পাঁচজন শ্ৰমিকক অৰুণাচললৈ লৈ যায়। ভুক্তভোগীৰ অভিযোগমৰ্মে অৰুণাচল প্ৰদেশৰ কুৰুম কুমে জিলাত ভাৰত-চীন সীমান্তত দলং নিৰ্মাণৰ কামত নিয়োগ কৰি অৰুণাচলৰ ঠিকাদাৰৰ পৰা ২০ লাখ টকা লৈ পলায়ন কৰে চাউৰদিয়া গাঁৱৰ ঠিকাদাৰৰূপী ময়দুল ইছলামে। ইফালে, কৰ্মস্থলীত নানা ধৰণৰ শাৰীৰিক-মানসিক অত্যাচাৰৰ বলি হৈ পাঁচ জুলাইত শ্ৰমিকসকলে ঘৰলৈ অহাৰ কথা কোৱাত ক্ৰোধান্বিত হৈ অৰুণাচলৰ ঠিকাদাৰে শূন্যলৈ দুই জাঁই গুলি নিক্ষেপ কৰাৰ লগতে ডেগাৰ দেখুৱাই কাটি টুকুৰা টুকুৰা কৰি নদীত পেলাই দিয়াৰ ভাবুকি প্ৰদান কৰে। এনে ধৰণৰ ভয়-ভাবুকিৰ ফলত কৰ্মস্থলীৰ পৰা পলায়ন কৰি ঘৰলৈ ওভতাৰ পথত অৰুণাচল প্ৰদেশৰ ঘন অৰণ্যত নিৰুদ্দেশ হয় অসমৰ বিভিন্ন ঠাইৰ ১৯জন শ্ৰমিক। তাৰ ভিতৰত আছিল মৰিচাকান্ধী গাঁৱৰ পাঁচজন শ্ৰমিক। ইয়াৰে তিনি শ্ৰমিক আজি উপস্থিত হয় নিজ গৃহত। গাঁওখনত উপস্থিত হৈ তেওঁলোকে সকলো কথা বিৱৰি কয় অৰুণাচলৰ ঘন জংঘলত নিৰুদ্দেশ হৈ নিজ চকুৰ সন্মুখতে লগৰীয়াৰ মৃত্যুৰ ভয়াৱহতাৰ কথা।

মৰিচাকান্ধীৰ পাঁচজন শ্ৰমিকৰ ভিতৰত এজন শ্ৰমিক দুৰ্বল হৈ পৰাত তিনিদিন পৰ্যন্ত কান্ধত তুলি যাত্ৰা অব্যাহত ৰাখিছিল যদিও অৱশেষত তেওঁৰ মৃত্যু হোৱাত মৃতদেহ কল পাতেৰে ঢাকি থৈ আহে অৰুণাচলৰ ঘন জংঘলত। ইয়াৰে আন এগৰাকী শ্ৰমিকে কষ্ট সহ্য কৰিব নোৱাৰি নদীত জাঁপ দি নিৰুদ্দেশ হৈ পৰে। এনে ধৰণৰ বিৱৰণ শুনি আতংকিত হৈ পৰিছে গাঁওবাসী। ইফালে, ঠিকাদাৰ ৰূপী প্ৰৱঞ্চক চাউৰদিয়া গাঁৱৰ ময়দুল ইছলামক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তিৰ দাবী জনাইছে স্থানীয় ৰাইজে। লগতে মৃত শ্ৰমিকসকলৰ মৃতদেহ পৰিয়ালক চমজাই দিয়াৰ উপৰি আৰ্থিক সাহায্যৰ দাবী জনাইছে গাঁওবাসীয়ে।

# এক চিকিৎসাতে নিৰাময় হ'ল দুই মাৰাত্মক ৰোগ

## এইড্‌ছ-কৰ্কটক এবাৰতে দূৰ কৰি সুস্থ হৈছে এজন ৰোগী



**■ নিউজ ব্যুৰ'**

**মন্ট্ৰিল, ৩১ জুলাই ঃ** ১৯৮৮ত এইড্‌ছত আক্ৰান্ত হৈছিল ৬৬ বছৰীয়া এজন লোক। ২০১৯ত তেওঁ আক্ৰান্ত হয় লিউকেমিয়াত। অথচ এজন সম্পৰ্কহীন দাতাৰ ষ্টেম চেল প্ৰতিস্থাপনৰ পাছত তেওঁ এইছআইভি আৰু কৰ্কট উভয় ৰোগৰ পৰাই মুক্তি লাভ কৰিছে। সম্প্ৰতি কানাডাৰ মন্ট্ৰিলত অনুষ্ঠিত আন্তৰ্জাতিক এইড্‌ছ সন্মিলনত এই সাফল্যৰ কথা ঘোষণা কৰা হৈছে। বিশ্বৰ চতুৰ্থ ৰোগীৰূপে এইছআইভি ভাইৰাছৰ কবলত পৰা মুক্তি পালে সেই লোকজনে। সম্প্ৰতি লোকজনৰ শৰীৰত কৰ্কটৰ কোনো লক্ষণ নাই বুলিয়ে জনাইছে তেওঁৰ চিকিৎসকসকলে। এই ঘটনা সংঘটিত হৈছে আমেৰিকাৰ কেলিফ'ৰ্ণিয়াত।

আমেৰিকাৰ অন্যতম বৃহত্তম কৰ্কট গৱেষণা আৰু চিকিৎসা সংস্থা তথা মধুমেহ আৰু অন্যান্য মাৰাত্মক ৰোগৰ বাবে শীৰ্ষস্থানীয় গৱেষণা সংস্থাসমূহৰ অন্যতম 'চিটি অৱ হোপ'ত সেই ৰোগীজনক চিকিৎসা কৰা হৈছিল। বিৰল জেনেটিক মিউটেছন সহ এজন দাতাৰ পৰা ষ্টেম চেল লাভ কৰাৰ পাছত এবছৰৰো অধিক সময় ধৰি এণ্টিৰেট্ৰ'ভাইৰেল থেৰাপী (এআৰটি) অবিহনেই দীৰ্ঘম্যাদী এইছআইভিৰ পৰা মুক্তি পোৱা সবাতোকৈ বয়স্ক লোকত পৰিণত হৈছে এই ৰোগীজন। চিকিৎসকৰ দলে জনাইছে যে চিকিৎসাৰ বাবে তেওঁলোকে ব'ন মেৰ' প্ৰতিস্থাপন কৰাৰ সিদ্ধান্ত লৈছিল। সহজ ভাষাত ক'বলৈ গ'লে হাড়ৰ মজ্জাৰ যি অংশৰ পৰা ৰক্তকণিকা সৃষ্টি হয়, সেই অংশ এই প্ৰক্ৰিয়াৰ দ্বাৰা প্ৰতিস্থাপন কৰা হয়। এই ক্ষেত্ৰত যিজন লোকে ষ্টেম চেল দান কৰিছিল, সেই লোকজনৰ শৰীৰত 'চিচিআৰ ৫ ডেল্টা ৩২' নামৰ এবিধ জিন অনুপস্থিত আছিল। এই জিনৰ অনুপস্থিতিয়ে মানৱদেহক এইছআইভি ভাইৰাছ প্ৰতিহত কৰাত সহায় কৰে। ফলত ব'ন মেৰ' প্ৰতিস্থাপন কৰাৰ পাছত সুস্থ হৈ উঠিছে সেই ৰোগী।

'চিটি অৱ হোপ' কৰ্তৃপক্ষই জনাইছে যে ৰোগীয়ে তেওঁৰ ষ্টেম চেল প্ৰতিস্থাপনৰ পূৰ্বে কেম'থেৰাপী ভিত্তিক, কম প্ৰাবল্যৰ ট্ৰেন্সপ্লেণ্ট চিকিৎসা লাভ কৰিছিল। এই চিকিৎসাই বয়স্ক ৰোগীৰ বাবে প্ৰতিস্থাপনক অধিক সহনীয় কৰি তোলে আৰু ট্ৰেন্সপ্লেণ্ট সম্পৰ্কীয় জটিলতাৰ সম্ভাৱনা হ্ৰাস কৰে। এই ঘোষণাই লাখ লাখ কৰ্কট আৰু এইছআইভি ৰোগীৰ মনত আশাৰ সঞ্চাৰ কৰিলেও অৱশ্যে একাংশ বিশেষজ্ঞই সতৰ্ক কৰি দিছে। এই পদ্ধতি এইছআইভিৰ বাবে কাৰ্যকৰী নহয় বুলিহে তেওঁলোকে সতৰ্ক কৰিছে।



# ম'হতকৈও দাম কমিছে সিংহৰ

## পাকিস্তানত অতি সস্তাতে বিক্ৰী কৰিছে পশুৰাজক

**■ নিউজ ব্যুৰ'**

**কৰাছী, ৩১ জুলাই ঃ** পশুৰ ৰজা, সেই দিশৰ পৰা মূল্যও হ'ব লাগিছিল বিপুল। অথচ এতিয়া ঘৰচীয়া ম'হতকৈও সস্তীয়া হৈ পৰিছে সিংহ। পশুৰাজৰ এই অৱস্থা হৈছে পাকিস্তানত। সেই দেশত এতিয়া সিংহৰ তুলনাত অধিক দামী হৈ পৰিছে ম'হ। পাক সংবাদ মাধ্যমৰ তথ্য অনুসৰি, পাকিস্তানত ম'হৰ দাম আৰম্ভ হৈছে তিনি লাখ ৫০ হেজাৰ টকাৰ পৰা। যি মূল্য ঠাইবিশেষে ১০ লাখ টকা পৰ্যন্ত হৈছে। অথচ মাত্ৰ ডেৰ লাখ টকা খৰচ কৰিলেই পশুৰাজক ক্ৰয় কৰা সম্ভৱ হৈ পৰিছে।

পাকিস্তানৰ এটা টিভি চেনেলে এই তথ্য দাঙি ধৰি জনাইছে যে লাহোৰৰ 'ছাফাৰী জু' কৰ্তৃপক্ষই তেওঁলোকৰ জিম্মাত থকা কমেও ১২টা আফ্ৰিকান সিংহ বিক্ৰী কৰাৰ সিদ্ধান্ত লৈছে। বিগত কিছুদিন ধৰি চিৰিয়াখানা কৰ্তৃপক্ষৰ পুঁজিৰ অভাৱ ঘটি আছে। সেই অভাৱ পূৰণ কৰিবলৈকে তেওঁলোকে একোটা সিংহ ডেৰ লাখ টকাত বিক্ৰী কৰিবলৈ ওলাইছে। এই ১২টা আফ্ৰিকান সিংহৰ ভিতৰত তিনিজনী মাইকীও আছে। পাক সংবাদ মাধ্যমে জনাইছে যে লাহোৰৰ সেই চিৰিয়াখানা ১৪২ একৰ ভূমিলৈ বিস্তৃত। তাত ৪০টাৰো অধিক আফ্ৰিকান সিংহ আছে।

চিৰিয়াখানা সূত্ৰৰ উদ্ধৃতি দি উক্ত সংবাদ মাধ্যমে জনাইছে যে ইমানবোৰ সিংহ চোৱাচিতা কৰা আৰু সিহঁতৰ খাদ্যকে ধৰি অন্যান্য খৰচ বহন কৰাটো চিৰিয়াখানা কৰ্তৃপক্ষৰ বাবে সম্প্ৰতি কঠিন হৈ পৰিছে। সেই বাবেই বিক্ৰীৰ সিদ্ধান্ত লোৱা হৈছে।

উল্লেখ্য যে সমগ্ৰ পাকিস্তানেই এই মুহূৰ্তত কিছু আৰ্থিক সংকটত ভুগি আছে। ইন্ধনৰ দাম মাত্ৰাধিক বৃদ্ধি পাইছে। নিত্য প্ৰয়োজনীয় সামগ্ৰীৰো অত্যধিক দাম বাঢ়িছে। উক্ত সংবাদ মাধ্যমে লগতে জনাইছে যে আগষ্টৰ প্ৰথম সপ্তাহৰ পৰাই লাহোৰৰ চিৰিয়াখানাৰ পৰা মানুহে সেই সিংহবোৰ ক্ৰয় কৰিব পাৰিব। পশুপ্ৰেমী পাক নাগৰিককহে সেই সিংহবোৰ বিক্ৰী কৰা হ'ব। উল্লেখ্য যে যোৱা বছৰো উক্ত চিৰিয়াখানা কৰ্তৃপক্ষই ১৪টা সিংহ বিক্ৰী কৰিছিল।

## গীনেছ বুকত নাম লিখালে পুনেৰ সাত বছৰীয়া শিশুৱে

# ২০খন গাড়ীৰ তলেৰে দ্ৰুততম স্কেটিং



**■ নিউজ ব্যুৰ'**

**পুনে, ৩১ জুলাই ঃ** স্কেটিং তুলনাত কম পৰিচিত খেল যদিও জনপ্ৰিয়তাত বৰ বেছি পিছ পৰি থকা নাই। বিশেষকৈ ভাৰতত ক্ৰমাৎ তৰুণ প্ৰজন্মৰ মাজত এই খেলৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। এই স্কেটিঙৰ জৰিয়তেই সম্প্ৰতি সমগ্ৰ বিশ্বক চমক দিলে মহাৰাষ্ট্ৰৰ পুনেৰ এটি সাত বছৰীয়া কন্যাশিশুৱে। দেছনা নাহাৰ নামৰ এই শিশুটিয়ে সমগ্ৰ দেশকে গৌৰৱান্বিত কৰি তুলিছে। শাৰী পাতি ৰখাই থোৱা ২০খন গাড়ীৰ তলেৰে সবাতোকৈ দ্ৰুতগতিত স্কেটিং কৰি সম্প্ৰতি গীনেছ ৱৰ্ল্ড ৰেকৰ্ডত নাম লিখালে দেছনাই। এই ক্ষেত্ৰত শিশুটিয়ে ভংগ কৰিলে 'লিম্ব স্কেটিং'ৰ সাত বছৰৰ পুৰণি বিশ্ব অভিলেখ। সেই অভিলেখ আছিল এগৰাকী চীনা কিশোৰীৰ দখলত।

উল্লেখ্য যে সাধাৰণ স্কেটিঙৰ তুলনাত লিম্ব স্কেটিং বহু বেছি কঠিন। এই ক্ষেত্ৰত স্কেটিঙত দক্ষতা থকাৰ সমান্তৰালকৈ নিজৰ শৰীৰকো অত্যন্ত নমনীয় কৰি তুলিব লাগিব। ক'বলৈ গ'লে এজন জিমনাষ্টিক খেলুৱৈৰ প্ৰায় সকলো গুণ থাকিব লাগে লিম্ব স্কেটাৰৰ মাজত। তেতিয়াহে নিজৰ শৰীৰটো প্ৰায় মাটিৰ সমান্তৰাল স্থিতিলৈ আনি গাড়ীৰ তলেৰে স্কেটিং কৰাটো সম্ভৱ। সেই কঠিন কামেই কৰি দেখুৱালে পুনেৰ প্ৰাথমিক স্কুলৰ ছাত্ৰী সাত বছৰীয়া দেছনাই। ২০খন গাড়ীৰ তলেৰে স্কেটিং কৰিবলৈ দেছনাক প্ৰয়োজন হয় মাত্ৰ ১৩.৭৪ ছেকেণ্ড। সাত বছৰৰ পূৰ্বে অৰ্থাৎ ২০১৫ত চীনৰ এগৰাকী ১৪ বছৰীয়া কিশোৰীয়ে ১৪.১৫ ছেকেণ্ডত ২০খন গাড়ীৰ তলেৰে স্কেটিং কৰি পূৰ্বৰ অভিলেখ প্ৰতিষ্ঠা কৰিছিল। দেছনাই নতুন বিশ্ব অভিলেখ গঢ়াৰ পাছত আনন্দিত পিতৃ আদিত্য নাহাৰে জনায় যে পাঁচ বছৰ বয়সৰ পৰাই তেওঁৰ কন্যা স্কেটিঙৰ প্ৰেমত পৰিছিল। বিগত দুবছৰ ধৰি দেছনাই স্কেটিং শিকিছে। লিম্ব স্কেটিঙৰ বাবে তেওঁ বিগত ছমাহ ধৰি বিশেষ অনুশীলন কৰিছিল। নাহাৰে লগতে জনায় যে নতুন অভিলেখৰ বাবে বিগত এমাহ ধৰি তেওঁৰ কন্যাই পুনে কাটৰাজ খাণ্ডোৱা ৰোডত অনুশীলন চলাইছিল। এতিয়া তাৰেই ফল পালে দেছনাই। যোৱা ১৪ জুনত গীনেছ কৰ্তৃপক্ষৰ তৰফৰ পৰা দেছনালৈ নতুন বিশ্ব অভিলেখৰ প্ৰমাণপত্ৰ প্ৰেৰণ কৰে।

# মুখ্যমন্ত্ৰী শিশু সেৱা আঁচনিৰ অধীনত আঠ অনাথ শিশুক আৰ্থিক সাহায্য প্ৰদান চৰকাৰৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩১ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনত মুখ্যমন্ত্ৰীৰ সভাগৃহত আয়োজিত এক অনুষ্ঠানত ক'ভিড-১৯ অতিমাৰীৰ সময়ত পিতৃ-মাতৃক হেৰুৱাই অনাথ হোৱা আঠগৰাকী শিশুক মুখ্যমন্ত্ৰীৰ শিশু সেৱা আঁচনি (দ্বিতীয় পৰ্যায়)ৰ অধীনত আৰ্থিক সাহায্য প্ৰদান কৰে। এই আৰ্থিক সাহায্য লাভ কৰা অনাথ শিশুসকল হৈছে মনজিৎ বড়ো, তছলিমা খাতুন, ৰাজু চৌহান, আন্নাছ আলী, অৰ্জুন পেগু, শিৱা পেগু, শিবানী পেগু আৰু প্ৰিয়ংকা কলিতা।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কামৰূপ জিলাৰ বকো থানাৰ অন্তৰ্গত সাতেকোণা গাঁৱত সংঘটিত লোমহৰ্ষক ঘটনাত অনাথ হোৱা টুইছবৰ আৰ মাৰাক আৰু জৰেকা আৰ মাৰাককো আৰ্থিক সাহায্য আগবঢ়ায়। উল্লেখ্য যে এই দুই শিশুৰ পিতৃ মইনোত দি চাংমা আৰু মাতৃ চালজে আৰ মাৰকক ২০২১ৰ পহিলা ছেপ্টেম্বৰৰ নিশা দুষ্কৃতিকাৰীয়ে হত্যা কৰিছিল। এই সাহায্যৰ অধীনত অনাথ শিশুসকলে তেওঁলোকৰ প্ৰতিগৰাকীৰ নামত কৰা স্থায়ী জমা (ফিক্স ডিপ'জিট) ৭.৬৭ লাখ টকাৰ পৰা লাভ কৰা সুদ ৩৫০০ টকাকৈ প্ৰতিমাহে লাভ কৰি থাকিব। এই শিশুসকলে ২৪ বছৰ বয়স নোহোৱালৈকে মাহেকীয়া আয় আঁচনি (এম আই এছ)ৰ অধীনত ধন লাভ কৰি থাকিব। পৰৱৰ্তী পৰ্যায়ত এই ধন তেওঁলোকে উলিয়াব পাৰিব অথবা পুনৰ স্থায়ী জমা হিচাপে ৰাখিব পাৰিব।

আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়া, ৰাজ্য সভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, মুখ্য সচিব জিষ্ণু বৰুৱা আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।





ঢকুৱাখনা নাট্য বিদ্যালয়ৰ শিশু ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা 'বেডৰুম' নাটক মঞ্চস্থ, ঢকুৱাখনাত শনিবাৰে।

# কঁহৰাত অসমী হাট মুকলি মন্ত্ৰীৰ

## সামগ্ৰীৰ মানত গুৰুত্ব দিবলৈ আহ্বান মহন্তৰ

**অগ্রদূত বাৰ্তা**

**বোকাখাত, ৩১ জুলাই ঃ** 'কাজিৰঙাখন পৰ্যটনৰ এক অভিকেন্দ্ৰ হোৱাৰ বাবে এই অঞ্চলত হস্ততাঁত আৰু হস্তশিল্প বজাৰৰ অপৰিসীম সম্ভাৱনা আছে। এই বিপণীসমূহত মহিলা আত্মসহায়ক গোটসমূহৰ দ্বাৰা প্ৰস্তুত কৰা থলুৱা হস্ততাঁত বস্ত্ৰ আৰু অন্য সামগ্ৰী বিক্ৰী কৰা হ'ব।' এই মন্তব্য কৃষি আৰু পশুপালন আদি বিভাগৰ মন্ত্ৰী অতুল বৰাৰ। কালি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত অসমী হাট মুকলি অনুষ্ঠানত মন্ত্ৰী বৰাই লগতে কয়, 'এই পদক্ষেপে গ্ৰাম্য মহিলাসকলক স্ব-নিয়োজনৰ সুযোগ লাভ কৰাত অধিক উৎসাহিত কৰিব।'

উল্লেখ্য যে মহিলা সবলীকৰণৰ দিশত বিশেষভাৱে গুৰুত্ব আৰোপ কৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, গোলাঘাট আৰু জিলা গ্ৰামোন্নয়ন অভিকৰণ, গোলাঘাটৰ উদ্যোগত তথা পশ্চিম কাজিৰঙা গাঁও পঞ্চায়ত আৰু নুমলীগড় শোধনাগাৰৰ সহযোগত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতেই মুকলি কৰা হৈছে অসমী হাট। কালি মন্ত্ৰী বৰাৰ লগতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ইত্যাদি বিভাগ তথা গোলাঘাট জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই এই হাটখন মুকলি কৰে। উল্লেখ্য যে এই হাটত গোলাঘাট জিলাৰ আঠটা উন্নয়ন খণ্ডৰ অন্তৰ্গত মহিলা আত্মসহায়ক গোটসমূহে প্ৰস্তুত কৰা উৎকৃষ্ট মানৰ বিভিন্ন সামগ্ৰী উপলব্ধ হ'ব। অনুষ্ঠানত স্বাস্থ্যমন্ত্ৰী মহন্তই গ্ৰাম্য মহিলাসকলক তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ বিক্ৰীৰ বাবে এখন মঞ্চ দিয়াত এই প্ৰয়াসৰ ভূঁয়সী প্ৰশংসা কৰে। তেওঁ কয় যে এনে প্ৰচেষ্টাই মহিলাসকলক আৰ্থিকভাৱে স্বচ্ছল কৰি তোলাত সহায় কৰিব আৰু তেওঁলোকে দুগুণ উৎসাহেৰে কৰ্মক্ষেত্ৰত আত্মনিয়োগ কৰিবলৈ অনুপ্ৰাণিত হ'ব। তেওঁ লগতে সামগ্ৰীৰ মানৰ ওপৰত গুৰুত্ব দিবলৈ মহিলাসকলক আহ্বান জনায়।

অনুষ্ঠানত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক কৃষ্ণা বৰুৱা আৰু গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই মহিলা আত্মসহায়ক গোটৰ সদস্যাসকলক উৎসাহিত কৰি ভাষণ দিয়ে। কালিৰ এই অনুষ্ঠানত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ধীৰাজ দাস, বোকাখাতৰ মহকুমাধিপতি ডাঃ নেহা যাদৱ, জিলা গ্ৰামোন্নয়ন অভিকৰণৰ প্ৰকল্প সঞ্চালক অবিনাশ শইকীয়া, নুমলীগড় ৰিফাইনেৰী লিমিটেডৰ মহাপ্ৰবন্ধক মিণ্টু সন্দিকৈ, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, গোলাঘাটৰ জিলা প্ৰকল্প প্ৰবন্ধক মাধুৰ্য প্ৰসাদ বৰা, বিজেপিৰ জিলা সভাপতি দেৱপ্ৰদীপ বৰাৰ লগতে উন্নয়ন খণ্ড বিষয়া, পঞ্চায়ত প্ৰতিনিধিসকল, জীৱিকা সখী, মহিলা আত্মসহায়ক গোটৰ সদস্য উপস্থিত আছিল।

## ৭০ শতাংশ হিতাধিকাৰীয়েই বিক্ৰী কৰে চৰকাৰী আঁচনিৰ চাউল

# খাদ্য সুৰক্ষা আঁচনিৰ চাউলেৰে প্ৰস্তুত হৈছে চুলাই মদ-গাহৰিৰ খাদ্য

**অগ্রদূতবাৰ্তা**

**শুৱালকুছি, ৩১ জুলাই ঃ** চৰকাৰে দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালক বিনামূলীয়াকৈ যোগান ধৰা খাদ্য সুৰক্ষা আঁচনিৰ চাউলেৰে চুলাই মদ আৰু গাহৰিৰ খাদ্য প্ৰস্তুত কৰাৰ খবৰ সম্প্ৰতি পোহৰলৈ আহিছে। এই তথ্যই সম্প্ৰতি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চৰকাৰৰ বদান্যতাক ধূলিসাৎ কৰি চৰকাৰী চাউল অবৈধ চুলাই মদৰ কাৰখানাত একাংশ হিতাধিকাৰীয়ে বিক্ৰী কৰা কাৰ্যত উষ্মা প্ৰকাশ কৰিছে সচেতন মহলে। উল্লেখ্য যে কামৰূপৰ গন্ধমৌ অঞ্চলত থকা এনে একাধিক অবৈধ চুলাই মদৰ কাৰখানাত হিতাধিকাৰীয়ে বিক্ৰী কৰে তেওঁলোকে লাভ কৰা চৰকাৰী চাউল। উক্ত কাৰখানাসমূহত চুলাইৰ উপৰি এই চৰকাৰী চাউলেৰে গাহৰিৰ খাদ্য 'মেৰাও' তৈয়াৰ হৈ আহিছে। বিশেষ সূত্ৰই অভিযোগ কৰা মতে, প্ৰায় ৭০ শতাংশ হিতাধিকাৰীয়ে এই চাউল ১০ৰ পৰা ২০ টকা দৰত বিক্ৰী কৰে। ইপিনে, চৰকাৰে বিতৰণ কৰা চাউলৰ মান অতি নিম্ন বুলিও অভিযোগ আছে। সময়ে সময়ে খোৱাৰ অনুপযোগী চাউল যোগান ধৰাত একাংশ হিতাধিকাৰীয়ে সেইবোৰ বিক্ৰী কৰি পোৱা ধনেৰে আন চাউল ক্ৰয় কৰে বুলিও সূত্ৰই কয়। এই সন্দৰ্ভতে শুৱালকুছিত খাদ্য সুৰক্ষা আঁচনিৰ হিতাধিকাৰী নিৰ্বাচন প্ৰক্ৰিয়াৰ পুনৰীক্ষণৰ প্ৰয়োজনীয়তা আহি পৰিছে বুলি সচেতন মহলে দাবী তুলিছে। কিয়নো সমবায় সমিতিৰ অন্তৰ্গত অঞ্চলত অধিকাংশ লোক এই চৰকাৰী আঁচনিৰ আওতাত নপৰে। গতিকে এওঁলোকে লাভ কৰা চাউলসমূহ এজেণ্টৰ জৰিয়তে মদৰ মহললৈ যোৱাটো নুই কৰিব নোৱাৰি। একাংশ আঢ্যৱন্ত লোকে লাভ কৰা চাউলসমূহ বিক্ৰী কৰি অবৈধ চুলাই প্ৰস্তুতত সাহায্য কৰি সামাজিক পৰিৱেশ বিনষ্ট হোৱাতো অৰিহণা যোগাইছে বুলি সূত্ৰই অভিযোগ কৰে। মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিতে ঘটা এনে ঘটনাক পুনৰীক্ষণৰ জৰিয়তে চাউল বিক্ৰী কৰা কাৰ্যত নাকী লগাবলৈ বিভাগীয় কৰ্তৃপক্ষক স্থানীয় সচেতন লোকসকলে অনুৰোধ জনাইছে।



ড্ৰীম হাউছ মিউজিক এণ্ড ফিল্ম একাডেমীয়ে আয়োজন কৰা ফেশ্বন ফটোগ্ৰাফী কৰ্মশালাত বলিউডৰ বিশিষ্ট ফেশ্বন ফটোগ্ৰাফাৰ ডাবু ৰত্নানীৰ প্ৰশিক্ষাৰ্থীৰে বাৰ্তালাপ, মহানগৰীত দেওবাৰে।

# খটখটীত আঠ কোটি টকাৰ হেৰ'ইনসহ ধৃত

**অগ্রদূত বাৰ্তা**

**বোকাজান, ৩১ জুলাই ঃ** আজি বোকাজানৰ খটখটী আৰক্ষীয়ে খটখটীৰ এমভিআই পইণ্ট চাৰিআলিত তালাচীত ৯৬৬ গ্ৰাম হেৰ'ইন জব্দ কৰাৰ লগতে আটক কৰে দুই সৰবৰাহকাৰীক। আৰক্ষীৰ সূত্ৰ অনুসৰি ডিমাপুৰৰ দিশৰ পৰা অহা ডব্লিউ বি-৭৪ পি-৪৪৫৬ নম্বৰৰ এখন ছুইফট গাড়ীত তালাচী চলাই আসনৰ তলত সুমুৱাই অনা ৭৫টা চাবোনৰ বাকচত উক্ত হেৰ'ইনখিনি উদ্ধাৰ কৰে। আৰক্ষীয়ে গাড়ীখনত অহা নগালেণ্ডৰ ফেক জিলাৰ মেলৰিৰ চল'মন থ'ৰ আৰু চাইমন থ'ৰক আটক কৰে।

অগ্রদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্রদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্রিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com